# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ১৯/০২/২০২৬ বৃহস্পতিবাৰ

**ইংৰাজী ১৯-০২-২০২৬ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত পূৰ্বৰ নিৰ্দ্ধাৰিত সময়সূচী মতে অসমৰ বিধান সভাৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪১, শ্ৰীদেবব্ৰত শইকীয়া, তেখেত অনুপস্থিত। প্ৰশ্ন নং ৪২, শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, তেখেত অনুপস্থিত। প্ৰশ্ন নং ৪৩, মাননীয় সদস্য শ্ৰী হিতেন্দ্ৰনাথ গোস্বামী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীহিতেন্দ্ৰনাথ গোস্বামী, যোৰহাট ঃ** অধ্যক্ষ ডাঙৰীয়া, মোৰ ভাগ্য ভাল সেই কাৰণে এই প্ৰশ্নটো পালো। মই সুবিধাটো পোৱাৰ বাবে ধন্যবাদ। ৫ বছৰৰ সদনৰ কাৰ্যকালৰ এই অন্তিম দিনটোত আমি উত্থাপন কৰা প্ৰশ্নটোৰ উত্তৰ পাই মই সুখী হৈছো। আমাৰ প্ৰশ্নৰ উত্তৰৰ D para ত শিক্ষামন্ত্ৰীয়ে উল্লেখ কৰিছে A proposal has been recieved from the directorate of Elementary Education Assam for payment of salary in respect to Smti Deepika Konwar. The salary proposal has already been forwarded to the Finance Department for concurrence. Upon reciept of concurrence from the Finance Department, necessity sanction will be issued for release over salary. অধ্যক্ষ মহোদয়, এই ৰিপোৰ্টত প্ৰশ্নটোৰ উত্তৰ এটা দিছে, কিন্তু বিত্ত বিভাগৰ পৰা concurrence অতি শীঘ্ৰে পাবৰ বাবে শিক্ষামন্ত্ৰী ডাঙৰীয়াই বিত্ত বিভাগক হেচা প্ৰয়োগ কৰিব নে?

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰত দীপিকা কোঁৱৰ যি গৰাকী শিক্ষয়িত্ৰীয়ে দীৰ্ঘদিন ধৰি stipendiary post ত চাকৰি কৰিছিল, তেখেতক contractual লৈ অনা আৰু তেখেতক নিয়মিত দৰমহা দিয়া ইয়াৰ গোটেইখিনি ব্যৱস্থাপনা হৈছে। এতিয়া আমি concurrence ৰ বাবে বিত্ত বিভাগলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছোঁ। আজি ৰাতিপুৱাই মই বিত্তবিভাগৰ লগত যোগাযোগ স্থাপন কৰিছোঁ। তেওঁলোকৰ পৰা concurrence টো পোৱাৰ লগে লগে আমি তেখেতক বেতন দিবলৈ সক্ষম হ'ম। গতিকে মই ভাবো বিত্ত বিভাগে এইটো তৎকালে মুকলি কৰি দিব আৰু তেতিয়া দীপিকা কোঁৱৰে দৰমহাখিনি পাব। বাকী সকলো খিনি যি প্ৰশাসনীয় কাম-কাজ আমাৰ কৰিবলগীয়া আছিল সেইখিনি সম্পূৰ্ণ হ'ল। শেষ পৰ্য্যায়ত আছে, তেখেতে দৰমহা পাব।

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, যোৰহাট ঃ** অধক্ষ্য ডাঙৰীয়া, Thank you very much শিক্ষামন্ত্ৰী ডাঙৰীয়াক। কাৰণ কথাটো এনেকুৱা সেই কাৰণে মই মাত্ৰ সুযোগটো লৈছো। প্ৰায় ১০ বছৰ ধৰি যুঁজটো হৈ আছে। আৰু তিনিজন শিক্ষামন্ত্ৰী, আমাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী তেখেতেও আছিল শিক্ষা বিভাগত, মোৰ সতীৰ্থ সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ও আছিল আৰু এতিয়া ডাঃ ৰণোজ পেগু। এই তিনি জনে

গচকি গৈ আছে আৰু মই সুখী যে positive এটা ব্যৱস্থা হৈছে। কিন্তু মোৰ চিন্তা হৈছে দুটা বছৰ হ'ল এতিয়া code of conduct ৰ আগতে সেইটো পামনে নাপাম। নহলে সেইটো আকৌ এটা বছৰলৈ আগলৈ গুচি যাব। সেই কাৰণে মই সেই কথাটোৰ কাৰণে চাইছো যে দুটা বছৰৰ পিছত এই শিক্ষয়িত্ৰী গৰাকীৰ বাবে আৰু অৱসৰৰ বাবে তেখেতৰ প্ৰায় ডেৰ-দুই বছৰ মান আছে। গতিকে তেওঁক এই বস্তুটো কৰি দিব পৰা যায় নেকি? কাৰণ After one month perhaps, it will be difficult to get the solution.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কেচটো এটা extra ordinary case. এনেকুৱা ধৰণৰ কেছ আমাৰ অসমত ক'তো নাই। গতিকে এইটো কৰাৰ পিছত তেওঁৰ কাৰণে বাজেট হেডেক আছিল যে কোনটো হেডৰ পৰা তেখেতে বেতন খিনি পাব। গতিকে আমি বাজেট হেড এটা ক্ৰিয়েট কৰিবলগীয়া হ'ল আৰু বাজেট হেড ক্ৰিয়েট কৰাৰ পাছত বিত্তীয় বছৰটো সেই সময়তে শেষ হোৱাৰ কাৰেণ বাজেট প্ৰভিজনো নাছিল আৰু ইয়াৰ পিছত পুনৰ বিত্ত বিভাগৰ কেইটামান কুৱেৰীৰ আমি উত্তৰ দিব লগীয়া হোৱাৰ কাৰণে বিলম্ব হৈছে, মই দুখিত বিলম্ব হোৱাৰ কাৰণে, এতিয়া আৰু বিলম্ব নহয়। code of conduct ৰ আগতে তেখেতে এই ঐতিহাসিক বহুদিনিয়া সমস্যাটোৰ এটা সমধান হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪৪, শ্ৰীওৱাজেদ আলী চৌধুৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীওৱাজেদ আলী চৌধুৰী, দক্ষিণ শালমাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল যে অসমৰ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ কিমান পদ খালী হৈ আছে? এইটো গোটেই অসমৰ প্ৰশ্ন আছিল। উত্তৰত পাইছো ১৩,২৩৬ টা। মই জানিব বিচাৰিছো মোৰ বিধান সভা সমষ্টিত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ কিমান পদ খালী হৈ আছে?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো মই পঢ়ি দিছো, অসমৰ চৰ এলেকা আৰু গ্ৰামীণ ক্ষেত্ৰত থকা নিম্ন প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়সমূহত কিমান সংখ্যক পদ খালী হৈ আছে? বিদ্যালয়সমূহৰ নাম আৰু খালী পদৰ বিতং বিৱৰণ প্ৰদান কৰিব। এই খিনি বিতং বিৱৰণ খিনি আমি প্ৰদান কৰিছোঁ। এতিয়া নিৰ্দিষ্ট ভাৱে তেখেতৰ বিধান সভা সমষ্টিত কিমান বিদ্যালয়ত কিমান পদ খালী আছে এইটো তেখেতে পৰিপূৰক হিচাপে জানিব বিচাৰিছে, এইখিনি মই তেখেতক ব্যক্তিগত ভাৱে জনাই দিম।

**শ্ৰীওৱাজেদ আলী চৌধুৰী, দক্ষিণ শালমাৰা ঃ** অধ্যক্ষ মহোদয়, মই এইকাৰণেই প্ৰশ্নটো দিছিলো কাৰণ আমাৰ সমষ্টিৰ চৰ অঞ্চলত শিক্ষকৰ সংখ্যা একেবাৰে কম। এখন এখন প্ৰাথমিক বিদ্যালয়ত ৩০০/৪০০ কৈ ছাত্ৰ-ছাত্ৰী আছে তাৰ বিপৰীতে শিক্ষক আছে এজন বা কৰবাত ২ জন। ইতিমধ্যে টেট শিক্ষক কিছুমান নিযুক্তি দিয়া হৈছিল, সেইসকলক কোনোধৰণে তাৰপৰা বদলিকৰণ কৰি লৈ অনা হৈছে। গতিকে অচল অৱস্থাৰ সৃষ্টি হৈ গৈছে চৰ অঞ্চলৰ শিক্ষা ব্যৱস্থা। গতিকে এই কথাটো সোনকালে শিক্ষক নিযুক্তি দি চৰ অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত যিটো অচল অৱস্থা সৃষ্টি হৈছে এইটো সোনকালে আঁতৰাব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কেৱল চৰ অঞ্চল বুলি নহয়, চৰ অঞ্চলৰ

লগতে অসমৰ আন কিছুমান দুৰ্গম অঞ্চল আছে যি দুৰ্গম অঞ্চল সমূহত বাহিৰৰ পৰা যোৱা শিক্ষক-শিক্ষয়িত্ৰীয়ে তাত থাকি শিক্ষকতা কৰাৰ কাৰণে অনুকুল পৰিৱেশ এটা বা যাতায়াত ব্যৱস্থাৰ অভাৱ। এতেকে শিক্ষক-শিক্ষয়িত্ৰী সকলে তাৰ পৰা বদলি হৈ আহিব বিচাৰে আৰু ইয়াৰ পৰিপ্ৰেক্ষিততে ২০১৭ চনত এখন বদলীকৰণ আইন এই পবিত্ৰ বিধান সভাই গৃহীত কৰাৰ পিছত আমি এনে শিক্ষক-শিক্ষয়িত্ৰী সকলক সেই আইনৰ যি ব্যৱস্থা আছে, প্ৰভিজন আছে সেই প্ৰভিজনৰ অধীনত আমি তেওঁলোকক বদলীকৰণ কৰিছোঁ। আমি চৰ অঞ্চল বা অসমৰ আন দুৰ্গম অঞ্চলৰ এই বিদ্যালয় সমূহৰ যাতে শিক্ষকৰ নাটনি নহয় তাৰ কাৰণে আমি চাৰ্ভিছৰুলটোকো ভৰিষ্যতে এমেণ্ডমেন্ট কৰাৰ এটা পৰিকল্পনা বা তাৰ এটা আমি পৰ্য্যালোচনা কৰি আছো। আমাৰ পৰামৰ্শটো হ'ল যে বিদ্যালয় ভিত্তিত শিক্ষকৰ পদ সৃষ্টি কৰা, দুৰ্গম অঞ্চলৰ বাবে, যাতে সেই দুৰ্গম অঞ্চলৰ যি সকল নিয়োগ কৰা শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁলোকে বদলীকৰণ কৰি বাহিৰলৈ গুচি যাব নোৱাৰে। দ্বিতীয়তে, এনে বদলীকৰণ প্ৰক্ৰিয়াত এনেকুৱা চৰ অঞ্চল বা দুৰ্গম অঞ্চলৰ যি সকল eligible যুগ্য বিবেচিত প্ৰাৰ্থী থাকে সেই প্ৰাৰ্থী সকলোকে যাতে অগ্ৰধিকাৰ দিব পাৰি যাতে তেওঁলোকে বদলীকৰণ নিবিচাৰে আৰু এই প্ৰস্তাৱ ইতিমধ্যে শিক্ষা বিভাগত ইয়াৰ প্ৰচেচ হৈ আছে। আৰু মই ভাবো যে ই এবাৰ গৃহীত হৈ যোৱাৰ পিছত চৰ অঞ্চল বা দুৰ্গম অঞ্চলত সেই অঞ্চলৰ যুগ্য শিক্ষিত যুৱক-যুৱতীক আমি চাকৰিত নিয়োগ কৰিব পাৰিম, যি সকলে তাৰ পৰা বদলীকৰণ নিবিচাৰিব। তেতিয়া এই শিক্ষকৰ নাটনিৰ যি সমস্যা আছে সেইটো দূৰ হ'ব। বাকী শিক্ষক overall অসমত যি খালী হৈ আছে তাৰ বিপৰীতে ইতিমধ্যে ৫,৫৫০ এল পি আৰু ইউ পি স্কুলৰ শিক্ষকৰ নিযুক্তি হৈ গৈছে। ৪,৫০০ শিক্ষকৰ নিযুক্তিৰ বিপৰীতে তেওঁলোকৰ Document verification হৈ আছে আজি বা অহাকালিৰ ভিতৰত প্ৰথম provisional merit list খন প্ৰকাশ পাব আৰু তাৰ পিছত তেওঁলোকৰ নিজৰ যি থাকে সেইখিনি grievance redressal হ'ব, grievance redressal হোৱাৰ পিছত final merit list হ'ব তাৰ পাছতে ৪,৫০০ অতিৰিক্ত এল পি., ইউ.পি. ৰ শিক্ষক নিযুক্তি হ'ব। সেই নিযুক্তি হ'লে অসমৰ যি সমূহ বিদ্যালয়ত খালী পদ থাকিব তাত আমি নিযুক্তি দিবলৈ সক্ষম হ'ম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীখলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদাৰ (কাটিগড়া সমষ্টি) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ের কাছে আমি জানতে চাই, আমাদের বরাক ভ্যালি flood effected area থাকার জন্য আমাদের বরাক ভ্যালিতে ME school, High school বিশেষ করে ফ্লাড যখন হয় তখন স্কুলের জিনিসপত্র অনেক ক্ষতি হয়ে যায়। সেইজন্য ডিডিএম এর কাছে দেওয়া কিন্তু সঠিক উত্তর পাওয়া যায় না। স্কুল ফ্লাডের পর বন্ধ থাকে এবং সেটা রিপেয়ার করা সম্ভব হয় না। সেজন্য সরকার কি ব্যবস্থা নিয়েছে? আমি আরেকটি বিষয়ে জানতে চাই, আমাদের বরাক ভ্যালি হোক বা আসামে হোক প্রত্যেক স্কুলে কম্পিউটার শিক্ষার ব্যবস্থা আছিে কিন্তু সেখানে স্কুলগুলোতে কোন সার্টিফিকেট দেওয়ার ব্যবস্থা না থাকার জন্য ছাত্রছাত্রীদের বিভিন্ন প্রাইভেট প্রতিষ্ঠান থেকে সার্টিফিকেট নিতে হয় চাকুরির এপ্লাই করার জন্য। সেই সমস্যার জন্য আমাদের সাথে অনেক স্কুলের ছাত্র ছাত্রীরা যোগাযোগ করেছে । তাই আমি মন্ত্রী মহোদয়ের কাছে জানতে চাই সেটা ব্যবস্থা করে দেওয়ার জন্য।

**মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰীৰ ৰিপ্লাই ।**

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহতো কম্পিউটাৰ লেব দিয়া হৈছে । কিন্তু কম্পিউটাৰ লেব ই**

কোনো পাঠ্যক্রমৰ অৰ্ন্তভূক্ত নহয় । ইয়াত উপৰঞ্চিভাৱে যাতে ছাত্ৰ-ছাত্ৰীসকলে এই আধুনিক প্ৰযুক্তিৰ লগত পৰিচিত হ'ব পাৰে । তাৰ কাৰণে এই কম্পিউটাৰ লেবসমূহ দিয়া হৈছে । আমাৰ যিখিনি ক'ৰ চাবজেক্ট আছে- এম আই এল, ইংলিছ, সমাজ অধ্যয়ণ, গণিত আৰু বিজ্ঞান । ইয়াৰ উপৰঞ্চি হিচাপে কম্পিউটাৰ লিটাৰেচীটো বা কম্পিউটাৰ স্বাক্ষৰতাটো ছাত্ৰ- ছাত্ৰীৰ হয় , তাৰ আমি প্ৰচেষ্টা গ্ৰহণ কৰিছো । চেকেণ্ডৰী বা মাধ্যমিক পৰ্য্যায়ত আমি কম্পিউটাৰটো ইলেক্টিভ চাবজেক্ট হিচাপে কোনোবাই লোৱাৰ ব্যৱস্থা আছে। এতিয়া আমি National skilled qualification frame work ৰ অধীনত এই যি স্কীলড চাবজেক্ট হিচাপে কম্পিউটাৰৰ বিভিন্ন চাবজেক্ট আমি বিদ্যালয়সমূহত প্ৰদান কৰিছো - ইয়াত চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা আছে । গতিকে দশম শ্ৰেণীলৈ কোনেও বিশেষভাৱে চাৰ্টিফিকেট নাপায় । একাদশ- দ্বাদশ শ্ৰেণীত তেওঁলোকে এখন উপৰঞ্চি , তেওঁলোকে যদি হায়াৰ চেকেণ্ডৰী পাছ কৰে , সেই চাৰ্টিফিকেটখনৰ উপৰঞ্চি National School qualification ৰ অধীনত তেওঁলোকে একোখনকৈ Third Party Certificate পাব। যিসকলে কম্পিউটাৰৰ নিৰ্দিষ্ট এটা বিষয় অধ্যয়ণ কৰে বা তাত তেওঁলোকে দক্ষতা প্ৰাপ্তি কৰে , তেওঁলোকে এখন উপৰঞ্চি চাৰ্টিফিকেট পাব । নতুন যি প্ৰযুক্তি আহিল বা নতুন বিষয়সমূহ আহিল ইয়াৰ পৰিপ্ৰেক্ষিতত প্ৰত্যোকখন বিদ্যালয়তে যাতে স্কীলড চাবজেক্ট থাকে , আৰু স্কীলড চাবজেক্টৰ ভিতৰত কম্পিউটাৰ বা আই টি স্কীলড চেক্টৰটোতে আমি সৰ্ব্বাধিক গুৰুত্ব প্ৰদান কৰিছো যাতে প্ৰত্যোকখন মাধ্যমিক বিদ্যালয়ত কম্পিউটাৰ ৰিলেটেড স্কীলড চাবজেক্ট থাকে , তাৰ আমি ব্যৱস্থা গ্ৰহণ কৰিছো ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰফিকুল ইছলাম ।

**ড° ৰফিকুল ইছলাম, (জনিয়া) ঃ**মাননীয় অধ্যক্ষ মহোদয়, প্ৰাইমাৰী আৰু আপাৰ প্ৰাইমাৰী বিদ্যালয়সমূহত পদ খালিৰ সংখ্যা ১৩,২৩৬ টা কৈছে - মন্ত্ৰী মহোদয়ে কৈছে যে, ৪,৫০০ পদৰ ভেৰিফিকেশ্যন চলি আছে । এইখিনি হৈ গ'লে এতিয়াও ৯,০০০ ৰ অধিক শিক্ষকৰ পদ খালি থাকিব । মোৰ নিজৰ সমষ্টিৰ কলগাছিয়া ব্ল'কত ৩৪ এখন প্ৰাইমাৰী আৰু এখন আপাৰ প্ৰাইমাৰীও আছে লগত য'ত চিংগুল টিছাৰ । মন্দিয়া ব্ল'কত More than 50-60 Primary- Upper Primary School আছে য'ত Single Teacher আছে । ঠিক তেনেদৰে বৰপেটাৰ পৰা ধুবুৰী জিলালৈ একেই অৱস্থা হ'ব - চৰ -চাপৰি বা গ্ৰাম্যঞ্চল বিলাকত । এখন প্ৰাইমাৰী স্কুলত যদি এজন শিক্ষক থাকে - এই স্কুলবিলাকৰ দুই -এখনতহে ৫০-৬০ জন ছাত্ৰ-ছাত্ৰী আছে বেছিভাগতে ৯০-১০০ বা অধিক ছাত্ৰ-ছাত্ৰী আছে যিখিনি চিংগুল টিছাৰ স্কুল। গতিকে এজন শিক্ষকে ৫ টা ক্লাছত কেনেকৈ পঢ়াব, যাৰ কাৰণে আজি বিদ্যালয়ত মানুহে ছাত্ৰ- ছাত্ৰী নিদিয়ে । যেতিয়া ছাত্ৰ ক'মি যায় তেতিয়া স্কুল বন্ধ কৰিব লগা হয় বা বেলেগ স্কুলৰ লগত চৰকাৰে মিলাই দিয়ে । এনে এটা অৱস্থা হৈছে । হয় , ৪,৫০০ পদ দিছে ভাল কথা কিন্তু আৰু যে ৯,০০০ শিক্ষক পদ খালি থাকিব , এইখিনিৰ বাবে আৰু যদি ১ বছৰ অপেক্ষা কৰিব লগা হয় তেনেহ'লে শিক্ষক বিহীন স্কুল চলিব বা থাকিব তেনেহ'লে সেই স্কুলত কোনেও ষ্টুডেন্ট নিদিয়ে । এই এটা সমস্যা হৈছে । কিন্তু আনফালে আমি যদি চাওঁ শিক্ষক - ছাত্ৰৰ যিটো Ratio অসমত , কিছুমান জিলাত ১০ জন বা ১২-১৪ জন ছাত্ৰৰ বিপৰীতে ১ জন শিক্ষক, কিছুমান জিলাত ২৫-৩০ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ১ জন শিক্ষক । এই যিটো হৈছে, ৰেশ্যনেলাইজেশ্যন নহ'ল। আমি বহু দিনৰ আগৰেপৰাই কৈ আছো, এইটো বহুত চিন্তনীয় বিষয় । গতিকে মাননীয় মন্ত্ৰী মহোদয় অনুৰোধ কৰিছো , এই চৰকাৰৰ কাৰ্য্যকালৰ অন্তিম সময় , গতিকে ৰেশ্যনেলাইজেশ্যনৰ ব্যৱস্থাটো কৰিব লাগে । নতুন

নিযুক্তিটো দিবই লাগিব যিখিনি পোষ্ট খালি আছে , লগতে যদি ৰেশ্যনেলাইজেশ্যনটো কৰি দিয়ে অন্তত সেই স্কুলবিলাকে নতুন নিযুক্তি নোহোৱালৈক ১ জন ২ জন শিক্ষক পাব । লগতে মোৰ সমষ্টিৰ এটা কথা কৈছো- এখন মডেল স্কুল- ৩০ কোটি টকা ব্যয়েৰে ধুনীয়া বিল্ডিং কৰিছে । ৩ বছৰ হৈ গ'ল কমপ্লিট হৈ গৈছে - অসমৰ এনেকুৱা ১৭-১৮ টা মান কৰিছে - মাননীয় মন্ত্ৰী মহোদয়ে মিটিং কৰিছিল যে কি কৰিব পৰা যায়, মই পৰামৰ্শ দিছিলো - যদি হোষ্টেল কৰাত অসুবিধা হয় অন্তত আদৰ্শ বিদ্যালয় হিচাপে এই চেশ্যনৰ পৰা আৰম্ভ কৰিব লাগে । এইখিনি মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৪,৫০০ নিযুক্তি অতি শিঘ্ৰে হ'ব আৰু উপৰঞ্চি যি খালি পদ থাকিব সেই খালি পদৰ বিজ্ঞাপনো সোনকালে ওলাব । এটা বছৰতে দুটাকৈ নিযুক্তি হ'ব । বৰ্ত্তমান আমি এনেকুৱা এটা চিষ্টেম গঢ়ি তুলিব বিচাৰিছো যাতে এটা বছৰত বিশেষকৈ উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিকৰ দুইবাৰকৈ নিযুক্তি কৰিব পৰা যায় । কিমান পদ খাল আছিল ইয়াৰে ফিজিকেল তথ্য আমি আনিব লগা হৈছিল । বৰ্ত্তমানে শিক্ষাৰ ক্ষেত্ৰত সেইটো হোৱা কাৰনে মই প্ৰচপেক্টিভলী আজিৰ তাৰিখত অহা ৫ বছৰলৈ কিমান শিক্ষকৰ পদ বিদ্যালয় শিক্ষা বিভাগত খালি হ'ব সেইটো আগতীয়াকৈ তথ্য সংগ্ৰহ কৰিবলৈ সক্ষম হৈছো । মই ভাবো ২০২৬ বছৰটোৰ পৰা অহা ৬ মাহত খালি হ'বলগীয়া পদৰ ওপৰত আগতীয়াকৈ বিজ্ঞাপন দি , আগতীয়াকৈয়ে আবেদন পত্ৰ সংগ্ৰহ কৰাৰ ব্যৱস্থাৰো পৰিকল্পনা এটা সম্পূৰ্ণ হৈছে । দ্বিতীয় কথাটো হ'ল যে চৰ অঞ্চল বা দূৰ্গম অঞ্চল - দূৰ্গম অঞ্চল কেৱল বৰপেটাতে নাই । এই কামৰূপ মেট্ৰ' জিলাতো দূৰ্গম অঞ্চল আছে । কামৰূপ মেট্ৰ'ৰ পাহাৰীয়া অঞ্চলত দূৰ্গম অঞ্চল আছে , য'ত মই নিজেই গৈ দেখিছো যে, ছাত্ৰ- ছাত্ৰীসকলে দুই- তিনিখন পাহাৰ বগাই স্কুল যাব লগা হয় আৰু তাত কোনো শিক্ষক শিক্ষয়ত্ৰীয়ে থাকি সেৱা আগবঢ়াব নিবিচাৰে । ইতিমধ্যে সমগ্ৰ অসমতে আমি দূৰ্গম অঞ্চলসমূহৰ মেপিং কৰি চিহ্নিত কৰিছো । আৰু এই অঞ্চলৰ বাবে বিশেষকৈ শিক্ষক নিযুক্তি প্ৰক্ৰিয়া টো কৰিব লাগিব। তাৰ ওপৰতো পৰিকল্পনা ইতিমধ্যে সম্পূৰ্ণ হৈছে । এই অঞ্চলৰ শিক্ষক নিযুক্তি দিয়াৰ বাবে যোগ্য প্ৰাৰ্থীৰো প্ৰয়োজন হ'ব গতিকে আমি এই দূৰ্গম অঞ্চলৰে শিক্ষিত যুৱক যুৱতীক টেট পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বাবে বিশেষ প্ৰশিক্ষন দি অনুপ্ৰানিত কৰিব লাগিব । ইয়াত - ডি এল এড- ডিগ্ৰিৰ প্ৰয়োজন হ'ব। এই ডিগ্ৰি য'ৰ পৰাই নহওক সঁচা অৰ্থত আহৰণ কৰি তেওঁলোকক আবেদন জনাবলৈ আহ্বান জনাও । এই দূৰ্গম অঞ্চলৰ উপযুক্ত প্ৰাৰ্থীৰ পৰা আমি এখন আণ্ডাৰটেকিং ল'ম যে, তাত লিখা থাকিব মই কোনো বদলিকৰণ নিবিচাৰো । মই এই দূৰ্গম অঞ্চল - চৰ অঞ্চল বা পাহাৰীয়া অঞ্চলতে মই মোৰ সেৱা আগবঢ়াম । এনেকুৱা মনোবৃত্তিৰে কাম কৰিবলৈ বা সেৱা আগবঢ়াবলৈ এচাম শিক্ষিত যুৱক-যুৱতী আগবাঢ়ি আছে । ইয়াতে আমাৰ সমস্যাৰ সমাধান নহয় । মাননীয় সদস্য ৰাজেদ আলি চৌধুৰী ডাঙৰীয়াই বক্তব্যত কৈছে যে, ছাত্ৰ- ছাত্ৰী ক'মি গৈছে , আমি ভাবো যে ছাত্ৰ- ছাত্ৰী ক'মি যোৱা নাই বৰঞ্চ চৰকাৰী বিদ্যালয়সমূহত বৃদ্ধিহে পাইছে । ছাত্ৰ-ছাত্ৰী বৃদ্ধি পোৱাৰ কাৰণে শিক্ষকৰো অধিক পদৰ প্ৰয়োজন হৈছে । ৰেশ্যনেলাইজেশ্যনটো আমি কৰিছো কিন্তু তাৰ বিপৰীতে সাংঘাতিক ৰেজিষ্টেঞ্চ আছে। কিন্তু ইয়াৰ প্ৰতিৰোধো আছে । বহু প্ৰশাসনিক - কঠোৰ ব্যৱস্থাৰে আমি আগুৱাব লাগিব । এই ৰেশ্যনেলাইজেশ্যন প্ৰক্ৰিয়াত বিধায়ক গৰাকীয়ে যি পৰামৰ্শ আগবঢ়াইছে ইয়াক আমি কৰাৰ কাৰণে চেষ্টা কৰিম । ৰেচিডেন্সিয়েল মডেল স্কুলৰ কথা সংখ্যালঘু উন্নয়ণ বিভাগৰ তৰফৰ পৰা এই বিদ্যালয়সমূহ নিৰ্মাণ কৰা হৈছিল কিন্তু অসম চৰকাৰৰ বিদ্যালয় শিক্ষাৰ অধীনত ৰেচিডেন্সিয়েল

**বা আৱাসিক বিদ্যালয়সমূহ পৰিচালনা কৰাৰ আমাৰ কোনো ব্যৱস্থা নাই ।** আজি জৱাহৰ নৱোদয় বিদ্যালয় কেন্দ্ৰীয় চৰকাৰৰ এটা সংস্থাৰ অধীনত পৰিচালিত হয়, যিসমূহ আবাসিক বিদ্যালয়। আমি JNV ক অনুৰোধ কৰিছিলো যে আপোনালোকক ৰাজ্য চৰকাৰে সহায় কৰিব, আপোনালোকে অসমত অতিৰিক্ত জৱাহৰ নৱোদয় বিদ্যালয় পৰিচালনা কৰিব নেকি ? তেওঁলোকে কৈছে এইটো আমাৰ Rule ৰ বাহিৰত। আমি এখন জিলাত এখনেই জৱাহৰ নৱোদয় বিদ্যালয় আবাসিক বিদ্যালয় হিচাপে পৰিচালনা কৰিম। দ্বিতীয় এখন বিদ্যালয় নলওঁ। অসমত যদি আমি দ্বিতীয় এখন বিদ্যালয় লওঁ, তেনেহ'লে ভাৰতবৰ্ষৰ বেলেগ বেলেগ ৰাজ্যতো দ্বিতীয় বিদ্যালয়ৰ দাবী আহিব যিটো দাবী আমি পূৰণ কৰিব পৰা অৱস্থাত নাই। অসম চৰকাৰৰ নিজা আবাসিক বিদ্যালয় পৰিচালনা কৰাৰ কোনো ব্যৱস্থা নাই। কেন্দ্ৰীয় চৰকাৰৰ আবাসিক বিদ্যালয় পৰিচালনা কৰাৰ ব্যৱস্থা আছে। কিন্তু তেওঁলোকে ইয়াক এতিয়াই গ্ৰহণ কৰাৰ কাৰণে সাজু নহয়। এনে পৰিস্থিতিত আমি এতিয়া বিদ্যালয়সমূহ বিদ্যালয় নকৰি মহাবিদ্যালয় কৰিব পৰা যায় নেকি তাৰ ব্যৱস্থা এটা কৰিছো। তাৰ কাৰণে উচ্চ শিক্ষা বিভাগত গোটেই বিষয়খিনি পৰীক্ষা কৰা হৈছে। মই ভাৱো যে, সকলো বস্তু অনিৰ্দিষ্ট কাললৈ বন্ধ হৈ নাথাকে, স্থবিৰ হৈ নাথাকে। ইয়াৰ এটা সিদ্ধান্ত হ'ব। কলগাছিয়াত এখন ধুনীয়া শিক্ষানুষ্ঠান হ'ব, সেইটো মই নিশ্চিত। এদিন দুদিনৰ হীন দেৰী হ'ব পাৰে। এখন ভাল শিক্ষানুষ্ঠান কলগাছিয়াত হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Next Question-45 শ্ৰী দিগন্ত বৰ্মন।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো পাইছো। এই প্ৰশ্নটো অহাৰ কাৰণটো হ'ল যে বিভিন্ন সময়ত আমাৰ মহাবিদ্যালয়সমূহত বিশেষকৈ Model Degree College ত কিছুমান অৱসৰপ্ৰাপ্ত শিক্ষকক নিয়োগ কৰা হৈছিল। আমি তেখেতসকলক যথেষ্ট সন্মান কৰো। তেখেতসকল অভিজ্ঞ, খুৱ ভাল পাইছিলো। কথাটো হ'ল আমাৰ বহুতো উচ্চ শিক্ষা আহৰণ কৰা ছাত্ৰ-ছাত্ৰীয়ে এতিয়া নিৰনুৱা হৈ আছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে এই ৩৩ জন যি আমাৰ সন্মানীয় অৱসৰপ্ৰাপ্ত শিক্ষক নিয়োগ হৈ আছে, সেই পদসমূহত আমি নতুন মানুহ দিব পাৰো নেকি ? দ্বিতীয়তে, আটাইতকৈ ডাঙৰ কথা যিখিনি professor ৰ খালী পদ আছে। List খন গোটেইখিনি পাইছো, তেখেতে খুৱ সুন্দৰভাৱে দিছে। এই Model College ৰ ক্ষেত্ৰত আগৰ প্ৰশ্নৰ উত্তৰতেই কথাটো কৈ গৈছে যে যিখিনি আমাৰ Model Residential School বনোৱা হৈছিল, MSDP আঁচনিৰ অধীনত, সেইখিনি সুন্দৰ। একোটা প্ৰকল্পত প্ৰায় ৩০-৩৫ কোটি টকা খৰচ কৰা হৈছিল, সুন্দৰ হৈছে আৰু যিটো compound আছে, সেইটো পৰিচালনা কৰাৰ কাৰণে চৰকাৰী স্কুলৰ ক্ষেত্ৰত সহজ নহয়। কাৰণ হয়তো লাইটৰ বিলেই একমাহত ৫০ হাজাৰমান টকা দিব লাগিব। Maintenance ৩ লাখমান টকা লাগিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাৰ নলবাৰী cabinet ৰ পিছত এটা ঘোষণা কৰিছিল, মইও বহুবাৰ অনুৰোধ কৰিছিলো মন্ত্ৰীক যে, মোৰ সমষ্টিত, আমাৰ মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আছে, MSDP ৰ এটা সুন্দৰ অনুষ্ঠান সম্পূৰ্ণ হৈছে। সেইটো এতিয়া এনেই পৰি আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিলে যে এখন Model Degree College কৰিম। মাননীয় মন্ত্ৰী মহোদয়ে মোৰ লগত Zoom Meeting ত এই কথাটো তেখেতে পৰামৰ্শও দিছিলে, মই প্ৰস্তাৱ দিছিলো যে যিখন মোৰ Model Degree College ঘোষণা কৰিছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সেইখন Commerce Stream কৰিব লাগে। কাৰণ commerce টোৰ খুৱ গুৰুত্ব আছে আৰু ইয়াত

তেওঁ সন্মতিও প্ৰকাশ কৰিছে। মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাম যে এই কাম অলপ খৰতকীয়া কৰিব লাগে। এটা বোধহয় report ও Principal য়ে DHE লৈ দিছে। সেইটো অলপ খৰতকীয়া কৰিলে ভাল হ'ব আৰু জানে যে Commerce Stream ৰ খুৱ গুৰুত্ব আছে। গতিকে এইটো অলপ সোনকালে কৰি দিবলৈ মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো। শেষত মই এটা কথা ক'ব বিচাৰিছো এই বজালী মহাবিদ্যালয়খন, এইটো আমি কেইবাখনো বাতৰি কাকতত পঢ়িছো আৰু বহুতে আমাৰ জনাইছে যে বজালী মহাবিদ্যালয়খন আমাৰ নামনি অসমত এটা অতি উচ্চ শিক্ষাৰ অনুষ্ঠান, এটা ঐতিহাসিক বিৰৰণ আছে। আপোনালোকে জানে যে পাঠশালা বুলি ক'লে শিক্ষা নগৰী বুলি জানো। গতিকে তাৰে ৰাইজ সকলে বিচাৰিছিল যে য'ত বজালী কলেজখন আছে, সেইটোৰ অস্থিত্ব থাকিব লাগিব সেই ঠাইতে। মেধিপাৰাত যিটো লৈ গৈছিল তাতে চলি থাকিব, সুন্দৰভাৱে হৈ থাকিব। কিন্তু বৰ্তমান বজালী আগৰ ঠাইত আগৰ নিচিনাই চলি থকাৰ ব্যৱস্থা কৰিব নেকি? মই মাননীয় মন্ত্ৰী মহোদয় পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা সময়ত অসমত মহাবিদ্যালয় ৰাইজে ৰাইজৰ প্ৰচেষ্টাত বিভিন্ন স্থানত খুলিছিল, যি ভেঞ্চাৰ মহাবিদ্যালয় হিচাপে পৰিচিত আছিল, পৰৱৰ্তী পৰ্য্যায়ত চৰকাৰে এনেকুৱা মহাবিদ্যালয়ক প্ৰাদেশীকিকৰণ কৰিছিল, কিন্তু মাননীয় মুখ্যমন্ত্ৰী শিক্ষামন্ত্ৰী হৈ থাকোতে প্ৰথমবাৰ চৰকাৰীভাৱে চৰকাৰৰ তৰফৰ পৰা Model Degree College খোলাৰ এটা ব্যৱস্থা আৰম্ভ হয়। যিটো ব্যৱস্থাৰ ফলস্বৰূপে এতিয়া ২৩ খনকৈ Model Degree College চলি আছে আৰু কেইবাখনো Model Degree College আমি আৰম্ভ কৰাৰ পথত তেওঁলোকৰ construction ৰ বিভিন্ন পৰ্য্যায়ত এই মহাবিদ্যালসমূহ আছে। সেই মহাবিদ্যালয়সমূহত যোৱাবছৰ এটা নীতি গ্ৰহণ কৰা হয় এটা অধ্যয়ণৰ ভিত্তিত যে ইয়াতে অৱসৰপ্ৰাপ্ত শিক্ষকক লোৱা হ'ব। ১০০ শতাংশ নহয়, এটা অংশ অৱসৰপ্ৰাপ্ত শিক্ষক, কলেজ শিক্ষক তেওঁলোকক নিযুক্তি দিয়া হ'ব। ইয়াৰ কাৰণ এইটোৱেই আছিল আমি যেতিয়া fresh Unversity ৰ পৰা পাছ কৰি অহা যিসকল যোগ্য প্ৰাৰ্থী, তেওঁলোকক যেতিয়া Assistant Professor হিচাপে লওঁ, শিক্ষাদান কৰাৰ ক্ষেত্ৰত ঠিকেই থাকে, কিন্তু মহাবিদ্যালয় এখনত নেতৃত্ব দিয়া যিটো leadership quality যিটো leadership experience ৰ তেওঁলোকৰ দৰকাৰ হয়, সেইটো তেওঁলোকৰ নাথাকে। নথকাৰ কাৰণে মহাবিদ্যালয়খনত তেওঁলোকে নেতৃত্ব দিয়াত সম্পূৰ্ণ সফলতা লাভ নকৰাৰ কাৰণে ছাত্ৰ-ছাত্ৰী তাতে enrollment ৰ ক্ষেত্ৰত বহু মহাবিদ্যালয়ত যেনেধৰণে বিকশিত হ'ব লাগিছিল, তেনেধৰণে বিকশিত হ'বপৰা নাই। এতেকে একাংশ অভিজ্ঞ শিক্ষকক যাতে এই মহাবিদ্যালয় সমূহত leadership দিয়াৰ কাৰণে নিযুক্তি দিব পাৰো নেকি সেই নীতিৰেহে খুৱ কম সময়ৰ কাৰণেহে দুবছৰ-তিনিবছৰৰ কাৰণেহে কিছু পৰীক্ষামূলকভাৱে এটা নিযুক্তি দিছো। ইয়াৰ ফলাফল লাভ লোকচান কি হৈছে, ইয়াৰ result কি পাইছো, সেইখিনিৰো এটা অধ্যয়ণ হ'ব। অধ্যয়ণ হোৱাৰ পাছত আমি নিশ্চিতভাৱে Model Degree College খিনিক আমি আগুৱাই নিম। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনানাৰ জ্ঞাতাৰ্থে জনাবলৈ পাই সুখী হ'ম যে যোৱা সময়ছোৱাত আমি মহাবিদ্যালয়সমূহত ৩৬৬৮ গৰাকীক আমি নিযুক্তি দিবলৈ সক্ষম হৈছো। ইয়াৰে ভিতৰত ২৭৪২ গৰাকীক assistant professor নিযুক্তি দিছো। এই ২৭৪২ গৰাকী assistant professor আমি অসমৰ

বিভিন্ন মহাবিদ্যালয়ত যোৰা সময়খিনিত অৰ্থাৎ ৫ টা বছৰত নিযুক্তি দিলো। ইয়াতে ৩০০ assistant professor তেওঁলোক Model Degree College ত নিয়োজিত হৈছিল। ইয়াৰ উপৰি মই আগতে ৰফিকুল হুছেইন ডাঙৰীয়াই যিটো কথা উল্লেখ কৰিছিল যে residential school সংখ্যালঘু বিভাগৰ অধীনত নিৰ্মাণ কৰা হৈছিল এইসমূহক মহাবিদ্যালয়লৈ ৰূপান্তৰিত অৰ্থাৎ Model Degree College লৈ ৰূপান্তৰিত কৰাৰ এটা প্ৰস্তাৱ চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু বিবেচনাধীন হৈ থকাৰ পাছত ইয়াত বিশেষকৈ যিটো মাননীয় বিধায়ক গৰাকীয়ে উল্লেখ কৰিছে যে commerce শিক্ষাৰ কাৰণে মহাবিদ্যালয় সংখ্যা কম, বিজ্ঞান শিক্ষাৰ কাৰণেও মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰয়োজন আছে। আমি এটা চূড়ান্ত সিদ্ধান্তত উপনীত হোৱাৰ পিছত নতুন যিসমূহ Model Degree College খুলিম, এই Model Degree College বিলাকত commerce বিজ্ঞান আৰু বিশেষকৈ computer আৰু information technology ৰ নতুন প্ৰযুক্তিক আমি যথেষ্ট গুৰুত্ব দিম বুলি আমি ইতিমধ্যে উচ্চ শিক্ষা বিভাগে সিদ্ধান্ত গ্ৰহণ কৰিছে। দ্বিতীয় এটা প্ৰশ্ন আছিল যে বজালী মহাবিদ্যালয়ক উন্নীত কৰি ভট্টদেৱ বিশ্ববিদ্যালয় কৰা হ'ব। প্ৰায় ৬০ কোটি টকাৰ আন্তঃগাঁথনি কিছুদিন আগতে মাননীয় মুখ্যমন্ত্ৰীয়ে পাঠশালৰ মেধিকুছিত তাক উন্মোচন কৰিলে। তাত সুন্দৰ আন্তঃগাঁথনি হৈছে। এতিয়া কিছু মানুহৰ আশংকা হৈছে যে বজালীৰ পৰা য'ত ভট্টদেৱ বিশ্ববিদ্যালয় চলি আছে, এইখন মেধিকুছিলৈ উঠি যাব নেকি? নিশ্চিতভাৱে উঠি নাযায়। মেধিকুছি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দ্বিতীয় কেম্পাছ। এতিয়া কোনখনক প্ৰথম কৰিব আৰু কোনখনক দ্বিতীয় কৰিব সেইটো সিদ্ধান্ত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ Executive Council গ্ৰহণ কৰিব। কথাটো হ'ল যে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ দুটা কেম্পাছ হ'ব। এটা পূৰ্ব্বৰ বজালী কলেজৰ কেম্পাছ দ্বিতীয়টো হ'ল মেধিকুছিত নৱ নিৰ্মিত কেম্পাছ। আৰু এটা কথা হ'ল যে বজালী কলেজখন আজিৰ তাৰিখত নাই। কাৰণ বজালী কলেজখনেই ভট্টদেৱ বিশ্ববিদ্যালয় হ'ল। এতিয়া বজালী কলেজ বুলি এখন কলেজ থাকিব নে নাই এই সিদ্ধান্তটো অসম চৰকাৰতকৈ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ Executive Council এ গ্ৰহণ কৰিব। কাৰণ বিশ্ববিদ্যালয় যিহেতু অট'নমাচ, এতিয়া তেওঁলোকে বজালী Constituent College এখন ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধীনত ৰাখিব নে নাৰাখে এই বিষয়ে আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব।কিন্তু পাঠশালা আৰু মেধিকুছিৰ এই দুয়োটা কেম্পাছেই ভট্টদেৱ বিশ্ববিদ্যালয়ৰ কেম্পাছ। তেওঁলোকে প্ৰথম আৰু দ্বিতীয় হিচাপে ভট্টদেৱ বিশ্ববিদ্যালয়খনক আগুৱাই নিব।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যেনেকৈ গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত কেইবাখনো কলেজে কাম কৰি আছে, ঠিক তেনেকৈ ৰাইজে বিচাৰিছে যে বজালী কলেজৰ যিটো কেম্পাছ তাত কলেজখন থাকিব লাগে। বিশ্ববিদ্যালয়খন মেধিকুছিত চলি থাকিব। কিন্তু বজালী কলেজ বুলি তেওঁলোকৰ যি আৱেগ জড়িত হৈ আছে, সেইখন ৰখাৰ বাবে মই অনুৰোধ জনাইছো।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে কৈছে যে ৰাইজে বিচাৰিছে। কিন্তু এই বিষয়ে সিদ্ধান্ত লোৱাৰ Statutory Authority টো Executive Council ৰ। আমি বাহিৰৰ পৰা কোনো বিশ্ববিদ্যালয়কে নিৰ্দ্দেশনা নিদিওঁ। ভট্টদেৱ বিশ্ববিদ্যালয় খন এইখন পৱিত্ৰ বিধান সভাই পাচ কৰা আইনৰ ভিত্তিত পৰিচালিত হৈছে। বিশ্ববিদায়ৰ নিজা Executive Council, Academic Council আছে,তেওঁলোকৰ Statutory Body হিচাপে সিদ্ধান্ত ল'ব বুলি আশা ৰাখিছো। আমি বাহিৰৰ পৰা নিৰ্দ্দেশনা

নিদিওঁ। এই বিষয়ে Executive Council এ আলোচনা কৰিব।

**শ্ৰী দুৰ্গাদাস বড়ো, বিধায়ক (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে খুব সঠিকভাৱে আগৰ প্ৰশ্ন এটাৰ উত্তৰ দিছে যে য'ত ছয় মাহে ছয় মাহে শিক্ষক নিযুক্তি দিয়া হ'ব। এই ক্ষেত্ৰত কলেজ বা স্কুল শিক্ষকৰ মাজত কোনো পাৰ্থক্য নাই। যিখিনি কলেজ সম্পূৰ্ণ Íý[illegible]৮০-৯০ শতাংশ সম্পূৰ্ণ হৈছে। ঠিক তেনেকৈ আমাৰ কলাইগাওঁ মডেল কলেজ য'ত ৯৯ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু অহাকালি সেইখন handover কৰাৰ কথা আছে। আপুনি খুব ভালকৈ জানে যে চৰ অঞ্চলৰ পৰা আৰম্ভ কৰি সকলো ঠাইতে এনেধৰণৰ মডেল কলেজ হৈছে। মোৰ প্ৰশ্নটো হৈছে যে ক'ত কিমান কলেজ হৈছে আৰু কিমান শিক্ষকৰ প্ৰয়োজনীয়তা আছে, সেই বিষয়ে শিক্ষা বিভাগে জানে। অলপ আগতে আপুনি যিদৰে উল্লেখ কৰিছিল ঠিক একেদৰে আগতীয়াকৈ যদি এই মডেল কলেজ সমূহতো নিযুক্তিৰ প্ৰক্ৰিয়াটো কৰে, মই ভাৱো যিমান উৎসাহেৰে কলেজসমূহ নিৰ্মাণ কৰিছিল, সেই কলেজসমূহ যদি এক-দুই বছৰ শিক্ষকৰ নিযুক্তৰ অভাৱত বন্ধ হৈ থাকে সেই উৎসাহটো নাইকিয়া হৈ পৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য আপুনি মোৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক প্ৰশ্নটো কৰক।

**শ্ৰী দুৰ্গাদাস বড়ো, বিধায়ক (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিত একলব্য স্কুল এখনৰ কাম আৰম্ভ হ'ব। ঠিক তেনেকৈ গোটেই অসমতে একলব্য স্কুলৰ কাম আৰম্ভ হৈছে। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে তেখেতে যেনেকৈ ছয় মাহৰ মূৰে মূৰে নিযুক্তি প্ৰক্ৰিয়াটো কৰিব বিচাৰিছে সেই নতুনকৈ হোৱা মডেল কলেজ সমূহতো কৰিব নেকি?

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহাবিদ্যালয়ৰ উচ্চ শিক্ষা বিভাগত কিমান মহাবিদ্যালয়ৰ কিমান বিভাগ আছে, সেই বিভাগসমূহৰ কিমান শিক্ষকৰ পদ আছে, কিমান খালী পদ আছে তাৰ বিপৰীতে ছাত্ৰ-ছাত্ৰী কিমান আছে, ইয়াৰ কোনো সংগঠিত তথ্য ইয়াৰ পূৰ্বে উপলব্ধ নাছিল। বৰ্তমান Samarth Portal ৰ জৰিয়তে গোটেই অসমৰ উচ্চ শিক্ষাৰ ডাটা সংগ্ৰহ কৰো। যাৰ কাৰণে আমি এতিয়া মহাবিদ্যালয় সমূহৰ কাৰণে নিযুত মইনাৰ অনুদান, এতিয়া আমি নিযুত বাবু আৰম্ভ কৰিম আৰু ইয়াৰ অনুদান সমূহেই হওঁক এইবোৰ বিতৰণ কৰাৰ ক্ষেত্ৰত দীঘলীয়া সময়ৰ প্ৰয়োজন নহয়। কাৰণ আমাৰ হাতত এতিয়া ready made তথ্য থাকে। বৰ্তমান আমাৰ বিভিন্ন বিভাগৰ rationalisation ৰ প্ৰক্ৰিয়াও আৰম্ভ হৈছে। আজিৰ একৈশ শ শতিকাত কোন বিলাক বিষয় আমাক বেছি প্ৰয়োজন, কোন বিলাক বিষয় অধ্যয়ণ কৰিলে যুৱক-যুৱতী সকলে অতি সহজে চাকৰি লাভ কৰিব পাৰিব সেই কথাটো আমি চাব লাগিব। কিছুমান এনেকুৱা বিষয় আছে য'ত নিয়োগ যোগ্যতাৰ সুবিধাটো অতি কম। সেইবোৰ বিষয় পঢ়াই থাকি কিমান দূৰ লাভ হ'ব? নতুন বিষয় অন্তৰ্ভুক্তি কৰাৰ প্ৰয়োজন আছে আৰু এই নতুন বিষয়বোৰ কি হ'ব সেই বিষয়েও অধ্যয়ণ কৰিছো। আজি Computer Science বা Information Technology আজি আছে। Information Technology এটা বিভাগ হ'ব পাৰে। তাৰ অধীনত দহ টা বিভিন্ন প্ৰ'গ্ৰেম থাকিব। কোনবোৰ প্ৰ'গ্ৰেম আমাৰ বাবে প্ৰয়োজন, এই বিষয়ে আমি অধ্যয়ণ কৰি আছো। নতুন নতুন বিষয় আমি অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টা চলাই আছো। আমি পৰম্পৰাগত বিষয় ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, সমাজ বিজ্ঞান আদি বিষয়ত সীমাবদ্ধ নাথাকি সেই পৰিধিৰ পৰা ওলাই আহি আমি নতুনকৈ AI, Machin Learning, Robotic আদি বৰ্তমান যুগৰ লগত খাপখোৱা বিষয়সমূহ যাতে আমি বিদ্যালয়সমূহত খুলিব পাৰো তাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী

ডাঙৰীয়াক ধন্যবাদ জনাম যে একলব্য ৰেছিডেঞ্চিয়েল স্কুল বুলি নতুন স্কুল কেন্দ্ৰীয় চৰকাৰৰ জনজাতীয় পৰিক্ৰমন্ত্ৰালয়ে আৰম্ভ কৰিছে। ইতিমধ্যে আমি অসমত পাঁচখন একলব্য ৰেছিডেঞ্চিয়েল স্কুল আৰম্ভ কৰিছো। যিসমূহ কৰ্য্যক্ষম হৈ আছে আৰু ফলাফল খুবেই আশা ব্যঞ্জক। ডিমা হাচাও, কাৰ্বি আংলং, বাক্সা, চিৰাং আৰু কোকৰাঝাৰ জিলাত এই বিদ্যালয় সমূহ আৰম্ভ কৰিছো। মাননীয় অধ্যক্ষ্য মহোদয়, খৈৰাবাৰীতো এখন একলব্য মডেল ৰেছিডেঞ্চিয়েল স্কুলৰ অনুমোদন হৈছে আৰু তাৰ টেণ্ডাৰ হৈছে। মই আপোনাক এই মাহৰে কোনোবা এটা শুভ দিনত আধাৰ শিলা স্থাপন কৰিবলৈ অনুৰোধ জনাইছো। এইখন দ্বাদশ শ্ৰেণীলৈ সম্পূৰ্ণ বিনামূলীয়া ৰেছিডেঞ্চিয়েল স্কুল। যিখন জৱাহৰ নৱোদয় বিদ্যালয়ৰ আৰ্হিত গঢ়িতোলা হৈছে ইতিমধ্যে যি পাঁচখন বিদ্যালয় চলি আছে, সেইখিনিৰ আমি ফলাফল খুব ভাল পাইছো। গতিকে খৈৰাবাৰীত যি মডেল ৰেছিডেঞ্চিয়েল স্কুল হ'ব সেই স্কুল খনেও ওদালগুৰি জিলাৰ বিশেষকৈ জনজাতীয় ছাত্ৰ-ছাত্ৰীসকলক ভাল মানদণ্ডৰ শিক্ষা লাভত সহায় কৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে তেখেতে একলব্য ৰেছিডেঞ্চিয়েল স্কুল খন এই মাহতে মোৰ সমষ্টিত আৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক জনাবলৈ পাই সুখী হৈছো যে প্ৰায় ৪৫ কোটি টকা ব্যয় সাপেক্ষে এই বিদ্যালয়খন নিৰ্মাণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মই এই বিষয়ে অৱগত। আপুনি কোৱাৰ নিচিনাকৈ ফেব্ৰুৱাৰী মাহতে আপোনাৰ উপস্থিতিত এই বিদ্যালয়খনৰ শুভাৰম্ভ কৰিম।

**শ্ৰী দূৰ্গাদাস বড়ো, বিধায়ক (কলাইগাওঁ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোকো মাতিব মই ও আহিম।

**মাননীয় অধ্যক্ষ ঃ** নিশ্চয়। এতিয়া পৰৱৰ্তী প্ৰশ্ন মাননীয় সদস্য ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়াই ক'ব।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, বিধায়ক (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক পাঁচটা প্ৰশ্ন কৰিছিলো। আটাইকেইটাৰে যথাযথ উত্তৰ পাইছো। প্ৰথম প্ৰশ্ন টো আছিল প্ৰাথমিক স্কুল বিলাকৰ ঘৰসমূহ মেৰামতিৰ অভাৱত জহি-খহি যোৱা পৰিলক্ষিত হৈছে। চৰকাৰে ইয়াৰ উত্তৰটো দিছে যে তেনেকুৱা ধৰণৰ কোনো প্ৰপোজেল অহা নাই। এইক্ষেত্ৰত মোৰ এটা অনুৰোধ থাকিব যে চৰকাৰৰ ফালৰ পৰা যিমানবোৰ স্কুল জহি-খহি গৈছে সেই স্কুল সমূহ মেৰামতিৰ কাৰণে এটা প্ৰতিবেদন আনিব লাগে। বিশেষকৈ ৮০ ৰ দশকত যিবোৰ স্কুল বনাইছিল সেই স্কুলবোৰৰ প্ৰায়বোৰেই হায়াৰ ছেকেণ্ডাৰীলৈকে একেবাৰে জহি-খহি গৈছে। গতিকে ইয়াৰ বাবে এটা প্ৰতিবেদন আনি চৰকাৰে যাতে কাম কৰিব পাৰে তাৰ কাৰণে মোৰ এটা অনুৰোধ থাকিল। আমাৰ স্কুলবোৰত পৰ্য্যাপ্ত পৰিমাণে শিক্ষক নথকাৰ কথাটো বাৰম্বাৰ উত্থাপিত হৈ থাকে কিন্তু মই ভাৱো এইটো শেষ কৰিবৰ বাবে বৰ্তমান মুঠ শিক্ষক কিমান লাগে, কিমান দিয়া হৈছে আৰু বাকী কিমান আছে এইটো উলিয়াই লৈ যদি আমি কৰো তেতিয়াহ'লে মই ভাৱো এই সমস্যাটোৰ সমাধান হ'ব। পাঠ্যপুথিৰ সময়মতে বিতৰণ নোহোৱাৰ এটা অভিযোগ আমাৰ তাত আছে । মই কেইবাজনো প্ৰধান শিক্ষকৰ লগত কথা পাতিছিলো। তেওঁলোকে কৈছিল যে আপুনি এটা কথা মন্ত্ৰী মহোদয়ক

জনাব যে স্কুলৰপৰা কিতাপ আনিবলৈ যাওঁতে আমাৰ বহুত সময় ক্ষতি হয়। যাতায়াতৰ ব্যৱস্থা নথকাৰ কাৰণে কেতিয়াবা মূৰতো লৈ আনিব লগীয়া হয়। গতিকে কিতাপসমূহ যদি আমাক স্কুলত delivery দিয়ে তেতিয়াহ'লে আমাৰ যথেষ্ট সুবিধা হ'ব। ৪ নং প্ৰশ্নটোত মই কৈছিলো যে ক্লাচ নাইন - টেনৰ বিজ্ঞানৰ কিতাপৰ ছবিসমূহ ৰঙীন হ'ব লাগে যাতে স্পষ্টকৈ দেখা পোৱা যায় যিবোৰ সাধাৰণতে ক'লা-বগা থাকে। এই ক্ষেত্ৰত শিক্ষামন্ত্ৰী মহোদয়ে এইটো ব্যৱস্থা লোৱা বুলি কৈছে আৰু শেষৰ প্ৰশ্নটোত মই স্কুলবোৰত ২টাকৈ E- class room ৰ ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছিলো আৰু তেখেতে দুটাকৈ E- class room দিয়া বুলি কৈছে কিন্তু ইয়াৰ লগতে মই দুটা কথা সুধিবলৈ বিচাৰিছো যে আমাৰ এতিয়াও যথেষ্ট সংখ্যক ভেঞ্চাৰ স্কুল আছে। এই ভেঞ্চাৰ স্কুলত যিসকল শিক্ষকে কাৰ্য্য নিৰ্বাহ কৰি আছে তেওঁলোকৰ স্কুলসমূহ provincialise কৰাৰ বাবে তেনেকুৱা ধৰণৰ পুনৰ কিবা proposal ল'ব নেকি ? আৰু এটা কথা মই বহুবাৰ আগতে বিধান সভাত কৈছো যে চৰকাৰী স্কুলসমূহত আমাৰ সুন্দৰ ব্যৱস্থাপনা আছে কিয়নো তাত আমাৰ একো একোখন ফুটবল ফিল্ড আছে আৰু যিহেতু আমি ক্ৰীড়াৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিওঁ, এই কাম সমূহৰ লগতে যদি আমি স্কুলৰ ফিল্ডবোৰ standardised model বনাই fancing দি বেৰিব পাৰো তেতিয়া মই ভাৱো ক্ৰীড়াৰ ক্ষেত্ৰখনত আমাৰ স্কুলবোৰ যথেষ্ট আগবাঢ়ি যাব। এইখিনি কাম চৰকাৰে কৰিব নেকি ?

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা পাঁচটা বছৰত বিদ্যালয় শিক্ষাৰ অধীনত বিদ্যালয়ৰ আন্তঃ গাঁথনি উন্নয়নত বহুখিনি উচ্চ মানদণ্ডৰ বিদ্যালয় গঢ় লৈ উঠিছে শেহতীয়াকৈ যিখিনি সামাজিক মাধ্যমতো চৰ্চিত হৈছে । এখন এখন বিদ্যালয়ত প্ৰায় ৮-৯ কোটি টকা ব্যয় সাপেক্ষে নতুন ভৱন নিৰ্মাণ কৰা হৈছে। ইয়াৰ উপৰি যোৱা ৫ টা বছৰত ২২০০০ অতিৰিক্ত শ্ৰেণীকোঠা আমাৰ বিদ্যালয় সমূহত নিৰ্মাণ কৰা হৈছে। আমি যদি মূলধন হিচাপে চাওঁ সমগ্ৰ শিক্ষাৰ অধীনতে আমি যোৱা সময়খিনিত ৭৬৫৪কোটি টকা কেৱল বিভিন্ন civil construction ৰ কাৰণে ব্যয় কৰিছো। যিহেতু আমাৰ বিদ্যালয়ৰ সংখ্যা প্ৰায় ৪৫০০০, গতিকে বিদ্যালয় সমূহৰ আন্তঃ গাঁথনি বিশেষকৈ LP, ME সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত আৰু কেই বছৰ মান সময় হয়তো আমাক লাগিব। যিসমূহ বিদ্যালয়ত আমি repairing সম্পূৰ্ণ কৰিছো বা নতুনকৈ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিছো এই বিদ্যালয় সমূহলৈ কেতিয়াবা আপোনালোক গ'লে দেখিব ৰঙীন চিত্ৰ আঁকি ছাত্ৰ-ছাত্ৰীৰ কাৰণে আকৰ্ষণীয় কৰা হৈছে আৰু এইটো কৰাৰ এটা আঁচনি আছে যিটোক 'BALA' বুলি কোৱা যায় মানে Building As Learning Aid অৰ্থাৎ সেই চিত্ৰসমূহৰ পৰাও যাতে ছাত্ৰ-ছাত্ৰীয়ে শিকিব পাৰে। এনেধৰণৰ সৃজনশীলতাৰে বিদ্যালয় সমূহ ৰং কৰা হৈছে আৰু আকৰ্ষণীয় কৰি তোলা হৈছে। আমি ২০২৫-২৬ বিত্তীয় বৰ্ষত যিমানখিনি কৰিলো ২০২৬-২৭ বিত্তীয় বৰ্ষতো যাতে আৰু অধিক বিদ্যালয়ৰ আন্তঃ গাঁথনিৰ কাম কৰিব পাৰো তাৰবাবে ইতিমধ্যে প্ৰস্তাৱ প্ৰস্তুত কৰা হৈছে। বিনামূলীয়া পাঠ্যপুথি বিতৰণ প্ৰক্ৰিয়া এই ফেব্ৰুৱাৰী মাহৰ প্ৰথম ভাগতেই flag off কৰিলো। সন্মুখত নিৰ্বাচন আছে, model code of conduct লাগিব, গতিকে যোৱা বছৰ যিটো তাৰিখত আমি বিভিন্ন ব্লক সমূহলৈ কিতাপ প্ৰেৰণ কৰিছিলো তাতকৈ আগুৱাই এইবাৰ আমি কিতাপ সমূহৰ বিতৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছো। কিতাপ বিদ্যালয়ে বিদ্যালয়ে প্ৰেৰণ কৰি পোৱাই দিয়াটো আমাৰ কাৰণে সম্ভৱপৰ নহয়। আমাৰ Block Elementary office তেই godown থাকে। গতিকে তালৈকে আমি পঠিয়াও যিহেতু স্কুলত এখন School Management Committee থাকে। মোক বহুতে কয় যে প্ৰধান শিক্ষকজনে ল'ৰা-ছোৱালী পঢ়াব

নে তেওঁলোকে কিতাপ আনিবলৈ যাব? মই কৈছো যে প্ৰধান শিক্ষকে কিতাপ আনিব যাব লাগিব বুলি ক'ত লিখা আছে ? School Management Committee খন কি কৰিবলৈ আছে? যিখন School Management Committee ত guardian, ছাত্ৰ-ছাত্ৰীৰ পিতৃ-মাতৃৰ প্ৰতিনিধি আছে, পঞ্চায়তৰ প্ৰতিনিধি আছে, School Management Committee আছে। হাইস্কুলৰ ক্ষেত্ৰত School Management and Development Committee আছে। এই কমিটিখনৰ দায়িত্ব Block Elementary Education ৰ পৰা কিতাপখিনি লৈ গৈ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিতৰণ কৰা। Annual Grant ও বিদ্যালয় খনক দিয়া হয়। শেহতীয়াকৈ আমি এইটো text book corporation ক কৈছো যে ব্লকৰ পৰা স্কুললৈকে কিতাপ transport কৰাৰ কাৰণে যদি কিবা খৰচৰ প্ৰয়োজন হয় সেই খৰচৰ ব্যৱস্থা text book corporation য়ে কৰিব পাৰে। কিন্তু School Management Committee য়ে এই দায়িত্বটো ল'ব লাগিব। এতিয়া School Management Committee য়ে দায়িত্ব নলয়। তেওঁলোকে কিতাপখিনি নিনিয়ে আৰু সাংবাদিকক কৈ দিয়ে যে আমি কিতাপ পোৱা নাই। গতিকে Block Elementary Education ৰ পৰা কিতাপখিনি লৈ যোৱাতো School Management Committee ৰ দায়িত্ব। ইতিমধ্যে E-class room বা smart class room ৰ কথা কোৱা হৈছে। এই ৩১ মাৰ্চত আমাৰ যি ৪৩৩৭ খন মাধ্যমিক বিদ্যালয় আছে, প্ৰত্যেকখন বিদ্যালয়ত smart class room 100% saturated হৈ যাব আৰু এইটো হৈ যোৱাৰ পিছত আমি LP আৰু UP বিদ্যালয় সমূহত তাতো আমি smart class room প্ৰদান কৰিছো আৰু তাকো আমি 100% saturation ৰ ফালে লৈ যাম। ভেঞ্চাৰ স্কুল provincialisation ৰ কাৰণে ইতিমধ্যে এই পৱিত্ৰ বিধান সভাই ২০২৫ চনৰ প্ৰাদেশীকিকৰণ বিল পাছ কৰিছে আৰু ইয়াৰ কাৰণে আমি এইবাৰ এটা portal খুলি দিছো। আগতে ভেঞ্চাৰ স্কুল provincialisation ৰ প্ৰক্ৰিয়াটো আবেদন ভিত্তিক আছিল। ইয়াৰ suo-motu provincialization নহয়, চৰকাৰে নিজাববীয়াকৈ পদক্ষেপ লৈ স্কুল এখন ভেঞ্চাৰ নকৰে । স্কুলখনে আইনৰ অধীনত আবেদন কৰিব লাগিব। গতিকে এতিয়া আবেদন পত্ৰ গ্ৰহণৰ কাৰণে portal খুলি দিছো আৰু এই portal খুলি দিয়াৰ কাৰণে ই এটা প্ৰশাসনিক সুচলতা হ'ব যে আগতে তেওঁলোকে ব্লক, district office, ৰাজ্যিক সঞ্চালকালয়ত ক'ত আবেদন কৰিব এই গোটেই সমস্যাখিনিৰ সমাধান তেওঁলোকে এটা portal তে আবেদন কৰিব পাৰিব। আবেদন কৰাৰ পিছত এটা verification প্ৰক্ৰিয়া হ'ব আৰু এইবাৰ আমি এই সমস্যাটোৰ এটা স্থায়ী সমাধানৰ দিশে লৈ যাব বিচাৰিছো। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে আমাৰ অনুৰোধ ৰক্ষা কৰি আমাক এটা খুব সুন্দৰ সুযোগ প্ৰদান কৰিছে। 'গুৰু দক্ষিণা' আঁচনি খনৰ কথা কৈছে। যিসকল শিক্ষক-শিক্ষয়িত্ৰী প্ৰাদেশীকিকৰণৰ পৰা বাদ পৰিব তেওঁলোকক যাতে one time assistance/ relief এটা দি অসম চৰকাৰে তেওঁলোকৰ সেৱাক সন্মান জনাই এটা golden hand shake কৰিব পাৰে তাৰ ব্যৱস্থাও আমি আনিম। Provincialisation ৰ ২০২৫ চনৰ এই আইনৰ ভিত্তিত আবেদন গ্ৰহণৰ প্ৰক্ৰিয়া যোৱা নিশাৰ পৰা আৰম্ভ হৈছে। ধন্যবাদ।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা (তিতাবৰ) ঃ** মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো। আৰু এটা কথা হৈছে যে আমাৰ এটা পাৰিতোশিক অনুদান ২৫০০০ টকা yearly school maintenance বাবে দিয়া যায়। প্ৰধানশিক্ষক সকলে কৈছে যে এই অনুদান টো তেওঁলোকৰ বাবে কম হয়। আমাৰ তিতাবৰৰ পৰা এটা অনুৰোধ আছে যে যদি Assam Government তথা শিক্ষামন্ত্ৰী

মহোদয়ে গ্ৰহণ কৰে তেন্তে আমাৰ তিতাবৰত এখন polytechnic ৰ প্ৰয়োজন আছে। তাৰ বাবে আমি কৃতজ্ঞতা প্ৰকাশ কৰিম। আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে ৭০০ কোটি টকাকৈ কেইবাখনো স্কুল দিয়াৰ বাবে ধন্যবাদ জনাইছো লগতে আমাৰ মাধৱদেৱ চেমিনাৰী হাইস্কুল খনৰ ক্ষেত্ৰত এটা আসোঁৱাহ চলি আছে এইটো যদি শিক্ষামন্ত্ৰী মহোদয়ে অলপ চাই দিয়ে তেন্তে আমাৰ কামখিনি যথেষ্ট আগবাঢ়ি যাব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই বিধায়ক গৰাকীক ধন্যবাদ জনাইছো যে আমি তিতাবৰ সমষ্টিৰ কাৰণে যিখিনি যত্ন লৈছো সেইখিনি স্বীকাৰ কৰাৰ বাবে মই তেখেতক আপোনাৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতৰ এটা consent respond কৰি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছো। তেখেতে স্বীকাৰ কৰাৰ কাৰণে মই ধন্যবাদ জনাইছো। বাকী যি দুটা আছে সেইখিনিও আমি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছো, ইয়াত চিন্তাৰ কোনো কাৰণ নাই। আমাৰ যি class room আছে, সকলোখিনি L.P School লৈ class room ব্যৱস্থা লৈ যাম বুলি ভাবিছো। আপুনি প্ৰশ্ন কৰিছিল যে ২৫,০০০ টো বনাব আছে। ইয়াত এটা কথা আছে অধ্যক্ষ মহোদয়, বিদ্যালয় সমূহ ১০০ শতাংশ চৰকাৰী অনুষ্ঠান নহয়। বিদ্যালয় সমূহ community institute. গতিকে community participation ৰ ওপৰত বিদ্যালয় এখনৰ গুণগত মানটো খুব নিৰ্ভৰ হয়। কেৱল চৰকাৰৰ মুখলৈ চাই থাকিলে নহ'ব আৰু ইয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি বিদ্যানজলী আঁচনিৰ portal খুলিছিল, সেই আঁচনিৰ জৰিয়তে community, civil society তেওঁলোকে আগবাঢ়ি আহি বিদ্যালয় সমূহৰ সৰু-সুৰা কিছুমান অভাৱ অনাটন দূৰ কৰাৰ কাৰণে কিছুমান পদক্ষেপ গ্ৰহণ কৰিছে। এই বিদ্যানজলী আঁচনিৰ অধীনত কোটি টকাৰ আন্তঃগাঁঠনি লৈকে কোনো কোনো শুভাকাংক্ষীয়ে গঢ়ি দিছে বিদ্যালয় এখনক। প্ৰায় আমি ১ লাখৰ অধিক ceiling fan লাভ কৰিবলৈ আমি সক্ষম হৈছো বিদ্যালয়ৰ জৰিয়তে। ২৫,০০০ টকাটো অসম চৰকাৰৰ অৱিহণা কিন্তু কেৱল ২৫,০০০ নহয় ই depend কৰিব বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি বিদ্যালয় এখনে ১ লাখ বা ২ লাখ টকালৈকে তেওঁলোকে Grant টো লাভ কৰিব। কিন্তু এইটো চৰকাৰৰ contribution, civil society, commmunity তেওঁলোকেও সৰু-সুৰা সমস্যা মানে অভাৱ অনাটন, পানীৰ ফিল্টাৰ এটা লাগে, সেই পানীৰ ফিল্টাৰৰ কাৰণে মই আকৌ বহুত ডাঙৰ এখন procurement পানীৰ ফিল্টাৰ কিনা আঁচনি এখন ল'ব লাগিব। কিন্তু community যদি intervent কৰে, civil society যদি intervent কৰে, SMC খন যদি সক্ৰিয় হয় পানীৰ ফিল্টাৰৰ সমস্যাটোৰ সমাধান তেওঁলোকে নিজে কৰি ল'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ড° ৰফিকুল ইছলাম আপুনি to the point ক'ব।

**ড° ৰফিকুল ইছলাম, জনিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, Secondary Education ত মন্ত্ৰী মহোদয়ে প্ৰায় সমষ্টি বিলাকত class 11, 12 ৰ কাৰণে Higher Secondary আমাক দিছিল, সমষ্টি বিলাকত এটা দুটা হৈছে আৰু যি বিদ্যালয় সমূহত শিক্ষক আগৰ পৰাই আছিল PG teacher তাতে সাধাৰণতে permission দিয়া হৈছিল, নতুনকৈ তাত শিক্ষক দিয়া হোৱা নাই। কিন্তু বহুত স্কুলত সমস্যা হৈ আছে। কোনোবা Distance ত M.A কৰিছে, correspondance ত কৰিছে মোটামুটি এনেকুৱাকৈ জোৰা-টালি মাৰি M.A আছিল, ap-

ply কৰিছে পাই গৈছে। এতিয়া student য়ে suffer কৰি আছে। আমাৰ হাতত ভাল শিক্ষক আছে, নতুনকৈ যি TET ত নিযুক্তি দিছে, Msc, Mcom., M.A ভাল ভাল শিক্ষক আছে সেইখিনি যদি Higher Secondary স্কুল বিলাকত দিব পাৰে, তেতিয়াহ'লে স্কুলখিনি ভালদৰে চলিব আৰু New Education Policy ৰ যিহেতু boundary উঠাই দিয়া হৈছে, Science, Arts, Commerce এতিয়া students class 11, 12 ত mix কৰি ল'ব পাৰিব। আমি যদি শিক্ষক তেনেকৈ নিদিওঁ তেনেহ'লে কিন্তু এই সুবিধাটো adopt কৰিব নোৱাৰিব। সেইকাৰণে atleast কলেজ বিলাকত দুই এটা এতিয়া যেনেকৈ বাঘবৰ পূৰণি সমষ্টি Science ৰ degree college বুলিবলেই নাই তাত। মোৰ জনীয়া সমষ্টিত commerce college এ নাই। সেয়ে এনেকুৰচা বিদ্যালয়, মহাবিদ্যালয় সমূহত কমেও বাঘবৰত এটা পূৰণি বাঘবৰত এটা degree science college, জনীয়াত এটা commerce college বা Higher Secondary বিলাকত মই কৈছো বা Science, Arts, Commerce ৰ যদি তেনেকুৱা Higher Secondary সমূহত যদি শিক্ষক নিযুক্তি দিয়ে এই বিদ্যালয় সমূহ ভালদৰে চলিব। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

**माननीয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী ।

**শ্ৰী ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক গৰাকীক মই ধন্যবাদ জনাইছো তেখেতৰ পৰামৰ্শৰ বাবে। ইতিমধ্যে আমি ৪০৮ খন হাইস্কুল বা উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছো, যদিও আমি তাত post create কৰা নাই, post graduate teacher ৰ post create কৰা নাই, সেই বিদ্যালয়তে কৰ্মৰত graduate teacher যাৰ post graduate degree আছে তেনে ব্যক্তিক temporary ভাৱে class 11, 12 ত শ্ৰেণী ল'বলৈ কোৱা হৈছে। এতিয়া মূল প্ৰশ্নটো হ'ল ইয়াত স্থায়ী পদ সৃষ্টি হ'ব পাৰে নেকি? নিশ্চিতভাৱে ইয়াত স্থায়ী পদ সৃষ্টি হ'ব। আমি আনকি শিক্ষকৰ পদোন্নতিৰো প্ৰস্তাৱ দিছো। যাৰ কাৰণে যি শিক্ষকৰ নিযুক্তিৰ সেৱা বিধি থাকে, service rule থাকে, এই service rule খনক সংশোধন কৰাৰ প্ৰস্তাৱ ৰাখিছিলো আৰু কেবিনেটলৈকে আমি গৈ পাইছিলো। কিন্তু আমাৰ শিক্ষক সংগঠন বিলাকৰো মতামত টো খুবেই গুৰুত্বপূৰ্ণ। গতিকে আমাৰ যিমান বিলাক শিক্ষক সংগঠন আছে, আমি সেই সংগঠন বিলাকৰ লগতো নতুন service rule সম্পৰ্কে আমি তেওঁলোকৰ লগত আলোচনা কৰিছো। তেওঁলোকৰ মতামত গ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। গতিকে বিদ্যালয় শিক্ষা বিভাগত কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰীৰ কাৰণে এখন নতুন service rule আহিব আৰু যিখন service ruleত শিক্ষকৰ পদোন্নতিৰ ব্যৱস্থাও থাকিব। এতিয়া Graduate teacher যিসকলক with post Graduate তেনে শিক্ষক আমি পাইছো, বিধায়ক গৰাকীৰ পৰামৰ্শটো ভাল পৰামৰ্শ। সেই পৰামৰ্শটো আমি বিবেচনা কৰিম, যাতে তেওঁলোকৰ যিটো শিক্ষা আছে, অৰ্হতা আছে সেইটোৰ সৎ ব্যৱহাৰ কৰি তেওঁলোকক class 11, 12 ত শিক্ষাদানৰ সুযোগ যাতে আমি প্ৰদান কৰিব পাৰো, তাৰ কাৰণে আমি বাৱস্থা গ্ৰহণ কৰিম বুলি মই আপোনাক জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী- অনুপস্থিত।

শ্ৰীমতী শিৰামণি বৰা- অনুপস্থিত।

শ্ৰী মজিবুৰ ৰহমান, প্ৰশ্ন নং ৪৯ -অনুপস্থিত।

প্ৰশ্ন নং ৫০ শ্ৰী আফতাব উদ্দিন মোল্লা।

সন্মানীয় শিক্ষামন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আফতাব উদ্দিন মোল্লা, জলেশ্বৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো ইয়াত যিটো উত্তৰ দিছে তাত মই satisfied নহয় কাৰণ আমি বিচাৰিছিলো জলেশ্বৰ সমষ্টিৰ বাইছাখাৰাবাদত নিৰ্মাণ হৈ থকা women college ৰ কাম হঠাৎ বন্ধ হৈ যোৱাৰ বিষয়ে অৱগত কৰাবলৈ আৰু পুনৰাই কেতিয়া আৰম্ভ কৰিব তথ্য সহকাৰে জনাবলৈ। ইয়াত যিটো কথা কৈছে, সেই উত্তৰটোত satisfied এইকাৰণে নহয় যে কামটো ২০২১-২২ ত আৰম্ভ হ'ল, আ ৰম্ভ হৈয়ে কিন্তু বন্ধ হ'ল, আমি এইটো জনাৰ পিছতো অলপ কাম কৰি বন্ধ কৰি থৈছে, তাৰ পিছত বহুবাৰ জনোৱাৰ পিছত ২০২৪ চনত কামটো cancel হোৱা বুলি ইয়াত দেখুৱাইছে। যদি কামটো cancel কৰিছে আজিলৈকে কিয় allotment দিয়া নাই? তেন্তে ৫ বছৰ এনে গ'ল। এতিয়া মোৰ প্ৰশ্ন হ'ল যে কামটো কেতিয়া আৰম্ভ হ'ব?

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো দুৰ্ভাগ্যজনক। ঠিকাদাৰ জনৰ ব্যৰ্থতা তেওঁ কামটো সম্পূৰ্ণ কৰিব নোৱাৰিলে, আগবঢ়াব নোৱাৰিলে। গতিকে আমি work order টো cancel কৰিব লগা হ'ল। কিন্তু তাৰ পাছত এটা সমস্যা আহিল যে schedule টো change কৰিব লাগিব, তাৰ estimate revise হ'ল আৰু revise estimate ত অতিৰিক্ত প্ৰায় ৪ কোটি টকা এটা মহাবিদ্যালয় খনৰ কাৰণে প্ৰয়োজন হ'ল। এতিয়া এই অতিৰিক্ত ৪ কোটি টকা আমি অনুমোদনৰ কাৰণে process কৰি আছো। যেতিয়া আমি এই অতিৰিক্ত ৪ কোটি টকা আমি অনুমোদনটো লাভ কৰিম, তেতিয়াই ইয়াৰ প্ৰশাসনিক যি অনুমোদন আছে সেই অনুমোদনটো আমি দিব পাৰিম আৰু মহাবিদ্যালয় খন যিহেতু আৰম্ভ কৰা হৈছিলে, ঠিকাদাৰৰ ব্যৰ্থতাৰ বাবে সম্পূৰ্ণ কৰিব পৰা নগ'ল, বিভাগৰ দায়বদ্ধতা যে ইয়াক আমি সম্পূৰ্ণ কৰিব লাগিব আৰু সম্পূৰ্ণ কৰিম বুলি আজি প্ৰতিশ্ৰুতি দিছো। ধন্যবাদ।

**শ্ৰী আফতাব উদ্দিন মোল্লা, জলেশ্বৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা মই এই চেগতে ক'ব বিচাৰিছো যে মোৰ এটা প্ৰশ্ন আছিল যিটো তৰাচিহ্নত অহা নাই, মৌখিক আহিছে। আমি সুধিছিলো যে মোৰ সমষ্টিত বহুত additional class room বিশেষকৈ ছাটাইবাৰী হাইস্কুল, ৰাখালকিলা হাইস্কুল, ধুমুৰঘাট যিটো আদৰ্শ বিদ্যালয় তেনেকুৱা বহুত কেইখন স্কুলত কামবিলাক half done হৈ আছে। ইয়াত যিটো উত্তৰত আহিছে কাম হোৱা বুলি দেখুৱাইছে, গতিকে এই কাম বিলাক কেতিয়া হ'ব, সোনকালে হ'ব নেকি মই সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জনাইছো যে ২২ হাজাৰ অতিৰিক্ত শ্ৰেণী কোঠা নিৰ্মাণ হৈছে। জলেশ্বৰ সমষ্টিত কোনো কাম যদি সম্পূৰ্ণ নোহোৱাকৈ আছে সেইটো পৰিদৰ্শন কৰি তাৰ প্ৰতিবেদন দাখিল কৰিবৰ কাৰণে আজি মই বিভাগক নিৰ্দেশ দিম। আমাৰ তাত তথ্য আহিছে যে শ্ৰেণী কোঠা নিৰ্মাণ সম্পূৰ্ণ হৈছে। তেওঁ কৈছে সম্পূৰ্ণ হোৱা নাই। এই বিষয়টো মই তদন্ত কৰাৰ দায়িত্ব গ্ৰহণ কৰিছো। আৰু পুনৰবাৰ জনাওঁ যিখন Women মহাবিদ্যালয় ঠিকাদাৰৰ ব্যৰ্থতাৰ কাৰণে আমি সম্পূৰ্ণ কৰিব নোৱাৰিলো, Revised estimate ৰ যি অতিৰিক্ত পইচাৰ প্ৰয়োজন সেইখিনিৰ লঅনুমোদন লাভ কৰিলেই কামটো আগুৱাই যাব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ-** Question Hour is Over এতিয়া তিনি নম্বৰত আছে Short Notice Question.

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সভাস্থগিত প্ৰস্তাৱ দিয়া আছে। সভাস্থগীত প্ৰস্তাৱ টো আলোচনা হৈ লওঁক।

(হুলস্থুল)

**মাননীয় অধ্যক্ষঃ-**plesase আপোনালোকে নীতি নিয়ম নামানে আলোচনা হ'ব লাগে। এনেকুৱা ব্যৱহাৰ কৰিব নালাগে। সদস্য সকলে জানিব লাগে কি কৰিব লাগে। আৰু সেইমতে চলিব লাগে। Question Hour ৰ পিছত চব হয়। Question Hour short Notice Question আছে। জানিব লাগে। এইটো Short Notice Question , শ্ৰী অমিনুল ইছলামে,just Loy কৰিলে হৈ যাব।

**শ্ৰী আমিনুল ইছলাম, জ্যেষ্ঠ)ঃ** -তেখেতে উত্তৰটো Lay কৰা বুলি কৈ দিলে হৈ গ'ল। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুগ্ৰহ কৰি জনাবলৈ বিচাৰিছো যে যোৱা 8 February তাৰিখে বঙাইগাওঁত গাওঁত তবলিগ জামাতৰ কিছু লোকক আক্ৰমণ কৰি এচাম উগ্ৰপন্থীয়ে আহত কৰা ঘটনাটো , চৰকাৰৰ অৱগতনে? অপৰাধী সকলক চিনাক্ত কৰি শাস্তি প্ৰদান কৰা হৈছেনে? সৱিশেষ তথ্য দিব।

**মাননীয় অধ্যক্ষ ঃ-** Hon'ble Parliamentary Minister Just lay কৰা বুলি ক'লেই হ'ল। short Notice Question.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকী Short Notice Question Answer টো Lay কৰা হৈছে।

**শ্ৰী আমিনুল ইছলাম, জ্যেষ্ঠ ধিং)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, পিছৰ প্ৰশ্নটো হ'ল, যোৱা ৫ ফেব্ৰুৱাৰী তাৰিখে মেঘালয়ৰ কয়লাখনিত সংঘটিত বিধ্বংসী অগ্নিকাণ্ডত অসমৰ কিমান শ্ৰমিকৰ মৃত্য হৈছে?

ক) নিহত শ্ৰমিক সকলৰ নাম ঠিকনা জনাব?

খ) নিহত শ্ৰমিক সকলৰ পৰিয়ালক চৰকাৰে কি ক্ষতিপূৰণ প্ৰদান কৰিলে।

গ) এই সম্পৰ্কে মেঘালয় চৰকাৰৰ লগত হোৱা যোগাযোগৰ সবিশেষ তথ্য জনাব?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰা কীৰ short Notice Question ৰ Answer টো Lay কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ-** Next.

**শ্ৰী আমিনুল ইছলাম, জ্যেষ্ঠ)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যোৱা 8 February তাৰিখে বাক্সা জিলাৰ বেলগুৰিত মদন চন্দ্ৰ বৰ্মন নামৰ প্ৰধান শিক্ষক জনে অত্মহত্যা কৰা কাৰণ কি পাইছে পলিছে?

খ) সুদখোৰৰ মানসিক হেচা আৰু হিমলাগুৰিৰ আৰক্ষী বিষয়াৰ ভাবুকিৰ বাবেই আত্মহত্যা কৰা অভিযোগ শুদ্ধ নে?

গ) যদি এই অভিযোগ সত্য তেনেহ'লে সুদখোৰ লোকজন আৰু থৰ্নাৰ O.C ৰ বিৰুদ্ধে কি কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিছে এই বিষয়ে জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ Short Notice Question ৰ Answer টো Lay কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় Chief Minister who lay the Report?

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহীহাট)ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মোৰ সভাস্থগিত প্ৰস্তাৱ এটা আছিল।

**মাননীয় অধ্যক্ষঃ** Thank You.হ'ব। মই কৈ আছো। আমাৰ As per rule,সভাস্থগিত প্ৰস্তাৱ ১ ঘণ্টাৰ আগত আহি পাব লাগে কিন্তু আপোনালোকৰ time যোৱাৰ পিছত হে এই যেতিয়া House হ'ব তেতিয়াহে আহিছে।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহীহাট)ঃ**- নহয় ছাৰ, আমি সময় মতে দিছো। ছাৰ এইটো গুৰুত্বপূৰ্ণ বিষয়।

**মাননীয় অধ্যক্ষঃ**- মই আপোনালোকক কৈ আছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, (হুলস্থুল)

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ)ঃ**-ছাৰ, বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন কাৰ্য্যকৰী নকৰা এইটো এটা Serious বিষয়। ছাৰ, আপুনি সময়ৰ কথা কৈ নাকচ নকৰিব Please ছাৰ, এইটো আলোচনা কৰিবলৈ দিয়কছ। ছাৰ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত অসমীয়া মানুহৰ কাৰণে সাংবিধানিক সুৰক্ষাৰ কবচ বিচাৰিছে। সাংবিধানিক সুৰক্ষাৰ কবচ লাগে ছাৰ। এই কাৰণে আলোচনা কৰিব লাগে। আলোচনা কৰিবলৈ দিয়ক ছাৰ। ( হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** Please

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** হয়, তাৰ প্ৰতিবেদন নহয়, এইখন APSC কেলেংকাৰীৰ Action taken Report it is Just a apaper.প্ৰতিবেদন নহয়। এইটো ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ APSC কেলেংকাৰীৰ Action taken Report আমি কি কি Action ললো।

**মাননীয় অধ্যক্ষ ঃ**- Now Item No.4.

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)ঃ**-ছাৰ, এই প্ৰতিবাদনটো কেন্দ্ৰীয় চৰকাৰক দিয়া নাই। চাৰ যোৱা জানুৱাৰী মাহত আমাৰ কেবিনেটে সিদ্ধান্ত ল'লে যে ছাত্ৰ- সন্থা, ৰাজ্য চৰকাৰে, কেন্দ্ৰীয় চৰকাৰে এটা ত্ৰিপাক্ষিক বৈথক বহি কৰাৰ বাবে ব্যৱস্থা ল'ব। এইটো নকৰিলে, ত্ৰিপাক্ষিক বৈঠকো নকৰিলে ছাৰ, এই প্ৰতিবেদনটো আমাৰ জনগোষ্ঠী অসমৰ, ( হুলস্থূল)

**মাননীয় অধ্যক্ষ)ঃ**- Please

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ**- এই বিষয়টো House ত কোন reference ত কৈছে, মই বুজি পোৱা নাই। এয়াই হ'ল লোক সেৱা আয়োগৰ কেলেংকাৰীৰ Report.

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)ঃ** আমি এইটো Report কোৱা নাই।( হুলস্থূল)।

মাননীয় অধ্যক্ষঃ- Please, Sit down.

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ**- বিপ্লৱ শৰ্মাৰ কমিটিৰ Report খন যদি Complete আপোনালোকে Support কৰে , তাতকৈ আনন্দৰ কথা একো নাই।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ)ঃ**- আমি Support কৰিছো। আপুনি কাৰ্য্যকৰী কৰক এতিয়ালৈকে দিল্লীলৈ পঠিওৱাই নাই আপুনি।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ**- ত্ৰিপক্ষিক বৈঠক কৰিব দিয়ক।

**শ্ৰী অখিল গগৈ, বিধায়ক( শিৱসাগৰ)ঃ**- কিন্তু দিল্লীলৈ পঠিওৱা নাই আপুনি।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ**-আপোনালোকে একদম চিন্তা নকৰিব on record.

**শ্ৰী অখিল গগৈ, বিধায়ক( শিৱসাগৰ)ঃ**- চিন্তা নকৰিব মানে কেতিয়া হ'ব। আপোনালোকে এতিয়া

লৈকে দিল্লীৰ চহী টোকে আনিব নোৱাৰিলে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ- মই কৈ আছো, অখিল গগৈ ডাঙৰীয়া। Delimitation ৰ পৰা আৰম্ভ কৰি দিল্লীয়ে already প্ৰতিবেদনখন Implementation য়ে আৰম্ভ কৰিছে।এটা এটাকৈ কোনোবা এটা

**শ্ৰী অখিল গগৈ, বিধায়ক( শিৱসাগৰ)**ঃ- প্ৰতিবেদনখন নেদেখালে দিল্লীলৈ নাই দিয়া বুলি আপোনালোকে কৈছে। ( হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ ওপৰত আপোনালোকে কিবা এটা Device ত এইবাৰটো শেষৰ দিনা ইমান serious Issue টো শেষৰ দিনা কিয় আনিলে? আপোনালোকে তাক serious দিয়া নাই। আজি ১৫ তম বিধান সভাৰ শেষ দিন। ক'লেই মই উত্তৰ খিনি দিব লাগিব, আনিব লাগিব। ঠিক আছে বৰ্তমান মই ৰাজ্যপালৰ reply টো দি লওঁ। তাৰ পিছত অধ্যক্ষ মহোদয়, যি কৰিব লগা আছে কৰিব। মইটো একো ready হৈ অহাই নাই।

**শ্ৰী অখিল গগৈ, বিধায়ক( শিৱসাগৰ)**ঃ- এইটো আমি জাননী দিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষনৰ reply টো দিওঁ লওঁ তাতে এইটোও উল্লেখ কৰিম। কোনো কথা নাই। ( হুলস্থূল)

**মাননীয় অধ্যক্ষ**ঃ-Item No.4. shri Ranjeet Kumar Das. Hon'ble Parliamentary affairs Minister.(হুলস্থূল)

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, The Annual Administrative Report tor the Financial Year 2024, 2025, is Laied before the August House .

**মাননীয় অধ্যক্ষ**ঃNow,Hon'ble Minister চন্দ্ৰ মোহন পাটোৱাৰীPresentation of CAG Report (হলস্থূল)

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী**ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০২৪ বছৰটোৰ বাবে অসম চৰকাৰৰ সৰ্ম্পৰ্কীয় ৰাজ্যিক ৰাজহৰ সৰ্ন্দভত ২০২৫ বৰ্ষৰ প্ৰতিবেদন No . 5 সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ**ঃ- Item No. 6.শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী**ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০২৪ বৰ্ষৰ বাবে অসম চৰকাৰ সৰ্ম্পৰ্কীয় ৰাজ্যিক ৰাজহৰ সন্দৰ্ভত ২০২৫ বৰ্ষৰ প্ৰতিবেদন নং ৫ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- Item No 7 শ্ৰী নুৰুল হুদা,Absent, any one Member?

**মাননীয় অধ্যক্ষ** ঃ-Lay কৰি দিলে হ'ব।

**শ্ৰে ভবেন্দ্ৰ নাথ ভৰালী , বিধায়ক (দেৰগাওঁ)** ঃ- মাননীয় অধ্যক্ষ মহোদয় ৰাজহুৱা হিচাপ সমূহ সমিতিৰ ১৯৫ আৰু ১৯৬ তম প্ৰতিবেদন দুখন সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ কাৰ্য্যসূচী নং-৮, মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা। (তেখেত নাই) Anyone from Petition Committee?

**শ্ৰীভৱেন্দ্ৰ নাথ ভৰালী, ডেৰগাওঁ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সভাপতি মহোদয়ৰ হৈ অসম বিধানসভাৰ আবেদন সমূহৰ সমিতিৰ ৫৩ তম প্ৰতিবেদনখন দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত আলোচনা চলি আছিল। এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ ওপৰত উত্তৰ দিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কাৰ্য্যসূচী-৩ ত অকল এখন প্ৰতিবেদন দাখিল কৰিছিলো সেইকাৰণে মই আকৌ এবাৰ repeat কৰিব বিচাৰিছো - অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ অধীনৰ অসম আৰক্ষী বিভাগ ২০২৪-২৫ ; অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী সঞ্চালকালয় অসম ২০২৪-২৫ ; অসম কাৰাগাৰ মুখ্য কাৰ্য্যালয়সমূহ ২০২৪-২৫ ; তদাৰকী আৰু দূৰ্নীতি নিবাৰক সঞ্চালকালয় অসম, ২০২৪-২৫ ; ফৰেঞ্চিক বিজ্ঞান সঞ্চালকালয় অসম ২০২৪-২৫ ; ৰাজ্যিক তদাৰকী আয়োগ অসম ২০২৩-২৪ ; চৰকাৰী ভাষা ৰূপায়ণ সঞ্চালকালয় অসম ২০২৪-২৫ আৰু লোকায়ুক্ত কাৰ্য্যালয় অসম ২০২৪-২৫ ৰ বাৰ্ষিক প্ৰতিবেদন কেইখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই আপোনাক ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত কোৱাৰ বাবে অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই অসমৰ মহামান্য ৰাজ্যপাল শ্ৰী লক্ষ্মণ প্ৰসাদ আচাৰ্য্য দেৱক তেখেতৰ বহুমূল্য অভিভাষণৰ বাবে অসম বিধান সভা আৰু অসমৰ মুখ্যমন্ত্ৰী হিচাপে তেখেতলৈ মোৰ ধন্যবাদ আৰু অভিনন্দন জ্ঞাপন কৰিছো। আমি সকলোৰে অৱগত যে অসম বিধান সভাৰ বিশেষকৈ আমাৰ ১৫ তম অসম বিধান সভাৰ আজি শেষ দিন আৰু আজিৰ দিনৰ পিছত আমি সকলোৱে নিৰ্বাচনলৈ যাম আৰু মই আমাৰ বিধান সভাৰ প্ৰতিগৰাকী সদস্যকে আগন্তুক বিধানসভা নিৰ্বাচনৰ শুভ কামনা জ্ঞাপন কৰিছো। আমি বিধান সভাৰ ভিতৰত যোৱা ৫ টা বছৰে ৰাজ্যৰ বিভিন্ন উন্নয়ণ মূলক কাম-কাজ সমূহৰ সম্পৰ্কত আলোচনা কৰিলো। কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক আইনলৈ ৰূপান্তৰ কৰিলো আৰু প্ৰশ্নোত্তৰ, শূণ্যকালীন ঘন্টাৰ লগতে বিভিন্ন মাধ্যমৰ জৰিয়তে অসমৰ ৰাইজৰ অধিকাৰ আৰু কল্যাণৰ সৈতে জড়িত কেইবাটাও বিষয়ৰ ওপৰত আলাপ-আলোচনা কৰিলো। আমাৰ চৰকাৰীপক্ষৰ লগতে ৰাজ্যৰ বিৰোধী পক্ষইয়ো সমান্তৰালভাৱে দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰী পক্ষক বিভিন্ন প্ৰশ্ন আৰু বিভিন্ন মাধ্যমৰ যোগেৰে ৰাইজৰ প্ৰতি আমাক জবাবদিহি কৰি ৰাখিবলৈ প্ৰচেষ্টা কৰিছিল। মই নিশ্চিতভাৱে আজিৰ দিনটোত বিৰোধী পক্ষৰ প্ৰতি গৰাকী সদস্যকে অভিনন্দন জনাওঁ। আমি নিৰ্বাচনত জয়ী হৈ যাতে বিধানসভালৈ আহোঁ আৰু আমাৰ যিমানখিনি শক্তি আৰু সম্পদ আমাৰ হাতত থাকে তাৰ সৎ ব্যৱহাৰৰ জৰিয়তে ৰাজ্যখন তথা জাতিটোৰ মঙ্গলময় ভৱিষ্যতৰ বাবে কাম কৰো। ৫ টা বছৰৰ পিছত বিধান সভাৰ মজিয়াত থিয় হৈ আমি নিশ্চিতভাৱে অনুভৱ কৰো যে যোৱা ৫ টা বছৰত আমাৰ শক্তি আৰু সামৰ্থ্যৰ সীমাবদ্ধতাৰ প্ৰতি সচেতন হৈ থকাৰ পিছতো ৰাজ্যখনৰ জীৱনলৈ পৰিৱৰ্তন আৰু ৰূপান্তৰ অনাৰ বাবে আমি প্ৰয়াস আৰু প্ৰচেষ্টা কৰিছিলো। যোৱাকালি মাননীয় অধ্যক্ষ মহোদয়ে বিধান সভাৰ সদস্য সকলৰ বাবে এটা নৈশ ভোজৰ আয়োজন কৰিছিল। এই নৈশ ভোজত ৰাতি যেতিয়া মই ১০ মিনিট সময়ৰ বাবে গৈছিলো তেতিয়া অধ্যক্ষ মহোদয়ে মোক মনত পেলাই দিছিল যে অসম বিধান সভাৰ সদস্য হিচাপে মইও ২৫ টা বছৰ পূৰ্ণ কৰিম। অৰ্থ্যাৎ ২০০১ চনত মই বিধান সভালৈ নিৰ্বাচিত হৈছিলো আৰু ৰাজ্যৰ কেইবাটাও বিভাগৰ মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব পালন কৰি এক প্ৰত্যাহ্বানমূলক বা আশাৰে পৰিপূৰ্ণ আধুনিক অসম নিৰ্মাণৰ এক স্বৰ্ণীল মূহুৰ্তত এই ৫ টা বছৰৰ শাসনৰ শেষৰ ফালে আমি আহিছো। যিহেতু মোক ২৫ বছৰৰ কথা মনত পেলাই দিলে সেয়েহে মই আমাৰ বিধান সভাৰ সদস্য সকলক মোৰ এটা ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ কথা ক'ম। ১৯৯৬ চনত মই যেতিয়া প্ৰথম নিৰ্বাচন

প্ৰতিদ্বন্দিতা কৰিছিলো সেই নিৰ্বাচনত ১৭,০০০ ভোটত পৰাজয় হৈছিলো। কিন্তু আমাৰ সমষ্টিৰ ৰাইজৰ প্ৰতি যি দায়বদ্ধতা সেয়া নিৰ্বাচনত জয়ী বা বিজয়ী হোৱাৰ বাবে প্ৰভাৱ পেলাব নালাগে। আমি যিহেতু ৰাজনীতিত আহিছো কেতিয়াবা হাৰিম, কেতিয়াবা জিকিম। কিন্তু ৰাজ্যবাসীৰ বাবে আমি নিৰন্তৰ কাম কৰি যাব লাগিব। যোৱাকালি ৰাতি মই ঘূৰি গৈ চাইছিলো যে মই এটা নিৰ্বাচনত বিজয়ী হোৱাৰ পিছত নিৰ্বাচনবোৰত মোৰ performance কেনেকুৱা আছিল ! ১৯৯৬ চনত একেটা সমষ্টিতে য'ত মই ১৭,০০০ ভোটত পৰাজয় তাত মই ২০০১ চনত দ্বিতীয়বাৰৰ বাবে ১০,০০০ ভোটত জয়ী হৈছিলো। ঠিক তেনেকৈ তৃতীয়বাৰৰ বাবে ২০০৬ চনত নিৰ্বাচন খেলোতে মই ৪২,৪৬৮ ভোটত, চতুৰ্থ বাৰৰ বাবে ২০১১ চনত নিৰ্বাচন খেলোতে মই ৭৭,৪০৩ ভোটত,পঞ্চমবাৰৰ বাবে ২০১৬ চনত নিৰ্বাচন খেলোতে মই ৮৫,৯৩৫ টা ভোটত আৰু ষষ্ঠবাৰৰ বাবে ২০২১ চনত নিৰ্বাচন খেলোতে মই ১,০০,০০১ টা ভোটত জয়ী হৈছিলো। সমষ্টি আৰু মানুহ একেজনেই। তাৰমানে যি মানুহে এটা নিৰ্বাচনত আমাক ভোট নিদিয়ে সেই মানুহখিনি আমাৰ শত্ৰু নহয়। যিখিনি মানুহে প্ৰথমবাৰৰ বাবে আমাক ভোট নিদিয়ে, দ্বিতীয়বাৰ তেওঁলোকে কেনেকৈ ভোট দিয়ে তাৰবাবে কাম কৰাৰ বাবে আমাৰ যুৱ বিধায়কসকলে শিকাৰ প্ৰয়োজন আছে। যদি মই ভাবিলোহেঁতেন যে মোক ভোট দিয়া মানুহখিনিকে মই সেৱা কৰিম, নিদিয়া মানুহখিনিক সেৱা নকৰো, তেনেহ'লে মই কেতিয়াও সৰ্ব্বগ্ৰহণযোগ্য বিধায়ক হ'ব নোৱাৰিলোহেঁতেন। মোৰ ২৫ টা বছৰৰ অভিজ্ঞাতৰে মই বিধায়ক সকলক অনুৰোধ কৰিম যে কোনোবাটো নিৰ্বাচনত কোনোবাই আমাক ভোট নিদিলেও তেওঁলোক আমাৰ শত্ৰু নহয়, বৰঞ্চ পিছৰ নিৰ্বাচনত আমাত আমাক ভোট দিয়াত তেওঁলোক আমাৰ potential voter হৈ পৰে। সেইকাৰণে ৰাজ্য তথা সকলোৰে বাবে নিৰন্তৰভাৱে কাম কৰাৰ আমি যি সুযোগ পাওঁ সেয়াই আমি ৰাজ্য তথা সমষ্টিৰ মঙ্গলৰ বাবে ব্যৱহাৰ কৰা উচিত। অধ্যক্ষ মহোদয়, এইবাৰ আমাৰ ৰাজ্যৰ বাবে অত্যন্ত ভাল খবৰ যে 16th Finance Commission আমি লাভ কৰিছো আৰু অহাবাৰৰ বিধানসভাৰ বাবে ই এটা শুভ আৰম্ভণি হ'ব। মই উল্লেখ কৰিব বিচাৰিছো যে প্ৰত্যেকবাৰ Finance Commission ত অসমৰ Fiscal space কমি গৈছে। প্ৰত্যেকবাৰে devolution ত আমাৰ যিটো percentage of devolution, সেইটো কমি কমি আহি আছিলে, কাৰণ বিত্ত আয়োগে পুঁজি বিকেন্দ্ৰিকৰণত দুটা formula লৈছিলে- area আৰু population. অসমে area আৰু population দুইটাতে, ভাৰতৰ মধ্যভাগত থকা কাৰণে devolution ৰ percentage আমাৰ ক্ৰমাগতভাবে কমি গৈছিলে আৰু এটা সময়ত আমি ৩ শতাংশত আহি থিয় হৈছিলো। এই বাৰ ১৬ তম্ বিত্তীয় আয়োগৰ প্ৰতিবেদনত বহু বছৰ পিছত অসমৰ devolution ত তেওঁলোকে এইবাৰ নতুন এটা indicator কৰিলে যে, কোন ৰাইজ্যই দেশৰ GDP ত বৰঙণি যোগাব অৰ্থাৎ দেশৰ বিকাশত কোন ৰাজ্যই আটাইতকৈ বেছি বৰঙণি আগবঢ়াইছে। সেই কাৰণে এইবাৰ Karnataka ই আটাইতকৈ বেছি বিত্ত আয়োগৰ পৰা benefit পাইছে। গুজৰাটেও benefit পাইছে। সেই indicator ত অসমেও ভাৰতৰ বিকাশত, বোজা আৰু contribution, ইয়াৰ মাজত দুটা ডাঙৰ পাৰ্থক্য আছে। যোৱা পাঁচ বছৰত আমি ভাৰতৰ বোজা নহয়, ভাৰতৰ বিকাশ যাত্ৰাত আমি contribute কৰাৰ কাৰণে চেষ্টা কৰিছো। আৰু এইবাৰ 16th Finance Commision য়ে আমাৰ devolution ৩.২৫ শতাংশলৈকে increase কৰিলে। It is an increase of 0.25%. ইয়াৰ ফলত অহা বছৰ অসমে কেন্দ্ৰীয় চৰকাৰৰ পৰা devolution grant হিচাপে ৫০ হাজাৰ কোটি লাভ কৰিব আৰু প্ৰথম বাৰৰ বাবে অসমে নিজৰ পুঁজিৰে, ৭০ বছৰৰ পিছত অহা বছৰত আমি

পৰৰ হস্তান্তৰৰ টকাৰ জৰিয়তে ৰাজ্যৰ কৰ্মচাৰী সকলৰ দৰমহা আৰু pension আমি ১২ মাহে দিব পাৰিম। যিটো অসমৰ বাবে এটা বহু দিনৰ পিছত, after 77 years of Governance, আমি ২০২৬-২৭ ৰ বিত্তিয় বৰ্ষ অতি গৌৰৱেৰে সৈতে প্ৰৱেশ কৰিব পাৰিম। Fifty thousand crore only tax devolution. মই বিশ্বাস কৰো যে, অহা বছৰ অসমৰ নিজৰ revenue collection will cross thirty thousand crores. তাৰ মানে অসমে আমাৰ চৰকাৰী কৰ্মচাৰীক ৪ হাজাৰ কোটি টকালৈকে দৰমহা আৰু পেঞ্চনত, ৪৮ হাজাৰ কোটি টকা, এই ৪৮ হাজাৰ কোটি টকা আমি কৰাৰ পিছত, আমি উন্নয়ন মূলক কাম আৰু অসমক আগুৱাই লৈ যোৱাৰ এটা ডাঙৰ fiscal space এটা আমি লাভ কৰিব গৈ আছো। বহু সময়ত আমাৰ সদনত উত্তৰ দিছিলো যে, ২০৩০ চনৰ ভিতৰত অসম, আমাৰ ১০ লাখ কোটি টকাৰ economy হ'ব। ২০৩০। কিন্তু আমাৰ বাবে অত্যন্ত আনন্দৰ বিষয়। এইবাৰ যি অৰ্থনৈতিক সমিক্ষা সদনত ৰখা হৈছে তাত কোৱা হৈছে যে, ২০২৬-২৭ ত our growth will be 16.93%, it will nearly be 17%. As a result, ২০৩০ চনত আমাৰ ১০ লাখ কোটি টকাৰ economy হোৱাৰ কথা আছিল। অহা বছৰ আমাৰ ৮ লাখ ৭১ হাজাৰ কোটি টকাৰ economy হ'ম। ২০২৭-২৮ অৰ্থাৎ ২০২৮ চনৰ ৩১ মাৰ্চত, Assam will join that big league that we are an economy of 10 lakhs crore. We are entering that big league two years prior to the projection. ২০৩০ চনত আমি ১০ লাখ কোটি টকাৰ economy হ'ব লগীয়া আছিলে now we will become an economy of 10 lakhs crore by 2028. আমাৰ Reserve bank ৰ data ২০২১ ৰ পৰা ২০২৫ লৈকে, ভাৰতৰ economic growth আছিলে ২৯ শতাংশ। আৰু এই পাঁচ বছৰত অসমৰ economic growth হৈছে ৪৫ শতাংশ। Today Assam is officially recognised. মই দাবি কৰাৰ কথা নোঠে। Assam is officially recognised as a fastest growing economy of the country, not only of North-East. আগতে আমাক কি কোৱা হয়, যে, উত্তৰ পূৰ্ব ভিতৰত প্ৰথম। আজি এই পবিত্ৰ সদনত পাঁচতা বছৰ পিছত অসমৰ মুখ্যমন্ত্ৰী হিচাপে, অসমীয়া হিচাপে গৌৰৱেৰে থিয় হৈ আমি কৈছো যে, we are the fastest growing economy of the country. অধ্যক্ষ মহোদয়, প্ৰায় আমি economic parlance ত আলোচনা কৰো যে, কেইজন মান ব্যক্তিৰ বিকাশে GDP growth বুজাই নেকি? সেই কাৰণে কেতিয়াবা কেতিয়াবা GDP ৰ লগত আমি per capita income চাব যাওঁ। এতিয়া ভাৰত বৰ্ষৰ Reserve Bank ৰ documents হিচাপে আমাৰ ৰাজ্যত per capita income যদি আপোনালোকে চাব যায়, ২০২০-২১ ত আছিলে ৮৬৯৪৭ আৰু ২০২৫-২৬ চনত আমাৰ per capita income য়ে আজি ১ লাখ ৮৫ হাজাৰ ৪শ ২৯ কোটি টকাত প্ৰৱেশ কৰিছো অৰ্থাৎ লাহেকৈ পশ্চিম বংগৰ লগত এতিয়া আমাৰ gap টো narrow হৈ পৰে। মই বিশ্বাস কৰো যে, অহা ১ বছৰত আমি per capita income ত পশ্চিম বংগক আমি পিছ পেলাব সক্ষম হ'ম আৰু কেইদিন মান আগতে Money Control বুলি এখন খুব ডাঙৰ economic news paper, তেওঁলোকে project কৰিছে যে, যদি per capita আমি এটা base year ধৰো, inflation টো যোগদি কৰো, তাক current বুলি কয় আৰু যদি inflation যোগ নিদিয়াকৈ হিচাপ কৰে তাক constant বুলি কয়। তেওঁলোকে কৈছে যে, per capita on constant basis, next year আমি পশ্চিম বংগক পিছ পেলাম on the constant. Current ত নহয় on the constant. তাৰ মানে আজি

আমি দেশৰ আটাইতকৈ বিকশিত economy সমূহৰ মাজত এখন হিচাপে  আমি প্ৰবেশ কৰিছো। আপোনালোকে জানি ভাল পাব যে আমাৰ ৰাজ্যত প্ৰতি বছৰে ব্যয় কৰাৰ লগে লগে আমি আমাৰ সম্পৰ্দ নিৰ্মাণ কৰিছো। আজি আমাৰ Public sector undertaking, নুমলিগড়কে ধৰি অসম চৰকাৰৰ valuation in  terms of share, today we have thirty five thousand crores আৰু Reserve Bank ৰ লগত যোৱা পাঁচটা বছৰত আমি additionally deposit কৰিলো ten thousand crores. তাৰ মানে apart from the current account balance, আমি Reserve Bank ত আৰু আমাৰ share ত, today we have an extra amount, যাক ভৱিষ্যতটোৰ সুৰক্ষাৰ কাৰণে ৰাখিছো। Thats become forty five thousand crores. আজি আমাৰ ৰাজ্যৰ বিদ্যুৎ পৰিষদ ভাৰতৰ fifth efficient Electricity Board. আজি আমি ৰাজ্যৰ মানুহক প্ৰায় ২২ ৰ পৰা ২৩ ঘণ্টা বিজুলি যোগান ধৰো। Load sheddingৰ কথা আমি আলোচনাও নকৰো। কেইটামান দিন পিছত আপোনালোক অত্যন্ত আনন্দিত হ'ব । বহু দিনলৈ আমাৰ ৰাজ্যত নিজৰ power generation নাছিল। আমি অহা ১০ দিনৰ ভিতৰত কপিলী হাইড্ৰ পাৱাৰ উদ্বোধন কৰিম। আমাৰ নিজৰ ডেৰশ মেগাৱট পাৱাৰ আমি আমাৰ যিটো power pool আছে, তাত আমি ডেৰশ মেগাৱট হাইড্ৰ পাৱাৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছো। এইটো প্ৰায় দুই-আঢ়ৈ কোটি টকাৰ প্ৰজেক্ট আছিল। আমি এইটো সম্পূৰ্ণ কৰিছো আৰু নতুনকৈ আমি কেইবাটাও Solar Power ৰ উপৰিও কাৰ্বি লাংপিত আমি আৰু এটা ২৫ মেগাৱটৰ হাইড্ৰ পাৱাৰৰ কাম আৰম্ভ কৰিছো। অসমত with Solar by 2032 will be a power surplusted, যে আমি power surplusted লৈকে আগবাঢ়ি গৈ আছো। আজি আপোনালোক  নিশ্চিত ভাৱে অৱগত যে এখন চৰকাৰৰ যিটো বিশ্বাস যোগ্যতা, সেই বিশ্বাস যোগ্যতা প্ৰমাণ হয় সেই চৰকাৰখনে নিৰ্ব্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি কিমান পালন কৰিছে। মই দুটা প্ৰতিশ্ৰুতিৰ কথা মনত পেলাম। যেতিয়া আমি ৰাজ্যত নিৰ্ব্বাচন খেলিছিলো তেতিয়া আমি ৰাজ্যবাসীক কৈছিলো যে আমি ১ লাখ চৰকাৰী চাকৰি দিম আৰু স্বচ্ছতাৰ সৈতে দিম। আমি অসমৰ যুৱ সমাজৰ মাজত এটা আশাৰ সঞ্চাৰ কৰিলো। আজি যেতিয়া মই মুখ্যমন্ত্ৰী হিচাপে বিভিন্ন গাঁৱলৈ যাওঁ, ডেকা ল'ৰা-ছোৱালী সকলে মোক তিনি ধৰণৰ কথা সোধে। মামা, কমাণ্ডোৰ পোষ্ট কিমান বাঢ়িব? দ্বিতীয়তে, গাঁৱত ষ্টেডিয়াম লাগে আমি দৌৰিব লাগে আৰু তৃতীয়তে, ADRE ৰ next interview কেতিয়া ওলাব?

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, মই এটা কথা সুধিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কথাখিনি শেষ হ'বলৈ দিয়ক। তাৰ পিছত সুধিব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** যোৱা ছমাহত বহিঃ ৰাজ্যত ১৬২ টা ল'ৰাৰ মৃত্যু হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** সেই শ্ৰদ্ধাঞ্জলি স্কীমৰ বিষয়ে মই ক'ম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰথমে ৰিপ্লাইটো দিবলৈ দিয়ক। Please আপুনি এতিয়া বহক।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** per capita income কিমান?

**মাননীয় অধ্যক্ষ ঃ** Please আপুনি এতিয়া বহক। ৰিপ্লাইটো দিবলৈ দিয়ক। কিয় মাজত distrub কৰি থাকে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** ৮৫ হাজাৰ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** per capita income ত আপুনি কি ক'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মই ২০২২ লৈকে আহিলো। We are looking constently.

আপোনাক মই আজি ৰাতি দি দিম। পাঁচ বছৰত আমি কিমান আগবাঢ়িলো।

**माननीय अध्यक्ष ঃ** আপুনি এতিয়া বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ শেষৰ দিনটোত মানুহে এইবিলাক নকৰে। আজি সকলোৰে বিদায় লোৱাৰ মূহূৰ্ত্তত আছে। যে আমি যাম নিৰ্ব্বাচন খেলিম আৰু ঘূৰি আহিম। এতিয়া ৰাইজৰ সন্মূখত কথা কোৱাৰ সময়। গতিকে মই সকলোকে জিকি অহাৰ বাবে শুভেচ্ছা জনাইছো। অহা পাঁচ বছৰ কৈ যাব পাৰিব।

মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া ১ লাখ চাকৰিৰ কথা কোৱা হৈছিল, স্বাভাৱিক ভাৱে বিৰোধী পক্ষই প্ৰত্যেকখন বিধান সভাতেই প্ৰশ্ন কৰিছিল যে কিমান হ'ল? এটা সময়ত এই প্ৰশ্ন নকৰা হৈ গ'ল। তেওঁলোক বেলেগলৈকে গুছি গ'ল। কাৰণ আমি ৰাইজক দিয়া প্ৰতিশ্ৰুতি ......

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** সেইটো নহয় ছাৰ। আমি তালিকাখন বিচাৰিছিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** তিনিবাৰ হাউচত পেইন ড্ৰাইভত তালিকা দিলো। আজি আৰু এখন লৈ ল'ব।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত মই বিশ্বাস কৰো যে মোতকৈও প্ৰতিভাৱান, মোতকৈও প্ৰশাসনিক ভাৱে দক্ষ কেইবা গৰাকী মুখ্যমন্ত্ৰীয়েও আমাৰ ৰাজ্যখন পৰিচালনা কৰিছিল। কিন্তু যোৱা পাঁচটা বছৰত কেতিয়াও চৰকাৰী নিযুক্তিয়ে ২০-২৫ হাজাৰৰ অংক ক্ৰচ কৰা নাছিল। আৰু যদি কোনোবাই সাহস কৰি ২৫ হাজাৰ নিযুক্তিও দিছিল তাৰ ১০ হাজাৰৰ উচ্চ ন্যায়ালয়ত কেচ হৈছিল। যদি মই সাহসেৰে নিযুক্তি দিছো কিন্তু সেই নিযুক্তিৰ সমান্তৰাল ভাৱে উচ্চ ন্যায়ালয়তো ১০ হাজাৰ গোচৰ হৈছিল। আমি ২০২১ চনত দায়িত্ব লৈ ২৯৪৪ টা নিযুক্তি দিলো, ২০২২ চনত আমি ৩৩,০৫৮ টা নিযুক্তি দিলো। এই নিযুক্তিবোৰ সম্পূৰ্ণৰূপে regular আছিল, contractual নহয়। ২০২৩ চনত আমি ৪৪,৯৭৮ টা,২০২৪ চনত ৩৩,৬৬৬ টা আৰু ২০২৫-২৬ বিত্তীয় য়বৰ্ষৰ এই মুহূৰ্ত্তলৈকে আমি ৪২ হাজাৰ চৰকাৰী চাকৰি দিলো। চৰকাৰী চাকৰিয়ে ১ লাখ ৫৯ হাজাৰত ভৰি দিলে। মই আশা কৰো নিৰ্ব্বাচনৰ আগলৈকে নিশ্চিত ভাৱে শিক্ষা বিভাগে যদি ভালকৈ এইকেইদিনত কাম কৰিব পাৰে তেতিয়া হ'লে আমি আৰু পাঁচ হাজাৰ নিযুক্তি দিব পাৰিম। তাৰমানে চৰকাৰী নিযুক্তিৰ সংখ্যাই প্ৰায় ১ লাখ ৬৫ হাজাৰৰ ওচৰ পাব। This is all time record. লগতে আটাইতকৈ গৌৰৱ অনুভৱ কৰিব আৰু ইয়াৰ বিপৰীতে নিযুক্তিক প্ৰত্যাহ্বান কৰি হাই কোৰ্টত এটাও কেচ নাই। ইয়ে প্ৰমাণ কৰে যে স্বচ্ছতাৰ যিটো highest মূল্য, তাক আমি achieve কৰিছো। আজি যেতিয়া অসম চৰকাৰৰ ওচৰত কোনোবাই দূনীৰ্তিৰ অভিযোগ আনে তাৰ উত্তৰ এটাই যে যুৱক-যুৱতী সকলে কিয় অনুভৱ কৰা নাই যে আমি দূনীৰ্তি কৰিছো। ADRE ৰ ৰিজাল্টৰ পিছত যুৱক-যুৱতী সকলে কিয় অনুভৱ কৰা নাই। পুলিচ আৰু বন বিভাগৰ নিযুক্তিৰ পিছত যুৱক-যুৱতী সকলে কিয় অনুভৱ কৰা নাই যে আমাৰ দেশত দূনীৰ্তি হৈছে। এজন হ'লে ও টো কোৰ্টত যাব লাগিছিল। তাৰ মানে ৰাজনীতি কৰা ব্যক্তি সকলে যি কথা কৈছে তাৰ বিপৰীত প্ৰতিচ্ছবি এখন দেশৰ জনতাই দিছে। দেশৰ জনতাই আজি বিশ্বাস কৰে যে এইখন চৰকাৰে পাৰদৰ্শিতাৰে ১ লাখ ৬৫ হাজাৰ নিযুক্তি দিছে আৰু তাত আমাৰ কোনো grievance নাই। কেতিয়াবা দুই-এটা কেচ হয় যে state TET লাগে নে Central TET লাগে। আৰু কেতিয়াবা কেচ হয় NIOS লাগে নে Non NIOS লাগে। কিন্তু কোনো কেচতেই আমি চাকৰি দিয়া পদ্ধতিক লৈ ক্ষুন্ন, দূনীৰ্তিক লৈ ক্ষুন্ন লৈ এটাও সমালোচনা আমাৰ ৰাজ্য চৰকাৰখনে সন্মূখীন হ'ব লগীয়া হোৱা নাই। যোৱা পৰহি দিয়া APSC ৰ ফলাফল আমি এটা দিনৰ কাৰণে

বাতিল কৰিছিলো। তাৰ উদ্দেশ্য আছিল যে অসমৰ এটা পিছপৰা আদিম খিলঞ্জীয়া জনগোষ্ঠী মৰাণ লোক সকলৰ নিযুক্তিৰ পৰা তেওঁলোকে পাব লগীয়া দুটা পদ ভুলতে মটক জনগোষ্ঠীৰ নামলৈ transfer হৈ গৈছিল। আমি ৰাতিৰ ভিতৰতে সংশোধন কৰি পিছদিনা ৰিজাল্ট দিলো। Result দিয়াৰ পিছদিনা সদনত walk out হব, কাৰণ কোনোবা মন্ত্ৰীৰ ঘৈনিয়েক, কোনোবা মন্ত্ৰী খুলশালী, কোনোবা মন্ত্ৰী ভাগিনিয়েক আদিকে ধৰি তালিকাখনৰ আটাইতকৈ ডাঙৰ পদবীবোৰ তেওঁলোকৰ নামত থাকে। আজি কংগ্ৰেছ দলে walk out কৰিছে ইয়াৰ কাৰণটো বেলেগ কাৰণ তেওঁলোকৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে বিধায়ক সকলৰ লগত সভা পাতিব। কিন্তু সদনত projection টো কি দিলে, যে আমি দেশৰ কাৰণে walk out কৰিলো তাৰ পিছতে তেওঁলোকে প্ৰিয়ংকা গান্ধীৰ সভাত বহিলে। এতিয়া ৰাইজ সচেতন হৈছে আমি কি কৰো কি নকৰো তাক সুক্ষ্ম ভাৱে লক্ষ্য কৰে। যেতিয়া আমি মানুহক ঠগাব ইচ্ছা কৰো সেইটো মানুহে ভাল নাপায়। আপোনালোকে চিন্তা কৰক সভা স্থগিত প্ৰস্তাৱ লোক সেৱা আয়োগৰ পৰীক্ষাৰ বিৰুদ্ধে নহয় ADRE ৰ পৰীক্ষাৰ ফলাফলৰ বিৰুদ্ধে নহয়। এজনো বিৰোধী সদস্য নকলে যে ADRE ৰ পৰীক্ষাত কেলেংকাৰী হৈছে। উচ্চ ন্যয়ালয়টো প্ৰতিবাদ নাই আৰু বিধান সভাটো প্ৰতিবাদ নাই। এজন মুখ্যমন্ত্ৰীৰ বাবে তাত কৈ ডাঙৰ প্ৰমান পত্ৰ একো নালাগে। আমাৰ চৰকাৰখনে দুৰ্নীতিৰ সৈতে যুঁজ কৰি নিকা কৰিলো। কাৰণ Stystem ত যদি সংশোধন নহয় তেতিয়া দুৰ্নিতিৰ বিৰুদ্ধে মানুহে যুজিব নোৱাৰে। আমি নিযুক্তি clean কৰিছো এতিয়া আমি লাগিছো transfer আৰু posting ৰ ক্ষেত্ৰত। এতিয়া portal ৰ জৰিয়তে transfer হব আৰু দুজন কৰ্মচাৰীয়ে নিজে বহি আলোচনা কৰিব আৰু সিদ্ধান্ত লব আমি ক'ত চাকৰি কৰিম। কোনো মন্ত্ৰীয়ে বা চৰকাৰে তাত হস্তক্ষেপ নকৰে। Transparency কাৰণে ৰাজপথত সংগ্ৰাম কৰি অৰবিন্দ কেজৰিৱাল মুখ্য মন্ত্ৰী হৈছিল লগতে ৰাস্তাত সংগ্ৰাম কৰি মমতা বেনাৰ্জীও মুখ্যমন্ত্ৰী হৈছিল কিন্তু কোনো ৰাজ্যত আজিলৈকে ৰাজনৈতিক কাৰণত নিযুক্তি আৰু transfer -posting স্বচ্ছ কৰাৰ সাহস কৰিব পৰা নাছিল। আজি আমি অসমীয়া হিচাপে গৌৰৱ অনুভৱ কৰো যে এইখন চৰকাৰে দুটা ক্ষেত্ৰত নিযুক্তি আৰু transfer ৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বচ্ছতা আনিবলৈ সক্ষম হৈছো। মই অসমৰ ৰাইজক আৰু এটা খবৰ দিব বিচাৰিম যিটো ৰাজ্যপাল আৰু বিত্তমন্ত্ৰী ৰ ভাষণত আছে যে আমি এখন নতুনকৈ সমিতি গঠন কৰিছো যে অহা ৫ বছৰত আমি কিমান চৰকাৰী চাকৰি দিব পাৰিম। কাৰণ আমি ৰাজ্যৰ জনতাৰ আশা-আকাংক্ষাৰ চাকি গছি আমি জ্বলাই ৰাখিব বিচাৰিছো। আজি মই আপোনালোকক আনন্দৰে কব বিচাৰিছো যে অহা বাৰ চৰকাৰৰ অহাৰ লগে লগে প্ৰথম তিনি বছৰত বাকী নিযুক্তিক বাদ দি অকল শিক্ষা বিভাগতে ৫৫ হেজাৰ চাকৰী দিব পাৰিম। আৰু বাকীবোৰ বিভাগৰ Assessment আমি চলাই আছো। অসমৰ যুব সমাজৰ আশাৰ চাকি গচি নিৰ্বাবিত হব দিব নোৱাৰো। যেতিয়া মই চৰকাৰী বা ব্যক্তিগত কামত কোনোবা ৰাজ্যৰ ৰাজধানীলৈ যাওঁ তাত বাছ আস্থান, ম'ল, বিমান বন্দৰত অসমীয়া ল'ৰা -ছোৱালী বিলাকে আহি মোক ভিৰ কৰি ধৰে আৰু এটা সময়ত মই অনুভৱ কৰিছিলো যে বহুত ল'ৰা-ছোৱালীয়ে অসমৰ পৰা ওলাই গৈছে । কেতিয়াবা মুখ্যমন্ত্ৰী সচিবালয়লৈ ফোন আহে যে হাইদৰাবাদত আমাৰ বন্ধু এজনৰ মৃত্যু হৈছে মৃতদেহটো অসমলৈ আনিব লাগে। প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই আমাক কৈছিল যে সংবেদনশীলতাক বাদ দি চৰকাৰ পৰিচালনা কোনেও কৰিব নোৱাৰে। আমি কিমান কৰিব পাৰো নোৱাৰো সেইটো বেলেগ কথা। যেতিয়া এজন জন প্ৰতিনিধিয়ে সভাৰ মাজত দিব্যাংগ ব্যক্তি এজনৰ ওচৰলৈ গৈ দুআষাৰ কথা পাতে তেতিয়াই হৈছে সংবেদনশীলতাৰ উৎকৃষ্ঠতম নিদৰ্শন।

যেতিয়া জ্যেষ্ঠ জনক সন্মান কৰা হয় অকল who is who ক নহয়। সমাজত এটা ধাৰণা আছিল যে জ্যেষ্ঠ জন মানে যিসকল prominent ব্যক্তি, আমি সেই ধাৰণাক সলনি কৰিব বিচাৰিছো। যে জ্যেষ্ঠ জন খেতিয়ক জনো হব পাৰে দিব্যাংগ জনো হব পাৰে কাৰণ সকলোৰে লগত থকাটো আমাৰ দায়িত্ব। আমি মাতৃ পিতৃ বন্দনাৰ জৰিয়তে সন্তানৰ মাজত এটা ধাৰণা সৃষ্টি কৰিব বিচাৰিছো যে মাতৃ পিতৃক নিৰৱে সেৱা কৰাতকৈ জীৱনত আন কোনো বিকল্প পথ নাই। মাকৰ লগত কটোৱা সময়খিনিয়ে হ'ল জীৱনৰ আটাইতকৈ মূল্যবান সময়। আমি ৰাজ্যচৰকাৰৰ কৰ্মচাৰী সকলক শনিবাৰ ৰবিবাৰ মিলাই ৫ দিনকৈ চুটি দিছিলো তাৰ ভিতৰত কিছুমানে ইয়াৰ অপব্যৱহাৰ কৰিছে কিন্তু যি সকলে ফেচবুক বা সামাজিক মাধ্যমত আমালৈকে ফটো পঠিয়াই যে আমি এই ৫ টা দিন মা দেউতাৰ লগত কটালো। আমি যেতিয়া 'প্ৰণাম' আঁচনি আনিলো আৰু ইয়াৰ জৰিয়তে যদি কোনোবা ল'ৰা ছোৱালীয়ে মাক-দেউতাকক নাচায় তেতিয়া ১০/১৫ শতাংশ দৰমহা কৰ্তন কৰি মাক দেউতাকৰ একাউন্টত দিওঁ । যোৱা ৫ বছৰত চৰকাৰী কৰ্মচাৰীৰ মাক দেউতাকৰ অভিযোগ শূন্য হৈ গ'ল। যোৱা ২০ বছৰে ৰাজ্যৰ ৰাজধানীত মন্ত্ৰী হিচাপে থাকি প্ৰতি সপ্তাহত ২/৩ জন দূৰ্ভগীয়া পিতৃ মাতৃক লগ পাইছিলো আৰু আজি সেই সংখ্যা নোহোৱা হৈ গল। কাৰণ সামাজিক সমালোচনাৰ ভয়ত যি সকলে পিতৃ মাতৃৰ পৰা দূৰত্ব অবলম্বন কৰিছিল তেওঁলোকে আজি পিতৃ মাতৃক প্ৰনাম কৰিবলৈ বাধ্য হৈছে। আৰু এবাৰ দুবাৰ যদি কোনোবা ল'ৰা ছোৱালীয়ে মাক দেউতাকৰ ওচৰলৈ যোৱা অভ্যাস কৰে শৈশবৰ স্মৃতি ওভতি আহে আৰু সেই সম্পৰ্ক পুনৰস্থাপন হয়। ইয়াৰ আগতে কোনো চৰকাৰে সংবেদনশীলতাৰ ওপৰত কাম কৰা নাছিল। যেতিয়া আমাৰ অফিচলৈ খবৰ আহে যে মৃতদেহ আনিব লাগে ইয়াৰ বাবে আমি শ্ৰদ্ধাঞ্জলি নামৰ এটা আঁচনি আৰম্ভ কৰিলো। কাৰণ বাহিৰত যদি কোনোবা ল'ৰা- ছোৱালীৰ মৃত্যু হয় তেওঁৰ মৃতদেহটো আমি সন্মানেৰে উভতাই আনো। এই আচনিটো আমি অক্টোবৰ মাহত আৰম্ভ কৰিলো আৰু অক্টোবৰত ৩০ গৰাকী, নবেম্বৰত ২৮ গৰাকী, ডিচেম্বৰত ৩৭ গৰাকী, জানুৱাৰীত ৪১ গৰাকী আৰু ফেব্ৰুৱাৰী মাহত এতিয়ালৈকে ৪ গৰাকী মুঠ ১৬২ টা মৃতদেহ আমি অসমলৈ উভতাই আনিলো। টকা কিমান খৰছ হৈছে মই সেইটো নকওঁ কিন্তু ই এটা প্ৰশ্নৰ জন্ম দিয়ে যিয়ে আমাৰ লৰা-ছোৱালীয়ে বাহিৰলৈ কিয় গৈছে আৰু বাহিৰত গৈ কত কাম কৰিছে। আমি হিচাপ কৰিলো অসমৰ বাহিৰত তেওঁলোকে আদানী, আম্বানী, হিন্দুজাত কাম কৰিলে। আমি Advantage Assam 2.0 ত কল্পনা কৰিছিলো যে অসম যদি অহা ২০ বছৰ ২০ লাখ কোটি টকাৰ বিনিয়োগ আনিব পাৰো, অসমৰ বাহিৰত থকা ল'ৰা-ছোৱালীয়েও উভতি আহিব আৰু আমি নতুনকৈ ল'ৰা-ছোৱালীক আৰু বাহিৰত পঠিওৱাৰ প্ৰয়োজনো নোহোৱা হ'ব। আজি আপোনালোকে চাব পাৰে যে Tata ৰ Semi Conductor এ আজি অসমক global map লৈকে লৈ গ'ল। অহা ২৮ তাৰিখেও জাপানৰ পৰা ২০ টা কোম্পানী আহিব জাগিৰোডলৈকে, তেওঁলোকে কেনেকৈ industrial park কৰিব পাৰি অধ্যায়ন কৰি আছে। মই যেতিয়া Davos লৈ গৈছো, অসমৰ প্ৰতি মানুহক যেনেকৈ চাইছিলে, সেই পৰিৱেশটো আজি আমি পৰিবৰ্তন কৰিলো। Davos ত মই এখন নতুন এগ্ৰিমেন্টত চহী কৰিছিলো যে অসমৰ বাহৰ পৰা তেওঁলোকে মিথানেল উলিয়াই বিদেশত জাহাজ চলাব। কাৰণ it will be greed fuel, তেওঁলোকে বিনিয়োগ কৰিব ১০ হাজাৰ কোটি টকা। আজিলৈকে আমি এই কথাবোৰ চিন্তা কৰা নাছিলো। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ প্ৰচেষ্টাত নুমলিগড় শোধানাগৰত ৪৮ হাজাৰ কোটি টকাৰ বিনিয়োগ হৈছে। আজি যি নামৰূপৰ সাৰ কাৰখানা, আমি আশা এৰি দিছিলো, ৩ লাখ মেট্ৰিকটনৰ ঠাইত আজি ১২ লাখ মেট্ৰিকটনৰ আলোচনা হৈছে।

অসমে যদি এবাৰ উদ্যোগীকৰণৰ প্ৰতি গুজৰাট, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, টেলেংগনাৰ দৰে আমি যদি এটা ভূমিকা ল'ব পাৰো, চন্দ্ৰ বাবু নাইডু প্ৰতিদিনে উদ্যোগপতি সকলৰ লগত বহে, কৰ্ণাটকৰ মুখ্যমন্ত্ৰী প্ৰতিদিনে উদ্যোগপতি সকলৰ লগত বহে, গুজৰাটৰ মুখ্যমন্ত্ৰী প্ৰতিদিনে উদ্যোগপতি সকলৰ বহে। আদানি আম্বানি create jobs, হিন্দুজা জিন্দাল create jobs, টাটা create jobs, আমি যদি নিয়োগ সৃষ্টিকাৰী সকলক অসমৰ পৰা উভতাই দিওঁ, আমাৰ ৰাজ্যৰ ল'ৰা-ছোৱালীয়েতো আমাৰ কাৰণে অপেক্ষা নকৰে, ১২ হাজাৰ টকাৰ চাকৰিৰ কাৰণে তেওঁলোক টেলেংগনা, কৰ্ণাটকলৈ যাব আৰু শ্ৰদ্ধাঞ্জলি আঁচনি চলাই থাকিব লাগিব মৃতদেহ ওভতাই অনাৰ কাৰণে।

মই অসমবাসী ৰাইজক অনুৰোধ কৰিম যে অসমৰ কাৰণে এতিয়া সময় আহিছে without corruption, without compromising your green cover, without compromising bio-diversity, আমি উদ্যোগীকৰণৰ এটা নতুন বুৰঞ্জী আমি মুকলি কৰিব লাগিব because we owe to our youth। চৰকাৰী চাকৰি মই ২ লাখ দিম, কিন্তু প্ৰতি বছৰে মেট্ৰিক পৰীক্ষাত বহে ৫ লাখ লৰা-ছোৱালীয়ে আৰু এবাৰ ৫ বছৰত ডেৰ লাখ অহা ৫ বছৰত ২ লাখ, তাৰ পিছততো চৰকাৰত চাকৰি নোলাব। উদ্যোগীকৰণৰ বিকল্প কি আছে। এই কথাও সদনে নিশ্চিতভাৱে অহা ৫ বছৰত আলোচনা কৰিব লাগিব। সমান্তৰালভাৱে আমি অসমত চেষ্টা কৰিছো যে entrepreneurship grow হওঁক। আজি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানত যোৱা বাৰ আমি ২৫ হাজাৰ ল'ৰা-ছোৱালীক ১ লাখ আৰু ২.৫ লাখ টকা দিছিলো। আমি তাত constant assess কৰিছিলো, ফেব্ৰুৱাৰী মাহৰ কোনোবা এটা দিনত বা মাৰ্চৰ কোনোবা এটা দিনত আমি তেওঁলোকক দ্বিতীয় কৃষ্টিৰ ১ লাখ টকা দিম। ২৫ হাজাৰৰ মাত্ৰ ৩ হাজাৰ ল'ৰা-ছোৱালীয়ে টকাৰ অব্যৱহাৰ কৰিছে, ১৩ হাজাৰে qualify কৰিছে 2nd installment ৰ কাৰণে আৰু বাকী ৭ হাজাৰে প্ৰকল্প ৰূপায়ন কৰিছে পৰ্য্যায়টোত আহিবলৈ আৰু ৪, ৫ মাহ সময় লাগিব। আমি উৎসাহী হলো, এইবাৰ আমি আৰু ৭৫ হাজাৰ ল'ৰা-ছোৱালীক ১ লাখকৈ দিছো, আমাৰ নিজৰ বাজেটৰ পইচা, বেংকৰ পৰা আমি লোৱা নাই। আমি চেষ্টা কৰিম অহা বাৰ যাতে ১০ লাখ লৰা-ছোৱালীক কৰ্মসংস্থাপনৰ কাৰণে এই পুঁজি মুকলি কৰি দিব পাৰো আৰু আমি এতিয়া পৰা হলো, কাৰণ we now know that আমাৰ risk কিমান। ১০ শতাংশ risk, ৯০ শতাংশ লৰা-ছোৱালীয়ে কাম কৰিব। আজি সদনত সকলোৱে নিৰনুৱা সমস্যা সমাধানৰ আলোচনা কৰিছিলো। সমাধানৰ কথা কোনেও পতা নাছিল। এদিন সদনত আহি চৰকাৰক সমালোচনা কৰে যে ইমান শতাংশ নিৰনুৱা হৈছে। সমালোচনাৰ পিছতো নিৰনুৱা সমস্যা বাঢ়ি আছিল। এইবাৰ আমি প্ৰথমবাৰ চেষ্টা কৰিছো যে cycle has to be reversed। এই বিলাক জাতিটোক দূৰ্বল কৰাৰ অস্ত্ৰ নহয়। সদনত সকলোৱে বহি ৰাস্তা উলিওৱাৰ একোটা পদ্ধতি। যোৱা ২৪ তাৰিখে আমি Farma Producer Company সমূহক মাতিছো। আমি তেওঁলোকক আৰ্থিক সহায় কৰিম যাতে তেওঁলোকে agriculture export কৰিব পাৰে আৰু ধানৰ procurement ৰ ক্ষেত্ৰত, মোক জোকাই থকা হৈছিল যে ১০ লাখ মেট্ৰিকটনৰ লক্ষ্য কেতিয়াও নহয়। এইবাৰ আমি ৯.৫ লাখ মেট্ৰিকটনলৈ লৈ যোৱাৰ কাৰণে সক্ষম হলো। ৫ বছৰত হতাশাত লৈ যাবৰ বাবে এচামে চেষ্টা কৰিছিল, কিন্তু আমি আত্মসমৰ্পন কৰা নাছিলো যে আমি যুজিম। মই এটা সৰু ঘটনাৰ কথা ক'ব বিচাৰিছো। যেতিয়া জু-ৰোডৰ উৰনীয়া সেতুখনৰ কাম আৰম্ভ কৰিছিলো, এখন বাতৰি কাকতৰ মালিকে মোক টেলিফোনত ধমকি দিছিল যে ৰাস্তা বেয়া হৈ যাব, অমুক হৈ

যাব, উৰনীয়া সেতু কেনেকৈ হ'ব। মই কৈছিলো 'দাদা চিন্তা নকৰিব ডেৰ বছৰৰ ভিতৰত আমি সম্পূৰ্ণ কৰিম' । আমি দুই বছৰত জু-ৰোডৰ উৰনীয়া সেতুখন মুকলি কৰি দিলো। আমাৰ PWD বিভাগে কৰিছে, বেলেগে কৰা নাই। জু-ৰোডৰ উৰনীয়া সেতুখন উদ্বোধন হ'ল। সেই মালিকজনে ৰাতিপুৱা মোক ফোন কৰিলে যে জু-ৰোডৰ উৰনীয়া সেতুখনৰ কাম ভাল হৈছে। ঘুনুক ঘানককৈ ওলালে যে আমি চান্দমাৰিত উৰনীয়া সেতু বনাম। এইবাৰ আকৌ ফোন আহিল, পিযুষ হাজৰিকালৈও ফোন কৰিছিল, মই তেখেতৰ নাম উল্লেখ কৰিব বিচৰা নাই, যে এইখন যদি উৰনীয়া সেতু হয়, ইলেক্টচনত মোক হেৰুৱা দিব। মই কলো দাদা কিয়? তেখেতে কৈছিল যে এইখন বনোৱাতে ৫ বছৰ মান যান-যঁট হ'ব। তেতিয়া মই কৈছিলো যে নিৰ্বাচনৰ আগতে চান্দমাৰিৰ উৰনিয়া সেতুৰ কামো আমি সম্পূৰ্ণ কৰিম। যোৰহাটত আমি উৰনিয়া সেতু নিৰ্মাণ কৰিলো, সাংসদে উৰনিয়া সেতু নিৰ্মাণ নকৰিবলৈ চিঠি লিখিলে, আমি challenge ললো, ১০ তাৰিখৰ আগতে যোৰহাটতো আমি উৰনীয়া সেতু উদ্বোধন কৰিম। ডিব্ৰুগড়ৰ দৰে চহৰত ৪-৫ খন দলং আৰু শিলচৰ চহৰতো আমি যান-যঁতৰ সৈতে যুজিবৰ বাবে প্ৰায় ৬০০ কোটি টকা খৰছ কৰি ডাঙৰ উৰনিয়া সেতু বনাম। The size of project, যি আগতে ১০-১২ কোটি টকাৰ project কৰিছিলো, আজি আমাৰ PWD বিভাগে ৬০০-৭০০ কোটি টকাৰ project হাঁহি হাঁহি ৰূপায়ন কৰিব পাৰে। ডিফু চহৰতো উৰনিয়া সেতু উদ্বোধন হ'ব। মোৰ উদ্দেশ্যটো হ'ল যে কেনেকৈ আমি সামৰ্থ বঢ়াইছো within the department যে আমাৰ Engineer ৰ সকলে কেনেকৈ আমি project implement কৰিব পৰা কৰিছো। এতিয়াও দিল্লীৰ বহুত মানুহে ভাৱে যে কুমাৰ ভাস্কৰ বৰ্মাৰ সেতুখন National Highway Authority of India য়ে কৰা। মই tweets বিলাকত দেখি আছো যে নীতিন গাডকাৰী ডাঙৰীয়াক অভিনন্দন জনাই আছে। কোনেও ভৰা নাই যে কুমাৰ ভাস্কৰ বৰ্মাৰ সেতুখন অসমৰ PWD বিভাগে নিৰ্মাণ কৰিছে। এই ৫ বছৰ আছিল ৰূপান্তৰৰ যাত্ৰা। Agricuture department, Food & Civil Supply department য়ে ১০ লাখ মেট্ৰিকটন চাউল কিনিব, PWD বিভাগে ইমান দলং আৰু ৰাস্তা বনাব, আৰু আমি আজি সদনত যদি Water Resource Department ৰ কথা নকওঁ অন্যায় কৰা হ'ব। আজি সকলো সদনৰ সদস্যই স্বীকাৰ কৰিব যোৱা ৫, ১০ বছৰৰ আগৰ বানপানীৰ পৰিৱেশৰ লগত আজি সাগৰ সদৃশ পৰিৱৰ্তন হৈছে। মথাউৰীৰ quality ভাল হৈছে, মথাউৰীৰ ওপৰত ৰাস্তা হৈছে আৰু মথাউৰী ভঙাৰ দুখজনক খবৰ বিলাক লাহে লাহে আঁতৰি গৈছে। এইবাৰ বানপানী হোৱা ৰাজ্য বিলাকত কেন্দ্ৰীয় চৰকাৰে ২০০০, ২০০০ কোটি টকা দিয়াৰ এটা script announce কৰিলে। মই সুধিলো যে আমাৰ memorandum দিব লাগে, বিষয়া সকলে কলে ছাৰ, বানপানীয়ে নহ'ল ক'ৰ পৰা memorandum দিব! Atleast আমাৰ কাৰ্য্যকালৰ শেষৰ বছৰটোত ভগবানেও আমাক আশীৰ্বাদ দিলে যে এইবাৰ বানপানী নহ'ব, মই কৰা বুলি কোৱা নাই। কাৰণ বানপানী হ'লেও।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ এইবাৰ বৰষুণ হোৱা নাই, এইবাৰ বৰষুণ ৪০ শতাংশ কম হৈছে। গতিকে ভগবানকে কওঁক, সেইটো আপুনি নল'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** ভগবানকে কৈছো। অধ্যক্ষ মহোদয়, আমাক যিমান বৰষুণৰ প্ৰয়োজন, আগৰ বছৰৰ দৰে যদি বৰষুণ হলে হেতেন তেতিয়া বানপানীয়ে হ'ল হেতেন, যদি বানপানী হ'ব নালাগে তেতিয়াতো বৰষুণটো কম হ'বই লাগিব। দুয়োটা কেনেকৈ একেলগে হ'ব? গতিকে খেতিয়কৰ কাৰণে প্ৰয়োজনীয় বৰষুণ হৈছে, ইতিমধ্যে আমি ২ লাখ মেট্ৰিকটন ধান কিনিয়ে

পেলালো। যদি বৰষুণ বিচাৰে তেতিয়া বানপানীৰ কথা ইয়াত আলোচনা কৰিবই নালাগে। আমিতো তামোল পান দি ভগবানক আমি প্ৰাৰ্থনা কৰো যে এইবাৰ বৰষুণ কমাই দিব। যদি অৰুণাচলতো বানপানী হয়, ধেমাজীতো বানপানী হয়, বৰষুণত বানপানীতো হবই।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ মাজে মাজে আকৌ ভেকুলীৰো বিয়া পাতিব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** পাতিব লাগিব। গগৈ ডাঙৰীয়া এটাই কম, যে আজিৰ দিনটোত মই বেয়াখিনি পতা নাই, মই শেষত বেয়াখিনিও কম। কিন্তু জলসম্পদ বিভাগ মন্ত্ৰী পীযুষ হাজৰিকাক আমি ধন্যবাদ জনাবই লাগিব যোৱা ৫ বছৰত, বানপানী আৰু মথাউৰীৰ ওপৰত ৰাস্তা, অসমীয়াই কেতিয়াও কল্পনাই কৰা নাছিল যে মথাউৰীৰো ৰাস্তা পকী হ'ব। মথাউৰীৰ ওপৰত ৰাস্তা পকী হ'ব কোনোবাই কল্পনা কৰিছিলনে?

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোত ধন্যবাদ দিছো। প্ৰকৃততে জল সম্পদৰ কাম আগতকৈ তুলনামূলক ভাৱে বহুত ভাল হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কোন অসমীয়াই কল্পনা কৰিছিলো যে আমাৰ অসমত চৰকাৰী খণ্ডত কেতিয়াবা আমি নতুনকৈ কলেজ কৰিম, নতুনকৈ বিশ্ববিদ্যালয় কৰিম আৰু নিযুত মইনাৰ দৰে আঁচনিয়ে আমাৰ বাল্য বিবাহ কমাব, drop out rate কমাব আৰু এই ৫ বছৰত যদি লক্ষ্য কৰে মই অসমৰ শিক্ষামন্ত্ৰী আছিলো মই ওচৰৰ পৰা জানো। শিক্ষক সকলৰ আন্দোলনে চৰকাৰ খনক ব্যতিগ্ৰস্থ কৰি ৰাখিছিল। আজি ৩ দিন বিধান সভাৰ অধিবেশন হৈছে চচলত এটাও শিক্ষকে আন্দোলন কৰিব পৰা নাই।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ শিক্ষক সকলৰ সমস্যা যথেষ্ট আছে। আপুনি এখনো স্কুল বনাব নোৱাৰিলে। এল. পি. স্কুলৰ আন্তঃগাঠনি একো কৰিব নোৱাৰিলে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** ৰণোজ দা মই অখিল গগৈ ডাঙৰীয়াক especially invite কৰিছো আমি ২৭ ফেব্ৰুৱাৰীৰ পৰা ১০ শ খন চাহ বাগিছাত স্কুল উদ্বোধন কৰিম আৰু অখিল গগৈ ডাঙৰীয়া আমাৰ লগত থাকিব লাগে। যি নহওঁক অখিল গগৈ ডাঙৰীয়া আপোনাক মই এটাই অনুৰোধ কৰিম যে যেতিয়া পৰিসংখ্যাও আমাৰ লগত নাথাকে আপুনি যদি পইন্ট বিলাক ভাষণত কয় শিক্ষামন্ত্ৰীয়ে উত্তৰ দিব পাৰিলেহেতেন যদি শিক্ষামন্ত্ৰীয়ে কয় স্কুল বনোৱা নাই, ২৫০ খন স্কুল চাহ বাগিছাত ক'ৰ পৰা আহিল? তাৰমানে বাগানত বনোৱা স্কুলখিনি আপুনি স্কুল বুলি নাভাৱে?

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ মই কৈছো যে এল পি স্কুল যিমান আছে ৬ শ্ৰেণীৰ বাবে এজন শিক্ষক, স্কুলৰ অৱস্থা বেয়া।

**মাননীয় অধ্যক্ষ** ঃ Please.

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** এক মিনিট, মাননীয় অধ্যক্ষ মহোদয়, ভগবানে যদি মোক গুজৰাটত জন্ম দিলে হেতেন মই ৫ টা ক্লাছত ৫ জন শিক্ষক দিলোহেতেন ভগবানে আমাক অসমত জন্ম দিলে। ৫ টাকৈ শিক্ষক দিলে দৰমহা ক'ৰ পৰা দিব পাৰিম, তেতিয়া দৰমহা কেনেকৈ দিম! যদি ৫০০ জন কৈ শিক্ষক দিব লাগে ৩ লাখ শিক্ষক হ'ব। ৩ লাখ শিক্ষকক মই দৰমহা ক'ৰ পৰা দিম, দিবলৈ আমাৰ সম্বল নাই। ইচ্ছা আছে সামৰ্থ নাই।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ আপোনাৰ ঘৰত থকা স্কুল খনত কিমানজন শিক্ষক আছে?

**মাননীয় অধ্যক্ষ** ঃ Please. শুনক না, শুনক চোন, বিধায়কে এনেকুৱা কৰে নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** এনেকৈ নকৰে, আজিলৈকে কোনো বিধায়কে এনেকুৱা কৰা নাই বা নকৰে। Right to education মতে এখন এল পি স্কুলত দুজন শিক্ষক থাকিব লাগে।

Right to Education Act কোনে বনালে? ছোনীয়া গান্ধী আৰু কপিল চিবালে বনালে। তেওঁলোকৰ লগত alliance কোনে কৰিব? অখিল গগৈয়ে কৰিব। অধ্যক্ষ মহোদয়, সেইদিনটোলৈকে আমি সংগ্ৰাম কৰিম যাতে অসমৰো সামৰ্থ হয় ৫ জনকৈ আমি স্কুলত শিক্ষক দিব পাৰো। এজনো নাছিল, এজন দিলো, দুজন দিলো, যোৱা কালি প্ৰাদেশীকৰণৰ সমস্যাৰ সমধানৰ বাবেও আমি এটা ডাঙৰ পদক্ষেপ ল'ব পাৰিম। কেইদিনমান আগতে মই বাক্সা জিলাত গৈছিলো, গাড়ীৰে গলো, এখন স্কুলৰ বাহিৰত শিশু ছাত্ৰ-ছাত্ৰী আছিল ৰখিলো, মামা বুলি যিখিনি ধেমালী হ'ল সেইখিনি হ'ল বাৰু, এজনী ছোৱালীক মই সুধিলো যে মা ক্লাছ হয়নে নহয়? ছোৱালী জনীয়ে মোক কলে, বিধায়ক ফণীধৰ তালুকদাৰে জানিব, ফণীধৰ তালুকদাৰ মোৰ লগত আছিল কলে যে ছাৰ, মামা আজি কালি আমাৰ অসমীয়া স্কুল বিলাক এনেকুৱা নাই নহয়, স্কুলবোৰ বহুত ভাল হৈ গ'ল। মই শিক্ষামন্ত্ৰী আছিলো কিন্তু মই নিশ্চিতভাৱে কম যে ৰণোজ পেগু ডাঙৰীয়াৰ নেতৃত্বত যোৱা ৫ টা বছৰত শিক্ষা বিভাগত অভুতপূৰ্ব কাম সম্ভৱ হ'ল যাক আমি কেতিয়াও অসমৰ শৈক্ষিক ভৱিষ্যতৰ এটা ডাঙৰ কৃতিস্তম্ভ আমি নিৰ্মাণ কৰিব পাৰিছো। অধ্যক্ষ মহোদয়, অজন্তা নেওঁগ ডাঙৰীয়ানীৰ নেতৃত্বত বিত্ত বিভাগৰ সফলতা এটা দিশত আমি অৱলম্বন কৰিব লাগিব যিটো আমাৰ কাৰণে খুব গুৰুত্বপূৰ্ণ। যেতিয়া মই ২০০৬ চনত ৰাজ্যত স্বাস্থ্যমন্ত্ৰীৰ দায়িত্ব লৈছিলো তেতিয়া অসমত maternal mortality rate আছিল per lakh 480, তাৰ মানে প্ৰতিলাখ মাতৃয়ে সন্তান জন্ম দিবলৈ যাওঁতে ৪৮০ গৰাকী মাতৃৰ মৃত্যু হৈছে। আৰু ভাৰতৰ ভিতৰতে আমি আটাইতকৈ তলৰ ৰাজ্য হিচাপে সকলো ৰাষ্ট্ৰীয় কাকতৰ editorial ত আমাৰ নাম নিশ্চিতভাৱে আহিছিল। এটা গ্ৰামীৰ বোজা আমাৰ ওপৰত আছিল। আমি ৰাজ্য হিচাপে আজি গৌৰৱ অনুভৱ কৰো যে এই কেইটা দিনত আমাৰ ৰাজ্যৰ maternal mortality rate ৪৮০ ৰ পৰা সংগ্ৰাম কৰি কৰি today it is 110. আৰু ২ বছৰৰ ভিতৰত we will be below 100. We will join the league of Kerala and other states. ৫ বছৰত, একেবছৰত নহয় ২০০১ চনত it was 200 আৰু ২০২৫ চনত it came down to 110. It is a decrease of almost 100%. এগৰাকী মাতৃৰো মৃত্যু হ'ব নালাগে। আজি স্বাস্থ্য বিভাগত ১৭ খন কেন্সাৰকেয়াৰ হাস্পতাল হ'ল। আজি ১০ লাখ ৰোগীক বিনামূলীয়াকৈ কিড্‌নীৰ dialysis programe ত অনা হ'ল। আজি আমাৰ ৰাজ্যত ৪০ লাখ লোকক আমি CT scan, X-ray, Lab service বিনামূলীয়াকৈ দিছো। ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰীৰ দায়িত্বত থকা কেশৱ মহন্ত ডাঙৰীয়া আৰু মন্ত্ৰী অশোক সিংহাল আমাৰ অসমবাসী ৰাইজৰ ধন্যবাদৰ পাত্ৰ। They are saving rights, মানুহে বেলেগ বেলেগ ঘটনাৰে এজন মানুহৰ জীৱনক assess কৰিব খোজে। **কিন্তু প্ৰতি বছৰে প্ৰতি লাখত এশ গৰাকী মাতৃ - তাৰ মানে প্ৰতি বছৰে ৬ লাখ জন্ম হয়, প্ৰতি বছৰে ১২০০ গৰাকী মাতৃৰ মৃত্যু হৈছিল । আজি সেই মৃত্যু আমি কমাই ৬০০ কৰিবলৈ সক্ষম হৈছো ।** We reduce it to 600- **এই সংখ্যাটো আৰু কমি গৈ থাকিব আহিব লগা দিনবোৰত । এগৰাকী স্বাস্থ্য মন্ত্ৰী হিচাপে অসমক কেশৱ মহন্ত আৰু অশোক সিংহল ডাঙৰীয়াৰ সময়তে** Lowest maternal mortility Rate **অপমানৰ পৰা উঠি আহি আমি অসমে অন্তত তলৰ ৪খন ৰাজ্যৰ ওপৰত আছো । আমাতকৈও তলত ৪ খন ৰাজ্যৰ নাম আহিছে । অসমৰ যোৱা ৫ টা বছৰ আছিল - এটা পৰিৱৰ্ত্তন আৰু ৰূপান্তৰৰ সময় । আজি মই গৌৰৱ অনুভৱ কৰো শিশুৰ মাতৃত্ব আমাৰ ৩৬ ৰ পৰা মৃত্যুৰ হাৰ ৩০ লৈকে নামিছে , আই এম আৰ- ১৯৫ ৰ পৰা ১১০ লৈকে ক'মিলে , ১৭ খন কেঞ্চাৰ হস্পিটেল অসমত হ'ল। আমি যোৱা ৫ টা বছৰ , প্ৰতিটো পল প্ৰতিটো ক্ষণ অসমৰ ৰাইজৰ বাবে**

আমি কাম কৰাৰ বাবে চেষ্টা কৰিছো । মাননীয় অধ্যক্ষ মহোদয়, আজি যদি আমি এটা দিশত চকু দিওঁ, সেইটো হৈছে অসমৰ পৰিচয় । বিকাশ পৰিচয় অবিহনে সম্ভৱ নহয় । প্ৰধানমন্ত্ৰী ডাঙৰীয়াই কয় যে, বিকাশভী- বিৰাচতভী। আজি আমি কাম কেনেকৈ কৰিছো - কুমাৰ ভাস্কৰ বৰ্মা সেতু আধুনিক অসমৰ এটা প্ৰতিবিম্ব । কিন্তু নামাকৰণ হৈছে প্ৰাচীন কামৰূপৰ ঐতিহ্যৰ ভিত্তিত , - আজি লাচিত বৰফুকনক যে, বিশ্ব মঞ্চলৈ লৈ যাব পাৰিম- তাৰ কল্পনা আগতে কোনেও কৰিব পৰা নাছিলো । কিন্তু আজি আপোনালোকে যোৱা ৫ বছৰত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাষণ শুনিব- আগৰ ভাষণৰ লগত তুলনা কৰিব। এতিয়া মোদী ডাঙৰীয়াই যেতিয়াই ছত্ৰপতি শিবাজীৰ নাম লয় তেখেতে লগতে মহাবীৰ লাচিত বৰফুকণৰ নামো লয় । লাচিত বৰফুকনৰ ৪০০ তম জন্ম জয়ন্তী হোলোঙাপাৰত সুবিশাল লাচিতৰ প্ৰতিমুৰ্ত্তি আমাৰ জাতিটোলৈ বিৰল এক ঐতিহ্যৰ পৰিচয় বহন কৰিব পৰা জাতিৰ সন্মানলৈ লৈ আহিলে । চৰাইদেউ মৈদাম- আমাৰ চৰকাৰৰ দিনতে বিশ্ব ঐতিহ্যৰ স্বীকৃতি পালে । কেইদিনমান আগতে মই চৰাইদেউ মৈদামলৈ গৈছিলো, তাতে আমি ৰোড মেপ নিৰ্ণয় কৰিছো । চৰাইদেউ মৈদামৰ লগত আমি এখন ৰিচাৰ্চ ইনষ্টিটিউট কৰিম যাতে চৰাইদেউ মৈদামৰ গহ্বৰত লুকাই থকা সম্পদসমূহৰ গৱেষণাৰে আমি ৬০০ বছৰীয়া আহোম বুৰঞ্জীৰ উজ্জ্বল দৃষ্টান্ত আমি বিশ্বৰ বুকুত লৈ যাব পাৰো। আজি আমি সংকল্প লৈছো - তাতে গোটেই কাষৰ অঞ্চলটোত হোম-ষ্টে ইত্যাদি নিৰ্মাণ কৰি তাক আমি পৰ্য্যটনৰ কেন্দ্ৰ বিন্দুলৈ ৰূপান্তৰ কৰিম । আজি বিহু- বাগৰুম্বা - ঝুমুৰ অসমীয়া ধ্ৰুপদী ভাষালৈ যোৱা ৫ টা বছৰ..........।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** মই এটা অনুৰোধ কৰিছো, শিৱসাগৰ আৰু চৰাইদেউ - শিৱসাগৰো একে, world heritage site ৰ টেনটিটিভ লিষ্টত আহিব। এই দুই ঠাইৰ মাজত এটা এয়াৰপোৰ্টৰ কথা ভাবিব পাৰি নেকি ? আপুনি মাজুলীৰ কথা কৈছে, ভাল পাইছো , আমাক শিৱসাগৰ আৰু চৰাইদেউৰ মাজত এটা এয়াৰপোৰ্ট লাগে ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** চৰকাৰ আমি বহু দেখিছো, মই যোৱা ২৫ বছৰ ধৰি এই হাউচতে আছো । ৫ টা বছৰত কোনখন চৰকাৰে একেলগে লাচিত বৰফুকনৰ জন্মজয়ন্তী, লাচিত বৰফুকনৰ সুবিশাল প্ৰতিমুৰ্ত্তি, চৰাইদেউ বিশ্ব ঐতিহ্য, অসমীয়া ভাষাক জগত সভালৈ, বিহু, বাগৰুম্বা, ঝুমুৰ জগত সভালৈ উলিয়াই লৈ গৈছে, - প্ৰশ্ন উঠে কিমান টকা খৰচ হৈছে - জাতিৰ পৰিচয়- বাগৰুম্বা নৃত্যৰ যিটো viewership চাইনিজ অলিম্পিকৰ Inauguration ceremony ক ই Beat কৰিছে । যোৱা ৫ টা বছৰত কোনে চিন্তা কৰিছিল - যে ৰজা জোঙালবলহু কৃতিত্ব আমি ৰক্ষা কৰিব লাগিব । কোনে চিন্তা কৰিছিল যে, বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ প্ৰতিমুৰ্ত্তি নতুন দিল্লীত স্থাপন হ'ব লাগিব । কোনখন চৰকাৰৰ দিনত চিন্তা হৈছিল-যে সতী সাধনীৰ বিশাল প্ৰতিমুৰ্ত্তি অসমীয়াই স্থাপন কৰিব লাগিব । কাৰণ তেওঁ অসমীয়া নাৰী সমাজৰ বীৰঙ্গনাৰ প্ৰতীক আছিল।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ মহোদয়, চুকাফা আৰু নৰনাৰায়নৰ প্ৰতিমুৰ্ত্তি সচিৱালয়ৰ সন্মুখত স্থাপন কৰাৰ কথা আছিল কিন্তু এতিয়াও হোৱা নাই ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, কোনখন চৰকাৰে চিন্তা কৰিছিল যে, শ্বহীদ কনকলতা বৰুৱাৰ নামত এখন বিশ্ববিদ্যালয় স্থাপন হ'ব । অধ্যক্ষ মহোদয়, উজনি অসমে অসমক আটাইতকৈ বেছি মুখ্যমন্ত্ৰী দিছে, কিন্তু কোনখন চৰকাৰে চিন্তা কৰিছিল যে, স্বৰ্গদেউ চাওলুং চুকাফাৰ নামত এখন বিশ্ববিদ্যালয় হ'ব লাগে । কোন খন চৰকাৰে চিন্তা কৰিছিল যে উজনিৰ ডিব্ৰুগড়ত দ্বিতীয় ৰাজধানী হ'ব পাৰে, কোনখন চৰকাৰে চিন্তা কৰিছিল যে , ৰাজপথত ৰাফেল যুদ্ধ বিমান নামিব পাৰে ? অধ্যক্ষ মহোদয়, আজি এইখন চৰকাৰে সমানে সকলোৰে বাবে ধলা-

**শদিয়া , বগীবিল, নিমাতী-কমলাবাৰী, কলিয়া-ভোমৰা, কুৰুৱা-নাৰেঙ্গী, গুৱাহাটী -উত্তৰ গুৱাহাটী , পলাশবাৰী- শুৱালকুছি, ধুবুৰী- ফুলবাড়ী উপৰিও আৰু এতিয়া শিৱসাগৰকো উত্তৰ পাৰে ঢকুৱাখনাৰ লগত সংযোগ কৰা আৰু মৰিগাওঁক উত্তৰ পাৰৰ দৰঙৰ লগত সংযোগ কৰাৰ নতুনকৈ প্ৰচেষ্টা আৰম্ভ কৰা হৈছে। কোনখন চৰকাৰে ভাবিব পাৰিছিল যে, পৃথিৱীৰ ভিতৰতে এখন - ৰেইল -ৰোড টানেল ব্ৰহ্মপুত্ৰৰ তলেৰে নুমলীগড় আৰু গহপুৰৰ মাজত নিৰ্মান কৰিব পৰা যায় ? অধ্যক্ষ মহোদয় আমি যোৰহাট আৰু গুৱাহাটীক ওচৰ চপাই আনিব লাগে । আগতে কাজিৰঙাত ৪০ কি.মি গতিৰে যান বাহনক ডেৰ ঘন্টা অতিক্ৰম কৰোতে লাগিছিল- এই ক্ষেত্ৰত মোক উপলুঙা আৰু জোকোৰা হৈছিল -আজি ৩৬ কি.মি এলিভেটেড কৰিড'ৰ কাজিৰঙাৰ ওপৰত নিৰ্মান হ'বলৈ গৈ আছে । মানুহৰ লগতে জীৱ-জন্তুৰ কথাও এইখন চৰকাৰে চিন্তা কৰিছে । আজি এইখন চৰকাৰে এখন নতুন ৰূপান্তৰ অসমৰ বুনিয়াদ নিৰ্মান কৰিছে । অধ্যক্ষ মহোদয়, বিৰোধী পক্ষই ভাল কথা ক'ব নোৱাৰে , তাৰ মাজতো আমি স্বীকাৰ কৰিম যে, এইখন চৰকাৰৰ দিনত ৩ লাখ অসমীয়া মানুহে জীৱনত প্ৰথম মাটিৰ পট্টা পালে ।**

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** আগতে অসমীয়া মানুহৰ মাটি আছিল ৪০ বিঘাকৈ কিন্তু এইখন চৰকাৰে দিলে ৪ বিঘা ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ অধ্যক্ষ মহোদয়, ৭ বিঘাকৈ মাটি লেণ্ডলেচক দিব লাগে বুলি কংগ্ৰেছৰ আইন আছিল, যাৰ লগত আপুনি এলায়েন্স কৰিব । টাউনত ডেৰ কঠাকৈ মাটি পাব - এইটোৰো কংগ্ৰেছে কৰিছিল যাৰ লগত আপুনি এলায়েন্স কৰিব। আপুনিও কটন কলেজত পঢ়া ভাতৃ বুলি মই পৰামৰ্শ দিওঁ যে আপুনি নিজকে কেতিয়াও নেগেটিভ মানুহ বুলি প্ৰজেক্ট নকৰিব । নহ'লে ৰাজনীতিত বহু কষ্ট হ'ব । - ৩ লাখ অসমীয়া মানুহে মাটিৰ পট্টা পাইছে সেই স্কীমটোক যদি আপুনি আলোচনা কৰে তেনেহ'লে সেই তিনি লাখ ঘৰত আপোনাৰ বিপক্ষে জানো আলোচনা নহ'ব? আপুনি কওক যে , তিনিলাখ দিলে আৰু ১ লাখ দিয়ক । গতিকে Negative Perception নিদিব । এই নিগেটিভ পাৰ্চেপশ্যনে অসমক বহু পিছুৱালে । আপুনি চিম্পুলকৈ কওক যে, এইবাৰ** ৭ বিঘা কৈ দিলে, এতিয়া প্ৰস্তাৱ আনক অহাবাৰ ৯ বিঘা কৰি দিব যদি মাটি আছে । আজি মাননীয় কেশৱ মহন্ত ডাঙৰীয়াই ৰাজহ মন্ত্ৰী হোৱাৰ পিছত আমি সাহসিক সিদ্ধান্ত ললো যে দুইশ বছৰ আমি মাত্ৰ চাহ খালো। বাহিৰত গ'লে 'আচ্ছা আচ্ছা আসাম চায়ে' হয় আমাৰ চাহ। কিন্তু যিসকলে চাহ উৎপাদন কৰে, তেওঁলোকৰ কাৰণে আমি চিন্তা কৰাৰো অৱকাশ নাপালো। আজি কেশৱ মহন্ত ডাঙৰীয়াই দিনে-নিশাই কাম কৰি আছে। এইখন চৰকাৰৰ দিনতে আমি আৰম্ভণি কৰিম, শেষ নহয়। হাজাৰ হাজাৰ চাহ শ্ৰমিকক অহা ১৫ দিনত আমি মাটিৰ পট্টা হাতত তুলি দিম। উচ্চ ন্যায়ালয়তো আমি কেছ জিকিলো, উচ্চতম ন্যায়ালয়তো আমি কেছ জিকিলো। আগতে কোৱা হৈছিল যে বাগানৰ মালিকৰ ওচৰত চৰকাৰে আত্মসমৰ্পণ কৰে, এইবাৰ বাগানৰ মালিকক মই বাধ্য কৰালো শ্ৰমিকৰ ওচৰত আত্মসমৰ্পণ কৰক। চুপ্ৰিম কোৰ্টত তেওঁলোকে কেছ উঠাই আনিবলৈ বাধ্য হ'ল। ভগৱানে কৰিলে ১ মাৰ্চত ৰূপেশ গোৱালা ডাঙৰীয়াই কাম কৰি আছে, ভগৱানে কৰিলে চাহ বাগিচাৰ মজদুৰৰ মজুৰিও আমি কিছু বৃদ্ধি কৰাৰ বাবে আমি কাম কৰি আছো। প্ৰথমবাৰলৈ চাহ জনগোষ্ঠীক আমি জাতীয় জীৱনৰ মুখ্য ধাৰালৈ লৈ আনিলো। From the mergins to the mainstream. চাহ জনজাতিৰ লোকসকল margin ত আছিল। বাহিৰত গ'লে প্ৰতিজন অসমীয়াই গৌৰৱ কৰে চাহক লৈ। কিন্তু অসমত আহি চাহ বনোৱা আৰু চাহ নিৰ্মাণ কৰা শ্ৰমিক সকলৰ কথা চিন্তা আমি নকৰিছিলো। Ceiling Act ৰ সময়তো মই বিধান

সভাৰ সেইদিনা প্ৰতিবেদন চাইছিলো। সেইসময়ত left ৰো বহুত MLA আছিল। Ceiling Act ৰ যেতিয়া অসম বিধান সভাত আলোচনা হৈছিল, কেনেও কোৱা নাছিল যে শ্ৰমিকৰ মাটিখিনি ceiling ৰ বাহিৰত ৰাখক। কিন্তু আজি অসম বিধান সভাৰ যোৱা ৫ বছৰৰ কাৰ্য্যকালত এটা স্বৰ্ণীল মূহুৰ্ত হ'ল, যেতিয়া আমি চাহ-শ্ৰমিক সকলক Ceiling Act ৰ বাহিৰলৈ লৈ গ'লো আৰু তেওঁলোকক আমি মাটিৰ পট্টা দিয়াৰ কাম হাতত ল'ব পাৰিলো। আজি অসম বিধান সভাৰ প্ৰতি গৰাকী সদস্যকে মই অভিনন্দন জনাম। কোন অসমীয়াই আমি কল্পনা কৰিছিলো যে বৃন্দাৱনী বস্ত্ৰখন আমাৰ জীৱনত আমি স্ব-চক্ষুৰে চাব পাৰিম। কোন অসমীয়াই আমি কল্পনা কৰিছিলো যে বৰদোৱাত শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱ ক্ষেত্ৰ হ'ব। কোন অসমীয়াই আমি কল্পনা কৰিছিলো ৮৬০ জন শ্বহীদক শ্ৰদ্ধা জনাবলৈ সু-বিশাল শ্বহীদ সমাধি স্থল নিৰ্মাণ হ'ব। অসম চুক্তি দপ্তৰৰ মন্ত্ৰী হিচাপে অতুল বৰা ডাঙৰীয়াৰ প্ৰচেষ্টাত আজি আমি ৮৬০ গৰাকী শ্বহীদক সন্মানেৰে সৈতে শ্ৰদ্ধাঞ্জলী জনাবলৈ সুযোগ পাইছো। আলাবৈ ৰণত ১০ হাজাৰ অসমীয়া সেনাই প্ৰাণ দিছিল। আমি পাহৰি গৈছিলো। আজি তাৰ সু-বিশাল সমাধি ক্ষেত্ৰ নিৰ্মাণ হৈ আছে। কুশল কোঁৱৰে হাঁহি হাঁহি ফাচী কাঠত চিপজৰী লৈছিল আমাৰ স্বাধীনতাৰ বাবে। আজি যোৰহাটৰ সেই জেলখনত, যিখন জেলত স্বাধীনতাৰ সেনানী সকল আছে, তাক আজি আমি স্বাধীনতা উদ্যানলৈ ৰূপান্তৰ কৰিছো। যোৱা ৫ বছৰত আমি জাতিটোক সেৱা কৰাৰ বাবে, জাতিটোৰ গৌৰৱগাথা আগুৱাই লৈ যাবলৈ আমি চেষ্টা কৰিছিলো। প্ৰধান মন্ত্ৰী আৱাস ২০ লাখতকৈয়ো অধিক দৰিদ্ৰ পৰিয়ালক আমি দিব পাৰিছিলো। শ্ৰী ৰণজিৎ কুমাৰ দাস ডাঙৰীয়াৰ নেতৃত্বত অমৃত সৰোৱৰ, প্ৰধান মন্ত্ৰীৰ আৱাস, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান এক ভাবিব নোৱাৰা পৰিৱৰ্তন আমি অসমৰ গ্ৰাম্য জীৱনলৈ আনিবলৈ সক্ষম হৈছো। যেতিয়া দেশত আন্দোলন নহয়, আন্দোলনকাৰী সকলে যেতিয়া আন্দোলন কৰিবলৈ মানুহ বিচাৰি নাপায়, তেতিয়া আমি বুজি পাও চৰকাৰৰ শাসন আৰু চৰকাৰৰ কল্যাণে জনগণক স্পৰ্শ কৰিছে। এই সপ্তাহত গুৱাহাটীৰ পাহাৰতো আমি মাটি দিয়াৰ কাম আৰম্ভ কৰিম। প্ৰথম বাৰৰ বাবে গুৱাহাটীৰ পাহাৰতো আমি ১০ মাৰ্চৰ আগতে মাটিৰ পট্টা তুলি দি সেই কৰ্মযোগ্য কাম আমি আৰম্ভ কৰিব খুজিছো। সন্মানীয় অধ্যক্ষ মহোদয়, এখন দেশত শান্তিৰ বাতাবৰণ নিৰ্মাণ হয়, দেশখনত industrialisation হৈছে নে নাই? আজি শ্ৰীবিমল বৰা ডাঙৰীয়া নাই, আপোনালোকে জানি ভাল পাব যে আমাৰ Advantage Assam ত আমি ৫ লাখ ১৮ হাজাৰ কোটি টকা বিনিয়োগৰ MoU কৰিছিলো আৰু আজি আমি ২ লাখ ৮১হাজাৰ ৬২১ কোটি টকাৰ বিনিয়োগ আমি ধৰাতলত আনিবলৈ সক্ষম হৈছো। কিমান employment হ'ব, এই গোটেইখিনি যদি industry হৈ যায়, ১ লাখ ল'ৰা-ছোৱালীয়ে চাকৰি পাব। অন্ততঃ ১ লাখ ল'ৰা-ছোৱালী কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশলৈ যাব নালাগিব। মাননীয় অধ্যক্ষ মহোদয়, ৩ খন নতুন আইন আহিল। ন্যায় সংহিতা। আপোনালোকে জানি গৌৰৱ কৰিব যে আজি আমাৰ দেশৰ ভিতৰত আমি এই তিনিওখন আইন ৰূপায়ণৰ ক্ষেত্ৰত আমি প্ৰথম স্থান অধিকাৰ কৰি আছো। আজি আমাৰ অসমত conviction rate increase হৈছে by 32%. আগত convicted আছিল 6.1 এতিয়া আমি conviction rate পাইছো 26.38% আজি crime against women ২৯ হাজাৰ আছিল। কমি আহি ৩ হাজাৰ ৯ শ ১৫ লৈকে আমি পাব পাৰিছো। Crime against children ৫২৮২ ৰ পৰা আজি ৪৭৫৩ আৰু যোৱা ৫ বছৰত ৩ হাজাৰ কোটি টকাৰ ড্ৰাগছ আমি উদ্ধাৰ কৰিবলৈ সক্ষম হৈছো। মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিটো বিভাগৰ গৌৰৱগাঁথা আমাৰ মহামান্য ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত উল্লেখ কৰিছে। ক্ৰীড়া বিভাগৰ পৰা, সাংস্কৃতিক

বিভাগৰ পৰা indigenous tribe and faith ৰ পৰা, skill department ৰ পৰা, Skill University মঙ্গলদৈত হৈছে, সাংস্কৃতিক বিভাগে আজি জোঙাল বলহু, মহাৰাজ পৃথু, স্বৰ্গদেউ চ্যুকাফা, লাচিত বৰফুকন, সতী সাধিনী এতিয়া যোৰহাটত যোৰাকালি কেবিনেটত অনুমোদন দিছে, অষ্টভোজৰ বৰভেটিও যোৰহাটত আমি নতুনকৈ সুন্দৰভাৱে নিৰ্মাণ কৰিম। ৰং ঘৰৰ নৱ নিৰ্মাণ আজি তীব্ৰ গতিত চলিছে। আজি ৰাজ্যখনৰ চাৰিওফালে এটা পৰিৱেশ সৃষ্টি হৈছে আৰু তাৰ কাৰণে আজি ৰাজ্যত বিৰোধী পক্ষত এনেকুৱা অৱস্থা হৈছে যে গাড়ী লৈ তেওঁলোক মাজুলীত যাব লগা হৈছে কাৰ ক'ত মাটি আছে। দেখা পোৱা একো নাই, দুৰ্নীতিৰ কথা নাই, appointment ৰ কোনো দুৰ্নীতি নাই, মাটিৰ দুৰ্নীতি নাই একো নাই। এতিয়া তেওঁলোকে বাইন'কুলাৰ লৈ লৈ বিচাৰি ফুৰিছে ক'ত কি আছে। কিন্তু আগতে বিধান সভাত প্ৰশ্ন কৰিছে, APSC ত দুৰ্নীতি, চাকৰিত দুৰ্নীতি, ঠিকাত দুৰ্নীতি কিমান নাম আছিল। আজি আমি যোৱা ৫ বছৰত জাতিটোক এটা launching pad লৈ লৈ আহিলো। শ্ৰীঅখিল গগৈ ডাঙৰীয়াই কৈছে চৰাইদেউত Airport হ'ব লাগে। Definitely মই consider কৰিম, কোনো কথা নাই। মাজুলি, মানস, উমৰাংচু, ডিফুত চাৰিটা Airport ৰ preliminary survey কৰি অহা সপ্তাহত আমি ভাৰত চৰকাৰৰ লগত MoU কৰিম। গুৱাহাটী বিমান বন্দৰৰ ভব্য প্ৰতিচ্ছৱিয়ে আজি মানুহক ভবাই তুলিবলৈ বাধ্য হৈছে যে এইখন অসম। মই শেষত এটা কথা ক'ব বিচাৰিছো যে আমাৰ ৰাজ্য যি বিজেপি প্ৰদেশ ৰাজ্য নহয়, তাৰ মাননীয় মুখ্যমন্ত্ৰী যিগৰাকী ভাৰতৰ অতি efficent আৰু জনপ্ৰিয় মুখ্যমন্ত্ৰী তেখেতে তেওঁলোকৰ অফিচাৰ সকলক কৈছে যে অসমৰ পৰা শিকিব লাগে আৰু অসমৰ অফিচাৰ সকলক বেছি দৰমহা দি অন্ধ্ৰপ্ৰদেশলৈ লৈ আহিব লাগে। এইয়া তথ্যৰ ওপৰত আধাৰিত। মাননীয় মুখ্যমন্ত্ৰী চন্দ্ৰ বাবু নাইডু ডাঙৰীয়াই অসমৰ মুখ্য সচিবক because of our performance, cabinet rank ৰে তেখেতক আমন্ত্ৰণ কৰিছে যে তেখেতে অন্ধ্ৰপ্ৰদেশত গৈ কাম কৰিব লাগে। মুখ্যসচিব ডাঙৰীয়াক আমন্ত্ৰণ কৰিছে কাৰণ আজি যদি অসম চৰকাৰৰ mining policy, semi conduct, crime, development আদিৰ ক্ষেত্ৰত assessment হয়, আমি যদি legacy বাদ দিওঁ, যোৱা ৭২ বছৰে কংগ্ৰেছ বা আগৰ চৰকাৰে কি কৰিছিল যদি আমি বাদ দিওঁ, কেৱল ২০১৬ ৰ পৰা ২০২৬ চনলৈ হিচাপ কৰো Assam is the shining spot of Indian Economy and Indian Administration. আমি ক'ত ৰখি যাওঁ। মানুহে এতিয়া আমাক কিয় সমালোচনা কৰিব পাৰে যে ৭ বিঘা, ডেৰ বিঘা মাটি কিয় কৰিলে? This is because of the legacy of the Congress. কংগ্ৰেছে তেনেকৈ অসমখনক বনাই থৈ গৈছিল। আমি কংগ্ৰেছৰ legacy ৰ লগত যুঁজিছো। কংগ্ৰেছে MMR, IMR, বাল্য বিবাহ, বহু বিবাহ সৃষ্টি কৰি থৈ গৈছিল। কংগ্ৰেছে লাখ লাখ ৰাস্তা পকী নোহোৱাকৈ এৰি থৈ গৈছিল। ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং বনাই শান্তিৰে ৰাজত্ব কৰিছিল। আজি সেইখন অসমক পৰিৱৰ্তন কৰিবলগীয়া হৈছে। আটাইতকৈ ডাঙৰ কথা যে কংগ্ৰেছে অসমৰ ৩০ লাখ বিঘা মাটি বেদখলৰ বাবে এৰি দিছিল। আজি বন ভূমিত মাননীয় বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কাম কৰিছে। বন ভূমিত আমি খিলঞ্জীয়া মানুহক এফালে ভূমিৰ পট্টা দিছো আৰু যিসকল অচিনাকি লোক তাত বহিছে, তাৰ পৰা ডেৰ লাখ বিঘা মাটি বেদখল মুক্ত কৰিছো। কিন্তু এজনো জনজাতীয় লোক উচ্ছেদ হোৱা নাই। কাকী, সোণাই-ৰূপাইৰ পৰা বকোলৈ আমি জনজাতীয় আৰু খিলঞ্জীয়া লোকসকলক মাটিৰ পট্টা দিছো। উত্তৰ কাচাৰ, কাৰ্বি আংলং, বি টি চি, fund devolution দিয়া হৈছে। খুব সম্ভৱ বি টি চিত আৰু এশ কোটি টকা মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে দিছে।

এইবাৰ fund devolution এহেজাৰ কোটি টকা এই বছৰ পাৰ হৈ এঘাৰ শ কোটি টকা হৈছে। বি টি চিয়ে হয়তো লক্ষ্য কৰা নাই। আমি SD ত আৰু এশ কোটি দিছো। অৰ্থাৎ Total transfer will be 1100 crore against 300 crore in 2021. পাঁচ বছৰ আমি জনজাতীয় লোকসকলৰ মৰ্য্যদা বৃদ্ধিৰ বাবে কাম কৰিছো। শেষত মই কাৰ্বি, DNLA, NDFB ক ধন্যবাদ জনাম। এটাও বোমা বিস্ফোৰণ, গুলী চালনা, এজন আৰক্ষী অথবা সেনা বিষয়াৰ মৃত্যু নোহোৱাকৈ আৰু এজনো অসমীয়া যুৱকৰ তেজ মাটিত পৰিব নিদিয়াকৈ যোৱা ৫ বছৰ পাৰ কৰিলো। যিখন ধেমাজীৰ বোমা বিস্ফোৰণে শিশুক নিৰ্ম্মমভাৱে হত্যা কৰিছিল। আৰক্ষী-সেনা বাহিনীৰ মৃত্যুৱে আমাক আমনি দিছিল। আলফা বা সাধাৰণ যুৱক-যুৱতীয়েই হওঁক মৃত্যুৰ বেদনাই আমাক আমনি কৰিছিল। সেইখন অসমত আমি ৫ টা বছৰ পাৰ কৰিলো without any casuality. কোনো যুৱক-যুৱতীৰ মত্যুৰ চেঁকুৰা নপৰাকৈ আমি অসম মাতৃক ৫ বছৰ সেৱা কৰিবলৈ সুবিধা পালো। মই বিশ্বাস কৰো যোৱা ৫ টা বছৰ আছিল ৰূপান্তৰৰ আৰু পৰিৱৰ্তনৰ ৫ টা বছৰ। মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে বছৰত ৪-৫ বাৰকৈ অসম ভ্ৰমণ কৰিছে। প্ৰয়াত মাননীয় প্ৰধানমন্ত্ৰী ড° মনমোহন সিং ডাঙৰীয়াক এইখন সদনে দিল্লীলৈ পঠিয়াইছিল। তেখেতে ৫ বছৰত দুবাৰ অসমলৈ আহিছিল। আমাৰ বৰ্তমানৰ গৃহমন্ত্ৰী ডাঙৰীয়া ১০-১২ বাৰ অসমলৈ আহিছে। ১৯৭২ চনত কোৱা হৈছিল My heart goes to pepole of Assam. আৰু ২০২৬ চনত কোৱা হৈছে যে- My heart stay with Assam. এইয়া হৈছে মাননীয় প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু আমাৰ চৰকাৰ খনৰ ৰূপান্তৰ আৰু পৰিৱৰ্তনৰ যাত্ৰা। মই ৫ টা বছৰৰ এই অন্তিম বিধান সভাত অসমৰ জনতাৰ প্ৰতি শিৰনত কৰি পুনৰ এবাৰ সেৱা জনাইছো আৰু মই বিশ্বাস কৰো যোৱা ৫ টা বছৰত আমি যি পৃষ্ঠ ভূমি নিৰ্মাণ কৰিলো এতিয়াৰ পৰা অসম আৰু পিছলৈ ঘূৰি নাযায়। অসমে মাউণ্ট এভাৰেষ্টৰ ফালে চকু ৰাখিব আৰু আমি আমাৰ যাত্ৰা অব্যাহত ৰাখিম। কিছুমানে আমাক ক'ব বিচাৰে। কিন্তু মই আজি ইচ্ছা কৰিয়েই এটা বিষয়ত হাত দিয়া নাই। কাৰণ মই আজি কাৰো অন্তৰত দুখ দিব বিচৰা নাই। অসমীয়া জাতিৰ এটা ঘনঘোৰ অন্ধকাৰৰ কালখনত আমি ৰাজনীতি কৰিছো। ২০২৭ চনৰ চেনচাচতেই অসমীয়া জাতি এক প্ৰকাৰ সংখ্যালঘুলৈ পৰিণত হ'ব। কলীয়া ডাৱৰৰ মাজত যেতিয়া এজন মানুহে নিশা ঘনঘোৰ অন্ধকাৰৰ মাজত খোজ কাঢ়ে তেতিয়া কৰবাত মিঠা তেলৰ চাকি এগছি জ্বলি থাকিলেও মানুহজনে সাহস পাই যে চিঞৰ এটা মাৰিলেও কোনোবা এজন আহিব। অসমৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক জীৱনৰ আটাইতকৈ অন্ধকাৰৰ সময় খিনিত এইখন বিধান সভা স্থাপন হৈছিল। অসমীয়া জাতি নিৰন্তৰ ভাৱে ক'ব নোৱাৰাকৈ সংখ্যা লঘুলৈ আগবাঢ়িছো। আমি বুজিয়েই নাপালো যে শংকৰ কেতিয়া আজান হ'ল, লাচিত কেতিয়া বাঘ হ'ল? আমি শৰাইঘাটত যুঁজ কৰা মিৰি সন্দিকৈক পাহৰি গ'লো। আমি হৰ নাথ, নৰ নাথ, মাধৱদেৰ, হৰিদেৰ, দামোদৰদেৰক পাহৰি গ'লো। ক'ব নোৱাৰাকৈ জাতিটোৰ মাজত পৰাধীনতাৰ আত্মগ্লানিৰ ভাৱেৰে আমাৰ বুৰঞ্জীও নতুনকৈ লিখাৰ প্ৰচেষ্টা হ'ল। যোৱা ৫ টা বছৰ আমি কিমান কৰিব পাৰিছো নাজানো। কিন্তু অন্ধকাৰৰ ৰাস্তাৰে খোজ কাঢ়ি মাজ নিশা মানুহজনৰ মনতো এগছি মাটিৰ চাকিৰে আশাৰ চাকি জীয়াই ৰখাৰ বাবে চেষ্টা কৰিছো। আজি মই গৌৰৱ অনুভৱ কৰো যেতিয়া ধুবুৰী, বৰপেটাতো আমাৰ অসমীয়া মানুহেও কয় যে তেওঁলোক নিৰাপদ আৰু সুৰক্ষিত হৈ আছে। আজিৰ এই পৱিত্ৰ দিনটোত পুনৰ এবাৰ অঙ্গীকাৰ কৰিছো। অহা ৫ টা বছৰত এগছি মাটিৰ চাকি নহয়, আমি অসমৰ নব প্ৰজন্মক শিক্ষা, শক্তি, সৌৰ্য্য-বিৰ্য্যৰে, আমাৰ জাতিটোক জীয়াই ৰখাৰ বন্তি হিচাপে আপোনালোকে নতুনকৈ প্ৰজ্জ্বলিত হওঁক। আমি লাচিতৰ সাহসেৰে,

চিলাৰয়ৰ দুৰ্জয় শক্তিৰে আমি এই জাতিটোক জীয়াই ৰাখিব লাগিব। এই জাতিটোক আমি ভাৰতবৰ্ষৰ ভিতৰতে শক্তিশালী জাতিলৈ ৰূপান্তৰিত কৰিব লাগিব আৰু মই নিশ্চিত যোৱা ৫ টা বছৰত আমাৰ যুৱক-যুৱতীসকলে সাহস পালে। আমাৰ যুৱক-যুৱতীসকলে সংগ্ৰাম কৰিবলৈ শক্তি পালে। আজি বৰাকৰ পৰা ব্ৰহ্মপুত্ৰলৈ প্ৰতিজন ভাৰতীয় আৰু প্ৰতিজন অসমীয়াই এঘৰি যুঁজিবলৈ আজি সাজু হৈছে। শিক্ষা-সংস্কৃতিৰে, অৰ্থনীতিৰে, ৰাজনীতিৰে, সমাজ নীতিৰে আৰু মই বিশ্বাস কৰো যে এনে এখন সৰ্বাংগ-সুন্দৰ জননী জন্মভূমিৰ সেৱাত আমি আকৌ এবাৰ নিজকে উৎসৰ্গিত কৰিম। মৰিলে পুনৰ জনম, লওঁহি যেন তোমাৰ চৰণ, এয়ে আমাৰ জাতি, এয়ে আমাৰ জননী । আমাৰ জননী আৰু জাতিৰ বাবে নিজকে উৎসৰ্গা কৰাৰ পুনৰ এক সংকল্পৰে মই ভাষণৰ সমাপ্তি কৰিব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়ে কৈছে যে সমাপণ ভাষণ আছে। মই ভাৱো ইমানখিনি কথা কোৱাৰ পিছত আৰু সমাপণ ভাষণ দিয়াৰ কোনো প্ৰয়োজন নাই। মই পুনৰ এবাৰ অসমৰ জাতীয় জীৱনৰ আটাইতকৈ স্বৰ্ণিল মূহুৰ্তত এই বিধান সভাখনে যি ভূমিকা গ্ৰহণ কৰিলে এই বিধান সভাখনক অসমৰ ইতিহাসে সদায় শ্ৰদ্ধা আৰু সন্মানেৰে সৈতে সোঁৱৰণ কৰিব। আমাৰ বিধান সভাত যোৱা ৫ টা বছৰৰ ভূমিকাক ১০০ বছৰ পিছতো শলাগিব। যিধৰণে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ নাম আমি গৌৰৱেৰে........

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অকল সেইফালে চাই কৈ আছে, বিধান সভা মানে আমিওতো। কেৱল আপুনি সুশান্ত ডাঙৰীয়াক চাই থাকিলে হ'ব নেকি?

**ডº হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** ..সুশান্ত ডাঙৰীয়া আৰু আপোনাৰ কিহৰ কাজিয়া। একেলগে থাককচোন। মই যোৱাকালি এটা টিভিত কৈছো যে আমি কেনেকৈ কাম কৰো। এটা পাৰ্টীয়ে দুজন মুখ্যমন্ত্ৰীৰ সন্তানক নেতা কৰিছে। আমি কাক নেতা কৰিছো- ময়ুৰ বুঢ়াগোঁহাই, সুশান্ত বৰগোঁহাই, চক্ৰধৰ গগৈ, তৰংগ গগৈক। আমি মাটিৰপৰা মানুহ উঠাইছো। তাত আপুনিও পৰে। এয়াই হৈছে পাৰ্থক্য। কোনোবাই মোক কয় যে শ্ৰেষ্ঠজন কোন? যিজনে সোণৰ চামুচ লৈ জন্ম গ্ৰহণ কৰা নাই, সংগ্ৰাম কৰি নিজৰ ৰাস্তা নিৰ্মাণ কৰিছে আৰু সেই কাৰণে লাচিতৰ জীৱনে আমাক প্ৰেৰণা দিয়ে। সাধাৰণ পৰিয়ালৰপৰা তেওঁ বৰফুকনৰ মৰ্য্যদা পালে। মই ভাৱো যে এই বিধান সভাই যিধৰণে অসমৰ ইতিহাসে লোকপ্ৰিয় গোপীনাথ বৰদলৈক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে আমি তাৰ ওচৰে-পাঁজৰে যাব নোৱাৰো। গোপীনাথ বৰদলৈৰ ওচৰে-পাঁজৰে যাবলৈ আমাৰ শক্তি নাই। কিন্তু তেওঁৰ পদাংক অনুসৰণ কৰি আমি জাতিটোক প্ৰৱঞ্চনা নকৰাকৈ, জাতিটোক আমি betray নকৰাকৈ জাতিটোৰ কাৰণে সংগ্ৰাম কৰা আমি এখন বিধান সভা হিচাপে অসমৰ ইতিহাসত আমি নিশ্চিত ভাৱে উজলি থাকিম তাক মই আজি দৃঢ়তাৰে সৈতে ক'ব পাৰো। পুনৰ এবাৰ বিৰোধী পক্ষৰ নেতা শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়াক তেওঁৰ অনুপস্থিতিতো অভিনন্দন জনাইছো যে আমাক কাম কৰাৰ কাৰণে, সমালোচনা- আলোচনা দুয়োটা ধৰণে আমাক কাম কৰাৰ সুযোগ দিয়াৰ বাবে তেখেতক ধন্যবাদ জনাইছো। বিধান সভাৰ মজিয়াত মাজে- মাজে serious আৰু মাজে-মাজে খুহুতীয়া কথাৰে অখিল গগৈ ডাঙৰীয়াই যি পাঁচটা বছৰ অতিক্ৰম কৰিলে আপোনাকো মই অভিনন্দন জনাইছো। যোৱাকালি মই এটা interview ত কৈছো যে যদি অখিল গগৈ ডাঙৰীয়াই mature হ'ব পাৰে তেতিয়া অসমত তেওঁ বহুদিনলৈ ৰাজনীতি কৰিব পাৰিব। কিন্তু মাজে-মাজে আমি জ্যেষ্ঠজন হিচাপে maturity ৰ অভাৱ অনুভৱ কৰো। আজি মই শেষত মনৰ কথাটো কৈছো যে অসমত আমাক লাগে- প্ৰমোদ গগৈ ডাঙৰীয়াৰ পৰা শিকিব লাগে, গৌৰীশংকৰ ভট্টাচাৰ্য্য ডাঙৰীয়াৰ পৰা শিকিব লাগিব, প্ৰমোদ গগৈ ডাঙৰীয়া আৰু গৌৰীশংকৰ ভট্টাচাৰ্য্য

ডাঙৰীয়াৰ দৰে ব্যক্তিৰ সদনৰ ভূমিকাই এজন সফল বিৰোধীৰ বিধায়ক কেনেকৈ হ'ব পাৰে তাক সোঁৰৰাই দিয়ে। আৰু হেমেন দাস আছিল, মই অলপ দিন পাইছিলো, কিন্তু তেওঁলোকে যেতিয়া intervention কৰিছিল মুখ্যমন্ত্ৰীও বহি যাবলৈ বাধ্য হৈছিল। মই ভাবো অহা ৫টা বছৰত অখিল গগৈ ডাঙৰীয়া জিকি আহক আৰু তেওঁ সেই maturity টো দেখাওঁক। আমাৰ কোনো আপত্তি নাই আৰু মই শুভেচ্ছা জনাম। AIUDF, Parliamentary Party য়েও আমাক নিশ্চিত ভাৱে সহযোগ কৰিছে। আদৰ্শৰ পাৰ্থক্য আছে, বহু কথাত আমি মিলিব নোৱাৰো কিন্তু তাৰ মাজতো আপোনালোকে আপোনালোকৰ যিসকল সমৰ্থক তেওঁলোকৰ কাৰণে আপোনালোকে সাহসেৰে যুঁজ দিছে। আপোনালোকক ধন্যবাদ জনাইছো। আমাৰ ৰাস্তা বেলেগ কিন্তু ৰাস্তা বেলেগ হোৱাৰ মাজতো আপোনালোকে যিধৰণে বিধান সভাত সুন্দৰ ভূমিকা পালন কৰিছে তাৰবাবে মই অভিনন্দন জনাম। মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই তেখেতৰ maturity ৰে বিধান সভাক যিমানখিনি guide কৰিছে নিশ্চিতভাৱে ধন্যবাদ জনাম। কোনো কেতিয়াও বেয়া পৰিৱেশ হোৱা নাই। বিপিএফ আৰু ইউ পি পি এল দলক মই বিশেষভাৱে ধন্যবাদ জনাম। নিৰ্বাচনত বিপিএফৰ লগত আমি বেলেগে প্ৰতিদন্বিতা কৰিছিলো। ইউ পি পি এল আমাৰ মিত্ৰদল আছিল। কিন্তু দুয়োটা দলেই অত্যন্ত গাম্ভীৰ্য্যতাৰে আৰু অত্যন্ত দৰ্শনীয় ভাৱে তেওঁলোকে বড়ো জনগোষ্ঠী আৰু বড়োলেণ্ডৰ সমূহ ৰাইজৰ হৈ যি শক্তিশালী ভূমিকা গ্ৰহণ কৰিলে, মই আজি বিপিএফ আৰু ইউ পি পি এল দলক অভিনন্দন জনাইছো। এজিপি দল আমাৰ মিত্ৰদল। এজিপি আৰু বিজেপি দল, একেলগে আমি আমাৰ আদৰ্শ , বিকাশ, পৰিচয়, অস্তিত্বক আগুৱাই লৈ যাবলৈ প্ৰয়াস কৰিছিলো। বহুত কাম কৰাৰ ইচ্চা আছিল। ডেৰ লাখ ল'ৰাক চাকৰি দিছো। নিবনুৱা ল'ৰা এজন থাকিলেও আমি আনদিত নহওঁ যে এক লাখ ষাঠি জনক চাকৰি দিলো মানে এভাৱেষ্টত উঠি গ'লো। অসমখনত এতিয়াও সমস্যা আছে। সমাধানৰ প্ৰয়াস কৰিছিলো, প্ৰচেষ্টা কৰিছিলো। যিমানখিনি কৰিব পাৰিলো নিশ্চয় ৰাইজে তাত আমাৰ বাবে আশিৰ্বাদ কৰিব আৰু যিমানখিনি কৰিব নোৱাৰিলো তাৰবাবে ৰাইজৰ ওচৰত বিনম্ৰতাৰে ক্ষমা বিচাৰিছো। কাৰণ চেষ্টা কৰিছিলো, কষ্ট কৰিছিলো, প্ৰয়াস কৰিছিলো। বানপানীৰে জৰ্জৰ, দেশ বিভাজনৰ যি অৰ্থনৈতিক প্ৰভাৱ, সেই প্ৰভাৱেৰে প্ৰভাৱিত, ৫০ ৰ ভূমিকম্প, ৭৮ ৰ অসম আন্দোলন, সশস্ত্ৰ সংগ্ৰামে আমাৰ মাতৃৰ মেৰুদণ্ডদাল ভাঙি থৈ গৈছিল। সেই মাতৃগৰাকীক আজি আমি আকৌ এজনী যৌৱনেৰে পৰি পূৰ্ণ, যিধৰণেৰে আমি মা দুৰ্গাক দেখা পাওঁ তেনেকৈ মা অসমীক আমি নতুন ৰূপত লৈ আহিবলৈ প্ৰচেষ্টা কৰিছো। মা ভাৰতীক এটা নতুন ৰূপত লৈ আহিবলৈ আমি চেষ্টা কৰিছো। সফলতাৰ বাবে অহংকাৰ নকৰো, সফলতাৰ বাবে গৌৰৱ নকৰো, বিফলতাৰ বাবে কৰিব নোৱাৰাখিনিৰ কাৰণে ৰাইজৰ ওচৰত বিনম্ৰাতাৰে ক্ষমা বিচাৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

(চৰকাৰী পক্ষই জয় আই অসম আৰু ভাৰত মাতা কি জয় ধ্বনি দিয়ে)

**শ্ৰী ৰূপক শৰ্মা (নগাঁও) ঃ** মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক সকলোকে ধন্যবাদ দিলে। সেইকাৰণে আমি সকলোৰে এইগৰাকী মুখ্যমন্ত্ৰীয়ে যোৱা ৫টা বছৰ যি ধৰণে আমাক দক্ষতাৰে আৰু সাহসেৰে নেতৃত্ব দিলে তাৰবাবে তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো আৰু তেওঁৰ এই ৫ টা বছৰ সোণালী আখৰেৰে লিখা থাকিব।

**শ্ৰী অতুল বৰা, মন্ত্ৰী, কৃষি ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যিধৰণে ৰাজ্যখনক নেতৃত্ব দিলে, তেখেতৰ দূৰদৰ্শী আৰু সৰল নেতৃত্বই যোৱা ৫টা বছৰত স্বাধীনতাৰ পিছত আমাৰ ৰাজ্যখনত যিমান চৰকাৰ হৈছিল তাতকৈ বহুগুণে এই ৫ টা

বছৰত ৰাজ্যখনক আগুৱাই লৈ গ'ল। আমি তেখেতক বহুত বহুত ধন্যবাদ জনাইছো। আকৌ তেওঁ ঘূৰি আহক, আকৌ ৰাজ্যখনক নেতৃত্ব দিয়ক।

(চৰকাৰী পক্ষৰ ভাৰত মাতা কি জয় ধ্বনি)

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমাৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ ওপৰত সংশোধনীত ৫টা প্ৰস্তাৱ আছিল আৰু তাৰে শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ লগতে তেখেতৰ সহযোগী সকলৰ দুটা আছিল। তেওঁ absent. Next আছে শ্ৰী ৰফিকুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া।

**ড° ৰফিকুল ইছলাম, জনিয়া ঃ** নিজৰ মাতৃভাষা বিসৰ্জন দি অসমীয়াক আকোৱালি লৈ সপোন অসমীয়াত দেখে, ল'ৰা-ছোৱালীক লিখা-পঢ়া অসমীয়াত কৰায়। বিশ্বত এনেকুৱা ঘটনা বিৰল। Census ত নিজৰ মাতৃভাষা অসমীয়া বুলি লিখে, অনাগত দিনতো তেওঁলোকে লিখিব। গতিকে অলপ মৰমৰ প্ৰয়োজন আছে সেই লোক সকলক। মৰমৰ দৃষ্টি তেওঁলোকক চোৱাৰ প্ৰয়োজন আছে। সম দৃষ্টিত সম বিকাশৰ প্ৰয়োজন আছে। তেতিয়াহ'লে মই ভাৱো কোনো শংকাৰ প্ৰয়োজন নাই আৰু যেতিয়াই অসম বা অসমীয়া বা ভাৰত বিপদত পৰিছে আমাৰ পূৰ্বপুৰুষ থিয় হৈছে ভাৰত ৰাষ্ট্ৰ স্বাধীন কৰাৰ সময়তো আমাৰ পূৰ্বপুৰুষে যুঁজিছে। অসম যেতিয়া পাকিস্তানৰ লগত যাবনে ভাৰতৰ লগত থাকিব তেতিয়াওঁ মতলেবোৰ ৰহমান মজুমদাৰৰ পৰা আৰম্ভ কৰি আমাৰ পূৰ্বপুৰুষে যিটো stand লৈছিল আৰু অনাগত দিনতো যদি তেনেকুৱা শংকা অনুভৱ কৰিছে নিশ্চয় এই জনগোষ্ঠী অসমীয়াৰ লগত থাকিব, অসমীয়া অসমত লঘিষ্ঠ নহয়। এই কথাটো মই ক'ব বিচাৰিছো। মাত্ৰ মৰম কৰাৰ প্ৰয়োজন আছে। এইখিনি অনুৰোধ ৰাখি আমাৰ যি বক্তব্য আছিল সেইখিনি উঠাই লৈছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় সদস্য মনোৰঞ্জন তালুকদাৰ। তেখেত অনুপস্থিত।
এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আচলতে বিধানসভা বিদায়ৰ দিন। আজি নিশ্চয় critical কথা কোৱাৰ পৰিবেশ আমাৰ নাই। মাত্ৰ মই এইটোৱে কওঁ ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণৰ ওপৰত। যোৱা ৫ বছৰত মই অসম বিধান সভাত basically চেষ্টা কৰিছিলো অসমৰ গ্ৰাম্য জীৱনৰ শ্ৰমজীৱী মানুহ বিলাকৰ খাটি খোৱা মানুহ বিলাকৰ প্ৰশ্ন উত্থাপন কৰিবৰ কাৰণে । সেইকাৰণে এই সময়খিনিত যেনেকৈ অৰুণোদয় অসমৰ প্ৰত্যেকগৰাকী মানুহে পাব লগে বুলি কৈছিলো আৰু অৰুণোদয় ধনৰ পৰিমাণ ৩০০০ টকা হ'ব লাগে বুলি কৈছিলো। ঠিক তেনেকৈ একেটা সময়তে জীৱিকা সখীৰ দৰমহা, অংগবাড়ীকৰ্মী আৰু সহায়িকাৰ দৰমহা বৃদ্ধি, একেটা সময়তে আমাৰ গাওঁ প্ৰধান সকলৰ দৰমহা বৃদ্ধি, আশাকৰ্মী সকলৰ দৰমহা বৃদ্ধি, ৰান্ধনী সকলৰ দৰমহা বৃদ্ধি এইবিলাকৰ পৰা শিক্ষক সকলৰ সমস্যালৈকে আৰু শিক্ষক সকল আৰু সকলো কৰ্মচাৰীক OPS দিব লাগে বুলি মই এই সময়খিনিত উত্থাপন কৰিবলৈ চেষ্টা কৰিছিলো। এই সময়খিনিত মই আটাইতকৈ গুৰুত্ব দিছিলো যে অসমৰ কৃষিটো ভূমি সংস্কাৰ কৰি অসমত কৃষি ব্যৱস্থাক উন্নত কৰিব লাগে আৰু বছৰত ৩ বাৰ খেতি কৰিব পৰা খেতি পথাৰলৈ পৰিণত কৰাব লাগে। এই প্ৰশ্নটো মই বাৰাম্বাৰ আনিবলৈ চেষ্টা কৰিছিলো। নিশ্চয়কৈ আপোনালোকে জানে। সেই কথাটোকে এই বাৰ সংশোধনীত আনিছিলো যে ১০০ শতাংশ জলসিঞ্চন কৰি অসমৰ পথাৰ বিলাকক ১০০ শতাংশ সেউজীয়া কৰি ৰখাৰ ব্যৱস্থা কৰিব লাগে, Round the year cultivation. তাৰ পিছত মই সংশোধনীটো আনিছিলো যে অসৰ প্ৰত্যেকজন নিবনুৱাক কৰ্ম সংস্থাপন দিবৰ কাৰণে আমি গাঁৱে গাঁৱে প্ৰতি খন গাঁৱত এটাকৈ সৰু সৰু industry খুলিব লাগে। চৰকাৰ

আৰু জনতাৰ সহযোগত এইটো হ'ব লাগে আৰু শেষত মই যিটো প্ৰস্তাৱ আনিছিলো সেইটো হ'ল যে আজি বাংগালোৰ বা চেন্নাই লৈ যাওঁতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যোৱা ৬ মাহত ১৬২ জন ল'ৰাৰ মৃত্যু ঘটিছে। মাহে ৫০ টাকৈ ল'ৰাৰ মৃত্যু হৈছে। মই সেই কথাটোকে কৈছিলো যে বিধানসভাত এখন আইন আনিব লাগে যাতে আমি প্ৰত্যেকজন ল'ৰাক ঘূৰাই আনিব পাৰো, তাৰ বাবে ইয়াতে কৰ্মসংস্থাপন আৰু যিবিলাক ল'ৰাই বহিঃৰাজ্যত কাম কৰে, প্ৰত্যেকজন ল'ৰাক নিৰাপত্তা প্ৰদান কৰিবৰ কাৰণে সেই ৰাজ্য সমূহৰ লগত চুক্তি বাংগালোৰত গৈছে কৰ্ণাটক চৰকাৰৰ লগত চুক্তি আৰু লগতে যিবিলাক ল'ৰা তাত যাব তেওঁলোকক দক্ষ শ্ৰমিক ৰূপে যেনেকৈ ধৰক কোনোবা security guard কৰিবলৈ গৈছে, ইয়াত যদি আমি অসমত home guard বা পুলিচৰ training দি পঠিয়াও তাৰ পিছত তেওঁলোকক যদি এখন certificate দি পঠিয়াও আৰু চৰকাৰৰ লগত যদি আমি কথা পাতি দিওঁ তেতিয়াহ'লে আজিৰ দিনটোত তাত গৈ যি ১৮,০০০ টকা দৰমহা পাইছে সেইটো ৪০,০০০ পাবলৈ সক্ষম হ'ব। অসমৰ প্ৰত্যেক গৰাকী ছোৱালীক নাৰ্চৰ training দি ভাৰতবৰ্ষৰ বেলেগ বেলেগ ঠাইলৈ পঠোৱা, দৰকাৰ হ'লে জাপানলৈ পঠোৱা। আজিৰ দিনত এগৰাকী ছোৱালী জাপানলৈ নাৰ্চ কৰিবলৈ গ'লে এবছৰত ১ কোটি টকা দৰমহা পায়। এইবোৰ কথাকে মই এইবাৰ সংশোধনীত আনিছিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য আলোচনা হৈ গ'ল। এতিয়া আপুনি সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব নে নাই?

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিহেতু বিধান সভাৰ শেষ দিন আৰু বিধান সভাত এটা বিদায়ৰ পৰিবেশ আহিছে, গতিকে মই বেছি জটিলতালৈ নগৈ মই মোৰ প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই এতিয়া মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মাই ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা মূল প্ৰস্তাৱলৈ আহিলো। মোৰ প্ৰশ্নটো হৈছে যে ২০২৬ চনৰ ১৬ ফেব্ৰুৱাৰী তাৰিখে ৰাজ্যপালে সদনত প্ৰদান কৰা ভাষণৰ কাৰণে এই অধিবেশনত সমবেত হোৱা অসম বিধানসভাৰ সদস্য সকলে তেখেতৰ প্ৰতি গভীৰভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে।

প্ৰস্তাৱটোৰ সপক্ষে যিসকলে আছে কওঁক হয়,
প্ৰস্তাৱৰ বিপক্ষে থকাসকলে কওঁক নহয়,
মই ভাৱো হয়ৰ সপক্ষে হয়ৰ সপক্ষে হয়ৰ সপক্ষে
প্ৰস্তাৱটো সদনত গৃহীত হ'ল।
এতিয়া item No. 10

লোক ভৱনৰ পৰা এটা বাণী আহিছে, বাণীটো হ'ল under the provision of Article 207(3) of Constitution with I Shri Laxman Prasad Acharya, Governor of Assam recommended “The Assam value added Tax Amendment Bill 2026” be taken into cosideration in the Assam Legislative Assembly.

এতিয়া মই মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীক বিলখন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনাইছো for consideration.

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্তমন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, I beg to move “The Assam value added Tax Amendment Bill 2026” be taken into cosideration.

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল "The Assam value added Tax Amendment Bill 2026" খন বিবেচনাৰ বাবে লোৱা হওঁক

যিসকলে সপক্ষে আছে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়ক খন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। দফা নং ২ সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব

যিসকলে সপক্ষে আছে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা নং ২ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ১, অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়ক খনৰ অংশ হ'ব।

যিসকলে সপক্ষে আছে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা নং ১, অধিনিয়ম সূত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়ক খনৰ অংশ হ'ল

এতিয়া মাননীয়া মন্ত্ৰী মহোদয়াক মই বিধেয়ক খন পাৰিত কৰণৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্তমন্ত্ৰী ঃ** "The Assam value added Tax Amendment Bill 2026" Bill be passed.

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক

যিসকলে সপক্ষে আছে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া বাজেট লেখানুদানৰ আলোচনা চলি আছিল continue. সেয়েহে মই এতিয়া শ্ৰীমতী সুমন হৰিপ্ৰিয়াক ভাষণ ৰাখিবলৈ অনুৰোধ জনালো। তেখেত সদনত এতিয়া নাই। এতিয়া শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী। তেখেত অনুপস্থিত। এতিয়া শ্ৰী নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা, (ৰূপহীহাট) ঃ** অধ্যক্ষ মহোদয়, লেখানুদান বাজেটৰ ওপৰত মই কেইটামান কথা কোৱা আগতে যোৱাকালি এই বাজেটৰ ওপৰত বিস্তৃতভাৱে আলোচনা হৈছে। শাসকীয় পক্ষৰ কিছু সন্মানীয় বিধায়কে এনেকুৱা কিছুমান বৰ বৰ কথা ক'লে যে ভাৰতবৰ্ষত কংগ্ৰেছ চৰকাৰে একো কৰাই নাই, সকলো BJP চৰকাৰে কৰিছে, অকল কংগ্ৰেছৰ বদনাম কৰিছে। ইংৰাজক খেদি পঠিয়াই নতুন ভাৰত গঢ়াৰ ভূমিকা কংগ্ৰেছেই লৈছিল। আৰু এই কংগ্ৰেছে স্থাপন কৰা ঘৰখনতেই আমি ডাঙৰ দীঘল হৈছো। কালি যি সকলে ইমান বেয়া বেয়াকৈ ককৰ্থনা কৰিলে,

ধিক্কাৰো দিলে। আপুনি যিখন Hospital ত জন্ম গ্ৰহণ কৰিছে, সেই Hospital খন কংগ্ৰেছে বনোৱা। আপুনি যিখন প্ৰাথমিক বিদ্যালয়ত পঢ়িছে, সেই প্ৰাথমিক বিদ্যালয়খনো কংগ্ৰেছে বনোৱা। আপুনি যিখন কলেজত পঢ়িছো সেইখন কলেজো কংগ্ৰেছে বনোৱা। আপুনি যিখন বিশ্ববিদ্যালয়ত পঢ়িছে, সেই বিশ্ববিদ্যালয়খনো কংগ্ৰেছে প্ৰতিস্থা কৰা। গতিকে এনেকৈ ক'ব নাপায়। আজি ভাৰবৰ্ষৰ স্বাধীনতাৰ পিছৰ পৰা এনেকুৱা এখন ভাৰত পাইছিলো য'ত কোনো বিদ্যুৎ নাছিল, যাতায়তৰ ব্যৱস্থা নাছিলে, এখন অনুন্নত দেশ আমি পাইছিলো। সেই দেশখনক লাহে লাহে আগুৱাই লৈ আহিছে। আজি যে এই চৰকাৰে কাম কৰিছে, ক'ৰ পৰা কৰিব পাৰিছে? তেওঁলোকে কৰি থৈ যোৱা কামৰ ওপৰতে কৰিব পাৰিছে। গতিকে কথাটো এনেকুৱা হ'ব নালাগে যে কংগ্ৰেছে একো নকৰিলে। এই চৰকাৰখনে এই বাজেটৰ ১৬ পৃষ্ঠাত মিছন বসুন্ধৰাৰ অধিনত যোৱা ৫ বছৰত ২৪ হাজাৰ ৬ শ ৮ টা প্ৰতিষ্ঠানকে ধৰি ৩ লাখৰো অধিক হিতাধীকাৰীৰ ভূমি অধিকাৰ সুৰক্ষিত কৰি প্ৰায় ৪ লাখ ১৫ হাজাৰ বিঘা মাটি নিস্পত্তিকৰণ কৰি আমাৰ ভূমি ৰেৰ্কড সমূহ উন্নতি কৰাৰ কাম কৰিছিল বুলি পট্টা দিয়া বুলি কৈছে। অধ্যক্ষ মহোদয়, আমাৰ ১৭ লাখ ৬৪ হাজাৰ ৭৯৫ টা পৰিয়ালে মাটিৰ পট্টা পাবলৈ বাকী আছে। বসুন্ধৰা ২.০ ত ১৩ লাখ ৩৯ হাজাৰ ৬০৫ জনে আবেদন কৰিছিল আৰু তাৰ পৰা মাত্ৰ ২ লাখ ২৯ হাজাৰ ৬২৯ জনেহে পট্টা পালে। এতিয়া আমাৰ অসমত ১৭ লাখ ৬৪ হাজাৰ ৯৯৫ টা পৰিয়ালে পট্টা পাবলৈ বাকী আছে। উপাধ্যক্ষ মহোদয়, বসুন্ধৰা ২.০ নগাওঁ জিলাত ৫০ হাজাৰ ২৫৩ জনে আবেদন কৰিছিলে,আৰু ৫০ হাজাৰ ২৫৩ জন আবেদন কৰাৰ মাজত মাত্ৰ ১ হাজাৰ ৪ জনহে পট্টা পালে। প্ৰায় ৯০ শতাংশ মানুহৰ আবেদন খাৰিজ কৰা হ'ল, আৰু কোনো কাৰণ দৰ্শোৱা নহ'ল। ইয়াত এটা ঘৃণাৰ ৰাজনীতি বিয়পায়, এটা জাতি-জনগোষ্ঠীক কেনেকৈ বঞ্চিত কৰিব পৰা যায়, এই বঞ্চিত কৰা কামখিনিহে এই বসুন্ধৰাত কৰিলে। ৩৮ হাজাৰ মানুহক এই বসুন্ধৰা আঁচনিত মানুহখিনিক মাটিৰ পট্টা নিদিলে। যুগ যুগ ধৰি বসবাস কৰি আছে। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কৈছিলে, এটা পৰিয়ালত যদি তিনি পুৰুষ যদি বসবাস কৰিছে, তেতিয়াহ'লে পট্টাটো পাব। ১৯৭১ চনৰ , ৫১ চনৰ যিসকল আছে, তেওঁলোকক খিলঞ্জীয়া বুলি ক'লে আৰু ৫১ চনৰ আগত অহা মানুহখিনিয়েও পট্টা নাপালে। ভাৰতৰ সৰ্ব্বোচ ন্যায়ালয়ে যিটো ৰায় দিয়ে যে ১৯৭১ চনৰ পিছত অহা সকলো বিদেশী, আৰু সেই লোক সকলকো এই বসুন্ধৰাৰ আওঁতাত আনি তেওঁলোকৰ মানুহক দিয়া নহ'ল। আজি লাখ লাখ বিঘা মাটি একচনীয়া হৈ আছে। লাখ লাখ মাটি চৰকাৰী হৈ আছে। তেওঁলোকে তৌজি খাজনা দি দখল কৰি আছিলে, সেই সকল লোকক তাৰ পৰা বঞ্চিত কৰা হৈছে। শিক্ষাৰ ক্ষেত্ৰত দেখা যায় এই চৰকাখনে যি প্ৰতিশ্ৰুতি দিছিলে ৩০.১ retio এই চৰকাৰে ১০ টা বছৰেই প্ৰতিশ্ৰুতি দি আহিল। প্ৰত্যেকখন বাজেট প্ৰতিশ্ৰুতি দিলে শিক্ষাৰ ক্ষেত্ৰত ৩০.১ ratio টো তেওঁলোকে পূৰণ কৰিব। ৩০ জন ছাত্ৰৰ বিপৰীতে এজন শিক্ষক দিব। কিন্তু আজিলৈকে এই শিক্ষক নিদিলে। মোৰ সমষ্টিতে চাৰ, সুটীবৰ হাইস্কুল, পাহৰি আদৰ্শ হাইস্কুল পালেৰিকা হাইস্কুল, পদুমনি টাউন হাইস্কুল, জুনিয়ৰ হায়াৰ চেকেণ্ডৰী, উজনি হাইস্কুল, হিংগীয়া হাইস্কুল, আলি দাঙৰী হাইয়াৰ চেকেণ্ডাৰী, কাণ্ডলীবাৰী চিৰাজী হায়াৰ চেকেণ্ডাৰী হাইস্কুল, দগাঁও হাইস্কুল, দবা হায়াৰ চেকেণ্ডৰী এই বিদ্যালয় সমূহত প্ৰায় সংখ্যক শিক্ষকে নাই। যিবিলাক বিষয় শিক্ষক, বিষৰ শিক্ষক সকলো নাই। ক'ৰবাত বিজ্ঞান আছে, বিজ্ঞানৰ শিক্ষক নাই, ক'ৰবাত হিন্দীsubject টো আছে, তাত শিক্ষক নাই। ক'ৰবাত অংক আছে, তাৰ শিক্ষক নাই। গতিকে শিক্ষা ব্যৱস্থাটো তৰান্দিত কৰাৰ কাৰণে আমাৰ মানৱ সম্পদ বিকাশ য'থ হ'ব তাত এই চৰকাৰ খনে মনোযোগ নিদিলে। আজি লাখ লাখ শিক্ষকৰ পদ

খালী হৈ আছে। শিক্ষকৰ পদখিনি তেওঁলোকে পূৰণ কৰিলে। কেনেকৈ তেওঁলোকে প্ৰতিশ্ৰুতি ৰক্ষা কৰিলে। বাজেটত কোৱা কথাখিনি তেওঁলোকে ৰক্ষা নকৰিলে। প্ৰথম আমাৰ শিক্ষা ব্যৱস্থাটো আগুৱাই লৈ যাব লাগে। সেই শিক্ষাতে আজি এই দুৰৱস্থা আজি আন্তঃগাঁথনি কিছু উন্নত হৈছে। কিন্তু বহু বিদ্যালয়ত এনেকুৱা আছে এতিয়াও এই বিদ্যালয় সমূহৰ চাৰিবেৰ নাই, কাৰণ্টে নাই, গৰমত শ্ৰেণী কোঠাত বহিব নোৱাৰে। বিদ্যালয়ৰ গৃহ নিৰ্মাণ হোৱা নাই। আজি ১৯০১ চনত আলি ডাঙৰীত প্ৰথম অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰিছিল। এই আলি ডাঙৰীয়া হায়াৰ ছেকেণ্ডাৰী স্কুল উপাধ্যক্ষ মহোদয়, আপোনাক মই আমন্ত্ৰণ জনাইছো আপুনি এদিন আহক স্কুললৈ সেই সময়ত যেতিয়া সেউজ পলিউচনত শালকাঠৰ খুটা দি ঘৰটো বনাইছিলে আৰু মাটিয়ে সেই খুটাবিলাক খাই দিছে বেৰৰ লগত ওলমি আছে। আজি হঠাৎ যদি বতাহ বৰষুণ দিয়ে বিদ্যালয়খন পৰি যাব। এনেকুৱা অৱস্থাত আছে। মই এই বিদ্যালয়খন পৰিদৰ্শন কৰি গোটেই তথ্যখিনি যোৱা বাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয় আবেদন দিছিলো।এই বিদ্যালয়খন আপুনি বনাই দিয়ক। তাৰ পিছত তেখেতে ১৬ লাখ দিছিল লেবৰ কাৰণে। কিন্তু বিদ্যালয়খন নিৰ্মাণ এতিয়ালৈকে হোৱা নাই। গতিকে এনেকুৱা যদি হৈ থাকে কেনেকৈ আমাৰ নৱপ্ৰজন্ম আগবাঢ়ি যাব। শিক্ষা পঢ়াৰ ক্ষেত্ৰত কেনেকৈ বৃদ্ধি হ'ব। নৱপ্ৰজন্ম কেনেকৈ মানৱ সম্পদ হিচাপে সৃষ্টি হ'ব। গতিকে আমাৰ নৱপ্ৰজন্মক মানৱ সম্পদ হিচাপে সৃষ্টি কৰি আগুৱাই লৈ যোৱাৰ কাৰণে আমাৰ শিক্ষা ব্যৱস্থাটো অধিক ভাল হ'ব লাগিব। প্ৰতিটো শ্ৰেণীত শিক্ষক থাকিব লাগিব, শিক্ষক নিযুক্তি দিব লাগিব। আন্তঃগাঁথনি উন্নয়ণ কৰিব লাগিব,যাতে ছাত্ৰ- ছাত্ৰী সকলে বিদ্যালয়ত গৈ ভাল মন লৈ যাতে পঢ়িব পাৰে, পঢ়োতে যাতে আনন্দ পায়, সেই এটা পৰিৱেশ আমি সৃষ্টি কৰিব লাগিব। এই পৰিৱেশ যেতিয়ালৈকে সৃষ্টি নহ'ব তেতিয়ালৈকে শিক্ষাৰ অগ্ৰগতি নহ'ব। আমাৰ নৱপ্ৰজন্ম মানৱ সম্পদ হিচাপে সৃষ্টি নহ'বগৈ। গতিকে এই বিভিন্ন আঁচনি, আগতে MSDP আঁচনি আছিলে। সেই MSDP আঁচনিত ২০১৭-১৮,২০১৯ বিত্তীয় বৰ্ষত যিবিলাক আঁচনি লোৱা হৈছিল additional Class লোৱা হৈছিলে Science lab লোৱা হৈছিলে toilet লোৱা হৈছিলে, বিভিন্ন ধৰণৰ আঁচনি লোৱা হৈছিলে। ২০১৮ চনত লোৱা আঁচনি এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই। এই পবিত্ৰ সদনত কেইবাৰো উত্থাপন কৰা হৈছিল। বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই সদনত আশ্বস্ত কৰিছিল যে তেওঁ ইয়াৰ ওপৰত তদন্ত কৰি অতি সোনকালে কামখিনি কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু আজিলৈকে হৈ উঠা নাই। সেয়েহে মই আজি আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো যে MSDP আঁচনিত যিবোৰ কাম হৈছিল সেই কামবোৰৰ তদন্ত হ'ব লাগে আৰু যিসকল বিষয়াৰ দ্বাৰা ইয়াত গাফিলতি হৈছে তেওঁলোকক দৃষ্টান্ত মূলক শাস্তি দিব লাগে। কিয়নো চৰকাৰে টকা দিয়াৰ পাছতো টকা লৈ কাম কৰা নাই, কাম সম্পূৰ্ণ হোৱা নাই। এই কথাবোৰ কিয় গাপ দি ৰখা হৈছে সেই কথাটো কিন্তু মই বুজি পোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you, please conclude.আপোনালোকৰ আৰু সদস্য আছে।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট ঃ** উপাধ্যক্ষ মহোদয়, ৰূপহীহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত National Secondary School, Juria ১৯৯৬ চনত প্ৰতিষ্ঠা হোৱা বুলি আজি চৰকাৰে উত্তৰ দিছে। ২০০৫ চনত ই চৰকাৰী সন্মতি লাভ কৰিছিল আৰু প্ৰাদেশিকীকৰণ আইন ২০১৭ আৰু সংশোধনী আইনৰ অনুসৰি National Secondary School, Juria ত কৰ্মৰত শিক্ষক-

শিক্ষয়িত্ৰী সকলৰ ধাৰাবাহিক উপস্থিতি নিৰ্ণয় কৰিব পৰা নোহোৱাত সংশ্লিষ্ট বিদ্যালয় খনৰ পদসমূহ প্ৰাদেশিকীকৰণ কৰিব পৰা হোৱা নাই। কিন্তু উপাধ্যক্ষ মহোদয়, প্ৰতিটো বছৰত এই স্কুলখনৰ পৰা ৯২%, ৯৪%, ৯৬% ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ আছে। শিক্ষকসকল যদি উপস্থিত নাথাকে তেন্তে কেনেকৈ তেওঁলোকে শিক্ষা দিছে? এই বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে বিনা বেতনে আমাৰ নৱ প্ৰজন্মক ভালদৰে শিক্ষা দি আছে। সেই স্কুলৰ পৰাই ছাত্ৰ-ছাত্ৰীয়ে Stand, Distinction, Star mark পাবলৈ সক্ষম হৈছে। কিন্তু আজি সেই বিদ্যালয়খনেই প্ৰাদেশিকীকৰণ হোৱা নাই। আজি যিহেতু মাননীয় শিক্ষামন্ত্ৰী উপস্থিত আছে, মই সেয়েহে আপোনাৰ জৰিয়তে তেওঁক ক'ব বিচাৰিছো যে National Secondary School, Juria খন যাতে প্ৰাদেশিকীকৰণ কৰা হয়। ধন্যবাদ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সদনত মাত্ৰ ১৪ জন সদস্য উপস্থিত আছে, এনেকৈ কেনেকৈ Quorum হৈছে? এনেদৰে সদনত বক্তৃতা ৰাখি লাভ নহ'ব। এনেকৈ যদি অনুপস্থিত থাকে---interrupti2on---

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, সদস্যসকলৰ অনুপস্থিতি সঁচাকৈয়ে দুখলগা। -----interruption---

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** এনেকুৱা হ'লে সদন adjourn কৰিব লাগিব। আজি শেষৰ দিনাও যদি এনেকুৱা পৰিস্থিতি হয়, তেন্তে এইটো এটা বেয়া message যাব। সেয়েহে সদন এবাৰৰ বাবে adjourn কৰি preceedent সৃষ্টি কৰা দৰকাৰ।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি lucky যে আপোনালোকৰ দলত অকল এগৰাকীয়ে ব্যক্তি ----interruption---

**শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী, ডেৰগাওঁ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Quorum হ'লে বিধানসভা চলি থাকে। এতিয়া corum হৈ আছে ----interruption---

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, নতুন Rule খন যেতিয়া আমি সংশোধন কৰিলো, তাত ১০ গৰাকী ব্যক্তি বা ১০ শতাংশৰ উপস্থিতিৰ কথা কোৱা হৈছে। ১০ জন থাকিলে corum হৈ থাকে----interruption---

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** এনেদৰে সদন চলাটো শোভা নাপায়। কথাটো হ'ল decorum ৰ ---interruption---

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, বৰ্তমান নিয়ম অনুসৰি 1/10th of the strength হ'ব লাগে। ১০ বা ১৩ জন সদস্য থাকিলে Quorum হৈ থাকিব --interruption---

**শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী, ডেৰগাওঁ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Quorum হৈ থকালৈকে বিধানসভা চলি থাকিব।

**মাননীয় উপাধ্যক্ষ ঃ** Quorum চলি আছে কিন্তু সদস্যৰ উপস্থিতি সেৰেঙা, সেইটো অলপ দুখজনক।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভৰালী, ডেৰগাওঁ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিত্ত মন্ত্ৰী মহোদয়াই লেখানুদান বাজেটৰ উত্থাপন কৰিছে। নতুন বিধান সভা গঠন হোৱালৈকে বা চৰকাৰখন প্ৰতিষ্ঠা হোৱালৈকে মুঠ প্ৰায় ৬২,৩০,০০০ টকাৰ লেখানুদান বিধান সভাৰ মজিয়াত উত্থাপন কৰিছে। আজি মই কোনো ধৰণৰ আৱন্টন বা তেনেধৰণৰ কথা ক'ব বিচৰা নাই। আমাৰ মহিলা বিত্ত মন্ত্ৰী গৰাকীয়ে এই ৫ টা বছৰত ৫ খন বাজেট দাখিল কৰি এক ইতিহাস সৃষ্টি কৰিছে। শেষৰখন লেখানুদান দি অসমৰ উন্নয়ণৰ যি ধাৰা সেই ধাৰা অব্যাহত ৰখাৰ এক প্ৰতিচ্ছৱি দাঙি ধৰিছে। আমি আজি সৌভাগ্যৱান যে অসমৰ নেতা তথা মাননীয় মুখ্যমন্ত্ৰী গৰাকী এগৰাকী দক্ষ মুখ্যমন্ত্ৰী। বিধান সভাত ৫ বছৰীয়া কাৰ্য্যকালত যিমানখিনি কাৰ্য্যপন্থা লোৱা হ'ল, অসমক উন্নয়ণৰ দিশত আগুৱাই নিয়াৰ ক্ষেত্ৰত যিমান পদক্ষেপ লোৱা হ'ল সেয়া তেখেতে সুন্দৰভাৱে দাঙি ধৰিলে। ইয়াৰ বাবে আমি তেখেতক আন্তৰিক ধন্যবাদ জনাইছো। আমি ক'বই লাগিব যে ৰূপান্তৰৰ খনিকৰ হিচাপে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিধান সভাৰ নেতৃত্বলৈ আমাক আগবঢ়াই লৈ গৈছে। সেই ধাৰাৰে আমি অসমখনক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত, তেখেতৰ নেতৃত্বত আমি নিশ্চিতভাৱে এক গৌৰৱময় পৰিস্থিতিৰ আশা কৰিছো আৰু আমি নিজকে ধন্যও মানিছো। কাৰণ অসমখনত আমি ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হোৱা, ব্ৰহ্মপুত্ৰৰ পানীৰ তলেৰে সুৰঙ্গ হোৱা এই কথাবোৰ সপোনত কল্পনাও কৰা নাছিলো। কিন্তু এইগৰাকী মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি অসমক পৃথিৱীৰ ভিতৰতে এক শক্তিশালী ৰাজ্য হিচাপে লৈ যাবলৈ সক্ষম হৈছো। এই দিশত আমি যথেষ্ঠখিনি আগবাঢ়ি গৈছো। এইক্ষেত্ৰত বিভিন্ন ধৰণৰ আন্তঃগাঁথনিৰ উন্নয়ণৰ লগতে বহুখিনি ধাৰা আগবাঢ়ি গৈছে। অকল আন্তঃগাঁথনি উন্নয়ণেই নহয়, সমাজৰ বিভিন্ন জনগোষ্ঠী বা জীৱনৰ প্ৰত্যেকটো স্তৰৰ লোকে যাতে সেই সুবিধাসমূহ পায়, তাৰ বাবেও কিছু আঁচনি গ্ৰহণ কৰিছে। আন্তঃগাঁথনি উন্নয়ণৰ ক্ষেত্ৰত আমি কিছু কথা ক'ব লাগিব। আমাৰ বিদ্যালয়সমূহ চৰকাৰে প্ৰতিষ্ঠা কৰিব বুলি ভৰাই নাছিলো। ৰাইজে স্কুল পাতে আৰু চৰকাৰে গ্ৰহণ কৰে। কিন্তু এতিয়া এই চৰকাৰে নিজাববীয়া প্ৰচেষ্টাৰে চৰকাৰীভাৱে প্ৰত্যেকটো সমষ্টিতে এখনকৈ হ'লেও মডেল হাইস্কুল, মডেল কলেজ নিৰ্মাণ কৰাৰ আঁচনি গ্ৰহণ কৰিছে। আমি আশা কৰো ইয়াৰ জৰিয়তে ভৱিষ্যতে উন্নত গুণ সম্পন্ন মানৱ সম্পদ সৃষ্টি নিশ্চয় হ'ব আৰু দেশখনক আগুৱাই লৈ যাব পাৰিব। মোৰ ডেৰগাওঁ সমষ্টি Police Training College আৰু নেঘেৰিটিং শিৱদৌলৰ বাবে বিখ্যাত। আজি এই Police Training College খনক লাচিত বৰফুকন পুলিচ একাডেমী নামেৰে নামাকৰণ কৰি এক আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়লৈ লৈ যোৱা হ'ল। তাত অকল অসমৰ পুলিচেই প্ৰশিক্ষণ লোৱাই নহয়, বৰ্তমান মণিপুৰ, ঝাৰখণ্ড বিভিন্ন বিষয়া পৰ্য্যায়ৰ পুলিচ আহি তাত শিক্ষা গ্ৰহণ কৰি উন্নত পুলিচ হিচাপে বা গৃহ বিভাগৰ কৰ্মচাৰী হিচাপে নিজৰ জীৱন গঢ় দিবলৈ সক্ষম হৈছে। আমি তেনেকুৱা এখন লাচিত বৰফুকন পুলিছ একাডেমি পাবলৈ সক্ষম হ'লো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, কৈয়ে গৈছে যে,

আমাৰ যিখিনি অসম গঢ়োতা, আগৰ বুৰঞ্জীৰ যিসকলে গতি দিছিল, লাচিত বৰফুকনেই হওঁক, চুকাফাদেৱে হওঁক, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে হওঁক, মাধৱদেৱে হওঁক এই আটাই সকলক আমি শ্ৰদ্ধা কৰিছিলো। কিন্তু তেওঁলোকক আমাৰ মাজত জীয়াই ৰখাৰ বা নতুন প্ৰজন্মক জানিবলৈ দিয়া কোনেও চেষ্টা কৰা নাছিল। কিন্তু এইয়া এই চৰকাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক উন্নতধৰণেৰে নতুন প্ৰজন্মই যাতে বৰদোৱা থানত সোমোৱা লগে লগে চিনি পাই এই গৰাকীয়ে আমাৰ অসমৰ গঢ়োতা ঠিক সেই একেদৰে লাচিত বৰফুন, যি গৰাকি সেনাপতিয়ে ১৭ বাৰকৈ মোগলক পৰাস্ত কৰি অসমক ৰক্ষা কৰিছিল তেওঁ দিল্লীত প্ৰতিষ্ঠাই কৰাই কথাই নহয়, দেশত কৰিছে। ঠিক এনেদৰে বুৰঞ্জীৰ লগত জড়িত আমাৰ বিশিষ্ট যিসকল অসমীয়া সমাজ গঢ়ালোক, তেখেত সকলৰো স্মৃতি বিজৰিত আঁচনি গ্ৰহণ কৰি, অসমীয়া জাতিক মহিয়ান কৰি তুলিছে। ঠিক সেইদৰে আমি বহুখিনি আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়, মেডিকেল কলেজ আটাইখিনিয়ে পাইছো য'ত ভৱিষ্যৎতে অসমখনক আগোৱাই লৈ যোৱাৰ ক্ষেত্ৰত চিকিৎসাৰ ক্ষেত্ৰত ডাক্তৰৰ অভাৱ নহ'ব। শিক্ষাৰ ক্ষেত্ৰত শিক্ষাবিদৰ অভাৱ নহব। সেই পৰিষ্টি আহক। ভৱিষ্যতে যাতে ৫০ বছৰলৈকে আমি যাতে ধুনীয়াকৈ আগবাঢ়ি যাব পাৰো তেনেধৰণৰ পৰিকল্পনাৰে এই কামবিলাক এই চৰকাৰখনে কৰিছে। মই ঠিক বেছি দীঘলীয়াকৈ ক'ব বিছৰা নাই কিন্তু এটা কথা ক'ব লাগিব যে, কোনো কালেই ভৰাই নাছিলো যে, চাহ বাগিচা মানুহখিনিক, দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে আমি সদায় ব্যৱহাৰ কৰিছিলো। ব্ৰিটিছে তেওঁলোকক ঝাৰখণ্ড, বিহাৰ, মধ্যপ্ৰদেশৰ পৰা অসমলৈ আনিছিল আৰু ইয়াত মাত্ৰ চাহ পাতৰ ব্যৱসায়ৰ লগত বা কৃষিৰ লগত জড়িত কৰি ৰাখিছিল। প্ৰয়োজন হ'লে তেওঁলোকক ৰাতিৰ ভাগত অন্য চিন্তা কৰিব নোৱাৰাকৈ ৰাখি থৈছিল। সেই ব্ৰিটিছৰ পৰাধীনতাৰ যি system, সেইটোকে আজি ৭৮ বছৰে আমিও follow কৰি আছিলো। কিন্তু এই চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰিদেৰ নেতৃত্বত, যাৰ কোনো ভূমিৰ অধিকাৰ নাছিল, তেওঁলোক আমাৰ ওচৰলৈ আহে আৰু কয় ছাৰ, মই এটা loan ল'ব খুজিছো। কিন্তু মোৰ কোনো মাটি কাগজ নাই? আমি কৈছিলো যে, NOC এখন বাগানৰ managerৰ পৰা আনক। ফলত তেওঁলোকে বহুক্ষেত্ৰত চৰকাৰী আঁচনিৰ পৰা আঁতৰি থাকিব লগা হৈছিল। তেনে এটা পৰ্য্যায়ত থকা সম্পৰ্ণ খাটি অসমীয়া হৈ যোৱাৰ এই চাহ মজদুৰ ভাই সকল দ্বিতীয় শ্ৰেণী নাগৰিক হিচাপে আমি কিন্তু, ৭৮ বছৰ ৰাখিলো। এতিয়া এই চৰকাৰত, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰিদেৰ নেতৃত্বত তেওঁলোকে ভূমিৰ অধিকাৰ পাবলৈ সক্ষম হৈছে। অহা ১৫ দিন মানৰ ভিতৰত তেওঁলোকে সেই ভূমিৰ অধিকাৰ পাব আৰু অসমৰ সচাঁ অৰ্থত অসমীয়া নাগৰিকক হিচাপে নিজৰ অধীকাৰ সাব্যস্ত কৰিব পাৰিব। এইটোৱে আটাইতকৈ ঐতিহাসিক সিদ্ধান্ত হ'ব বুলি আমি ভাৰিছো। আৰু আমি আশা কৰিলো অসমীয়া জাতিৰ এক প্ৰধান অংগ হিচাপে চাহ তৈয়াৰ কৰা বা চাহৰ লগত জড়িত এই চাহ মজদুৰ সকল অসমীয়াৰ এক প্ৰধান অংগ হিচাপে পৰিগণিত হ'ব। এই ক্ষেত্ৰত আমি এটা কথা কব লাগিব যে, বাগানৰ চাহ বাগিছাৰ আৰু বহুখিনি সমস্য আছে। তেওঁলোকে গেলাবোকাৰ ৰাস্তাত খোজ কাঢ়ে, তেওঁলোকৰ বিদ্যালয় নাই পঢ়িবলৈ। এনেকৈ দ্বিতীয় শ্ৰেণী নাগৰিক হিচাপে ৰখা হৈছিল। কিন্তু এই চৰকাৰে modern স্কুল বাগানৰ অঞ্চলত ১ কোটি টকা দি বাগনৰ ৰাস্তা নিৰ্মান কৰাত, Hospital নিৰ্মাণ কৰাত, mobile medical unit দিয়াৰ ক্ষেত্ৰত, এইলোক সকলক যিখিনি সুবিধা প্ৰদান কৰা হৈছে, আমি আশা কৰিছো, ভৱিষ্যৎতে অসমৰ এক প্ৰধান অংগ হিচাপে মূৰ দাঙি থিয় হ'ব পাৰিব। মই ভাৱো আমি ক্ষেত্ৰত নিশ্চিত ভাৱে অসমক আগুৱাই লৈ যাব পাৰিম আৰু একেলগে আমি আৰু কেইটামান কথা উনুকিয়া দিব খুজিছো সেইটো হ'ল অসম চুক্তি ১৯৮০ চনৰ পৰা ৮৫ চনলৈকে

অসম আন্দোলনত ৮৫৫ জন শ্বহীদ হ'ল। আমিও তাৰে এগৰাকী victim. আমিও জে'লৰ ভাত খালো পুলিছৰ মাৰোও খালো। কিন্তু কিছুমান কাম সময় সুবিধা বুজি কৰিব পৰা নাছিলো। কিন্তু এতিয়া এই চৰকাৰে অসম চুক্তি এক সুন্দৰ নিৰ্দশন দাঙিধৰি শ্বহীদ স্মাৰক উদ্যান তৈয়াৰ কৰি, এই ৮৫৫ জন শ্বহীদৰ স্মৃতি বিজৰিত এক উদ্যান তৈয়াৰ কৰি আমাক আচলতে অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনটো সুন্দৰভাৱে স্বীকৃতি দিয়াৰ যি ব্যৱস্থাৰ, বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনৰ ৫২ টা দফা কাৰ্য্যকৰী কৰণ কৰা যি ব্যবস্থা সেই ব্যৱস্থাই অসম চুক্তিৰ আধাৰত যিখিনি কৰিব লগা আছে সেইখিনি অতি সোনকালে শেষ হ'ব বুলি আমি আশা কৰিছো। আৰু এই অসম আন্দোলনটো ছয় বছৰীয়া অসম আন্দোলনটো যৰ্থাথ তেতিয়া হে হ'ব, নিশ্চিত ভাৱে আমি এই সম্পৰ্কত আগবাঢ়ি যাবলৈ সক্ষম হ'ম । মই আৰু বেছি দীঘলীয়া কৰিব খোজা নাই আৰু এটা কথা কব লাগিব অসমীয় সংস্কৃতিৰ লগত জড়িত সত্ৰ সমূহ বা ধৰ্মী অনুষ্ঠানৰ ক্ষেত্ৰত আগৰ চৰকাৰে কিন্তু কোনো সিদ্ধান্ত লোৱা নাছিল। কিন্তু এই চৰকাৰে অসমীয় সংস্কৃতিৰ ধ্বজাবাহী সত্ৰ সমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত সত্ৰ আয়োগ গঠন কৰি, সত্ৰ সমূহক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত অসমীয় সমাজ খনক অসমীয়া সংস্কৃতিক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই পৱিত্ৰ বিধান সভাত আইন তৈয়াৰ কৰি যেনে ধৰণে আগবঢ়াই নিছে ভূমি সংৰক্ষণ কৰাৰ যি প্ৰচেষ্টা লৈছে তাৰ বাবে আন্তৰিক শুভেচ্ছা জনাইছোঁ আৰু এই নতুন চৰকাৰ বা বিধান সভাৰ গঠন হোৱালৈকে প্ৰায় ৬২ লাখ ৩০ কোটি হাজাৰ টকাৰ যি লেখানুদান মাননীয় বিত্ত মন্ত্ৰী মহোদয়ানীয়ে ইয়াত দাঙি ধৰিছে। আমি আশা কৰিছো এই ধন ৰাশি নিশ্চিত ভাৱে এই বিধান সভাৰ মজিয়াত আমি pass কৰিব পাৰিম। আৰু আশা কৰো এই বাজেটে পৰৱৰ্তী নতুন চৰকাৰ অহা সময়ত নিশ্চিতভাৱে এক মাৰ্গ দশন পদক্ষেপ হিচাপে আগবাঢ়াই নিব পাৰিব। এইখিনি কথাৰে মই সামৰণি কৰিছো। ধন্যবাদ।

**মাননীয় অপাধ্যক্ষ** ঃ ধন্যবাদ। Next, মাননীয় সদস্য, শ্ৰী লৰেন্স ইছলাৰী।

**শ্ৰী লৰেন্স ইছলাৰী, সদস্য** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী বাইদেউৰ যি লেখানুদান অসম বাজেট ২০২৬-২৭ যি দাখিল কৰিলে তাৰ বাবে, মই ধন্যবাদ জ্ঞাপন কৰিছো, সচাঁকৈ এই যি বাজেট লেখানুদান, ইয়াত যদি আমি চাওঁ সমগ্ৰ অসমত বিভিন্ন প্ৰান্তৰ বিভিন্ন জাতি-জনগোষ্ঠীক চুইজোৱা এটা প্ৰিয় লেখানুদান বাজেট বুলি আমি ক'ব লাগিব। ইয়াৰ দ্বাৰা যি আমাৰ আশা। এই আশাবিলাক বাস্তৱ ৰূপ দিয়াৰ ইয়াত এটা প্ৰতিচ্ছবি আমি দেখিবলৈ পাইছো। মই চমুকৈ ক'ব বিচাৰিছো, যে এই চৰকাৰ খনে বিশেষ ভাৱে আমাৰ উচ্চ শিক্ষাৰ কাৰণে বিভিন্ন অনুষ্ঠান, আমি পতাটো আমি দেখিবলৈ পাইছোঁ। সেই মতে কোকৰাঝাৰ যি মহাবিদ্যালয় এই মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নতিকৰণ কৰা হ'ল। ইয়াৰ যোগেদি BTR ৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, সকলো উচ্চ শিক্ষাৰ কাৰণে এটা আকৌ সুযোগ পালে।

কোকৰাঝাৰ মহাবিদ্যালয়, এই মহাবিদ্যালয়ক বিশ্ব বিদ্যালয়লৈ উন্নীতকৰণ কৰা হ'ল। ইয়াৰ যোগেদি BTR অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষাৰ কাৰণে আকৌ এটা সুযোগ পালে। BTR অঞ্চলত ৩৫ লাখ জনসাধাৰণ। ইয়াত মাত্ৰ বড়োলেণ্ড বিশ্ববিদ্যালয় এখনেই আছিল। কিন্তু কোকৰাঝাৰৰ যি চৰকাৰী মহাবিদ্যালয়, এই চৰকাৰী মহাবিদ্যালয়ক বিশ্ব বিদ্যালয়লৈ উন্নীত কৰা আৰু তাৰ পিছত মই ভাবো যে BTR অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলে উচ্চ শিক্ষাৰ কাৰণে যথেষ্ট লাভদায়ক হব বুলি আমি আশা কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ যি BTR অঞ্চল, এই অঞ্চল ভূটান ৰাষ্ট্ৰৰ নামনিত থকা এখন অঞ্চল। ভাৰত-ভূটানৰ যি সম্পৰ্ক এই সম্পৰ্কটো এটা

মধুৰ সম্পৰ্ক। Indo-Bhutan friendship ৰ জৰিয়তে তেওঁলোকৰ লগত বিভিন্ন ধৰণৰ যোগাযোগ ৰখা হয়।Indo-Bhutan friendship ৰ যোগেদি সাংস্কৃতিক মত বিনিময় কৰা হয়। এনেকুৱা ক্ষেত্ৰত আকৌ ভাৰত-ভূটানৰ প্ৰায় ৬৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ কোকৰাঝাৰৰ পৰাগেলেমপুলৈ যোৱা যি পথ, ইয়াত ৰেলপথ নিৰ্মাণ কৰাৰ কাৰণে অনুমোদন কৰা হৈছে। ইয়াৰ যোগেদি অৰ্থনৈতিক ভাৱে আমি লাভবান হ'ম বুলি আমি আশা কৰিছো। কাৰণ ভূটানৰ গেলেপুত যি ধৰণৰ এখন mind full city নিৰ্মাণ কৰিবৰ কাৰণে যি যো-জা কৰা হৈছে, এইখিনি সময়ত বিশেষকৈ আমাৰ কোকৰাঝাৰৰ পৰা অৰ্থাৎ অসমৰ পৰা ভূটানলৈ যোৱা যি ৰেল পথ নিৰ্মাণ কৰিব বিচাৰিছে তাৰ যোগেদি দুখন ৰাষ্ট্ৰৰ মাজত বিশেষকৈ আমাৰ অসমৰ কাৰণে অৰ্থনৈতিক ভাৱে লাভৱান হ'ব বুলি আমি আশা কৰিছো আৰু ইয়াৰ কাৰণে কোকৰাঝাৰৰ পৰা গেলেমপুলৈ যি ৰেল পথ নিৰ্মাণৰ বাবে অনুমোদন যে জনালে তাৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। লগতে আমি দেখিবলৈ পাইছো যে ওডালগুৰিটো Semi Conductor প্ৰকল্পৰ পৰা ভূটান সীমান্তলৈ এটা ঘাইপথ প্ৰকল্পৰ পৰিকল্পনা কৰা হৈছে। মই ভাবো এনেকুৱা যদি আমাৰ পিছপৰা যি অঞ্চল, আমাৰ কাউঞ্চিলৰ অঞ্চলত যদি চৰকাৰে বিভিন্ন ধৰণৰ উদ্যোগ নিৰ্মাণ কৰিবৰ কাৰণে তেনেকুৱা পদক্ষেপ যদি লয় সঁচাকৈয়ে আমাৰ বহু পিছপৰি থকা আমাৰ যি BTR অঞ্চল এই অঞ্চল সমূহ অসমৰ বিভিন্ন অঞ্চলৰ লগত সমানে বিভিন্ন ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিব বুলি আমি আশা কৰিছো। কেইদিন মান আগত বাগুৰুম্বা দহোত প্ৰায় ১০ হাজাৰ গৰাকীয়ে বাগুৰুম্বা নৃত্য প্ৰদৰ্শন কৰিলে। যি নৃত্য প্ৰদৰ্শনে সমগ্ৰ বিশ্বজুৰি এটা আলোড়নৰ সৃষ্টি কৰিছে। এতিয়া যিটো কথা লৈ আলোচনা চলি আছে যে এটা সময়ত অলিম্পিকত সকলোতকৈ বেছি inauguration যিটো program যিটো চাইনাত হৈছিল। সেইসময়ত যি নৃত্য প্ৰদৰ্শন কৰা হৈছিল, এইটো অলিম্পিকৰ ইতিহাসত সকলোতকৈ ডাঙৰ, সকলোতকৈ বেছি মনোযোগী আছিল। ইয়াকো পিছ পেলাই আমাৰ বাগুৰুম্বা দহৌৰে সমগ্ৰ বিশ্বজুৰি এটা আলোড়নৰ সৃষ্টি কৰাতো আমি দেখিবলৈ পাইছো। তাৰ বাবে অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু অসম চৰকাৰক মই ধন্যবাদ জ্ঞাপন কৰিছো। বিহু, ঝুমুৰ, বাগৰুম্বা আৰু ইয়াৰ পিছত হয়তো বিভিন্ন জাতি-জনগোষ্ঠীৰ যিবিলাক নৃত্য আছে, যিবিলাক সংস্কৃতি আছে এই বিলাক অসম চৰকাৰে পৰ্য্যায়ক্ৰমে বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ যি এটা প্ৰচেষ্টা সেই প্ৰচেষ্টাটো continue কৰিব বুলি মই আশা কৰোঁ।

(Hon'ble Chairman Shri Bhabendra Nath Bharali in the Chair)

মাননীয় সভাপতি মহোদয়, আমি এই বাজেটখন যদি চাওঁ এই বাজেটত আমি দেখো যে ইয়াত পিছপৰা জাতি-জনগোষ্ঠীৰ কাৰণে এই যি বাজেট এই বাজেটে সকলোকে চুই গৈছে। অলপ আগতে মাননীয় সভাপতি ডাঙৰীয়াই কৈ গ'ল যে চাহ বাগিচাত থকা আমাৰ শ্ৰমিক ভাই সকলৰ কাৰণে এই চৰকাৰখনে মাটিৰ পট্টা দিয়াৰ যি ব্যৱস্থা এই ব্যৱস্থাটো অধিক হাৰত কৰাৰ প্ৰয়াস কৰিছে তাৰবাবেও মই ধন্যবাদ জ্ঞাপন কৰিছো। হয়, আগৰ চৰকাৰৰ দিনটো কৰিছিল কিন্তু এই ধৰণৰ কোনো ব্যৱস্থা কৰা নাছিল যিটো এই চৰকাৰে কৰি আছে। আজি চাহ বাগানত মডেল স্কুল স্থাপন কৰিছে। যাৰ ফলত চাহ বাগানত থকা আমাৰ ছাত্ৰ-ছাত্ৰী সকলে আধুনিক যি গুণগত শিক্ষা সেই শিক্ষা পাব বুলি আমি আশা কৰিছো। প্ৰত্যেকখন চাহ বাগানত একোখনকৈ মডেল স্কুল নিৰ্মাণ কৰা হৈছে। মোৰ কোকৰাঝাৰ পূব বিধান সভা সমষ্টিত দুখন চাহ বাগান আছে আৰু এই দুখন চাহ বাগানতো মই দুখন মডেল স্কুল পাবলৈ সক্ষম হৈছো। বৰ্তমান এই স্কুলবোৰৰ কাম চলি আছে। এই স্কুল দুখন সম্পূৰ্ণ হোৱাৰ পিছত ছাত্ৰ-ছাত্ৰী সকলে গুণগত শিক্ষা পাবলৈ সক্ষম

হ'ব বুলি মই আশা কৰো। লগতে এই শিক্ষাৰ যোগেদি উচ্চ মানদণ্ডৰ শিক্ষা পাবলৈ সক্ষম হ'ব। আমাৰ এই লেখানুদান বাজেটত শিল্পী সকলকো শিল্পী পেঞ্চণ দিয়াৰ যি ব্যৱস্থা গ্ৰহণ কৰিছে সেইটোও আমি ইয়াত দেখিবলৈ পাইছো। আগৰ চৰকাৰৰ দিনতো আছিল যদিও এই চৰকাৰৰ দিনত আগৰ সংখ্যাটো বঢ়াই দিয়া আমি দেখিবলৈ পাইছো। ধৰ্মীয় অনুষ্ঠান সমূহলৈও আৰ্থিক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। অসম দৰ্শণৰ যোগেদি বিভিন্ন ধৰ্মকো এই সাহাৰ্য্য দিয়া দেখিবলৈ পাইছো। মই এজন খ্ৰীষ্ট্ৰিয়ান ধৰ্মৰ লোক। কিন্তু আগৰ চৰকাৰৰ দিনত এনেকৈ অসম দৰ্শণৰ পৰা আৰ্থিক সাহাৰ্য্য পোৱা নাছিলো। কিন্তু এই চৰকাৰখনে গীৰ্জা সমূহকো এই অসম দৰ্শণৰ আওঁতালৈ আনিছে। তাৰ বাবে মই অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। মই UPPL দলৰ ফালৰ পৰা বা মই এজন বিধায়ক হিচাপে আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে যি বাজেট দাখিল কৰিলে, মই ইয়াক সম্পূৰ্ণৰূপে সমৰ্থন জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী নিহাৰ ৰঞ্জন দাস। তেখেত অনুপস্থিত। শ্ৰী পোনাকণ বৰুৱা, তেখেতও অনুপস্থিত। ডঃ অমিয় কুমাৰ ভূঞা, তেখেতও অনুপস্থিত। এতিয়া শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় সভাপতি মহোদয়, বাজেটৰ যিটো লেখানুদান মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে সদনত উপস্থাপন কৰিলে আৰু এই লেখানুদানত যোৱা পাঁচ বছৰৰ বাজেটৰ এটা সংক্ষিপ্ত সাৰাংশ উল্লেখ কৰিছে। আমি দেখা পাইছো যে অসমবাসীৰ যিমান প্ৰত্যাশা আছিল, সিমান প্ৰত্যাশা এই বাজেটখনত আমি দেখিবলৈ নাপালো। ভাল দিন অহাৰ যিটো প্ৰতিশ্ৰুতি দিছিল এই পাঁচ বছৰৰ শেষৰটো লেখানুদানত বিত্ত মন্ত্ৰী গৰাকীৰ বক্তব্যত আমি দেখা পালো যে এই বাজেটখন এখন নিৰ্ব্বাচনমুখী বাজেট আৰু হিতাধিকাৰীৰ ভোট ক্ৰয় কৰাৰ বাহিৰে বেলেগ একো পৰিকল্পনা এই বাজেটখনত আমি দেখা নাপালো। সেই কাৰণে আমি ক'বলৈ বাধ্য হৈছো যে এই বাজেটত এনেকুৱা এখন চিত্ৰ দেখা পাওঁ তেতিয়া আমি হতাশ হওঁ। যিটো কবিৰ ভাষাত ক'বলৈ গ'লে-

অপনে হাকিম চে ফকিৰি পৰ তৰছ আতি হে, জো গৰীবো চে পচিনো কি কমাই মাংগতে হে
জো গৰীবো চে পচিনো কি কমাই মাংগতে হে, উজলে দিনো চে টো বহুত অচ্ছে থে কালে ৰাতে,
এইচি আজাদী কি হৰ চক্স ৰিহাই মাংগে।

মানে এনেকুৱা উজ্জল দিনতকৈ, ভাল দিনতকৈ সেই ক'লা ৰাতিটোৱে ভাল আছিল। এনেকুৱা অনুভৱ হৈছে। মাননীয় সভপতি মহোদয়, এই বাজেটত যদি আপুনি চাই যিখিনি চৰকাৰৰ গুণগান বিগত পাঁচ বছৰত গোৱা হৈছে, আজি অৰুণোদয় আঁচনি দিয়া হৈছে আমি ভাল পাইছো। মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে মহিলা সকলক কিছু সকাহ দিয়া হৈছে আমি ভাল পাইছো। কিন্তু তাৰ সমান্তৰালকৈ মূল্য বৃদ্ধি নঘটালে ভাল আছিল। অৰুণোদয় ১২৫০ টা পৰিয়ালক দিয়া হৈছে আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ যিটো মূল্য বৃদ্ধি ঘটোৱা হৈছে সেইটো ঘটাই এটা নিম্ন মধ্যবিত্ত পৰিয়ালৰ তেওঁলোকৰ আগৰ মাহেকীয়া খৰছ কেইমাহ মান আগতে যিমান টকাত তেওঁলোকৰ বছৰৰ খৰছ চলি গৈছিল। কিন্তু এই একেই খিনি বজাৰ-সমাৰ কৰাৰ বাবে ৬-৭ হাজাৰ অতিৰিক্তভাৱে ভৰিব লগীয়া হৈছে। বজাৰ সমাৰ কৰাৰ ক্ষেত্ৰত। অৰ্থাৎ তেওঁলোকে মাহত পায় আছে ১২৫০ টকা আৰু বছৰত তেওঁলোকে মূল্যবৃদ্ধিৰ বাবে অতিৰিক্ত ভাৱে ৬/৭ হেজাৰ টকা ভৰিব লগীয়া হৈছে। অৰ্থাৎ কাৰৈ মাছৰ তেলেৰে কাৰৈ মাছ ভজাৰ নিচিনা কথা হৈছে। আজি যদি ২লাখ কোটি টকাৰ ঋণ লৈ মহিলা উদ্যমিতা আদি বিভিন্ন আঁচনিৰ নামেৰে হিতাধিকাৰী দি ভোট ক্ৰয় কৰাৰ

যিটো ব্যৱস্থা লোৱা হৈছে ই অতি ভয়ংকৰ। কাইলৈ যদি আমাৰ মুখ্যমন্ত্ৰী নাইবা বিত্ত মন্ত্ৰী নাথাকে তেতিয়া হলে এই ধাৰটো ব্যক্তিগত ভাৱে তেওঁলোকৰ ওপৰত নপৰিব। কিন্তু অসমৰ ৩.৫০ কোটি মানুহৰ ওপৰত পৰিব। বিশেষ কৈ যি সকলৰ বাবে ঋণ লৈ এই আঁচনি বিলাক দি আছে তেওঁলোকৰ ওপৰত এই ধাৰৰ বোজা পৰিব। গতিকে এই কথাবিলাক অসম বাসীয়ে বুজি পোৱাটো উচিত। আজি অসমৰ বাস্তৱ ছবি খন যদি চোৱা যায় তেতিয়া দেখা যাব যে আজি NHM ৰ কৰ্মচাৰী সকলৰ আজি অনিস্বিত্ব ভৱিষ্যতক লৈ হাহাকাৰ, ১০৮ ৰ কৰ্মচাৰী সকলে আমাক লগ পালে কান্দে। ইয়াৰোপৰি গাওঁপ্ৰধান সকলৰ বিভিন্ন সমস্যা কিন্তু চৰকাৰে আৰ্থিক অৱস্থাৰ দোহাই দি তেওঁলোকৰ সমস্যা সমাধানৰ বাবে একো নকৰিলে, অংগনবাদী কৰ্মীসকলে ইয়াত বিভিন্ন দিন আন্দোলন কৰাৰ পিছত কনা হাঁহক পতান দিয়াৰ নিচিনাকৈ সামান্য সকাহ দিছে। আশা কৰ্মী সকলে বিভিন্ন সময়ত আন্দোলন কৰাৰ লগতে মধ্যহ ভোজনৰ কৰ্মী সকলে বিভিন্ন সময়ত আন্দোলন কৰি আছে যদিও তেওঁলোকৰ দাবি চৰকাৰে মানি লোৱা নাই। ইয়াৰোপৰি জীৱিকা সখি, পশু সখি সকলেও বিভিন্ন সময়ত তেওঁলোকে দাবী উত্থাপন কৰিছে যদিও চৰকাৰে আৰ্থিক দোহাই দি একো নকৰিলে ।

**শ্ৰী ভৱেন্দ্ৰ নাথ ভৰালী, সভাপতি** ঃ আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), বিধায়ক** ঃ মোৰ পিছৰ বক্তা জন নাই।

**শ্ৰী ভৱেন্দ্ৰ নাথ ভৰালী, সভাপতি** ঃ আপোনাৰ আগৰ দুজনে ১০ মিনিট আৰু ১৩ মিনিট কৈছে আপুনি মাত্ৰ ৭ মিনিট পাব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ,ধিং)য** ঃ ঠিক আছে সভাপতি মহোদয়। আমাৰ এৰাবাৰীৰ পৰা চিঙিয়ালৈ যোৱ ৰাস্তাটোত একাঠু পানী থাকে যদিও সেইটো পকা ৰাস্তা। জুৰিয়া বজাৰৰ যি লেতেৰা পৰিবেশ তাত একো চাফ-চিকুনৰ ব্যৱস্থা নাই তাত কোনো নলাৰ ব্যৱস্থা নাই। তিনিচুকীয়াৰ কেচুবাৰীলৈ যোৱা ৰাস্তাত যি এখন কাঠৰ দলং আছে সেই দলঙেৰে গাড়ী পাৰ কৰিব নোৱাৰি। হাকীপাৰাত এখন কাঠৰ দলং আছে তাতো গাড়ী পাৰ কৰিব নোৱাৰী। ইয়াৰোপৰি মাগুৰি পৰা কলংজুলিলৈ যোৱা ৰাস্তাত যি দলং আছে সি বিধস্ত হৈ আছে এইবিলাকত গাড়ী পাৰ কৰিব নোৱাৰি। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত যিবোৰ অঞ্চল নতুন সমষ্টিত পৰিল মোৰ সমষ্টিৰে বৰঙীমাৰী, দগাইদিন গাওঁ ইত্যাদি আগতে ধিং সমষ্টিত আছিল, এতিয়া ৰূপহীহাট সমষ্টিত পৰিছে। ইয়াত বালুচৰ বজাৰলৈ যোৱা ৰাস্তা এটাৰ ক্ষেত্ৰত মই তিনিবাৰ চৰকাৰৰ আবেদন কৰাৰ পিছটো ইয়াত কোনো কাম নকৰিলে।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাট** ঃ সভাপতি ডাঙৰীয়া এইটো SOPD ত পৰে। তেখেতে মিছা কথা কৈ আছে।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ সভাপতি মহোদয়, এখেতৰ ওপৰত ব্যৱস্থা লব লাগিব।

**(হুলস্থুল)**

**শ্ৰী ভৱেন্দ্ৰ নাথ ভৰালী, সভাপতি** ঃ হুদা ডাঙৰীয়া আপুনি বহক। আজি অধিবেশনৰ শেষৰ দিনা এনেকৈ গণ্ডগোল নকৰিব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ মই কৈ আছো এই আঁচনিটোত মই যোৱা তিনিবছৰ ধৰি প্ৰস্তাৱ দি আছো যে বালুচৰৰ পৰা ৰাস্তাটো হ'ব লাগে কিন্তু এতিয়া ৰাস্তাটো ৰূপহীহাতত পৰাৰ বাবে তাৰ বিধায়কে এইটো কৰিব নিদিয়ে। এইটো ৰাস্তা মোৰ ধিং সমষ্টিতে আছিল আৰু ইয়াৰ মানুহে ভোট দিছিল কিন্তু সমষ্টি পুনৰ গঠনৰ পিছত মুখ্যমন্ত্ৰীয়ে কৈছে এইটো নহব। এই ক্ষেত্ৰত মই

আজিৰ পৰা দুবছৰৰ আগতে মুখ্যমন্ত্ৰীক মই লগ কৰিছিলো আনকি বটদ্ৰৱা বিধায়ীকা শ্ৰীমতী শিৰামনি বৰাকো মই কলো যে আপুনি আহক আৰু আপুনি মুখ্যমন্ত্ৰীক কওঁক যে পুৰণি যিখিনি সমষ্টি আছিল সেইখিনিত আমি দিয়া প্ৰস্তাৱ মতে যাতে কাম হয়। আমি যি পইচা দিওঁ ইঞ্জিনিয়াৰে কয় যে আপুনি পইচাটো ধৰিছে ধিং সমষ্টিৰ ঠাইত কিন্তু সেইটো এতিয়া ৰূপহী হাতত পৰি গল গতিকে পইচাটো ৰূপহীৰ ফান্দৰ পৰা আহিব লাগিব। ইয়াৰ পিছত মই মুখ্যমন্ত্ৰীক বিশেষ ভাৱে লগ কৰিলো। যিহেতু এইটো ৰূপহীত পৰা বুলি নহয়।

**শ্ৰী নুৰুল হুদা, ৰূপহীহাটঃ** সভাপতি মহোদয়, বছৰ বছৰ ধৰি কিয়। (হুলস্থুল)

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ, ধিং)** ঃ তাৰ মানে আপুনি বিজেপিৰ সমৰ্থক।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, সভাপতি** ঃ আপোনাৰ সময় শেষ হৈছে বহক।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ সভাপতি মহোদয় মোক কবলৈ দিয়ক গড়াখহনীয়া গ্ৰস্থ ভুৰবান্ধা, বৰগুৰি আদি ঠাইত স্থায়ীভাৱে procetion ৰ ব্যৱস্থা লোৱা নাই এই কথাটো মই ইয়াত উল্লেখ কৰিলো। চৰচাপৰিত যিবোৰ স্কুল উচ্চেদ কৰা হল যেনে আইমাৰি, দুলিপাৰা, ইত্যাদি বোৰ ক্ষেত্ৰত আজি মোৰ ১০১ নং প্ৰশ্নৰ উত্তৰত চৰকাৰে দিছে সেই স্কুল ঘৰবোৰ বনাওতে ৬৮.৯০ কোটি টকা খৰছ কৰা হৈছিল। তাত কোনো বনাঞ্চল নাছিল যাৰ বাবে স্কুলবোৰ বনোৱা হৈছিল আৰু এতিয়া স্কুলবোৰ উচ্ছেদ কৰা হ'ল। গতিকে এই গোটেই কথাবোৰ আমি চৰকাৰক কৈছো যে সেই চৰ চাপৰি অঞ্চলৰ লৰা ছোৱালী আজি স্কুল বিহীন হৈ গল আৰু তেওঁলোকক যাতে শিক্ষাৰ অধিকাৰটো দিয়ে অতি কমেও প্ৰাথমিক শিক্ষাৰ ব্যৱস্থাটো কৰে। গতিকে আজিৰ এই লেখানুদান বাজেট খনক এক ৰংচঙীয়া বাজেট বুলি উল্লেখ কৰি মই সামৰিলো।

**সভাপতি** ঃ এতিয়া মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, সোণাৰী** ঃ মাননীয় সভাপতি ডাঙৰীয়া আজি এই পবিত্ৰ সদনত ২০২৬-২৭ বৰ্ষৰ (লেখানুদান) বাজেট মাননীয়া বিত্ত মন্ত্ৰী শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানিয়ে দাখিল কৰিলে, তাৰ কাৰণে প্ৰথমে তেখেতক ধন্যবাদ জনাইছোঁ। লগতে আমাৰ ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰিয়াক বিশেষভাৱে ধন্যবাদ দিব লাগিব। আজি এই বাজেট কেৱল আয়-ব্যয়ৰ এক সাধাৰণ দলিল নহয়, ই হৈছে নতুন আত্মবিশ্বাসেৰে আগবাঢ়ি যোৱা আত্মনিৰ্ভৰ আৰু শক্তিশালী অসমৰ এক সুস্পষ্ট ৰূপৰেখা।

মাননীয় সভাপতি মহোদয়, এই বাজেটত স্পষ্টকৈ কৈছে যে অসম আজি জনমুখী আৰু উন্নয়নমুখী অৰ্থনীতিৰ পথত দ্ৰুত গতিত আগবাঢ়িছে। ৰাজ্যৰ জনমুৰি আয় উল্লেখযোগ্যভাৱে বৃদ্ধি পাই ১,৮৫,৪২৯ টকালৈ উন্নিত হৈছে। এই বৃদ্ধি কেৱল এটা পৰিসংখ্যা নহয়, ই হৈছে সাধাৰণ মানুহৰ উপাৰ্জন ক্ষমতা বৃদ্ধি, জীৱন যাপনৰ মান উন্নত হোৱা আৰু আৰ্থিক সুৰক্ষা শক্তিশালী হোৱাৰ প্ৰতিফলন।

এই বাজেট অৰ্থনৈতিক শৃংখলাবদ্ধতা আৰু দক্ষতা এই চৰকাৰৰ এই বিশেষ পৰিচয় হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। ২০১৫-১৬ চনত বাজেট ব্যৱহাৰ আছিল মাত্ৰ ৫৮ শতাংশ, আজি সেয়া বৃদ্ধি পাই ৮৫ শতাংশলৈ গৈছে। ইয়াৰ অৰ্থ হৈছে - ধন মাত্ৰ অনুমোদিত নহয়, সঠিকভাৱে ব্যয় হৈছে, প্ৰকল্পসমূহ কাগজতে সীমাবদ্ধ নাথাকি বাস্তৱত ৰূপায়ণ হৈছে।

অসম আজি ভাৰতবৰ্ষৰ ভিতৰত তৃতীয় দ্ৰুততম বিকাশশীল ৰাজ্য হিচাপে আত্মপ্ৰকাশ কৰিছে। ২০১৯-২০ বৰ্ষৰ পৰা ২০১৪-২৫ বৰ্ষলৈ ৰাজ্যৰ মুঠ জি এছ ডি পি ৮৫ শতাংশ বৃদ্ধি পাইছে। এই উন্নয়ন কেৱল পৰিসংখ্যাৰ সফলতা নহয়, ই পথ-ঘাট, দলং, চিকিৎসালয়, শিক্ষানুষ্ঠান,

উদ্যোগ আৰু তথ্যপ্ৰযুক্তি ক্ষেত্ৰত বাস্তৱ ৰূপে প্ৰতিফলিত হৈছে।

মাননীয় সভাপতি মহোদয়, মূলধনী ব্যয় ২০১৫-১৬ চনৰ ২,৯৫১ কোটি টকাৰ পৰা বৃদ্ধি পাই ২০২৪-২৫ বৰ্ষত ২৬,৪০৯ কোটি টকালৈ উপনীত হৈছে। এই বৃদ্ধি দেখুৱাইছে যে চৰকাৰে ভৱিষ্যৎমুখী চিন্তাৰে স্থায়ী সম্পদ সৃষ্টি কৰাত গুৰুত্ব আৰোপ কৰিছে। উৎপাদনশীল ব্যয়তো ৭৯.৫ শতাংশ বৃদ্ধি লক্ষ্য কৰা গৈছে। অৰ্থাৎ চৰকাৰৰ ব্যয় এতিয়া এনে খণ্ডত উপনীত হৈছে যে ৰাজ্যৰ উৎপাদনশীলতা আৰু আয় বৃদ্ধিত সহায় কৰিছে।

কেন্দ্ৰীয় অংশীদাৰিত্ব তথা central Devolution তো ৩.২৮ শতাংশ বৃদ্ধি হৈছে। এইটো অসমৰ উন্নত অৰ্থনৈতিক পৰিচালনা আৰু উন্নয়নৰ বাবে ৰাষ্ট্ৰীয় পৰ্য্যায়ত স্বীকৃতি লাভ কৰাৰ স্পষ্ট প্ৰমান।

আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত এই চৰকাৰৰ সংকল্প বিশেষভাৱে প্ৰশংসনীয়। ৭৬৭ কিলোমিটাৰ পথ আৰু ৩৫৬ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ হৈছে। বিভিন্ন আঁচনিসমূহৰ অধীনত হাজাৰ হাজাৰ কিলোমিটাৰ পথ সম্পূৰ্ণ কৰা হৈছে আৰু বহু পথ নিৰ্মাণৰ অৱস্থাত আছে। ব্ৰহ্মপুত্ৰৰ ওপৰত ৮ খন দলং সম্পূৰ্ণ হৈছে আৰু আন কেইবাখন নিৰ্মাণ হৈ আছে। এইবোৰ কেৱল যোগাযোগ ব্যৱস্থা উন্নত কৰা নাই, বাণিজ্য, পৰ্যটন আৰু বিনিয়োগৰ পথো মুকলি কৰিছে।

শিক্ষা আৰু স্বাস্থ্য খণ্ডতো উল্লেখযোগ্য গুৰুত্ব দিয়া হৈছে। নতুন মহাবিদ্যালয় স্থাপন, বিদ্যমান শিক্ষানুষ্ঠানসমূহৰ শক্তিশালীকৰণ আৰু বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰকল্প ৰূপায়ণে অসমৰ যুৱ সমাজক অধিক সুযোগ প্ৰদান কৰিছে।

আমাৰ ঐতিহ্য সংৰক্ষণ কাৰ্য্যসূচীৰ অধীনত অসম দৰ্শন আঁচনিৰ জৰিয়তে ১,১৩২.৯৩ কোটি টকা মুকলি কৰা হৈছে। ইয়াৰ ফলত ৫৪,৭২৫ ধৰ্মীয় অনুষ্ঠান আৰু ঐতিহাসিক স্থান উপকৃত হৈছে। ই আমাৰ সংস্কৃতি, আধ্যাত্মিকতা আৰু পৰ্যটন খণ্ডৰ এক নতুন দিগন্ত মুকলি কৰিছে।

মাননীয় সভাপতি মহোদয়, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে ৫ লাখতকৈ অধিক যুৱক-যুৱতীক সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে। এই বাজেটে উদ্যোগ সৃষ্টি, স্ব-নিয়োগ আৰু ক্ষুদ্ৰ-উদ্যোগ বিকাশত বিশেষ গুৰুত্ব আৰোপ কৰিছে। যুৱ সমাজক সৱলীকৰণ কৰি নিয়োগ সৃষ্টিৰ এক সুদৃঢ় ভিত্তি স্থাপন কৰা হৈছে।

এই লেখানুদানৰ জৰিয়তে ২০১৬-২৭ বৰ্ষৰ প্ৰাৰম্ভিক বিত্তীয় সময়ৰ বাবে ৬২,২৯৪.৭৮ কোটি টকা অনুমোদনৰ ব্যৱস্থা কৰা হৈছে। ই চৰকাৰৰ দায়িত্বশীলতা, স্বচ্ছতা আৰু সুসংগঠিত অৰ্থনৈতিক পৰিচালনাৰ স্পষ্ট প্ৰমাণ।

এই বাজেটৰ মাধ্যমে স্পষ্ট হৈছে যে চৰকাৰৰ লক্ষ্য কেৱল বৰ্তমান নহয়, ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক শক্তিশালী, উন্নত আৰু সমৃদ্ধ অসম গঢ়ি তোলা।

মাননীয় সভাপতি মহোদয়, এই বাজেট উন্নয়নৰ বাজেট, যুৱশক্তিৰ বাজেট, আন্তঃগাঁথনিৰ বাজেট, সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণৰ বাজেট। ই আত্মবিশ্বাসী অসমৰ এক শক্তিশালী ঘোষণা। সেয়েহে মই অসম বাজেট ২০২৬-২৭ ৰ দৃঢ় সমৰ্থন জনাইছোঁ আৰু সকলো মাননীয় সদস্যক দল-মত নিৰ্বিশেষে অসমৰ উন্নয়নৰ স্বাৰ্থত এই বাজেট সমৰ্থন কৰিবলৈ আহ্বান জনাইছোঁ। উন্নয়নৰ অনিৰুদ্ধ গতিৰ বাবে আমাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিলো।

লগতে ২০২৬-২৭ (লেখানুদান) বাজেট এই পবিত্ৰ সদনত পাঠ কৰাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে বিত্তমন্ত্ৰী গৰাকীকো মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। ধন্যবাদ।

**माননীয় সভাপতি** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদার (কাটিগড়া) :** মাননীয় সভাপতি মহোদয়, আজ বাজেটের উপর আলোচনায় সুযোগ দেওয়ার জন্য আপনাকে ধন্যবাদ জানাচ্ছি। আমাদের বরাক ভেলিতে Barak Developement Board বলে একটা বোর্ড গঠন করা হয়েছে, সেখানে বরাকের উন্নয়ন মন্ত্রীও আছেন। কিন্তু বিগত এক বছর যাবৎ বিভিন্ন scheme এর জন্য আমাদের বরাক উন্নয়ন মন্ত্রীর কাছে আবেদন জানানো হয়েছে। কিন্তু বাজেটে আমাদের বরাক ভেলির উন্নয়নের জন্য সেরকম কিছু বলা হয়নি। কংগ্রেসের সরকার ৭০ বছর ছিল কিন্তু আজ বিজেপি প্রায় ১০ বছর হয়েছে । মেডিকেল কলেজ, আই টি আই এসব কংগ্রেস সরকারের আমলে হয়েছে। মেডিকেল কলেজে এম.আর.আই সেটাও কংগ্রেসের দিনেই হয়েছে। আমাদের বরাক ভেলি বন্যাক্রান্ত এলাকা প্রায় প্রতি বছরই বরাক ভেলিতে বন্যা হয়। বন্যার জন্য মানুষের বিভিন্ন অসুবিধা হয় কিন্তু সেই বন্যার জন্য কোন বিশেষ fund দেওয়া হয় না। বন্যার সময় বিভিন্ন স্কুল কলেজে বন্যার জল ঢুকে স্কুল-কলেজ damage হয়ে যায় আর সেগুলি মেরামতের জন্য বিশেষ কোন fund এর ব্যবস্থা নেই। আমাদের বরাক ভেলিতে উন্নয়নের ক্ষেত্রে বিরোধী বিধায়কদের কোন গুরুত্ব নেই। বিজেপি সবসময় বলে থাকে 'সবকা সাথ সবকা বিকাশ।' কিন্তু আজ সরকারের অরুণোদয়ের ক্ষেত্রে দেখা যায় যে আসল সুবিধাভোগীরা কোন সুবিধা পাচ্ছে না। এই ধরণের বিভিন্ন সমস্যা আছে। 'বিজেপির বেটি বাচাঁও বেটি পড়াও' এই ধরণের স্লোগান আছে কিন্তু কার্যক্ষেত্রে এই স্লোগানগুলো কার্যকরী হলে ভালো লাগবে। আমাদের বরাক ভেলিতে তিনটা জিলা আছে সেই জিলাগুলোতে অনেক কাজ অসমাপ্ত হয়ে আছে আমার অনুরোধ থাকবে সরকারের কাছে সেই কাজগুলো যাতে সমাপ্ত করা হয়। মাননীয় মুখ্যমন্ত্রী Barak Developement Board নামে একটা বোর্ড বানিয়ে দিয়েছেন কিন্তু প্রত্যেকটা সমষ্টিতে যদি সমানভাবে কাজ করা হত তাহলে বরাকের অনেক উন্নতি হত। কিন্তু দেখা যায় যে কয়েকটি সমষ্টিতে অনেক কাজ হয় আর কয়েকটিতে একদম হয় না। আমার সমষ্টি International Border এর সঙ্গে যুক্ত, আর এই সমষ্টিতে রাস্তা-ঘাটের অনেক সমস্যা আছে । কিন্তু সরকার উন্নয়নের জন্য কোন চেষ্টা করছেন না। এইজন্য এই বাজেটের আলোচনায় বরাক ভেলির উপর গুরুত্ব দেওয়ার জন্য আমার অনুরোধ রইলো। নমস্কার।

**সভাপতি, (শ্ৰীভবেন্দ্ৰ নাথ ভৰালী)** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য গণেশ কুমাৰ লিম্বু, তেখেত অনুপস্থিত। তাৰ পিছত দিগন্ত বৰ্মন, আপোনাৰ সময় ৬ মিনিট।

**শ্ৰীদিগন্ত বৰ্মন, বৰক্ষেত্ৰী** ঃ মাননীয় সভাপতি মহোদয়, আজি অসম বিধান সভাৰ অৰ্থাৎ 15th Assam Assembly ৰ আজি অন্তিমটো দিন। এই অন্তিম দিনত দুআষাৰ ক'ব দিয়া কাৰণে আপোনাক ধন্যবাদ জনাইছো। বিশেষকৈ এই বিধান সভাত অৰ্থাৎ যেতিয়াৰ পৰা অসম province হৈছিল ১৯৩৭ৰ তাত বসন্ত দাস অধ্যক্ষ আছিল, তাৰ পৰা স্বাধীনতাৰ পিছত ১৯৫২ চনৰ পৰা এতিয়ালৈ আমাৰ বিশ্বজিৎ দৈমাৰী ডাঙৰীয়ালৈ যি ১৮ গৰাকী অধ্যক্ষ হৈছে সেই ১৮ গৰাকী অধ্যক্ষৰ ভিতৰত মই অলপ ভাগ্যবান বুলি কৈছো নিজকে, কিয়নো বৰক্ষেত্ৰী সমষ্টিৰে দুজন অধ্যক্ষ ইয়াত হৈছিল। এজন আমাৰ প্ৰয়াত শ্ৰীচান্দমহম্মদ ডাঙৰীয়া আৰু এজন পুলকেশ বৰুৱা ডাঙৰীয়া। গতিকে মই নিজে অলপ গৌৰৱান্বিত অনুভৱ কৰো কাৰণ মই সেই সমষ্টিত প্ৰতিনিধিত্ব কৰিছোঁ। মাননীয় আমাৰ অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে যিটো লেখানুদান অসম বাজেট দিলে সেইখন মই পঢ়িলো। কথাখিনি তেখেতে ঠিকেই কৈছে এই হৈছে লেখানুদান, গোটেইখিনি কব নোৱাৰে। প্ৰধান বাজেটখন পিছত হ'ব। তাৰ ১০ নং পৃষ্ঠাত যিটো কথা কলে যে সংকল্পৰ পৰা সিদ্ধিলৈ, মই

খুৱ ভাল পাইছো, সংকল্পখিনি, কিন্তু সিদ্ধি নহ'লগৈ। মই সকলো কব নোৱাৰিম, যিহেতু মোৰ সময় কম। মই ২ মিনিট বঢ়াই লৈ ক'ম। মোৰ সমষ্টিত যিটো অৰুণোদয় আঁচনিৰ কথা কৈছিল যে ১৯ লাখ পৰিয়াল সামৰিছে ২০২১ চনত, এতিয়া ৪০ লাখ হৈছে। এতিয়াও প্ৰায় ৩০/৪০ শতাংশ অৰুণোদয় পোৱা যোগ্যতা থকা মহিলা ৰৈ গৈছে। এখন সমিতি কৰি দিছিল, মই বিৰোধী বিধায়ক হিচাপে মাত্ৰ এজন মোৰ সদস্য আছিল, ৰুলিংৰ আছে ৩ জন, গতিকে মই বহুতখিনি ক'ব নোৱাৰিম। গতিকে এই ক্ষেত্ৰত বহুত মহিলা ৰৈ গৈছে, এই অৰুণোদয়খিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে। উদ্যমিতা আঁচনিৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিছুদিন আগতে চেক বিলাই আহিছে তাত। তাতে মই দেখিলো যে যিখিনি লিষ্টত আনকি ময়ো চহী কৰিছিলো তাত, যিবিলাকত চহী কৰিছিলো সেইবিলাকে নাপালে, তাৰ ২০/৩০ শতাংশ লিডাৰ হিচাপে মোক মানুহে খং কৰে মই নাপালো, মই নাপালো বুলি, সেই উদ্যমিতাৰ যিখিনি মানুহ ৰৈ গৈছে, সচাঁকৈ তেওঁলোকে প্ৰশিক্ষণ দিছে ডি পি এম য়ে দিছে সেইখিনি পোৱাৰ ব্যৱস্থা কৰিব লাগে। চাকৰিৰ ক্ষেত্ৰত মই আজি কিছুদিন আগতে ডি আৰ এচ চি ৰ এখন মিটিঙত গৈছিলো ডিব্ৰুগড়ত, মই ভাল পাইছো এক লাখ ৫৮ হাজাৰ পদত নিযুক্তি দিয়া বুলি কৈছে মাননীয় মুখ্যমন্ত্ৰীয়ে, মহোদয়ে অলপ আগতেও কৈছে যে ডিব্ৰুগড়ত যিটো জিলা পৰিষদ, ডিব্ৰুগড়ৰ যিটো পি এণ্ড আৰ ডি বিভাগ আছে আমাৰ পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন তাত stand total 94, তাত যেতিয়া আমি মিটিঙত আছিলো তেতিয়া মাত্ৰ ২৪ জনহে আছে। বাকী সকলো পদ খালী হৈ আছে। সেইটো অলপ দিয়াৰ ব্যৱস্থা কৰিব লাগে কাৰণ আমি গলে সকলোৱে কথাখিনি কয়। অলপ দিন আগতে এটা ডাঙৰ কথা হৈছে যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ কেইটামান ভাল আঁচনি আছে সেইটো মই কেতিয়াও স্বীকাৰ কৰিব লাগিব, বিশেষকৈ মুখ্যমন্ত্ৰীৰ মথাউৰি পকীকৰণ আঁচনি, কাৰণ মুখ্যমন্ত্ৰী মহোদয়ে অলপ আগতে তেখেতে ভাষণত কৈ গৈছে মই বাহিৰৰ পৰা শুনি আছিলো, যিটো ভাল কাম সেইটোক ভাল বুলি কবই লাগিব, কিন্তু মই বাৰে বাৰে আগতে কৈছিলো যে মোৰ ৬ কি.মিটাৰ মথাউৰি ৰৈ গৈছে। আমাৰ পাগলাদিয়া নদীৰ অন্তিম যিখিনি বিজুলী ঘাটৰ পৰা আদাবাৰীলৈ দুটা পাৰ্ট, সেই দুটা পাৰ্ট পকী কৰিলে ৬ কি.মিটাৰকৈ ১২ কি.মিটাৰ যদি মোক পকী কৰি দিয়া হয় গোটেই যিটো ভূটানৰ পৰা পাগলাদিয়া নদী নামি আহিছে, সেইখিনি শেষ হৈ যায়। মই বাইদেউক এই কথাখিনি কৈছো কিন্তু সংকল্পৰ পৰা সিদ্ধি, এতিয়া সিদ্ধি তেতিয়াই হ'ব এইখিনি যেতিয়া কাৰ্যকৰী হ'ব, ৰূপায়ণ হ'ব। তাৰোপৰি বিৰোধী বিধায়ক হিচাপে মই বৰক্ষেত্ৰী সমষ্টিৰ পৰা প্ৰথম বিধায়ক। এতিয়ালৈকে যিমান বিধায়ক হৈছে সকলো চৰকাৰী পক্ষৰ বিধায়ক হৈছিল। প্ৰথম বাৰ মই বৰক্ষেত্ৰী ৰাইজৰ অভিজ্ঞতা যেন বিৰোধীৰ বিধায়ক পাইছে। এই ক্ষেত্ৰত বহুত বাধা, আপুনি জানেই যে চৰকাৰে আঁচনিৰ ক্ষেত্ৰত আমাৰ খলিল উদ্দিন মজুমদাৰে অলপ আগতে কৈ গৈছে যে নিৰ্বাচিত প্ৰতিনিধি হিচাপে মই আধাৰশিলা প্ৰায় কৰা নহয় বিধায়ক পুঁজিৰ বাহিৰে। সেই খিনি কৰে যাক মই পৰাজিত কৰিছো তেখেতে আধাৰশিলা কৰে। যোৱাকালিও ১২ টা মান ৰাস্তা পি দব্লিউ ডি ত মই কৰাইছিলো, কিন্তু আধাৰশিলাত তেখেতে কৰে, এই ক্ষেত্ৰত চৰকাৰক দোষ দিয়া নাই, বিষয়া সকলে হয়তো কৰাইছে, আধাৰশিলা স্থাপন কৰিছে। মই বেয়া পোৱা নাই, ঠিক আছে ৰাইজৰ কামটো হওঁক। কিন্তু কথাটো হ'ল যে যিখিনি আঁচনি সচাঁকৈ পাব লাগে সেইখিনি পালে আমি ভাল পাম। গতিকে এই ক্ষেত্ৰত মই বাৰম্বাৰ কৈ আছিলো যে মোৰ বৰক্ষেত্ৰী সমষ্টিত এখন কলেজ আছিল শ্বহীদ মুকুন্দ মহাবিদ্যালয়, মাননীয় মন্ত্ৰী মহোদয়কো মই ব্যক্তিগত ভাৱেও কৈছো। তেখেতে থকা বুলি কৈছিল। হয়তো তেওঁৰ লগত আছে। এতিয়া শেষ হ'ব আজি ১০ দিন মান হয়তো বা ১৫ দিন সময় আছে যে এই

প্ৰাদেশীকিকৰণ ঘোষণাটো কৰি দিব লাগে যে প্ৰাদেশীকৰণ যিকেইখন হয় একে কৰিলে মানুহে ভাল পাব। আপোনালোকৰ চৰকাৰকো ভাল পাব। গতিকে এই কলেজ খন বামোনবড়ীত সেইখন আপুনি অতিশিঘ্ৰে প্ৰাদেশীকিকৰণৰ ব্যৱস্থা কৰি দিলে মই খুব ভাল পাম। যিখিনি হৈ গৈছে অৰশ্যে পৰ্টেল এটা খোলা বুলি কৈছে মই ভাল পাইছো মাননীয় মন্ত্ৰী মহোদয়ে খুব যথেষ্টখিনি কাম কৰি আছে। এই এটা সমস্যাৰ সমধান কৰিব লাগে। তাৰোপৰি মই এটা মোৰ নলবাৰী জিলাৰ ডাঙৰ কথা এটা কৈছো আপুনি জানে। নলবাৰীত যিখন মেডিকেল কলেজ আছিল সেই মেডিকেল কলেজখন শ্বহীদ মুকুন্দ কাকতিক অসামৰিক চিকিৎসালয় আগতে আছিল নলবাৰী, সেইটো এতিয়া নলবাৰী মেডিকেল কলেজ হ'ল। চিকিৎসালয় খন তাত আছে কিন্তু অসামৰিক হাস্পতাল হি চাপে নাই। সেইবাবে মই আজি পবিত্ৰ বিধান সভাত আহ্বান জনাইছো অলপ আগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে মই শুনি আছো কনকলতাৰ নামত বিশ্ববিদ্যালয় দিছে। আমি খুব ভাল পাইছো কিন্তু কনলকলতাৰ দুই নম্বৰটোৱে আহিল শ্বহীদ মুকুন্দ কাকতি মোৰ সমষ্টিৰ বৰভাগৰ সন্তান আছিল। গতিকে নলবাৰী মেডিকেল কলেজ খন শ্বহীদ মুকুন্দ কাকতিৰ নামত উচৰ্গা কৰিব লাগে। সেইটো এটা মোৰ আহ্বান চৰকাৰৰ প্ৰতি, এইটো অতি শীঘ্ৰে কৰিব লাগে। আৰু শেষত এটা কথা কওঁ এটা ব্যক্তিগত ভাৱে বৰ অসুবিধাত পৰি আছো। আমাৰ নিজানুৰ ৰহমান ডাঙৰীয়াই যোৱা বিধান সভাত এটা প্ৰশ্ন কৰিছিল, regarding land sale permission. যে দুটা community ৰ মাজত মাটি বিক্ৰীৰ পাৰ্মিচন নহয় বুলি কলে, তেতিয়া তেখেতে এটা প্ৰশ্ন সুধিছিল, সেইটো আছিল ২১-৩-২০০৫ তাৰিখে আমাৰ কেশৱ মহন্ত ডাঙৰীয়াই উত্তৰ দিছিল, তেখেতৰ এটা প্ৰশ্ন আছিল যে মাটি বেচা-কিনাৰ ক্ষেত্ৰত জাতি ধৰ্ম নিৰ্বিশেষে কিবা বাধা নিষেধ আছে নেকি? তেতিয়া মহন্ত ডাঙৰীয়াই উত্তৰ দিছিল যে ইয়াত বাধা নিষেধ একো নাই কিন্তু এখন ৭-৩-২০২৪ তাৰিখে লোকসভা নিৰ্বাচনৰ আগে আগে এখন জাননী আছিল যে সাম্প্ৰাদায়িক সংঘৰ্ষ ৰোধ কৰাৰ কাৰণে ৩ মাহৰ কাৰণে বন্ধ কৰা হৈছিল। ছাৰ, কিন্তু সচাঁ কথা ৩ মাহটো বেলেগ কথা এতিয়াও এইটো চলি আছে। মোৰ নিজৰ এটা অভিজ্ঞতা কৈছো ছাৰ, মোৰ প্ৰয়াত পিতৃ-ককা হতৰ মাটি মোৰ ওচৰৰে অসমীয়া মুছলমান আমাৰ পাটোৱাৰী ছাৰৰ সমষ্টি ভৈৰা বুলি কয়, খিলঞ্জীয়া অসমীয়া মুছলমান, মোৰ ককা হতৰ দিনৰে মাটি কিন্তু তেখেত সকলক দি গৈছিল আমি নাজানো, ছাৰ। কেইদিনমান আগতে তেওঁৰ নাতিনী এজনে আহি কৈছে যে মাটিখিনি লিখি দিব লাগে। কিন্তু মইতো নাজানো, সেই ককা হতে বোলে সিহঁতক দি গৈছিল। মই কলো ঠিক আছে চহী কৰি দিলো, পাৰ্মিচন ওলাল হৈ গ'ল, মোৰ নামত আছে মাটিখিনি, ৬/৭ বিঘা খেতি মাটি। এচ ডি চি য়ে আকৌ কৈছে বোলে যে বেয়া নাপাব এইটো পাৰ্মিচন নহ'ব, আমাক ওপৰৰ পৰা মানা আছে। এই কথা বিলাকে আমাক বৰ অশান্তিত পেলাইছে। এইটো বৰ অসুবিধা। এই ব্যৱস্থাটো যদি সচাঁকৈ প্ৰকৃত ভাৰতীয় নাগৰিক হয় ধৰ্মৰ ভিত্তিত চাব নালাগে। এইটোৰ পাৰ্মিচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। **যিহেতু মাটিখিনি মোৰ নামতে আছে, ইনকাম টেক্সটো মইয়ে দি থাকিব লাগিব। এইখিনিকে কৈ মই মন্দিৰ সদৃশ পঞ্চদশ বিধান সভাৰ মজিয়াত ক'বলৈ পাই গৌৰান্বিত বোধ কৰিছো । মোৰ শ্ৰদ্ধাৰ নেওগ বাইদেউ , পাটোৱাৰী ছাৰ, ভৰালী ছাৰ সকলোকে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো ।**

**শ্ৰীভবেন্দ্ৰনাথ ভৰালী, সভাপতি** ঃ **ধন্যবাদ এতিয়া ৰূপচিং টেৰন— তেখেত অনুপস্থিত গতিকে মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ।**

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ মাননীয় বিত্ত মন্ত্ৰীয়ে যিখন লেখানুদান দিছে , সেইখনতো**

আমি সমৰ্থন কৰিবই লাগিব । যিহেতু চৰকাৰখন চলাটো নিতান্তই প্ৰয়োজন । ৰাজ্যপালৰ ভাষণৰ ধন্যবাদ সূচক ভাষণৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাষণ দিয়াটো আমি শুনিলো । তেওঁ মানি লৈছে যে, অৰ্থনৈতিক উন্নয়ণৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰত ২৩ নম্বৰত আছে । এনেকুৰা এখন ছবি দিছে যে, তেওঁ বিচৰা অসম ৰাজ্যখন ভাৰতৰ ৫ নম্বৰতে অহা যেন লাগিছে কিন্তু তেনেকুৰা নহয় । আমাৰ দৰমহা পেনশ্যন - সূত- পৰিশোধ ধাৰ যিখিনি টকাৰ প্ৰয়োজন হয় সেইখিনি হৈছে ৬৯,২৬৯ কোটি । কিন্তু আমি নিজা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছো ৩৫,৪০৪ কোটি টকা । এই টকাৰ ভিতৰত ২৫,০০০ কোটি টকা ডেফিচিট হৈ আছে । এই ক্ষেত্ৰত এটা লক্ষনীয় দিশ হৈছে যে, আমি ৰাজহুৱা ঋণটো বঢ়াই লৈছো । ১৪,৮৯৬ কোটি টকা আমি লৈছিলো। কিন্তু এতিয়া ২০২৪-২৫ চনত ৩০,৬৭৩ কোটি টকা ৰাজহুৱা ঋণ লোৱা হৈছে । ২০২১-২২ চনত ৩০,৩২৬ কোটি টকা গ্ৰান্ট আছিল । ফাইনেন্স কমিশ্যনৰ যিটো অংক সেইটো যথেষ্ঠ পৰিমানে ক'মিছে, ৮,৯১৬ কোটি টকা আছিলে ২-২৪-২৫ চনত । এতিয়া ১৩৫৬ কোটি টকা হৈছে এইধৰণৰ এটা বিত্তীয় অৱস্থাৰ মাজতে চৰকাৰখনে কিছু কাম কাজ নকৰা নহয় । মই এই বিষয়ত উৎকন্ঠা প্ৰকাশ কৰিছো । আমাক স্কীলড ওৰৰ্কাৰ ২,৭২,০০০ আছে । সেই বিষয়ে দীৰ্ঘদিন বিধান সভাত আলোচনা হৈছে । আমি স্কীলড ওৰৰ্কাৰৰ ক্ষেত্ৰত ধেখিছো যে, তেওঁলোকৰ মাননীৰ কিছু অংশহে বৃদ্ধি কৰিছে । ৬,৫০০ টকাৰ পৰা ৮০০০ টকা কৰিছে । সহায়িকাৰ ক্ষেত্ৰত ৩২৫০ টকাৰ পৰা ৪০০০ কৰিছে । ঠিক তেনেকৈ ৰান্ধনীৰ ক্ষেত্ৰত ১৫০০ ৰ পৰা ২০০০ , আশা কৰ্মীৰ ৩০০০ ৰ পৰা ৪০০০ কৰিছে । ভাৰতবৰ্ষৰ অন্য ৰাজ্যত তামিলনাডু- তেলেংগানা বা কেৰেলাত যিসকল মহিলা স্কীলড ওৰৰ্কাৰ হিচাপে আছে তেওঁলোকক মজুৰী নিদিয়ে , স্বেচ্ছাসেৰক হিচাপে মাননীহে দিয়া হয় । এই ক্ষেত্ৰত এই বৃত্তিটো বৃদ্ধি হ'ব লাগিছিল । তেওঁলোকে কোনো ধনী পৰিয়ালৰ পৰা অহা নাই , একেবাৰে নিম্ন মধ্যবিত্ত বা দুখীয়া পৰিয়ালৰ পৰা আহে , সেই হিচাপে তেখেতসকলৰ মাননী যথেষ্ট ক'ম হৈছে বুলি মই চিন্তা প্ৰকাশ কৰিছো। এতিয়া ২৫৯২ খন চুক্তি হৈছে , কিন্তু তাৰ পৰিস্থিতিটো সাংঘাতিক উদ্বেগজনক কাৰণ ২ লাখতকৈ অধিক এম এচ এম ই-আমাৰ ৰাজ্যখনত বন্ধ হৈ গৈছে । তাৰ ফলত লক্ষ লক্ষ মানুহে কাম নোপোৱা হৈছে । এতিয়া যদি আমাৰ অৰ্থনৈতিক টনকীয়াল হ'ব লাগে তেন্তে এম এচ এম ইৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন আছে । কিন্তু লেখানুদানত যিখন ছবি দাঙি ধৰিছে , সেই অৰ্থত কৃষি উৎপাদন দুগুন কৰা হৈছে বুলি কৈছে, কিন্তু কৃষি ক্ষেত্ৰখনত আৰু নিৰনুৰা সমস্যা যদি কিছু পৰিমানে সমাধান কৰিব লাগে শিল্প ক্ষেত্ৰৰ দৰে কৃষি ক্ষেত্ৰখনো উন্নত হ'ব লাগে । কৃষি উৎপাদন বৃদ্ধি কৰাৰ বাবে মাৰ্কেট তৈয়াৰ কৰাৰ লগতে লোকেল মাৰ্কেটবিলাক ডেভল'প কৰা ৰাস্তা ঘাটৰ কানেক্টেড কৰা ৰ ক্ষেত্ৰত প্ৰয়োজনীয়তাবোধ কৰিব লাগে যাতে কৃষি ফচলৰ ক্ষেত্ৰত উচিত মূল্যটো পায় । এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কোনো আইন নকৰিলে । কিন্তু কৃষকসকলে ৩ খন আইন বাতিল কৰাক লৈ আন্দোলন কৰিলে । এই আন্দোলন বৃহৎ হৈ পৰিছিল । ঠিক তেনেকৈ চাহ শ্ৰমিকৰ ক্ষেত্ৰত ৫০০ কৈ টকা দিব বুলি কোৱা হৈছিল কিন্তু এই ক্ষেত্ৰত মই আচৰিত হৈছো যে , ভাৰতীয় জনতা পাৰ্টিৰ ভিজন ডকুমেন্ট আছিল তাত তেওঁলোকৰ মজুৰি ৩৫০ টকা কৰাৰ প্ৰতিশ্ৰুতি দিছিল কিন্তু তাতো মাত্ৰ ২৫০ টকাহে কৰিলে । প্ৰতিজন চাহ শ্ৰমিকৰ পৰা ১০০ টকাকৈ কৰ্ত্তণ কৰা হৈছে এই হিচাপটো ধৰিলে দেখা যায় যে, মুঠ ১ লাখ ৮০ হাজাৰ টকা কৰ্ত্তণ কৰা হৈছে ।

গতিকে এইখন চৰকাৰে চাহ শ্ৰমিকসকলক প্ৰয়োজনীয় গুৰুত্ব প্ৰদান নকৰিলে । গতিকে এই কথাখিনিক লৈ মই উদ্বিগ্নতা প্ৰকাশ কৰি মোৰ বক্তব্য সামৰণি মাৰিলো ।

**মাননী উপাধ্যক্ষ ঃ** ধন্যবাদ — এতিয়া ৰূপসিং তেৰণ ।

**শ্ৰীৰূপসিং টেৰণ, বৈঠালাংচু ঃ অধ্যক্ষ মহোদয় প্ৰথমতে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিছো । যোৱা ৫ টা বছৰত কাৰ্বি আংলঙৰ অঞ্চলসমূহ উন্নত কৰাৰ বাবে যথেষ্ট পুঁজি আগবঢ়াইছে সেই কাৰণে আমি প্ৰগ্ৰেছত গৈ আছো । ৰাস্তা ঘাট , ব্ৰীজ ইত্যাদি বনাব পাৰিছো । ইয়াৰ লগতে স্বাস্থ্য উন্নতিৰ বাবে ডিষ্টিক্ট আৰু ৰুৰেল হস্পিটেলসমূহ বনাব পাৰিছো । হস্পিটেলত ডক্টৰৰ অভাৱ কিছু ক'মি গৈছে । বেচিকেলী এডুকেশ্যনৰ ক্ষেত্ৰত ডিগ্ৰি কলেজ, আৰু ইউনিভাৰ্চিটি হৈছে । চিনিওৰ চেকেণ্ডৰী স্কুল আৰম্ভ হৈছে লগতে আন্তগাঁথনি নিৰ্মানৰ ক্ষেত্ৰত কাৰ্বি আংলঙ যথেষ্ট আগুৱাই গৈছে । জে জে এম আঁচনিৰ জৰিয়তে আমাৰ খোৱা পানীৰো ব্যৱস্থা কৰা হৈছে । বিজুলীৰ ক্ষেত্ৰতো আমাৰ কাৰ্বি আংলঙত গাওঁ সমূহত বিজুলী যোগান ধৰা হৈছে তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো । বিশেষকৈ বৰ্ডাৰ এৰিয়াত, বৰ্তমান মেঘালয় বৰ্ডাৰ এৰিয়াত ৬ টা বি অ' পি আছে আৰু ৩ টি নতুন বি অ'পি এপ্ৰোভ কৰা হৈছে । মোৰ সমষ্টিৰ বিশেষকৈ পশ্চিম কাৰ্বি আংলঙত আন আন বিভাগৰ পৰাও যথেষ্ট কাম হৈছে । আশা কৰিছো আগন্তুক দিন বিলাকত আৰু অধিক পুঁজি দি মোৰ সমষ্টিটো অগ্ৰাধিকাৰ ভিত্তিত আগবঢ়াই লৈ যাবলৈ অনুৰোধ কৰিলো । সদৌ শেষত মাননীয় মুখ্যমন্ত্ৰী মহোদয়, ডঃ হিমন্ত বিশ্ব শমা ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰি মোৰ চমু বক্তব্য সামৰণি মাৰিছো ।**

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰী) ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, আজি পঞ্চদশ বিধান সভাৰ শেষৰ দিনটোত দুআষাৰমান ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। বাজেট ভাষণৰ আৰম্ভণিতে চব কা চাথ, চব কা বিকাশ, চব কা বিশ্বাস এই নীতিৰ কথা উল্লেখ কৰা হৈছে। কিন্তু প্ৰকৃততে আমি দেখা পাওঁ এই চৰকাৰখনৰ উন্নয়ণৰ প্ৰতি আস্থা অলপ কম নেকি? তাৰ কাৰণ উন্নয়ণ যদি যথেষ্ট কৰিছে, চৰকাৰী পক্ষই ঘৃণা বিয়পোৱাৰ কাৰণে অলপমান চেষ্টা দেখা গৈছে সমাজত। বিভেদ সৃষ্টি কৰাৰ চেষ্টা দেখা গৈছে। উন্নয়ণৰ নামতহে চৰকাৰ ৰাইজৰ মাজলৈ যাব লাগিছিল। কিন্তু বাজেটত যিধৰণে কোৱা হৈছে, সেই ধৰণে বাস্তৱত দেখা পোৱা নাই। ঘৃণাৰ আশ্ৰয় লোৱা দেখা গৈছে। উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখন উন্নত ৰাজ্যৰ শাৰীলৈ লৈ যোৱাৰ ক্ষেত্ৰত আমি সকলোৱে আনন্দিত হ'ম। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে সপোন দেখিছে, কিন্তু ৰাজ্যখন উন্নত ৰাজ্যলৈ ৰূপান্তৰিত কৰাৰ কাৰণে আমি বিশেষভাৱে এটা কথাত মন দিব লাগিব আঞ্চলিক উন্নয়ণ অসমতা, আঞ্চলিক উন্নয়ণ, বৈষ্যমতা বা অসমতা যিয়েই নহ'ওক কিয় সেইটো দুৰ কৰিব লাগিব। আমাৰ BTR অঞ্চল, কাৰ্বি-আংলং, ডিমা-হাচাও, দেউৰী, ৰাভা, হাচং এনেকৈ যিমানখিনি অঞ্চল আছে, আমাৰ কমতাপুৰ আছে, মিচিং সকল আছে। সকলো অঞ্চলবিলাক আমি সমভাৱে আগুৱাই লৈ যাব লাগিব। কংগ্ৰেছ চৰকাৰে কিছু কাম আৰম্ভ কৰিছিল। সেই কামখিনি আগুৱাই লৈ যোৱাৰ কাৰণে বৰ্তমানৰ চৰকাৰে চেষ্টা কৰি আছে, ভাল কথা। বেয়া নহয়। কিন্তু ৩০ লাখ লোক বসবাস কৰা চৰ অঞ্চল আছে। একেবাৰেই শিক্ষাত পিছপৰা, স্বাস্থ্যখণ্ডত পিছপৰা, যাতায়াত ব্যৱস্থাত পিছপৰা আৰু গড়াখহনীয়া হৈয়ে থাকে। গতিকে সেই অঞ্চলটোৰ কাৰণে এটা বিশেষ আৰ্থিক পুঁজি যদি নিৰ্ধাৰণ কৰি আগবাঢ়িলোহেঁতেন, তেতিয়াহ'লে আমাৰ ৰাজ্যখন অতি সোনকালে উন্নত ৰাজ্যলৈ ৰূপান্তৰ হ'বলৈ সহজ হ'লহেঁতেন। কিন্তু এতিয়ালৈকে সেই চৰ অঞ্চলৰ কাৰণে বিশেষ আৰ্থিক পুঁজি দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। গতিকে পৰৱৰ্তী সময়ত কৰা হ'ব বুলি আমি এটা আশা ৰাখিলো।

**माननीय উপাধ্যক্ষ** ঃ চৰ অঞ্চলত Education টো upgrade কৰিবলৈ কি কৰিব লাগিব, কিবা পৰামৰ্শ আছে নেকি ?

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰী)ঃ** উপাধ্যক্ষ মহোদয়, মই লিখিত দি দিম। চৰ অঞ্চলত PTR ratio টো ঠিক কৰিব লাগে আৰু যিখিনি ভেঞ্চাৰ স্কুল আছে, বৰ্তমান নতুনকৈ খুলি থকা নাই। সেই ২০১৭-১৮ লৈকে যিখিনি ভেঞ্চাৰ স্কুল আছে, সেইখিনি প্ৰাথমিক হওঁক, উচ্চ মাধ্যমিক হওঁক বা মহাবিদ্যালয় হওঁক। যি পৰ্য্যায়তেই হওঁক, সেইখিনি আমি অতি সোনকালে প্ৰাদেশীকিকৰণ কৰি সেই অঞ্চলত শিক্ষাৰ ক্ষেত্ৰত এক আগৰণুৱা পদক্ষেপ আমি ল'ব পাৰো। স্বাস্থ্যৰ ক্ষেত্ৰতেই হওঁক, গড়াখহনীয়াৰ ক্ষেত্ৰতেই হওঁক বা যাতায়াতৰ ক্ষেত্ৰতেই হওঁক আমি বিশেষ মনোযোগ দিয়াৰ প্ৰয়োজন আছে। বিশেষ পুঁজিৰ প্ৰয়োজন আছে। যুৱক-যুৱতী সকলৰ নিয়োগৰ ক্ষেত্ৰত যিমানেই যি নকওঁক কিয়, দেৰ লাখ চৰকাৰী চাকৰি দি নিৱনুৱা সমস্যা সমাধান কৰিব নোৱাৰি , সেইটো সঁচা কথা। দেৰ লাখ চাকৰি দি যিটো সমস্যাৰ সমাধান হোৱা বুলি কোৱা হৈছে সেই কথাটো কিন্তু এটা প্ৰচাৰমুখী কথাহে বাস্তৱত সেই কথাটো সঠিক নহয়। আমাৰ চৰকাৰী হিচাপমতে ২২ লাখ পঞ্জীয়নভূক্ত নিবনুৱা আছে। কিন্তু বে-চৰকাৰী হিচাবমতে ৫০ লাখ নিবনুৱা আছে। কিন্তু আমি ২৫ হাজাৰ আত্মনিৰ্ভৰ আঁচনি দিছো আৰু দেৰ লাখ চাকৰি দিছো। যুৱক-যুৱতী সকলৰ সংস্থাপনৰ ক্ষেত্ৰত সফলতা অৰ্জন কৰা বুলি আমি দাবী কৰিব নোৱাৰো। এইক্ষেত্ৰত আমি ক্ষুদ্ৰ উদ্যোগ আৰু self employment ৰ কাৰণে আৰু মনোযোগ দিয়াৰ প্ৰয়োজন আছে। আমাৰ এই চৰকাৰখনে বানমুক্ত অসম কৰাৰ কথা আৰম্ভণিৰ পৰা কৈ আছে। কিন্তু চাৰ, ১০ বছৰ পাছত আমি পুখুৰী খুন্দাৰ ভূমি পুজনহে দেখা পালো। বানমন্ত্ৰী মহোদয়ে গতানুগতিক পদ্ধতিত ভালেখিনি কাম কৰিছে, নকৰা নহয়। কিন্তু আমাৰ নামনিৰ ফালে বানপানী আৰু গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে বহু কাম কৰাৰ প্ৰয়োজন আছে। মোৰ সমষ্টিৰ আই আৰু মানাহৰ ১২৫ কোটি World Bank ৰ দ্বিতীয় কিস্তিত সোমাইছে। কামটো মন্ত্ৰী মহোদয়ে সোনকালে কৰি দিব বুলি আশা ৰাখিলো আৰু চাৰ, বিদেশীৰ সমস্যাটোৰ কাৰণে একেবাৰে চিৰস্থায়ী সমাধান আমাক লাগে। Border Seal টো কৰি দিব লাগে। কিন্তু যোৱা ১০ বছৰত Border seal ৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ লোৱা পৰিলক্ষিত নহ'ল বাজেটতো আমি সেই কথাবিলাক দেখা নাপালো। নদীৰ ক্ষেত্ৰত কেনেকৈ special sensor লগাই একেবাৰে seal কৰি দিব পাৰো এই সমস্যাটো সমাধান হ'লে আমাৰ বানপানী গড়াখহনীয়াৰ জলন্ত সমস্যা, বিদেশীৰ সমস্যাটো যদি জলন্ত সমস্যা বুলি ধৰা হয়, এই কথাবিলাক আমি permanently সমাধান কৰাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱাত এই চৰকাৰখন কিছু বিফল হৈছে বুলি মোৰ এটা ধাৰণা। গতিকে পৰৱৰ্তী সময়ত এই বিষয় বিলাকত যি দলৰে চৰকাৰ নহ'ওক কিয় আগভাগ লৈ কৰিলে ভাল হ'ব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ চৰ অঞ্চলত আপেনালোকে বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগে। শিক্ষাৰ ক্ষেত্ৰত যদি আগবাঢ়ি যায়, তেতিয়া বহু সমস্যা সমাধান হ'ব।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰী) ঃ** উপাধ্যক্ষ মহোদয় হয়। প্ৰতিটো বিদ্যালয়ত either finance commission or LAD ৰ ফালৰ পৰা বা কলেজ এখন আছে, তাতো DMFT Fund ৰ পৰা প্ৰতিখন বিদ্যালয়ত মই এইটো কামত আগভাগ লৈছো। কিন্তু পুঁজি পৰ্য্যাপ্ত নহয়।

**মাননীয় উপাধ্যক্ষ** ঃ শ্ৰী বিদ্যাসিং ইংলেং ।

**শ্ৰী বিদ্যাসিং ইংলেং, ডিফু ঃ** ধন্যবাদ, মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আপুনি যে অন্তত কিছু কথা ক'বলৈ সুযোগ দিছে তাৰবাবে অশেষ ধন্যবাদ। উপাধ্যক্ষ মহোদয়, এই ৫ বছৰৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ

সৰ্বকালৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আমাৰ Hills Area ত বিশেষকৈ কাৰ্বি-আংলঙত বিশেষকৈ যাতায়াতৰ ক্ষেত্ৰত বহুত সুবিধা কৰি দিছে। উল্লেখযোগ্য যে আমাৰ যি খাচিয়া border ৰ পৰা Diphu head quarter ৰ লৈকে অসম মালাত যি কৰি দিছে, তাৰবাবে সচাঁকৈয়ে ধন্যবাদ দিব লাগিব আৰু ডকমকাৰ পৰা কাজিৰঙালৈ যিটো ৰাষ্টা উলিয়াই দিছে, তাৰবাবে আমি ধন্যবাদ দিব লাগিব। তাৰোপৰি শ্বেৰচাহৰ দিনৰ পৰা যাব নোৱাৰা ৰাষ্টা বৰপুং, তাৰাপুং মাননীয় অধ্যক্ষ মহোদয়ৰ সমষ্টিত বৰপুং, তাৰাপুং ৰাষ্টা হৈছে মই জানো মাননীয় উপাধ্যক্ষ মহোদয়। অকল এইটো বুলিয়েই নহয়, Hills ত Fly Over কেতিয়াও সপোনতো ভবা নাই। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আমাৰ ডিফু যিহেতু মোৰ সমষ্টিত fly over construction কৰিছে আৰু অতি সোনকালে হয়তো মুখ্যমন্ত্ৰী ডাঙৰীয়াই শুভাৰম্ভ কৰিব। তাৰোপৰি আমাৰ কাৰ্বি-আংলঙৰ মেডিকেল কলেজ অসমৰ ভিতৰত উল্লেখনীয়। যি মেডিকেল কলেজে নেকি পাহাৰত থাকিও ভৈয়ামৰ ছাত্ৰ-ছাত্ৰীসকল তাত থাকি 1st Batch ত ১০০ শতাংশ পাছ কৰিছে। ক'বলৈ গ'লে এইটো উল্লেখনীয় কথা। কাৰ দ্বাৰা হৈছে ? মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিচক্ষণতাৰ শাসনৰ কাৰণে এইবিলাক সুবিধা হৈছে। উপাধ্যক্ষ ডাঙৰীয়া, আপোনাৰ সমষ্টিত দীঘল দীঘল ৰাষ্টাতো হৈছেই, তাৰ লগতে ৩০ কোটি, ৩০ কোটিকৈ প্ৰত্যেক LA সমষ্টিত দি যি ধৰণে যাতায়াত সুচল কৰি দিছে তাৰ কাৰণে অশেষ ধন্যবাদ দিব লাগিব। ইয়াৰ লগতে কাৰ্বি-আংলং ডিফুৰ পৰা ইয়ালৈ আহোতে আগতে ৬-৭ ঘণ্টা লাগিছিল। এতিয়া মাত্ৰ ৩ ঘণ্টা লাগে। এতিয়া মিটিং শেষ কৰিয়েই মই গুচি যাম। ৩ ঘণ্টাত গৈ পাম। আনকি ডিফুৰ পৰা শিলচৰ বিশেষকৈ university তাত থকাৰ কাৰণে আমাৰ ল'ৰা-ছোৱালী তাত যোৱাৰ কাৰণে বহুত অসুবিধা হৈছিল। কিন্তু এই চৰকাৰৰ দিনত ডিফুৰ পৰা শিলচৰলৈ মাত্ৰ চাৰে পাঁচ ঘণ্টাহে লাগে। সেইয়া আমাৰ বাবে সুখদায়ক নহয় নেকি ? আপোনালোকে ইয়াক appreciate নকৰে নেকি ? আপোনালোকে মোৰ লগত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিয়ক। আমচৈ আৰু সাৰাংগাজাওঁলৈ যিটো ৰাস্তা গৈছে, সেই ৰাস্তাটো কোনো দিনে কোনো কালে নহ'লহেঁতেন। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ ওচৰত যি হেঁচা দিছে, তাৰ ফলস্বৰূপে আমাৰ ৰাস্তাবিলাক হৈছে। ৰাস্তাবোৰ ভাল হোৱা মানে মটিৰ দামো বাঢ়ি যাব। আগতে অসম আন্দোলনৰ সময়ত যি ধৰণে মাটিৰ দাম কমি গৈছিল, এতিয়া কাৰ্বি আংলঙত ৰাস্তা-পদূলি হোৱাৰ পিছত ৫০,০০০-১,০০,০০০ টকাৰ মাটিৰ দাম এতিয়া ১০,০০,০০০-১৫,০০,০০০ টকা হৈছে গৈ।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কাৰ্বি আংলংৰ কিমান মাটি আদানিক দিলে ?..........Interruption..........

**মাননীয় উপাধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, আপুনি বহক। আপোনাৰ সময়ত আপুনি ক'ব।

**শ্ৰী বিদ্যাসিং ইংলেং (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আদানিক আমি ডাইৰেক্ট মাটি দিয়া নাই। কাৰ্বি আংলংত অট'নমাচ কাউঞ্চিলে আদানিক মাটি দিয়া নাই। আমি তেওঁলোকক লীজত দিছো। মাননীয় অখিল গগৈ ডাঙৰীয়া, আপোনাৰ কাজিৰঙাত যি দুশ-তিনি শ বিঘা মাটি আছে, আপুনি আদানিক দিব পাৰে।..........Interruption..........

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, আপোনালোকে ব্যক্তিগত কথা নক'ব, আজিৰ বিষয়-বস্তুৰ ওপৰত কওঁক।

**শ্ৰী বিদ্যাসিং ইংলেং (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অখিল গগৈ ডাঙৰীয়া আপোনাৰ মাটি আদানিয়ে লয় আৰু তাৰ পৰা যদি আমাৰ ল'ৰা-ছোৱালীয়ে চাকৰি পায়, কিয় বেয়া পাব

লাগে ? আমি বৰঞ্চ প্ৰশংসাহে কৰিব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ধৰণে আগবাঢ়িছে তাৰ বাবে আমি তেখেতক ধন্যবাদ জনাইছো। তেখেতে যি ধৰণে শিক্ষাৰ বিষয়ে কৈছে আমাৰ কাৰ্বি আংলঙত যথেষ্ট উন্নতি হৈছে। হামৰেণ হাইয়াৰ ছেকেণ্ডাৰী কমাৰ্চ শাখাত এশ শতাংশই পাচ কৰিছে। মাননীয় অখিল গগৈ ডাঙৰীয়া, আমি তাত কিছু কাম কৰিব পৰাৰ বাবে আমাকো ধন্যবাদ দিয়ক। ধন্যবাদ। কাৰ্দম। জয় হিন্দ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই ক'ব। আপোনাক দুই মিনিট সময় দিয়া হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইখন চৰকাৰৰ পাঁচ বছৰ হ'ল। এইখন আমাৰ শেষ বিধান সভা। মই বজেটৰ দিনা অহা নাছিলো। মই মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীৰ বাজেট ভাষণটো ঘৰত গৈ গোটেই ৰাতি প্ৰথমৰ পৰা শেষলৈকে পঢ়িলো। তাৰ পিছত আজি আকৌ পঢ়িলো। দুবাৰ পঢ়াৰ পিছত মই ভাৱিলো যে কি কি পালো ? মই দেখিলো যে গোটেই বাজেট ভাষণখনৰ চাৰি ভাগৰ তিনি অংশ কেৱল হিতাধিকাৰী আঁচনি। গোটেই বাজেটখনত ল'ৰাক ইমানখিনি দিলো, ছোৱালীক ইমানখিনি দিলো, মহিলাক ইমানখিনি দিলো গোটেইখিনি এইটোৱেই লাইন। যোৱা ৫ বছৰত আমি কি কি পালো আৰু কি কি হেৰুৱালো ? আমি দেখিলো যে এই চৰকাৰৰ দিনত ৮,২৫৯ খন স্কুল বন্ধ হৈ গ'ল। আমাক এক মাত্ৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰটো আদানিক দি দিলো। জল পৰিবহন বিভাগটো সম্পূৰ্ণ ব্যক্তিগত কৰণ কৰিলো। এই চৰকাৰৰ দিনত দেখিলো যে ধান উৎপাদন হ্ৰাস হৈ গ'ল। মই এতিয়া সংখ্যাটো ক'বলৈ গ'লে আপুনি দেৰী হৈছে বুলি চিঁঞৰি দিব। সেইকাৰণে সংখ্যাটো নকওঁ। অসমীয়া মানুহে উৎপাদনমুখী হোৱাৰ পৰিৱৰ্তে আৰু বেছি এলেহুৱা হ'ল। অসমীয়া মানুহৰ এতিয়া গাঁৱত দুটাই কাম। হয় মিস্ত্ৰীৰ লগত যোগালী কৰিবলৈ যাব লাগিব নহ'লে বেঙ্গালুৰু বা চেন্নইত গৈ চিকিউৰিটী গাৰ্ডৰ কাম কৰাৰ বাহিৰে বিকল্প একো নাই। এই চৰকাৰে গাঁৱৰ অৱস্থা একেবাৰে দেউলীয়া কৰিলে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আজি নিজেই কৈছে যে বাহিৰলৈ কাম কৰিবলৈ গৈ এমাহত ৫০ জন ল'ৰা মৰিছে আৰু ৬ মাহত ১৬২ জন ল'ৰা মৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিজৰ হিচাপ আছে। গতিকে এইটোৰ প্ৰামাণিত হয় যে এই চৰকাৰখনে ৰাজ্যৰ ভিতৰত মানুহ এজনক উপাৰ্জান বা কাম দিয়াৰ বাবে সমৰ্থ হোৱা নাই। সেইকাৰণে অসমৰ ল'ৰা গৈ বেঙ্গালুৰুত গৈ মৃত্যু বৰণ কৰিবলগীয়া হৈছে। একেলগে ৪ জন মিচিং ল'ৰাৰ মৃত্যু হৈছিল। আজি অসমৰ মাটি আদানি, আম্বানি আৰু ৰামদেৱৰ হাতলৈ গ'ল। তেখেতে জানে আৰু অলপ আগতে কৈ আছিল যে কেৱল কাৰ্বি আংলঙৰ ১ লাখ ২০ হাজাৰ বিঘা মাটি আদানিৰ হাতলৈ গৈছে। এই চৰকাৰখন অহাৰ আগতে ১ কিলোগ্ৰাম নিমখৰ দাম আছিল৫ টকা। এতিয়া দহ টকাৰ পৰা ৩৫ টকা হৈছে। আগতে এটা মুৰ্গীৰ কণীৰ দাম আছিল ৩ টকা আৰু এতিয়া ১০ ৰ পৰা ১৫ টকা হৈছে। আমি  নদীবান্ধ পালো আৰু ২৭ খন টোলগেট পালো। প্ৰয়াত মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ দিনত ধাৰ আছিল ৪২ হাজাৰ কোটি টকা আৰু এতিয়া ৩১ মাৰ্চ, ২০২৫ তাৰিখলৈকে ধাৰ হৈছে-১লাখ ৭৭ হাজাৰ ৯ শ ৮৩ কোটি ২০ লাখ টকা। এইবাৰ ৩১ তাৰিখে যিটো হিচাপ আহিব সেই হিচাপটোত ওলাব যে অসমৰ ধাৰ আচলতে ২ লাখ ৩০ হাজাৰ কোটি টকা হৈ গ'ল। আগতে আমি অসমত 'জয় আই অসম' কৈছিলো। তাৰ বিপৰীতে 'ভাৰত মাতা কি জয়' পালো। ভূমি পূজন বুলি নতুন শব্দ এটা পালো। যিটো আগতে নাছিল। অসমৰ ৰাজনীতিত কেৱল এটা বস্তুৱেই পালো-মিঞা, মিঞা, মিঞা, মিঞা, মিঞা.......। বাংলাদেশৰ কাটা তাঁৰৰ বেৰটো সম্পূৰ্ণ নহ'ল। শ্ৰীভূমি জিলাত এতিয়াও ৪ কিলোমিটাৰ ৩৫০

মিটাৰ এতিয়াও বাকী আছে। দক্ষিণ শালমৰাত ৩৮ কিলোমিটাৰ ৯৫০ মিটাৰ এতিয়াও উন্মুক্ত হৈ থাকিল। সীমান্ত ছীল নহ'ল। অসমৰ চুবুৰীয়া ৰাজ্য মেঘালয়ক ৩.২১ বৰ্গ কিলোমিটাৰ অসমৰ ভূমি এৰি দিলো। বিদেশী খেদিম বুলি কৈছিল আৰু টালি-টোপোলা বান্ধি বিদেশী যাব লাগিব বুলি কৈছিল। এতিয়ালৈকে ১৬৭৪ জন বিদেশী যোৱা ৯ বছৰত গ'ল। মই অলপ আগতে হিচাপ কৰিছিলো যে ১৬৭৪ জন বিদেশী যদি ৯ বছৰত গ'ল, বিধান সভাত মোক দিয়া তথ্য অনুসৰি ৪০ লাখ বিদেশী আছে আৰু এইখিনি যাবৰ বাবে বি জে পিক অসমক শাসন কৰিব দিব লাগিব ২১,৪৮০ বছৰ। আমি স্মাৰ্ট মিটাৰ পালো আৰু কেইখনমান উৰণীয়া সেঁতু পালো। সেইখিনি ভালেই পাইছো। অৰুণোদয়ৰ নামত ১২৫০ টকা পাইছো। মহিলা উদ্যমিতাৰ নামত ১০ হাজাৰ টকা পাইছো। কিন্তু ছয় জনগোষ্ঠীৰ জনজাতি কৰণ নাপালো। কেঁচা চাহপাতৰ দাম কমি গ'ল। কিন্তু সকলো বস্তুৰ দাম বাঢ়ি গ'ল। বান মুক্ত গুৱাহাটী নাপালো আৰু বানমুক্ত অসমো নাপালো। NRC খন আজিও নহ'ল। অসম চুক্তিৰ আধাৰত খিলঞ্জীয়াৰ ৰক্ষা কৰচ খনো নাপালো আৰু প্ৰয়াত জুবিন গাৰ্গ ডাঙৰীয়াক হেৰুৱালো। ৰাভা, মিচিং, সোণোৱাল-কছাৰী, ঠেঙাল-কছাৰী, তিৱাক ষষ্ঠ অনুসূচীত জাতি দিব বুলি কৈছিল, ৰাম ঠগন দিলে। অসমীয়াৰ বাবে সাংবিধানিক ৰক্ষা কৰচ নাপালো। পথাৰত এক টোপালো পানী নাপলো। জল জীৱন মিশ্যনৰ ঠিকাদাৰসকলে এতিয়া আত্ম হত্যাৰ পথ বাছি লৈছে। আমাৰ কৰ্মচাৰী সকলৰ বাবে OPS নাপালো। ভাল বিদ্যালয় আৰু শিক্ষক নপালো। আশা কৰ্মীৰ দৰমহা তিনি হাজাৰৰ পৰা চাৰি হাজাৰ হ'ল। কিন্তু অতি কমেও তেওঁলোকৰ দৰমহা ১০ হাজাৰ কৰিব লাগে। আশা চুপাৰ ভাইজাৰৰ দৰমহা ১০৫০০ টকা হ'ল, কিন্তু অতি কমেও তেওঁলোকৰ দৰমহা ২০ হাজাৰ কৰিব লাগে। ৰান্ধনিৰ দৰমহা ২০০০ হ'ল, কিন্তু অতি কমেও তেওঁলোকৰ দৰমহা ৫ হাজাৰ কৰিব লাগে। অংগনৱাড়ীৰ কৰ্মী-সহায়িকাৰ দৰমহা ৮ হাজাৰ আৰু ৪ হাজাৰ হ'ল, কিন্তু অতি কমেও তেওঁলোকৰ দৰমহা ২০ হাজাৰ আৰু ১৫ হাজাৰ কৰিব লাগে। জীৱিকা সখীৰ দৰমহা ৯ হাজাৰ হ'ল, কিন্তু অতি কমেও তেওঁলোকৰ দৰমহা ১৫ হাজাৰ কৰিব লাগে। গাওঁ প্ৰধানৰ দৰমহা ১৪ হাজাৰ হ'ল,কিন্তু অতি কমেও তেওঁলোকৰ দৰমহা ৩০ হাজাৰ কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, আপোনাৰ সময় শেষ হৈছে। আপোনাৰ প্ৰশ্নটো lay কৰি দিব। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক। আপুনি শেষ কৰক। আপুনি যদি শেষ নকৰে আপোনাৰ পিছৰ কথাখিনি ৰেকৰ্ড কৰা নহ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী মহোদয়া।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী, বিত্ত বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ চৰকাৰৰ এইখন শেষ লেখানুদান বাজেট আৰু আজি আমি শেষ দিনত উপস্থিত হৈছো। এই সদনৰ মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াকে প্ৰমুখ্য কৰি আমাৰ শাসকীয় দল আৰু মিত্ৰদলৰ যথেষ্ট খিনি মাননীয় সদস্যই এই আলোচনাত ভাগ লৈছে। আজি যি সকলে এই লেখানুদান বাজেটত অংশগ্ৰহণ কৰিছে সকলোকে মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। উপাধ্যক্ষ মহোদয়, ৫ বছৰ পূৰ্বে মই এইখন সদনতেই প্ৰথম বাৰৰ বাবে পূৰ্ণাংগ বাজেট ২০২১ চনৰ জুলাই মাহত দাখিল কৰিছিলো আৰু ৫ খন পূৰ্ণাংগ বাজেট অসমবাসীৰ বাবে দাখিল কৰিবলৈ পাই আচলতে মোৰ যথেষ্টখিনি জীৱন ধন্য হৈছে। বিশেষভাৱে মই এই বাজেটত কিছু কথা উল্লেখ কৰিছো। তথাপিও যেতিয়া মই প্ৰথমখন বাজেট দিছিলো তেতিয়া সেই বাজেটখনত আমাৰ ৰাজ্যখনৰ পৰিৱেশ আছিল কোভিড পৰিৱেশ। এক ভয়াবহ কোভিডৰ পৰিৱেশত মই প্ৰথমখন বাজেট উত্থাপন কৰিছিলো আৰু সেই বাজেটত

মই কৈছিলো যে কেৱল এটা বছৰৰ খতিয়ান নহয়, ৫টা বছৰৰ ই হ'ব আমাৰ vision document. কাৰণ বাজেট প্ৰস্তুত কৰাটো এটা পৱিত্ৰ কৰ্তব্য আৰু সেই পৱিত্ৰ দায়িত্ব লৈয়েই মই প্ৰথমখন বাজেট উত্থাপন কৰিছিলো আৰু সেই বাজেটখনতেই আমাৰ সকলোখিনি ৰূপৰেখা আছিল। যোৱা ৫ টা বছৰৰ পৰিক্ৰমাৰে মই এই লেখানুদান খনৰ শেষত এটা কথা কৈছো যে যোৱা সময়চোৱাৰ যিখিনি পৰিক্ৰমা সেইখিনি মোৰ চকুৰ আগত ভাঁহি উঠিছে। কোভিডৰ নিয়ন্ত্ৰিত এটা পৰিবেশ আৰু আজি মই কৈছো যে এই পৱিত্ৰ সদনত মই কেৱল ব্যয়ৰ বাবে অনুমোদন বিচৰা নাই বৰঞ্চ এখন ৰূপান্তৰৰ অসমৰ কথা ক'বলৈ উপস্থিত হৈছো। উপাধ্যক্ষ মহোদয়, সেয়া হৈছে মোৰ কাৰনে এটা সৌভাগ্য যে কোভিড মুক্ত পৰিৱেশত দিয়া বাজেট খনে আজি ৫টা বছৰৰ শেষত আহি মই ৰূপান্তৰৰ এখন অসমৰ কথা ক'ব বিচাৰিছো। মাননীয় সদস্য সকলে বিভিন্ন ধৰনে প্ৰশ্ন উত্থাপন কৰিছে কিন্তু মই ক'ব বিচাৰিছো যে বাজেট এখন কেনেদৰে প্ৰস্তুত হয় আৰু তাত বিত্তমন্ত্ৰী গৰাকীৰ কি দায়িত্ব থাকে। অসমৰ নিচিনা এখন প্ৰত্যাহ্বানমূলক ৰাজ্যৰ দায়িত্ব অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২০২১ চনৰ ১০ মে তাৰিখৰ দিনা লৈছিল আৰু সেইখিনি সময়ত কোভিড মুক্ত পৰিৱেশ, প্ৰত্যাহ্বানমূলক বিত্তীয় অৱস্থা কেৱল ৰাজ্যখনৰেই নাছিল, গোটেই বিশ্বই এটা প্ৰত্যাহ্বানমূলক বিত্তীয় অৱস্থা প্ৰত্যক্ষ কৰিছিল। সেই বিত্তীয় অৱস্থাত আমাৰ অৰ্থনীতি শূন্যলৈ গৈছিল। বিশ্বৰ বিভিন্ন দেশৰ অৰ্থনীতি শূন্যলৈ গৈছিল। ভাৰতবৰ্ষৰ অৰ্থনীতিটো এটা প্ৰতিকূল পৰিস্থিতিয়ে দেখা দিছিল। কিন্তু সেইখিনি সময়তো অসমৰ অৰ্থনীতি শূন্যলৈ যোৱা নাছিল। আমি কোনোপধ্যে নিজকে বচাই শূন্যৰ পৰা কিছু ওপৰত আছিলো। সেইকাৰণে এখন বাজেট যেতিয়া প্ৰস্তুত কৰিব লাগে তাৰ মূল লক্ষ্যটো হৈছে ৰাজহ সংগ্ৰহ। আজি এইখন বাজেটত মই অৰ্থনৈতিক ৰূপান্তৰৰ কথাত প্ৰথমে মই কৈছো যে বাজেট সংগ্ৰহ প্ৰক্ৰিয়াটো এটা সহজ প্ৰক্ৰিয়া নহয়। অসমৰ নিচিনা এখন প্ৰত্যাহ্বানমূলক ৰাজ্যত আৰু নিৰ্বাচনৰ আগত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ৰাজনৈতিক ভাৱে ৰাইজৰ প্ৰতি যথেষ্ট খিনি commitment আছিল আৰু এইখন চৰকাৰৰ ওপৰত ৰাইজৰ বহুখিনি প্ৰত্যাশা আছিল আৰু লগতে বিত্তীয় প্ৰতিকূলতা। এই গোটেইবিলাক চাই আমি ২০২১ চনৰ পৰা দিনে নিশাই কাম কৰি গৈছো। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্বাচিত হৈয়েই কৈছিল যে এখন বিকশিত অসম যিখন অসমে ভাৰতবৰ্ষৰ ৫খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন হিচাপে থিয় হ'ব। আপোনাক মই আজি এটা কথা ক'বলৈ পাই ভাল পাইছো যে ২০১৫-১৬ ৰ বিত্তীয় বৰ্ষৰ বাজেটৰ size আছিল ৭২,৫৭৩ কোটি টকা। যেতিয়া মই ২০২৫-২৬ বৰ্ষত বাজেট দিছিলো তেতিয়া মোৰ বাজেটখন আছিল ১,৫৫,৯৮৫ কোটি টকা অৰ্থাৎ প্ৰায় দুগুণ। মই যেতিয়া প্ৰাক্‌কলন বাজেট কৰো revised estimate ত সেই বাজেট খনে প্ৰায় ২ লাখ কোটি টকা স্পৰ্শ কৰিব। উপাধ্যক্ষ মহোদয়, এইটোৱেই সুচাইছে যে চৰকাৰখনে বিত্তীয় দিশটো শক্তিশালী কৰিবৰ কাৰনে কেনেদৰে দিনে নিশাই কাম কৰিছে। এইক্ষেত্ৰত অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি সবল নেতৃত্ব প্ৰদান কৰিলে, বিধানসভাৰ মজিয়াত অধ্যক্ষ ডাঙৰীয়াৰ পৰা বিধায়ক সকলে তেওঁলোকৰ নিজা নিজা সমষ্টিৰ উন্নয়নৰ বাবে ভূমিকা পালন কৰিলে, আমাৰ সকলো দিশতে মাৰ্গদৰ্শক আমাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়া, বিত্তমন্ত্ৰী ডাঙৰীয়া, গৃহমন্ত্ৰী ডাঙৰীয়া আৰু আমাৰ সকলো বিষয়া কৰ্মচাৰীসকল আৰু আমাৰ অভিভাৱক অসমৰ ৰাইজ আদি সক লোৰে প্ৰচেষ্টাত আমি এই ৭২ লাখ টকাৰ পৰা আজি অসমৰ বিত্তীয় অৱস্থাটো ২ লাখ কোটি লৈ স্পৰ্শ কৰিবলৈ সক্ষম হলো লগতে টকা কিমান খৰছ হৈছে সেইটো সকলোতকৈ ডাঙৰ কথা। আজি বাজেট প্ৰস্তুত কৰোতে আমি ইয়াত grants, cut motion, supplementary demand দিলো। আমাৰ ৮৩ টা grants আছিল আৰু বিভিন্ন

বিভাগৰ মন্ত্ৰী সকলে এই grant বোৰ পৰিচালন কৰে আৰু তাত বিত্ত বিভাগৰ দায়িত্ব হৈছে পুঁজি দিয়াটো। ৮৩ টা grants ৰ বিপক্ষে আমি পইছা দিছো। যেতিয়া ২০১৫-১৬ চনৰ পৰা আমাৰ যাত্ৰা আৰম্ভ কৰিলো তেতিয়া আমি পুঁজি খৰছ কিমান কৰিব পাৰিছিলো। মই ক'বলৈ পাই আচলতে দুখেই পাইছো যে বাজেট বিলাক আগতে দশক দশক ধৰি কেৱল আছিল ইচ্ছাৰ তালিকা। চৰকাৰখনৰ ইচ্ছা থাকে আৰু বাজেট খন তেওঁলোকে prepare কৰে বছৰ যোৱাৰ লগে লগে বাজেটৰ পুঁজি খৰছ কৰাত চৰকাৰখনৰ পইছা নাথাকে। সেইকাৰণে বাজেটত যিবিলাক আঁচনি ধৰা হয় বছৰ বছৰ ধৰি সেই আঁচনিবিলাকৰ প্ৰায় ৬০-৭০% implementation নোহোৱাকৈয়ে থাকে ফলত আমাৰ মনৰ আশা হাবিৰ ফুল হাবিতেই মৰহি যায়। কিন্তু, উপাধ্যক্ষ মহোদয় মই গৌৰৱেৰে ক'ব পৰা হৈছো যে ২০১৫-১৬ বৰ্ষত আমাৰ বাজেটৰ পুঁজি ব্যৱহাৰ হৈছিল শতাংশ হিচাপে ৫৮% । কিন্তু আপুনি দেখিব যে যিবোৰ প্ৰশাসনিক শিথিলতা, সাধাৰণতে আমি যাক red tapism বুলি কওঁ, red tapism ৰ বাধা নাইকীয়া কৰি আমি administrative reforms কৰিলো, চৰকাৰখনক ৰাইজৰ ওচৰলৈ লৈ আহিলো, আমাৰ যিমান বোৰ বিভাগ আছে সকলো বিভাগলৈ transperancy আনিলো, e-governance কৰিলো, তাৰ ফলশ্ৰুতিত আমাৰ পুঁজিৰ ব্যৱহাৰ ২০২৪ বৰ্ষত ৮৫% লৈ ব্যৱহাৰ কৰিবলৈ সক্ষম হ'লো আৰু এইটোৱে হৈছে আমাৰ চৰকাৰখনৰ এটা বৃহৎ সফলতা। আজি বাজেট এখন প্ৰস্তুত কৰিলেই নহ'ব। সেই বাজেট খনত আমি ক'ত পুঁজি পাম সেইটো আহৰণ কৰাটো ডাঙৰ কাম। সেইকাৰণে বাজেট আহৰণৰ source বোৰ আমি rupee ত পাওঁ। 100 rupees ক'ৰ পৰা আহে সেইটো আমি পূৰ্ণাংগ বাজেটত দিছো। আজি মই এই ৪ মাহৰ লেখানুদানত সেইটো দিয়া নাই। কিন্তু যোৱা বৰ্ষবোৰত ১০০ টকাটো ক'ত পাম সেই কথাখিনি মই স্পষ্ট কৰিছিলো। এই গোটেইখিনি আমি synthesis কৰিছো আৰু synthesis কৰি দেখিলো যে যদি আমি বাজেটৰ লক্ষ পূৰণ কৰিব লাগে তেতিয়া আমি নিজা উৎস পূৰণ কৰিব লাগিব। আমাৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়াই বিভিন্ন সময়ত যোৱা সময়ছোৱাত এই কথাখিনি কৈছে। তালুকদাৰ ডাঙৰীয়া, আপুনি এজন জ্যেষ্ঠ বিধায়ক। আপোনাক মই কৈছো যে আমি এটা সময়ত ২০১৫-১৬ বৰ্ষত আমাৰ মাত্ৰ পুঁজি প্ৰায় আঢ়ৈ হাজাৰ কোটি টকা আছিল, সেই আঢ়ৈ হাজাৰ কোটি টকাৰ পৰা গৈ গৈ আজি আমি প্ৰায় ২৬ হাজাৰ কোটিলৈ পুঁজি আমি বৃদ্ধি কৰিছো। যোৱা বিত্তীয় বৰ্ষত ই প্ৰায় ৩০ হাজাৰ কোটি টকা হৈছে। গতিকে আমাৰ যাত্ৰা যিমান কণৰ পৰা আছিল আঢ়ৈ হাজাৰ কোটি টকাৰ পৰা আজি ৮ গুণ বৃদ্ধি পাই আজি আমি কিমান কৰিলো যে ৭৯৫ শতাংশ, আমি own source of revenue বৃদ্ধি কৰিছো আৰু মই গৌৰৱেৰে এই সদনত উপাধ্যক্ষ মহোদয়ক কৈছো যে ২০২২-২৩ বৰ্ষৰ পৰা স্বাধীনতাৰ ৭৮ বছৰ পূৰ্ণ হ'ল, এইখন চৰকাৰে চৰকাৰী কৰ্মচাৰীক দৰমহা নিজৰ own source of revenue ৰ দিবলৈ সক্ষম হৈছো। অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে যে এতিয়া আমি devolution ৰ ৫০ হাজাৰ কোটি টকা পোৱাৰ পিছত আমি pension ৰ পইচাখিনি ও দিবলৈ সক্ষম হ'ম। এইকাৰণে যে আজি প্ৰথমবাৰৰ বাবে নিযুক্তি হৈছে ডেৰ লাখ নিযুক্তি দিছো, সেই মানুহখিনিক দৰমহা দিব লাগিব চৰকাৰে, সেই দায়িত্ব আমাৰ আছে। যেতিয়া আমাৰ own source of revenue বৃদ্ধি হ'ল আমি থিয় হৈ গৌৰৱেৰে ক'ব পৰা হৈছো যে আমি আৰু ভৱিষতে যদি আমি চৰকাৰী কৰ্মচাৰী নিয়োগ কৰো তেওঁলোকে যাতে ট্ৰেজাৰীৰ দৰমহা মাহেকত সময়মতে পায় সেইটোও চৰকাৰখনে নিশ্চিত কৰিছে। আমাৰ ৩০ হাজাৰ কোটি টকালৈ আমাৰ own source of revenue বৃদ্ধি হ'ল লগতে উপাধ্যক্ষ মহোদয় এইটো কথাই

কৈছো যে বাজেট প্ৰস্তুত কৰোতে আমাৰ কেইবাটাও উৎস থাকে। প্ৰধান উৎসটো হৈছে প্ৰথমতে own source of revenue.দ্বিতীয়তে হৈছে আমাৰ কেন্দ্ৰীয় কৰৰ অংশ, Share of central taxes. সেইটো আমাৰ এটা সংবিধানিক অংশ। ভাৰতৰ সংবিধানে যেতিয়া এই সংবিধান প্ৰস্তুত কৰিছিল, তেতিয়া State ৰ share কিমান হ'ব, Central ৰ share কিমান হ'ব, সেইটো নিৰ্ধাৰণ কৰিছিল আৰু সেইটো সাংবিধানিকভাৱে আমাৰ প্ৰাপ্য। তৃতীয়তে হ'ল আমাৰ devolutionৰ পইচা। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে 16th finance commission. উপাধ্যক্ষ মহোদয় এই সদনত মই বহুত বেছি আজি শেষৰ দিনটোত কথা নকওঁ কিন্তু আগৰ তিনিটা যি finance commission আমি দেখিলো 13th finance commission দেখিলো, 14th finance commission দেখিলো 15th finance commission আমি দেখিলো, this is the 16th finance commission period আৰু আমি 16th finance commission ত সুন্দৰকৈ অসমৰ ইতিহাস তেওঁলোকক কৈছো। অসমে কি কাৰণে share of centrel taxes কম কৈ পায় আছে। সেই কথাখিনি আমি তন্ন তন্ন কৈ কৈছিলো। যেতিয়া 16th finance commission ৰ Chairman আহিছিল অসমলৈ, তেওঁলোকৰ গোটেই দলটো আহিছিল, আমি তথ্যগতভাৱে আমাৰ share কি কাৰণে কম পাইছো সেই কথাখিনি আমি তন্ন তন্ন কৈ দেখুৱাইছিলো। আমি কৈছিলো যে যেতিয়া ১৯৫০ চনৰ সেইখিনি সময়ত আমাৰ অসম আগবঢ়া ৰাজহ সংগ্ৰহকাৰীৰ এখন ৰাজ্য আছিল। তাৰ পিছৰ সময়ছোৱাত আমাৰ বিভিন্ন ধৰণৰ প্ৰতিকূল পৰিস্থিতিৰ কাৰণে, আইন শৃংখলা পৰিস্থিতি,বানপানী, গৰাখহনীয়া এই সমস্যা বিলাকেৰে এই পৰিক্ৰমেৰে আহি আহি আমাৰ কি হ'ল হয়তো আমাৰ সাংগাঠনিক, administrative, in efficiency যি কাৰণে নহওঁক আমি সেই commission বিলাকক, আমাৰ যিটো revenue gap আছে, আমি সেই revenue gap টো দেখুৱাব পৰা নাছিলো আৰু উপাধ্যক্ষ মহোদয় ৩ টা data আছে মোৰ লগত তথাপিও মই simple কৈ কৈছো আগত successive যিবিলাক finance commission আছিল, finance commission 13th, finance commission 14th, finance commission 15th, আমি এই কথাবিলাক ভালদৰে দক্ষতাৰে তেওঁলোকৰ আগত ক'ব নোৱাৰা কাৰণে অসমৰ share of central taxes কমি গৈছিল। অথচ আমি দুখেৰে তেওঁলোকক ক'ব লগা হ'ল যে ওচৰৰ সৰু সৰু ৰাজ্যবিলাক তেওঁলোকে কওঁক একো বেয়া কথা নহয়, আমি বেয়া নাপাওঁ তেওঁলোকে আমাতকৈ বহুত বেছি share of central taxes ৰ share সংগ্ৰহ কৰিলে। এই গোটেই কথাখিনি যেতিয়া আমি তেওঁলোকক বুজাই ক'লো তেতিয়া তেওঁলোকে সন্মতি প্ৰকাশ কৰিলে আৰু ফলস্বৰূপে আপোনালোকে দেখিলে ০.২৫ শতাংশ আমাৰ 16th finance commission ত আমাৰ অসমৰ share টো বৃদ্ধি হ'ল আৰু লগে লগে আমি কি কৰিলো devolution ৰ পইচাটো যথেষ্ঠখিনি বৃদ্ধি পালে, আপোনালোকে যদি 16th finance commission ৰ website ত চায়, আপোনালোকে দেখা পাব central taxes বেছি পোৱা ৰাজ্যৰ ভিতৰত অসম ও আছে। আমি ০.২৫ শতাংশ বঢ়োৱাৰ বাবে যথেষ্ঠ খিনি devolution ৰ পইচা প্ৰত্যেক মাহে বৃদ্ধি পাব। মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া আপোনাক মই ক'লো আমাৰ share of central taxes devolution ৰ পইচা আমি ৫০,০০০ কোটি টকা পাম। যোৱাবাৰ ৪৫ হাজাৰ কোটি টকা পাইছিলো , দেখ দেখকৈ এইবাৰ ৫ হাজাৰ কোটি টকা বাঢ়ি গ'ল। এতিয়া আমি own share of taxes বেছি পালো, আমাৰ own revenue বাঢ়িল ৩০ হাজাৰ কোটি টকা। এই ৮০

হাজাৰ কোটি টকা আমাৰ কৰ্মচাৰী সকলৰ দৰমহা তেওঁলোকৰ পেঞ্চন আমাৰ revenue expenditure আমি সেইখিনি কৰিব পাৰিলো। তাৰ লগতে আমি আনুসংগিকভাৱে ইয়াৰ যিখিনি পুঁজি ৰাহি হ'ব, সেই ৰাহিৰেও আমি বিভিন্ন ধৰণৰ উন্নয়নমূলক কামবিলাক কৰিব পাৰিম। কেন্দ্ৰীয় চৰকাৰৰ Grant in Aid আছে সেই Grant in Aidৰ পৰা আমি কাম কৰিব পাৰিম। External added যিবিলাক project আছে, যিসকলৰ project বিলাকত কেন্দ্ৰীয় চৰকাৰে ৯০ শতাংশ তেওঁলোকে লোণ লয় আৰু অসমলৈ মাত্ৰ ১০ শতাংশ আমাৰ State share দিব লাগে। কিন্ত এটা সময় আছিল উপাধ্যক্ষ মহোদয়, অসমে এই পইচা বিলাক কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিব পৰা নাছিল। মই প্ৰথম কাৰণটো ক'লো ইতিমধ্যে devolution gap এই কাৰণে বৃদ্ধি পাইছিল কাৰণ প্ৰতিবেদন খন আমি ভালদৰে দাখিল কৰিব পৰা নাছিলো কেন্দ্ৰীয় চৰকাৰৰ ওচৰত। আমি share of Central tax ৰ সজোৰে প্ৰতিবেদন দিয়াৰ পিছত বৃদ্ধি হ'ল আৰু লগতে devolution grant আমাৰ বৃদ্ধি হ'ল। আমাৰ যিটো ১০ শতাংশ share থাকে চৰকাৰৰ বিভিন্ন আঁচনিৰ বিপৰীতে, সেইখিনি দিব নোৱাৰা কাৰণে কেন্দ্ৰীয় চৰকাৰে যিবিলাক Grant in Aid ৰ পইচা আছিল, সেইখিনিৰো ভাগ অসমে কমকৈ পাইছিল। আজি সেইকাৰণে বাজেট size কেনেকৈ বৃদ্ধি কৰিব পাৰিলো, আমাৰ হাতত টো আলাউদ্দিনৰ চাকি নাই। সেইখিনি কাম আমি সেইকাৰণে কৰিলো যে অসমৰ ৰাইজৰ সদিচ্ছা আছে আৰু এইখিনি কাম কৰিবৰ কাৰণে যিকেইটা parameter আছে, সেই parameter টো হৈছে আজি যে আমাৰ ৪৫ শতাংশ বাঢ়িছে fastest growing economy of the country হৈছে। ইয়াৰ ৩ টা কাৰণ আছে ১নং কাৰণটো হৈছে Agriculture sector, ইয়াৰ growth বাঢ়িব লাগিব। দ্বিতীয়তে Industry sector ৰ growth বাঢ়িব লাগিব। তৃতীয়তে service sector ৰ growth বাঢ়িব লাগিব। এই তিনিওটা খণ্ডৰ যদি growth টো বাঢ়ে তেতিয়াহে GDP growth বৃদ্ধি হয়। আপোনালোকক ক'বলৈ পাই ভাল পাইছো যে কেন্দ্ৰীয় চৰকাৰৰ যিটো GDP growth তাত আমি contribute কৰাৰ percentage বাঢ়িল আমাৰ। এই বৃদ্ধি হোৱাৰ কাৰণটো হ'ল যে আমি তিনিওটা খণ্ডত ভাল কাম কৰিছো। আজি কৃষি খণ্ডত ভাল কাম হৈছে। আজি MSP স্বাধীনতা ৭৭ বছৰ পিছত আমি সকলোৱে জানো অসম এখন Agrarian State. অসম এখন কৃষি ভিত্তিক দেশ, নদীমাতৃক দেশ। এই চিন্তাটো কেতিয়াও কৰা হোৱা নাছিল যে কৃষি খণ্ডত আগবাঢ়ি গ'লে যে GDP growth বাঢ়িব। আমি সদায় কওঁ যে দিল্লী আমাৰ পৰা বহুত দূৰত।

(Hon'ble Speaker on the chair)

কিন্তু দিল্লীৰ পৰা পইচা আনিবলৈ যোৱাৰ দক্ষতাটো চৰকাৰ খনৰ থাকিব লাগিব, দিল্লীৰ পৰা কেনেকৈ আনিব লাগে। প্ৰথম যেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই ease of doing portal টো খুলিছিল তাত অসমৰ কোনো তথ্যই নাছিল। দিল্লীৰ যেতিয়া উদ্যোগপতি সকল আহে, তেওঁলোকে আমাক কৈছিল ease of doing business ৰ যিটো portal আছে তাত কোনো ধৰণৰ তথ্য নাই ।আজি অসমৰ portal ত যদি ৰাজ্যখনৰ কোনো ধৰণৰ তথ্য নাথাকে, বাহিৰৰ পৰা উদ্যোগপতি বিলাক বিনিয়োগ কৰিবলৈ কেনেকৈ আহিব? এই কথাবিলাক বুজিবলৈ অধ্যক্ষ মহোদয় আমাক ৭৭ বছৰ লাগিল। বিনিয়োগ একে দিনতে নহয়। ডাঙৰ ডাঙৰ পুঁজিপতি সকলৰ কথা ক'লে নহ'ব, সেইসকলৰ পুঁজিপতিৰ পৰা আমাৰ কেনেধৰণৰ নিৰনুৱা সমস্যা সমাধান কৰিব পাৰো তাৰ লাভালাভ ল'বৰ কাৰণে অসমেও আগুৱাই যাব লাগিব। Hand shack দিলেও এখন হাতেৰে নহয় অধ্যক্ষ মহোদয়, দুখন হাতেৰে হ'ব। অসম আগুৱাই যাব লাগিব। চৰকাৰৰ যিটো effi-

ciency আছে সেই efficiency দেখাব পাৰিব লাগিব। আজি মই ক'বলৈ পাই ভাল পাইছো যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সুস্থ সবল নেতৃত্বত প্ৰত্যেকটো বিভাগে ভাল কাম কৰিছে, মই বিত্ত মন্ত্ৰী হিচাপে গৌৰৱ অনুভৱ কৰিছো। মই অকল বাজেট প্ৰস্তুত কৰো কিন্তু ৰূপায়ণ কৰে বিভাগ বিলাকে। অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীৰ দক্ষ নেতৃত্বত তেখেত্ৰ সকলো বিভাগৰ ওপৰত দখল আছে আৰু মন্ত্ৰীসভাৰ সকলো মাননীয় সদস্যই, বিধায়ক সকলে team Assam কৰাৰ কাৰণে আজি আমি উদ্যোগীকৰণৰ ক্ষেত্ৰত এই পদক্ষেপ ল'বলৈ সক্ষম হ'লো। মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আছে, তেখেতে আৰম্ভণি কৰিছিল উদ্যোগীকৰণৰ। আমি Advantage Assam 2.0 যিখন পাতিলো সেই Advantage Assam ত প্ৰায় ৫ লাখ কোটিতকৈও বেছি কোটি টকা আমি একমিনিত

**মাননীয় অধ্যক্ষঃ**- দাবী মঞ্জুৰী সমূহ আমাৰ ২.৩০ বাজিছে, গিলেটিনত দিয়া হ'ল। আপুনি Con-tinue কৰক।

**শ্ৰীমতী অজন্তা নেওঁগ , বিত্ত মন্ত্ৰীঃ**- ৫ লাখ কোটি টকাৰ MOI কৰিবলৈ আমি সক্ষম হ'লো। অসমৰ নিচিনা এখন ৰাজ্যৰ কাৰণে ই সহজ কথা নহয়। অধ্যক্ষ মহোদয়, জ্যোতি প্ৰসাদ আগৰৱালাই কৈছিলে, " গাওঁলীয়া বাটেৰে লুইতৰ ঘাটেৰে পৃথিৱী চাবলৈ যাওঁ। অধ্যক্ষ মহোদয়, আজিৰ semi condutor Projector পৰা আমি ডাভোচলৈ গলো, অসমৰ মুখ্যমন্ত্ৰী য়ে ডাভোচতগৈ চুইজাৰলেণ্ডত কি ক'লেগৈ ? সেই বিশ্ব উদ্যোগক সন্মিলনত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই ক'লে , যে গ্ৰাণ্টৰ পৰা আমি সমৃদ্ধিলৈ আহিছো। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ এই প্ৰত্যাহবান মুলক ৰাজ্যখনৰ পৰা গৈ আজি Semi Conductor Porject, আজি Urea Project আজি নুমলিগড়ৰ Project ইয়াৰ পৰা লাহে লাহে ডাভোচলৈ গৈ তাতেও তেওঁ ব্যৱসায়িক চুক্তি কৰি আহিছে। আজি আমি এটা নতুন দৃষ্টিভংগীৰে চাবলৈ শিকিছো। এই চৰকাৰখনে পুৰনিকলীয়াক সকলো negatve মানসিকতা নাইকীয়া কৰি অসমক আজি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবৰ কাৰণে আগুৱাই গৈছে। মই সকলোকে আহ্বান জনাও এটা সময় আছিল আন্ধাৰৰ কলিয়া ডাৰৰ শান্তি শৃংখলা আমাৰ নাছিল, মই নিজেও ব্যক্তিগত ভাৱে বলি সেই পৰিবেশৰ। কিন্তু আজি অসম আগুৱাই গৈছে। আজি আমাৰ ল'ৰা- ছোৱালীয়ে সম্ভাৱনাৰ দুৱাৰ দেখিছে। আমাৰ অসম ল'ৰা -ছোৱালীৰ যি নিজৰ মাজত থকা প্ৰতিভা, সেই প্ৰতিভা আজি বিকশিত হৈছে। আজি বহু বাহিৰৰ ৰাজ্য,ৰাস্তা বিলাক অসমৰ ল'ৰা - ছোৱালী গৈছে। অসমৰ প্ৰতিভা বিকাশ হ'বই, তাত কোনেও বাধা দিব নোৱাৰে। আমাৰ যুৱ প্ৰজন্মক আমি এটা পৰিবেশ দিবৰ বাবে চেষ্টা চলাইছো। যিটো হৈছে এটা কাম কৰাৰ পৰিবেশ। মই বাজেটৰ শেষত এই কথাখিনি হয়তো কিছু আৱেগিক হৈছিলো। আমাৰ ল'ৰা - ছোৱালী বিলাকৰ যথষ্টে প্ৰতিভা আছে, আৰু সেই প্ৰতিভা বিকাশ হ'ব লাগিবই। আজি আমাৰ ল'ৰা - ছোৱালী বিলাকে কিবা কাৰণত বাহিৰলৈ গৈছে। সেই ল'ৰা- ছোৱালী বিলাকক ঘুৰাই অনাৰ দায়িত্ব আমাৰ সকলোৰে। চৰকাৰখনে, মুখ্য মন্ত্ৰী ডাঙৰীয়াই প্ৰতিটো ক্ষেত্ৰত অতি আন্তৰিকতাৰে কাম কৰিছে। তাৰ ফলতশ্ৰুতিত আজি আমাৰ উদ্যোগিক পৰিৱেশ হৈছে। এই পৰিৱেশেৰে আমি আশা কৰিছো যে উদ্যোগ - বাণিজ্যৰে আমাৰ বাহিৰত থকা ল'ৰা - ছোৱালীবিলাক ঘূৰি আহিব আৰু অসমত আমাৰ যিসকল যুৱব-যুৱতী আছে সেই সকল ভৱিষ্যতে কৰ্মৰত হ'ব। আমি এইটো কথা কৈছো যে ১.৫০ লাখ চৰকাৰী চাকৰি আমাৰ সন্তুস্তিৰ কাৰণ নহয়। সামগ্ৰিক ভাৱে তাত কেনেধৰণে Supplementকৰিব পাৰো আমাৰ উদ্যমি যুৱক-যুৱতী সকলক কেনেধৰনৰ ক্ষুদ্ৰ মজলীয়া ব্যৱসায়েৰে আগুৱাই লৈ যাব পাৰো সেই কথাখিনেও আমাৰ

আগৰ বাজেট বিলাকত চিন্তা কৰা হৈছে। এই কাৰণে আজি আমাৰ ৰাজ্যখনত Growth ত reflect পৰিছে, Agriculture ৰ Growth ত reflect ত reflect পৰিছে, আমাৰ উদ্যোগিক growth ত reflect পৰিছে আৰু শেষত Service Sectore ত। Service Sectore ৰৰ কাৰণে বাঙ্গালুৰু, মুম্বাই এই বিলাক জেগাত আমাৰ ল'ৰা- ছোৱালী বিলাক অসমত চদি আমি তেনেকুৰা Service Industry এটা গঢ়ি তুলিব নোৱাৰো তেতিয়াহ'লে আমি অসম কেনেকৈ আগুৱাই যাম। সদায় পৰ নিৰ্ভৰশীল জাতি এটা হৈ থাকিব নেকি? অধ্যক্ষ মহোদয় এই Service Sector ৰ কাৰণে আজি আমাৰ কাজিৰঙা পৰ্য্যটনৰ মানচিত্ৰত উজ্বল হৈ আছে। আমি অসমৰ এশিগুিয়া গড়ৰ কথা কওঁ, কাজিৰঙাত যদি ভাল হোটেল এখন নহয়, তেতিয়া হ'লে তাত International যিবিলাক tourist আছে তেওঁলোক নাহে।, আৰু সেই আছে তেওঁলোক নাহে আৰু সেই tourist বিলাকক বেলেগ Distination ত লৈ যায়। যাতে আমাৰ Money drain নহয়,সেইখিনি কৰিবৰ কাৰণে আজি পৰ্য্যটনৰ সুবিধা দিবৰ কাৰণে আজি Multinational Company বিলাক অসমত আহিব লাগিব। আজি বেলেগ ৰাজ্য বিলাকত মই দেখিছো যেতিয়া মই GSt Council ৰ মিটিংত যাওঁ তেনেকুৰা ধৰনৰ Investment ৰ কথা মোৰ চটিশগড়ৰ কাষত মন্ত্ৰীজনে সদায় কয়, তেওঁলোকে বহু বহু incentive দিছে। আমাৰ ৰাজ্যখনেও আমি উদ্যোগ বিভাগত যিমান পাৰিছো ১০০ শতাংশ GST reimbursment, মাটি, বা power supply road এই বিলাকএটা pre- condition. আপোনালোকে মহা ৰাষ্ট্ৰত যাব, তেওঁলোকে লাখ লাখ কোটি টকা invest ৰক তেওঁলোকে incentive দিয়ে। গতিকে অসমৰ তেনেকুৰা ধৰনৰ পৰিকল্পনা স্বাধীনতাৰ ৯৯ বছৰত কেতিয়াওঁ হোৱা নাছিল। কিন্তু, যোৱা সময়ছোৱাত আমি দৃঢ়তাৰে মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি উদ্যোগিক Policy কৰিলো। আজি বিমল বৰা ডাঙৰীয়াই এই House ত বহুত বাৰ কৈছে উদ্যোগ নীতিয়েই নাছিল, পৰ্য্যতন নীতিয়েই নাছিল। যেতিয়া এখন চৰকাৰৰ নিৰ্দিষ্ট লক্ষ্য নাথাকে, কেনেকৈ উপনীত হ'ব- অধ্যক্ষ মহোদয়, নিৰ্দিষ্ট লক্ষ্য থাকিব লাগিব। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লক্ষ্য আছিল যে অসমে ৫ খন ভাল ৰাজ্যৰ ভিতৰত এখন ৰাজ্য হ'ব। তাৰ পৰিনতিত আমি first stage growing economist in the country হ'লো। আমাৰ বাজেট চাইজ বাঢ়িল, আমাৰ খৰচ বাঢ়িলে। লগতে আমাৰ Capital expenditure বাঢ়িছে। আমি বাজেট প্ৰস্তুত কৰো। আমি হয়তু সেই কথা বিলাক বুজো। সদনৰ বাহিৰলৈ অধ্যক্ষ মহোদয় এনেকুৰা এটা মেছেজ যাব নালাগে যে ৰাজ্যখনে ঋন লৈছে। মই আগতেওঁ কৈছো, Loun is dynamic concept . আজি আপোনালোকে world economyচাব, ভাৰতবৰ্ষৰ economy, চাব , ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰও economy আপোনালোকে চাব। তাত আপোনালোকে দেখিব মই তালিকায়েদি যাব খুজা নাই। তাত তেওঁলোকে নিজৰ ভেপ্ট GST maintain কৰে, কোনোবা বেছি হৈছে, কোনবোৰ পিচ পৰিছে, সেই কাৰণে আমাৰ GST ৰ যিখন Council আছে it is a dicentralized Leody, Democratic Leody. প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই প্ৰথম বাৰৰ কাৰণে যিবিলাক ৰাজ্য আছে, বিভিন্ন সৰু বৰ ৰাজ্য সেই বিলাকৰ মাজত যিটো economic disparity আছে Regional disprily আছে সকলো নোহোৰা কৰিবৰ কাৰণে GST council গঠন কৰিছে, GST council is a Constitutional leody আৰু সেই কাৰণে সেইখন body য়ে ইমান ভালকৈ Financial prudence, Control, Macanism কৰাৰ কাৰণে আজি ভাৰবৰ্ষ বিশ্বৰ 4th econome ত আছে বৰ্তমান আৰু ভৱিষ্যতে হয়তো 3rd economey হ'ব। তেনে লক্ষ্যৰে আমি অসমেও

যাতে আমাৰ Depth GSEB বা আমাৰ Financeial Control, FRBM ACT, আৰু RBI ৰ বিলাক Guide Lines আছে. সকলোখিনে আমি মানি পেলাই তাৰ ভিতৰতে আমি যিখিনি কৰিব লগা আছে কৰিছো, ঋণৰ কথা যিমানখিনি percentage Loan ল'ব লাগে,Loan is a Constitutional mandade ভাৰতবৰ্ষৰ Constitution য়ে সকলো ৰাজ্যকে দিছে। গতিকে কোনে বেছি লৈছে, কোনে ক'ম লৈছে মই নকওঁ। আজি মই সদনৰ পবিত্ৰ মজিয়াত কৈছো, যে আজিৰ দিনতোত আমি ২০২৮ আৰু ২৫ বিত্তীয় বৰ্ষৰ Depth GSTB তালিকা যদি ভাৰতবৰ্ষত আমাৰ চায় অসমৰ Position এতিয়া ২১ নম্বৰত আছে। আমি সম্পূৰ্ণ ভাৱে নিয়ম নীতিৰ মাজেৰে এই পুঁজিখিনি লৈছো,আৰু যিখিনি পুঁজি আমি লৈছো, সম্পূৰ্ণ Capital expeniture ত লৈছো। যদি একবছৰত লোৱা ঋনৰ তালিকাখন চাব, Capital expenditure কিমান কৰিলো সেইটোও চাব। আজি আমাৰ অসমে যোৱা ৫ টা বছৰত আমি এই বছৰত Highest capital expenditure কৰিছো। কিছুমাহ আগতে আমাৰ বিত্তমন্ত্ৰী নিৰ্মলা চিটাৰমন ডাঙৰীয়ানি আমাৰ অসমলৈ আহিছিল পুঁজিৰে প্ৰকল্প নিৰ্মাণ কৰিছো। আপুনি দেখিছে উপাধ্যক্ষ মহোদয় ৫ হাজাৰ মানুহ বহিব পৰা জ্যোতি বিষ্ণু এটা ক'লা মন্দিৰ নিৰ্মান হৈছে এইখন চৰকাৰৰ দিনত। আজি বিভিন্ন ধৰনৰ ডাঙৰ ডাঙৰ প্ৰকল্পনা নিৰ্মান হৈছে। সেই বিলাক ক'ৰ পৰা পালো। আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত দলং হৈছে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈয়ে গৈছে যে Rever tront Develoment. এই Capital Project বিলাক এইখন চৰকাৰৰ দিনত আমি কেন্দ্ৰীয় চৰকাৰৰ সহযোগীতা বিভিন্ন ধৰনৰ অনুদানেৰে সুন্দৰকৈ এই গোটেইখিনি কৰিছো। RIDF ৰ কথা আপোনালোকে জানেই। গতিকে আমাৰ লক্ষ্য হৈছে আমাৰ জনসাধাৰণৰ যিখিনি মৌলিক সমস্যা আছে, সেই সমস্যাখিনি নাইকীয়া কৰা সাংস্কৃতিক ৰক্ষা কৰা আৰু সকলোখিনি আমাৰ যিটো নিৰ্বাচনী প্ৰতিশ্ৰুতি আছিল, সেইখিনি আমি পালন কৰা, লগতে আমি এখন বিকশিত অসম তৈয়াৰ কৰা। এই লক্ষ্যৰে আমি যোৱা ৫ টা বছৰ আমি দিনক ৰাতি Team Assam কৰি মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমি সকলো কাম কৰি আছো। আপোনালোকে নিজৰ নিজৰ সমষ্টিত কোনোবাই বেছি নিজৰ কৰিব পাৰে, কোনোবাই ক'ম কৰিব পাৰে, কিন্তু মই অধ্যক্ষ মহোদয়, আপোনাক বিনম্ৰভাৱে ক'ব বিচাৰিছো যে এই সদনত মোৰ ২৫ টা বছৰ হৈছে। এই ২৫ বছৰীয়া অভিজ্ঞতাৰে যথেষ্টখিনি অভিজ্ঞতা হয়তো লাভ কৰিছো। মই সদস্য সকলৰ কিয় কথা বুজিব পাৰো। কিন্তু আমাৰ কথা হৈছে যে সকলো বিধায়কে, মানুহৰ সকলো সপোন যে পূৰণ কৰিম, সেইটো নহয়। কিন্তু আমাৰ কথা হ'ল এজন মানুহ যেতিয়া বিপদগ্ৰস্ত হয়, তেতিয়া সেই সকলৰ ওচৰত আমি ঠিক হ'ব লাগে। কিছুমান লক্ষ্য আছে। আমি দৰিদ্ৰ মানুহৰ ওচৰত যাতে থিয় হ'ব পাৰো। অৰুণোদয় আঁচনিখন এনেকুৱা এখন আঁচনি যে ই বিপদৰ সময়ত দৰিদ্ৰ মহিলা এগৰাকীৰ ওচৰত থিয় হয়। আজি আমি সংকল্প পত্ৰত দিছো যে ভৱিষ্যতলৈ আমি এই আঁচনিৰ পুঁজি বৃদ্ধি কৰিম। এইখন আঁচনি মুখ্যমন্ত্ৰী মহোদয়ে যেতিয়া প্ৰথমবাৰৰ বাবে আৰম্ভ কৰিছিল তেতিয়াৰ পৰা আমি ১৯ লাখ পৰিয়ালৰ পৰা ৪০ লাখ পৰিয়াললৈ সাঙুৰিবলৈ সক্ষম হৈছো। এই বছৰৰ শেষত হয়তো আমি ১৮,০০০ কোটি টকা ব্যয় কৰিব পাৰিম। এয়া সহজ কথা নহয়। কিন্তু সকলোতকৈ ডাঙৰ কথা হ'ল মনটো। আজি দৃঢ় মনেৰে অসমৰ ৪০ লাখ পৰিয়ালক সেৱা কৰাৰ চৰকাৰখনৰ যি সদিচ্ছা সেই সদিচ্ছাক আমি সন্মান জনাব লাগে।

অধ্যক্ষ মহোদয়, মই এগৰাকী বিধায়িকা। মোৰ সমষ্টিত বহু চাহ বাগিছা আছে। চাহ বাগিছাৰ দৰিদ্ৰ মানুহ সকলৰ শুকান মুখবোৰ দেখিলে আমাৰ অন্তৰ কঁপি যায়। তেওঁলোকক

ইমান বছৰে আমি যেনেধৰণে সহায় কৰিব লাগিছিল তেনেধৰণে কৰা নাছিলো। হয়তো ৰাজনৈতিক সদিচ্ছাৰ অভাৱ বা হয়তো পুঁজিৰ অভাৱ আছিল। কিন্তু আজি আমি সেই অঞ্চলবিলাকলৈ গ'লে তেওঁলোকৰ মুখৰ হাঁহি, চকুৰ চমক দেখি অতি আনন্দিত হৈছো। প্ৰথমবাৰৰ বাবে সেই অঞ্চলৰ মানুহবিলাকে অনুভৱ কৰিছে যে তেওঁলোকৰো যে এটা অস্তিত্ব আছে। ব্ৰীটিছে তেওঁলোকক ২০০ বছৰ আগত লৈ আহিলে। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি হৈছিল। ১৮২৬ চনৰ পৰা ২০২৬ চনলৈ ২০০ বছৰ হ'ল কিন্তু তেওঁলোক অহাৰ খবৰ কোনে ৰাখিছে? আজি ২০০ বছৰ পিছত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই চাহ জনগোষ্ঠীৰ লোকসকলৰ প্ৰতি সন্মানজনকভাৱে সদিচ্ছা দেখুৱালে। দৰিদ্ৰ লোকসকলক কেৱল পুঁজিৰে সন্তুষ্টি  নহয়, তেওঁলোকক সন্মান জনোৱাই তেওঁলোকৰ সকলোতকৈ ডাঙৰ সন্তুষ্টি। এই জনগোষ্ঠীয় লোকসকলে সুখ-দুখত ঝুমুৰ নৃত্য কৰে, তেওঁলোকৰ অন্তৰৰ বেদনাবিলাক ঝুমুৰ নৃত্যৰ জৰিয়তে প্ৰকাশ কৰে।

অধ্যক্ষ মহোদয়, আপুনি বাগুৰুম্বা নৃত্য promote কৰি আহিছে। আমি আজি এই লোক সংস্কৃতিক বিশ্ব দৰবাৰলৈ নিবলৈ সক্ষম হৈছো। এইবোৰত কোনো ৰাজনৈতিক লাভালাভ নাথাকে। এইবোৰ হৈছে আমাৰ জাতিটোৰ প্ৰতি দায়বদ্ধতা।  চাহ বাগিছাৰ লোকসকলৰ এটি কলি দুটি পাতৰ সময়ত যেতিয়া আমি তেওঁলোকৰ ওচৰলৈ গৈছিলো তেতিয়া তেওঁলোকৰ মনৰ আনন্দ মুখত ফুটি উঠিছিল। শিক্ষাৰ ক্ষেত্ৰত স্কুল স্থাপন হ'ল। আমাৰ শিক্ষামন্ত্ৰী ডাঙৰীয়াক সকলোৱে ভুয়সী প্ৰশংসা কৰিছো যে চাহ বাগিছাত স্কুল পতাৰ লগে লগে চাহ বাগিছাৰ পৰিৱেশ সলনি হৈছে। আজি তাত জগন্নাথ কমিউনিটি হৈছে, ৰাস্তা পদূলি হৈছে। শেহতীয়াভাৱে চাহ বাগিছাৰ লোকসকলক যিখিনি সন্মান ভূমি পট্টাৰ জৰিয়তে যাচিছে, মই  ভাৱো ইয়াৰ বিকল্প একো হ'ব নোৱাৰে। মিছন বসুন্ধৰা কোনে কেনেকৈ চাইছে নাজানো কিন্তু বছৰ বছৰ ধৰি যিসকল  লোকে গৰাখহনীয়াতে হওঁক বা অন্যান্য কাৰণত ভূমিহীন হৈছে সেই লোকসকলৰ প্ৰায় ৩ লাখৰো বেছি লোকে ভূমিৰ অধিকাৰ পাবলৈ সক্ষম হৈছে। অধ্যক্ষ মহোদয়, আমি নিজেও নাজানিছিলো আমাৰ সমষ্টিত আমি পঢ়া  স্কুলবোৰ এতিয়াও বিভাগৰ নামাকৰণ হোৱা নাই। আমি যিবোৰ নামঘৰত চাকি জ্বলাই আছো তাৰ মাটিও নামঘৰৰ কমিটিৰ নামত নাই। আমাৰ যিবোৰ চৰকাৰী প্ৰতিষ্ঠান আছে বা বহুবছৰ ধৰি যিবোৰ আমাৰ মালিকনাত আছে তাৰেই অধিকাৰ আমাৰ হাতত নাই। সেইবোৰ আমি চোৱাই নাছিলো। ব্ৰীটিছে বনাই যোৱা পুৰণিকলীয়া Land and Revenue Act ৰ তলত আমি পৰিচালিত হৈ আছিলো। এই আইনখনত কোনোধৰণৰ সংশোধনী নাছিল। মই এইখন চৰকাৰক ধন্যবাদ জনাওঁ যে পুৰণিকলীয়া যিবোৰ আইন আছিল সেইবোৰ বিলুপ্তি হ'ল, যিবোৰ আইনৰ প্ৰয়োজনীয়তা নাই, সেইবোৰ আইন নাইকীয়া কৰা হ'ল। এইবাৰ সদনত আমি যোৱা ৫ বছৰে বহু আইন বিলুপ্তিকৰণ কৰিলো। কেন্দ্ৰীয় চৰকাৰৰ 'ন্যায় সংহিতা' নতুনকৈ নতুন দৃষ্টিভঙ্গীৰে প্ৰস্তুত কৰা হ'ল।

অধ্যক্ষ মহোদয়, Justice delayed, Justice denied হ'লে যিসকলে ন্যায় পাবলৈ থাকে তেওঁলোকে ন্যায় পোৱাৰ ক্ষেত্ৰত ভুক্তভোগী হয়। আজি এই চৰকাৰৰ জৰিয়তে এই পুৰণিকলীয়া system সমূহ reform হৈছে। সেয়েহে আমাৰ বিত্তীয় অৱস্থাটো ভাল হৈছে। আমি ৭০ লাখ কোটি টকাৰ পৰা ২ লাখ কোটি টকা এনেই আনিব নোৱাৰো, যদিহে ইয়াত transperancy, system reform  কৰিব নোৱাৰো। আমাৰ যিবোৰ black আইন আছিল সেইবোৰ abolish হৈছে। গোটেই system টো reform কৰা বাবে revenue collection augment হৈছে। আমি Tax collect  কৰোতে বহুত leakage দেখিবলৈ পাইছিলো।

বহিঃৰাজ্যৰ পৰা অসমলৈ যিবোৰ বস্তু আহে, আমি যিধৰণে State GST পাব লাগে সেইধৰণে পোৱা নাছিলো। সেই leakage বোৰ চাই আজি আমাৰ Tax revenue increase কৰিবলৈ সক্ষম হৈছো। যোৱা ৫ টা বছৰত এইখন চৰকাৰে যিমান পাৰিছে ৰাইজৰ সুখ-দুখৰ লগত থাকি বানপানীৰ পৰা সমৃদ্ধিলৈ, সমৃদ্ধিৰ পৰা সংকল্প লোৱাৰ ক্ষেত্ৰত আমি অটুট আছো। আমি একেদিনাই হয়তো ১০০ শতাংশ আগবাঢ়ি যাব নোৱাৰিব পাৰো কিন্তু step by step আগুৱাই গৈ আছো। অৰুণোদয় ১৯ লাখৰ পৰা ৪০ লাখ হৈছে, ভৱিষ্যতলৈ হয়তো আৰু বাঢ়ি থাকিব। যিখিনিয়ে পাবলগীয়া আছে, সেইখিনিয়েও ইয়াত অন্তৰ্ভূক্ত হ'ব। স্বচ্ছ আৰু নিকা পদ্ধতিৰে চৰকাৰী চাকৰি হোৱাৰ বাবে যুৱক-যুৱতীৰ মাজত আশাৰ বতৰা আহিছে। এয়াই হৈছে আমাৰ প্ৰাপ্তি। আমি ইমানদিনে গুৰুজনাক সেৱা জনাই আহিছিলো। শংকৰগুৰু, মাধৱগুৰুৰ নামত বৰদোৱাত যি আৱিৰ্ভাৱ ক্ষেত্ৰ হ'ল, ইয়াৰ জৰিয়তে গুৰুজনা সকলক বিশ্ব গুৰু ৰূপত এইখন চৰকাৰে প্ৰতিষ্ঠা কৰিছে। ইয়াতকৈ আৰু সন্তুষ্টিৰ কথা কিবা হ'ব লাগে নেকি! মানুহে দিয়া আশীৰ্বাদৰ জৰিয়তে এইখন চৰকাৰে আধ্যাত্মিকতাৰ দোলেৰে সংকল্পৰ পৰা সিদ্ধিলৈ লৈ যাবলৈ সক্ষম হৈছো। আমাৰ দলৰ যিখন vision document আছে, তাৰ ৯০ শতাংশ সংকল্পৰ কাম আমি কৰিবলৈ সক্ষম হৈছো। শিক্ষা, স্বাস্থ্য, সমাজ-কল্যাণ, বানপানীমুক্ত অসম গঢ়াৰ ক্ষেত্ৰত মাৰ্গ দৰ্শনীৰ দস্তাবেজেৰে ভাৰতীয় জনতা পাৰ্টীৰ সংকল্প পত্ৰত সেইখিনি দৃষ্টিভংগীৰে আজি এই চৰকাৰখনে কাম কৰিছে।

গতিকে অধ্যক্ষ মহোদয়, মই আৰু বিশেষ ক'ব নিবিচাৰো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেওঁৰ এই ৫ বছৰীয়া সময়ছোৱাত তেওঁৰ ৰাইজৰ প্ৰতি যি দায়বদ্ধতা আৰু তাৰ যি ৰিজাল্ট সেই সকলোখিনিৰ বিষয়ে কৈছে। শেষত মই এটা কথাই কওঁ যে চাৰি মাহৰ বাবে মই এই পুঁজিখিনি বিচাৰিছিলো। চাৰি মাহৰ পিছত যেতিয়া আকৌ চৰকাৰ হ'ব সেই চৰকাৰে পূৰ্ণাঙ্গ বাজেট দাখিল কৰিব আৰু সেইখিনিৰ মই অনুমোদন বিচাৰিলো। শেষত অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো যে এইখন বিধান সভাত পঞ্চমবাৰৰ বাবে এগৰাকী বিধায়িকা হিচাপে নিৰ্বাচিত হৈ আপোনাৰ যি দক্ষতা, নিৰপেক্ষতা সেয়া আমাৰ সকলোৰে অন্তৰ চুই গৈছে। এটা কথাত মই আপোনাক বিশেষভাৱে ধন্যবাদ ও কৃতজ্ঞতা জনাম যে আপুনি ইমান ধুনীয়াকৈ বিধান সভাৰ ভৱনটো বনালে। এটা সময়ত আমি ভঙা ঘৰত আছিলো, মজিয়াত পানী হৈছিল। কিন্তু আপুনি দৃঢ়তাৰে এই ভৱন নিৰ্মাণ কৰি পঞ্চদশ অসম বিধান সভাৰ এক নতুন পৰিচয়, ৰাজনৈতিক দক্ষতা, গণতান্ত্ৰিক মৰ্য্যাদা ৰক্ষা কৰাৰ বাবে সৎ পৰামৰ্শৰে বিধান সভাত নেতৃত্ব দিলে তাৰবাবে আপোনাক মোৰ ফালৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিছো। শেষত এই সদনৰ সকলোকে মই যোৱা সময় চোৱাত যিখিনি পাৰিছো বিত্ত মন্ত্ৰী হিচাপে, মন্ত্ৰী সভাৰ সকলো সদস্য হিচাপে, হয়তো সকলো grant ত মোৰ সামৰ্থ্য হিচাপে মই চেষ্টা কৰিছিলো। সকলোকে মই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। বিশেষকৈ মোৰ বিত্ত বিভাগৰ বিষয়া সকলে দিনে নিশাই 24x7 কাম কৰি বাজেট প্ৰস্তুত কৰে। তেখেত সকলক মই এটাই কথাই কৈছিলো যে, আমি অসমৰ ৰাজ্যখনৰ কাৰণে কাম কৰিব লাগে, দৰিদ্ৰ মানুহৰ কাৰণে কাম কৰিব লাগে। অসমক বিকশিত ৰাজ্যলৈ আমি আগুৱাই নিব লাগে। গতিকে আমাৰ দ্বায়িত্ব আটাইতকৈ বেছি। এই দ্বায়িত্ব বোধেৰে বিত্ত বিভাগৰ সকলো বিষয়াইয়ে মোক সহযোগিতা কৰিছে। সকলো বিষয়াক মই বিশেষ ভাৱে ধন্যবাদ জ্ঞাপন কৰিলো। শেষত আমাৰ মাৰ্ক দশক অসমৰ ৰাইজ, তেখেত সকলৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো। তেখেত সকলে যি সহযোগিতা কৰিছে এইখিনি কাম কৰিবলৈ আজি বাজেটৰ বা প্ৰত্যেকখন আঁচনি আমি ৰাইজলৈ ঠেলি দিও। তেওলোকৰ implementation কৰা মানুহখিনি থাকে। আজি

সুন্দৰভাৱে মহিলা উদ্যমিতা আঁচনি, ৩০ লাখৰো অধিক মহিলাই যিটো উদ্যমেৰে আগবাঢ়ি আহি নিজকে এগৰাকী লাখপতি মহিলা হিচাপে প্ৰতিস্থা কৰিছে, তেনেকুৱা পৰিৱেশ মই মোৰ ৰাজনৈতিক জীৱনত আগতে কেতিয়াও দেখা নাছিলো। গতিকে পুনৰ বাৰ নতুন ৰাজনৈতিক পৰিৱেশ হ'ব। সকলোকে মোৰ আন্তৰিক শুভ কামনা জ্ঞাপন কৰি মই এই লেখানুদান মই আপোনালোকৰ অনুমোদনৰ কাৰণে মই প্ৰস্তাৱ আগবঢাইছো ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। এতিয়া মই ২০২৬-২৭ৰ দাবি মঞ্জুৰী সমূহ সদনৰ মজিয়াত ভোট দান আৰু পাৰিতকৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো। প্ৰশ্নটো হ'ল বিত্ত বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৬২,২৯৪.৭৮ কোটি টকা ২০২৬-২৭ বৰ্ষৰ প্ৰথম চাৰি মাহত বিভিন্ন বিভাগত অগ্ৰিম অনুদান দাবী ব্যয় কৰাৰ বাবে মঞ্জুৰ কৰা হ'ল। যিসকল সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে। সংকল্পটো গৃহীত হ'ল আৰু প্ৰস্তাৱটো পাৰিত কৰা হ'ল। লোকভৱনৰ পৰা এটা বানী আছে, বানীটো হ'ল Under the provision of Article 207(1) of the Constitution of India, I Shri Lakshman Prasad Acharya, Governor of Assam recommend that The Assam Appropriation (Vote on Account) Bill, 2026-27" be taken for introduction by the Assam Legislative Assembly. Now Hon'ble Finance Minister.

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মই The Assam Appropriation (Vote on Account) Bill, 2026-27 বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন উত্থাপন কৰা সদনৰ অনুমতি আছে নে? যিসকল সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ানীক বিধেয়কখন pass কৰাৰ কাৰণে উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে, The Assam Appropriation (Vote on Account) Bill, 2026-27 পাৰিত কৰণৰ বাবে লোৱা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন পাৰিতকৰণৰ বাবে সদনৰ অনুমতি আছে নে? যিসকল সপক্ষে আছে কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে। প্ৰস্তাৱটো পাৰিত হ'ল। বিধেয়কখন pass হ'ল।

এতিয়া কাৰ্য্যসূচী নং ১৪।

এতিয়া আমাৰ Supplementary Business আছে। ইয়াত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নামত এটা report lay কৰিব লগীয়া আছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মই Home and Political বিভাগৰ memorandum on Action taken on the report of

the One Man Inquiry Commission headed by Justice (Retd.) B.K Sharma constituted to inquire in to the allegations and malpratices in conduct of Combined Competitive Examinations 2013 and CCE 2014 by Assam Service Public Commission সদনত দাখিল হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱাৰ নামত আছে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াৰ হৈ Housing and Urban Affairs বিভাগৰ Real Estate Regulatory Authority(RERA) ৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় সদন, আমি সিদিনা কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকত আলোচনা কৰিছিলো যে আজি যিহেতু পঞ্চদশ বিধান সভাৰ শেষৰ দিন, সেয়েহে অলপ সময় velidictory, মানে নিজে নিজকে farewell দিয়াৰ বাবে তাৰ ওপৰত Velidictory Hour ৰাখিছিলো। যিসকলৰ মন আছে শেষত নিজৰ অনুভৱ, তাত কোনো বিতৰ্ক নহয়, নিজৰ অনুভৱটো কোনোবাই যদি ইচ্ছা কৰে ক'ব পাৰিব। মাননীয় শ্ৰী পীযুষ হাজৰিকা ডাঙৰীয়া মোৰ লগত প্ৰথম Perliamentary Affairs Minister আছিল। গতিকে তেখেতকে মই প্ৰথম velidictory speech দিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, সচাঁকৈয়ে এটা ভাল লগা অনুভৱ। এইখন পবিত্ৰ সদনত ১৫ টা বছৰ পাৰ কৰাৰ সুযোগ পালো। আপুনি অধ্যক্ষ হিচাপে অধ্যক্ষৰ আসনত অধিষ্ঠিত হৈ আমাৰ সদনখনক বহু পৰিমাণে সলনি কৰিলে। নতুন নতুন নিয়ম আপুনি introduce কৰিলে, technology introduce কৰিলে। আপোনাৰ দিনতেই আমি আমাৰ পুৰণি বিধান সভাৰ পৰা আহি নতুন বিধান সভাত সুচাৰুৰূপে অধিবেশন চলাবলৈ সক্ষম হ'লো। মাননীয় অধ্যক্ষ মহোদয়, মই পুনৰ কৈছো ১৫ বছৰ হ'ল, অকণমানটো অভিজ্ঞতা হৈছে। যোৱা পাঁচ বছৰত আমি প্ৰায় সমিল-মিলেৰে বিধান সভাখন পৰিচালনা কৰিবলৈ সক্ষম হৈছিলো। আপোনাৰ অধ্যক্ষতাৰ কাৰ্য্যকালত মই বিৰোধী দলক ধন্যবাদ জ্ঞাপন কৰিম। মই Perliamentary Affairs Minister হিচাপে অলপ দিন কাৰ্য্য নিৰ্বাহ কৰাৰ সুযোগ পাইছিলো। সাধাৰণতে আমাৰ অসমত বা আমাৰ অসম বিধান সভাত এটা নিয়ম, যে যদি ৰাজ্যপালে ভাষণ দিয়ে সাধাৰণতে ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰে। কিন্তু আমি কেইবাটাও চেচনত ৰাজ্যপালৰ ভাষণত আমাৰ বিৰোধীয়ে সমৰ্থন কৰিছিল বা শুনিছিল। সমৰ্থন নকৰিলেও শুনিছিল। গতিকে নতুন পৰম্পৰা সৃষ্টি কৰিবলৈ সক্ষম হৈছিলো। আমাৰ যিখিনি চেচন আছিল প্ৰত্যেকটো চেচন খুব বেছি productive আছিল আৰু আমি এইখন বিধান সভাত বহু বেয়া পৰিবেশ পোৱাৰো কথা শুনিছিলো বা বহু ব্যক্তিৰ অভিজ্ঞতা আছে। তেনেকুৱা বেয়া ঘটনা বা দৃষ্টিকটু ঘটনা যোৱা পাঁচ বছৰত আমি দেখিবলৈ নাপালো। গতিকে মাননীয় অধ্যক্ষ ডাঙৰীয়া আপুনি খুব ভালদৰে বিধান সভাখন পৰিচালনা কৰিলে। আপোনাৰ নেতৃত্বত বা আপোনাৰ অধ্যক্ষতাত আমি খুব ভালদৰে বিধান সভাখন পৰিচালনা কৰিবলৈ বা চলাবলৈ সক্ষম হ'লো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিধান সভাখনত কেইবাটাও কালজয়ী ভাষণ দিয়া বুলি মই উপলব্ধি কৰো। নিশ্চয়কৈ বিৰোধী দলৰ বিধায়ক সকলেও যথেষ্ঠ গুৰুত্বপূৰ্ণ কথা কৈছে। এইটো অনস্বীকাৰ্য্য। কিন্তু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই অসমৰ ভৱিষ্যত দৰ্শণ, অসমৰ উন্নয়ণৰ সপোন, অসমখনক আগুৱাই লৈ যাবলৈ তেখেতৰ যিবোৰ চিন্তা

বা তেখেতে কি কি কৰিলে এনেকুৱা কথাৰে কেইবাটাও কালজয়ী ভাষণ এই পবিত্ৰ বিধান সভাত দাঙি ধৰিছিল। এই পবিত্ৰ বিধান সভাত আমি আহিবলৈ পালো তাৰ কাৰণে মই আমাৰ বা মোৰ সমষ্টিৰ ৰাইজক ধন্যবাদ জ্ঞাপন কৰিছো আৰু আপোনালোক সকলোৰে আপোনালোকৰ সমষ্টিৰ ৰাইজৰ আৰ্শীবাদ লৈ ইয়ালৈ আহিব পাৰিলে। গতিকে মই আপোনালোককো তেখেত সকলক ধন্যবাদ দিবলৈ অনুৰোধ জনালো। অসমৰ জনতা-জনাৰ্দনক ধন্যবাদ জ্ঞাপন কৰো। আমি যদি যোৱা বছৰবোৰত কিবা ভুলো কৰিছিলো তাৰ বাবে অসমৰ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিছো আৰু ভৱিষ্যতে ইয়াত থকা সকলোৰে পুনৰ নিৰ্ব্বাচিত হৈ আহক তাৰ কাৰণে শুভেচ্ছা আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। এটা কথা ক'ব বিচাৰিছো যে সাধাৰণতে ৪০ শতাংশ বিধায়কে পৰৱৰ্ত্তী নিৰ্বাচনত পুনৰ জয়ী হৈ আহে বা হয়তো কেতিয়াবা সেইটো ৫০ শতাংশ হয়। কিন্তু ইয়াতকৈ বেছি নহয়। গতিকে আমি হয়তো কোনোবা আহিম বা কোনোবা নাহিম। আমি হয়তো পৰৱৰ্ত্তী বিধান সভাত এনেকৈ বহু বিধায়কক লগ নাপাম। গতিকে ভৱিষ্যতেও যাতে আমি ভালদৰে থাকো বা লগ পালে ভালদৰে কথা-বতৰা পাতিব পাৰো তাৰ কাৰণে এটা পৰিবেশ সদায় বৰ্তাই ৰাখিব লাগিব আৰু তাৰ বাবেও মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। প্ৰত্যেকজন ব্যক্তিয়ে যাতে ভালদৰে থাকে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ বক্তব্য সামৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি মোক দুআষাৰ ক'ব দিয়াৰ বাবে আপোনাকো ধন্যবাদ জনাইছো। বিশেষকৈ মই আপোনাৰ ওচৰত কৃতজ্ঞে যে আপুনি অধ্যক্ষ হৈ থকাৰ কালছোৱাত চাৰে তিনিবছৰ কাল মই Perliamentary Affairs Minister হিচাপে আছিলো আৰু সেই সময়চোৱাত আপোনাৰ লগত কাম কৰিবলৈ পাই বহুত কথা শিকিলো। যিহেতু আপুনি সাংসদ আছিল আৰু বিধান সভাটো আছিল। গতিকে বিধান সভা আৰু সংসদৰ পাৰ্থক্যটো আপুনি জানে। সংসদৰ পৰা বহু কথা আপুনি established বা introduce কৰিছিল আৰু তাৰ কাৰণে আমিও বহু কথা জানিব পাৰিছিলো। গতিকে আমাৰ learning experience হ'ল। আপুনি আমাক বহুখিনি কথা শিকালে আৰু বহু জ্যেষ্ঠ বিধায়কৰ পৰা শিকিলো আৰু বহু বিধায়কৰ পৰা পৰামৰ্শ পালো। এনেকৈ আমি জীৱনৰ বাটত কিছু কিছু অভিজ্ঞতা বুটলি আৰু ভৱিষ্যতে ৰাইজৰ কাৰণে কাম কৰিবলৈ চেষ্টা কৰিম বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ পঞ্চদশ বিধান সভাৰ শেষৰ দিন। আজিৰ দিনটোত যোৱা সময়চোৱাৰ বহু কথা মনলৈ আহিছে। মই নিজে ২০ বছৰ সম্পূৰ্ণ কৰিছো। ১০ বছৰ বিৰোধী দলত আছিলো আৰু বাকী ১০ বছৰ শাসকৰ পক্ষত আছিলো। ফলত দুয়োটা অভিজ্ঞতাই লাভ কৰিবলৈ সক্ষম হৈছো। মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাব বিচাৰিছো যে অধ্যক্ষ মহোদয় সাংসদ হৈ থকাৰ সময়চোৱাত তাৰ বহুখিনি অভিজ্ঞতা আমাৰ বিধান সভাৰ মজিয়ালৈ কঢ়িয়াই আনিছে। তেখেতে আমাৰ বিধান সভাৰ যিবোৰ Rules আছিল, সেইবোৰৰ ক্ষেত্ৰত যথেষ্ঠখিনি সংশোধন কৰি আমাৰ বিধায়ক সকলৰ যিটো participation বিষয়টো বাঢ়িবৰ কাৰণে বা সুযোগ দিবৰ কাৰণে Member Hour হওঁক বা অন্য ধৰণেই হওঁক বা 301 ৰ জৰিয়তেই হওঁক বহুখিনি বঢ়ালে। ঠিক তেনেদৰে বহুখিনি নিয়ম সংশোধন কৰি এই বিধান সভাত বিধায়ক সকলৰ অংশগ্ৰহণৰ সুবিধা সমূহ বৃদ্ধি কৰিলে। মোৰ মন্ত্ৰীত্বৰ কাৰ্য্যকালৰ ভিতৰত তেখেতক এটা ধন্যবাদ দিবলগীয়া বিষয় আছে, সেইটো হৈছে মই এই বিধান সভাত থাকোতে শাসকীয় পক্ষতে হওঁক বা বিৰোধী পক্ষতে হওঁক, আমি কৈ আছিলো যে আমাৰ হাস্পটাল

খন ভাল হব লাগে ইয়াত সম্পূৰ্ণ সুবিধা থাকিব লাগে। যেতিয়া মই স্বাস্থ্যমন্ত্ৰীৰ দায়িত্ব পালো তেতিয়াই মই অধ্যক্ষ ডাঙৰীয়াক কলো যে, আপুনিটো সংসদৰ হাস্পটাল সুবিধা পাই আহিছে, লগতে ময়ো কিছুদিনৰ বাবে সাংসদ আছিলো, আমাৰ বৰ্তমানৰ বিধায়কৰ লগতে প্ৰাক্তন বিধায়কৰ বাবে সকলো সা-সুবিধা যাতে আমাৰ এই বিধান সভাৰ চৌহদৰ ভিতৰতে উপলব্ধ হয়। মই স্বাস্থ্য মন্ত্ৰী হৈ থাকোতে মেডিকেল কলেজৰ বিশেষজ্ঞ প্ৰতি সপ্তাহতে এই বিধান সভালৈ অনাৰ ব্যৱস্থা কৰিছিলো। মই কথাখিনি কোৱাৰ লগে লগে অধ্যক্ষ ডাঙৰীয়াই একে উশাহতে কলে যে বলক আমি ঠাইখিনি চাবলৈ যাওঁ আৰু মই এক দুমাহৰ ভিতৰতে গৃহবোৰ নিৰ্মাণ কৰি দিম বাকী খিনি আপুনি কৰি দিব। এই ক্ষেত্ৰত মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰো অনুমতি ললো। অধ্যক্ষ মহোদয়ৰ লগত তেখেতৰ কাৰ্য্যকালত মোৰ বহুত কথাৰ মিল হৈছে আৰু কিবা এটা আলোচনা কৰিলে তেখেতে এইটো খুব সহজে মানি লয়। আৰু এই কাৰ্য্যকাল টোৰ ভিতৰত উল্লেখ কৰিব লগীয়া বস্তু এটা হ ল আমাৰ dispensary খন। ইয়াত সকলো সা- সুবিধা সমূহ পোৱা গৈছে। তেনেকে মই ইয়াত State Bank আৰু Post office কথাও কৈছিলো কাৰণ আমাৰ সদস্য সকলে যাতে Bank ৰ ওচৰলৈ যাব লগীয়া নহয়। কিন্তু যিহেতু আমাৰ জনতা ভৱনৰ লগত বেংকটো আছে গতিকে বিশেষ অসুবিধা নাই। ইয়াৰোপৰি ইয়াত কেন্টিনকে ধৰি সকলো ক্ষেত্ৰতে এটা আবাসীক ব্যৱস্থাৰ সৃষ্টি কৰিছে। উপাধ্যক্ষ ডাঙৰীয়াকো মই ধন্যবাদ জনাইছো কাৰণে তেখেত যিহেতু ডাক্তৰ আৰু কিছুদিনৰ বাবে মইও স্বাস্থ্য বিভাগত আছিলো। ঠিক তেনেদৰে আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱ তেখেতেও বিধান সভাৰ পৰিচালনাৰ ক্ষেত্ৰত অতি নিস্থাৰে কাম কৰিছে। আমাৰ সন্মানীয় শ্ৰী চন্দ্ৰমোহন ডাঙৰীয়াই তেখেতে অভিজ্ঞতাৰে পৰিপুষ্ট খেতে ইয়াৰ আগতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী হিচাপে আছিল আৰু তেখেতে সদন, অধ্যক্ষ, উপাধ্যক্ষ, মন্ত্ৰী, বিধায়কৰ মাজত থকা সেতুখন ভালদৰে পৰিচালনা কৰিছিল মই তেখেতক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক বহুত বেছি ধন্যবাদ দিব লাগিব কাৰণ অসমৰ পৰিবৰ্তন আৰু ৰূপান্তৰৰ কাৰণে তেখেতৰ যিটো চিন্তা চৰ্চা আৰু তেখেতে অসমৰ উন্নয়নৰ কাৰণে বহু সাহসিক পদক্ষেপ গ্ৰহণ কৰিছে। গতিকে সদনৰ মুৰব্বী হিচাপে তেখেতক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। ৰাজনৈতিক ক্ষেত্ৰত শাসক বা বিৰোধী থাকিব কিন্তু অন্তৰেৰে তেখেতক সকলোৰে ধন্যবাদ দিব লাগিব। আৰু তেখেতৰ এই ৫ বছৰীয়া কাৰ্য্যকালটো অসমৰ ইতিহাসত লিখি থবলগীয়া সময়। ঠিক তেনেদৰে যদিও এতিয়া উপস্থিত নাই আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়া তেখেতে খুব মৃদু ভাষাৰে আমাৰ সদনত যিখিনি কথা অৱগত কৰিব লাগে তেখেতে সেইখিনি কৰি আহিছে তাৰ বাবে তেখেতক ধন্যবাদ। আমাৰ যিখিনি বিৰোধী দলৰ সদস্য আছে তেখেত সকলৰ লগতো আমাৰ সম্পৰ্ক বহুত ভাল। তাৰ বাবে মই তেখেত সকলক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াৰ পিছতে আমাৰ শাসকীয় পক্ষৰ যিবোৰ মিত্ৰ দল আছে আৰু তেখেত সকলৰ যিটো সহযোগিতা আৰু ভূমিকা তাক মই শলাগ লৈছো। অসম বিধান সভাৰ মৰ্য্যদা, যি ভূমিকা সেইটো বাহাল ৰখাৰ বাবে মই আমাৰ মাননীয় অধ্যক্ষ মহোদয়ক আন্তৰিক শুভকামনা জ্ঞাপন কৰিছো আৰু সকলোকে ধন্যবাদ জনাই অহাবাৰ যাতে আমি সকলোয়ে আকৌ ইয়ালৈ আহিব পাৰো তাৰে কামনা কৰি আৰু ৰাইজৰ ওচৰত আমি জানি বা নাজানি যদি কিবা ভুল কৰিছিলো তাৰ ক্ষমা বিচাৰি মই সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী, দক্ষিণ শালমাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫ বছৰে আপুনি যি ধৰণে সদন পৰিচালনা কৰিছে, মই ইয়াৰ আগতেও বহুত অধ্যক্ষ পাইছো যদিও আপুনি

ব্যতিক্ৰম। আপুনি সম্পূৰ্ণ নিৰপেক্ষ ভাৱে সদন পৰিচালনা কৰাত যিটো ভূমিকা পালন কৰিছে তাৰ বাবে আমি আপোনাক কংগ্ৰেছ দলৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। ৰাজনীতিত যদিও শাসক বিৰোধী আছে কিন্তু যোৱা ৫ টা বছৰত আমি শাসকীয় পক্ষ্যৰ পৰা যথেষ্ট সহাৰি পাইছো আমাৰ কাম কাজ বিলাক কৰাত। গতিকে মই কামনা কৰিছো যে অহা নিৰ্বাচনত প্ৰত্যেকে যাতে পুনৰ ইয়ালৈ আহিব পাৰো তাকে ভগৱানৰ ওচৰত কামনা কৰি মই সকলো সদস্য লৈকে ধন্যবাদ জ্ঞাপন কৰিলো।

**माननीय অধ্যক্ষ** ঃ এতিয়া মাননীয় উপাধ্যক্ষ ডাঃ নোমল ম'মিন ডাঙৰীয়া ।

মাননীয় উপাধ্যক্ষ ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, পঞ্চদশ বিধান সভাৰ আজি অন্তিম দিন ।মই বিধায়ক হিচাপে বৰ বেছি অভিজ্ঞতা নাই আৰু ইয়াৰ লগতে এইবাৰ উপাধ্যক্ষৰ পদ দিয়াত সেইটোত মোৰ একেবাৰে অভিজ্ঞতা নাছিল। কিন্তু আপুনি যেনে ধৰণে সাহস দিলে, শিক্ষা দিলে, অসম বিধান সভা চলাবলৈ তাৰ বাবে মই আপোনাক বহুত ধন্যবাদ দিছো। বহুত কথাই আপোনাৰ পৰা শিকিলো। যদিও মই ইয়াৰ আগতে ৫ বছৰ বিধায়ক আছিলো কিন্তু আপোনাৰ নিচিনা কাম কৰা দেখা নাছিলো। মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ তেখেতে আমাক যিধৰণে মৰমেৰে আঁকোৱালি লৈছিল। ধন্যবাদ। তেখেতে যেনেকৈ আমাক মৰম কৰিলে আৰু এই ৫ বছৰত নিজৰ বুকুত সাৱতি আগবাঢ়িবলৈ সুযোগ দিলে। মই বোকাজান বাসী ৰাইজক এই পবিত্ৰ সদনৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতসকলৰ আৰ্শীবাদৰ কাৰণে দুটা টাৰ্ম ২০১৬ চনৰ পৰা একেধাৰে মই বোকাজান বিধান সভাৰ সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হৈ আহিছো।

মাননীয় অধ্যক্ষ মহোদয়, অধ্যক্ষৰ যি চকীখন, সেই চকীখন আমি বিধায়ক হিচাপে বহি থাকোতে তাৰ অনুভৱ কৰা নাযায়, কিন্তু তাত বহিলে ১২৫ গৰাকী বিধায়ক যেতিয়া ইয়াত থাকে, ১২৫ গৰাকী বিধায়কক শাসন কৰাতো খুব এটা সহজ কথা নহয়। অকল এই বিধান সভা চলোৱাই নহয়, বিধান সভা চলোৱাৰ মাজেৰে খুৱ এটা মোৰ লাভ হ'ল এই ৫ টা বছৰত, বিধায়ক সকলে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই বা মন্ত্ৰী সকলে, সকলোৱে যি ইয়াত বক্তব্য দাঙি ধৰে, তেখেতসকলৰ পৰা বহুত কথা শিকিব পাৰি। বিধায়কৰ আসনত বহি থাকি যিখিনি শিকা নাযায়, অধ্যক্ষৰ আসনৰ পৰা বহি থাকিলে বেলেগ একো কৰিবলগীয়া নাই, কি কৈ আছে প্ৰত্যেকটা কথাই চালি জাৰি চাই থাকিবলগীয়া হয়। সেইটোৰ পৰা আমাৰ খুব বেছি লাভ হ'ল। অন্ততঃ এই ক্ষেত্ৰত আমি লাভান্বিত হলো।

মই সকলোকে ধন্যবাদ দিছো যে এই ৫ বছৰ বিধান সভা চলাই নিয়াৰ কাৰণে আপোনালোকে আমাৰ সহযোগিতা কৰিলে শাসক দলৰ পৰাও, বিৰোধী দলৰ পৰাও। এই ৫ বছৰত দুই গৰাকী সংসদীয় পৰিক্ৰমা মন্ত্ৰী পাইছো, মন্ত্ৰীসকল আৰু শাসক বিৰোধী সকলো বিধায়ক। সকলোৱে সহযোগ কৰিলে, তাৰ বাবে আজি খুব শান্তি পূৰ্ণ ভাৱে ৫ বছৰ সম্পূৰ্ণ কৰিলো আৰু আমি আশা কৰিম অহা ৫ টা বছৰো এনেকৈ পাৰ হওঁক। ইয়াত থকা সকলো বিধায়ক, মন্ত্ৰীয়ে পুনৰ নিৰ্বাচনত জিকি আহে আৰু পুনৰবাৰ NDA চৰকাৰ হয়, আৰু এনেধৰণে আৰু আমি ৫ টা বছৰ পাৰ কৰিব পাৰিম। তাৰ বাবে সকলোকে শুভেচ্ছা জ্ঞাপন কৰিলো আৰু সকলোকে ধন্যবাদ দিছো লগতে মাননীয় অধ্যক্ষ মহোদয়ক বিশেষকৈ ধন্যবাদ দি মোৰ এই চমু বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, জনিয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এই বিধান সভাত ২০১১, ২০১৬ আৰু ২০২১ চনত নিৰ্বাচিত হৈ আহিছো। বহুত কেইজন মাননীয় অধ্যক্ষ পাইছো আৰু শেষত আহি যোৱা ৫ টা বছৰ আপোনাৰ নেতৃত্বত এই বিধান সভা চলিল। আপোনাৰ এই সফল বিধান সভা পৰিচালনাত আমি অন্তৰৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো। আমি বিৰোধী বিধায়ক হিচাপে কেতিয়াবা কেতিয়াবা কিছু বিষয়ত আকোৰগোজ হৈছো, সেইবিলাকৰ সমাধান সুত্ৰ উলিয়াবৰ কাৰণে, আপুনি তাত কেতিয়াবা নৰমে গৰমে কৈছে। কিন্তু অভিভাৱক এজনে যেনেকৈ নিয়ন্ত্ৰণ কৰে ঠিক তেনেকৈ আপুনি চেষ্টা কৰিছে , আমি সেইখিনি লক্ষ্য কৰিছো। আপুনি এই বিধান সভাৰ চৌহদটো ইমান ধুনীয়াকৈ সেউজীয়া কৰি ৰাখিছে, চাৰিওফালে লক্ষ্য কৰিলে ফুলনি বাগিছা ইত্যাদি। যিখিনি প্ৰয়োজন বা অত্যন্ত দৰকাৰ, এইখিনি আপুনি যথেষ্ট কৰিছে, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে dispensary ৰ কথা, কেন্টিনৰ পৰা আৰম্ভ কৰি GYM আদিলৈ গোটেইখিনি কৰিবলগীয়া বহুত কাম আপুনি কৰিছে। তাৰ বাবে সঁচাকৈ আপুনি ধন্যবাদৰ পাত্ৰ। আমাৰ অনুভৱ এইখিনিয়ে যে বিধান সভাৰ সদস্য হৈ বিৰোধীৰ বিধায়ক হৈ বহুত কথা, নিজৰ সমষ্টিৰ সমস্যা আৰু গোটেই অসমৰ সামগ্ৰীকভাৱে যেতিয়া উত্থাপন কৰো আৰু তাৰ যেতিয়া সমাধান হয়, তেতিয়া অত্যন্ত মনত তৃপ্তি এটা হয় যে ৩.৪০ কোটি জনতাৰ কাৰণে কিবা এটা পোৱাৰ পিছত চৰকাৰৰ পৰা positive response পোৱা গৈছে, যথেষ্ট তেনেকুৱা কাম হৈছে। কেতিয়াবা নহলে মনত কৰবাৰ অলপ দুখো থাকি যায়। কিন্তু গোটেইখিনি কাম একেলগে হৈ নুঠে। কিন্তু চৰকাৰ পক্ষৰ মাননীয় মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি ইয়াত থকা সকলো কেইজন মন্ত্ৰীৰ ওচৰত কিবা কামৰ কাৰণে approach কৰিলে, positive respons পোৱা গৈছে।

যিয়ে নহওঁক, মই সদৌ শেষত আপোনাক আৰু উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যে আপোনালোকৰ নেতৃত্বত যোৱা ৫ টা বছৰে আমি এই বিধান সভাত অসমৰ জনতাৰ বহু কথাই ৰাখিলো, কিছু সমাধান হ'ল কিছু নহ'ল। নিশ্চিতভাৱে অনাগত দিনত সেই সমস্যা বিলাক সমাধান হ'ব।

প্ৰধানতে মই এজন শিক্ষক, কলেজত পঢ়াইছো, গুৱাহাটী বিশ্ববিদ্যালয়তো ২ বছৰ পঢ়াইছো। কিন্তু তাত ৫০, ৬০ জন ছাত্ৰ পঢ়োৱাৰ যিটো এটা তৃপ্তি, কিন্তু এই বিধান সভাত চাহ বাগানৰ পৰা আৰম্ভ কৰি চৰৰ মানুহৰ সমস্যা উত্থাপন কৰো আৰু চৰকাৰী পক্ষই positively লয়। আপুনিও গুৰুত্বসহকাৰে শুনি কেতিয়াবা কেতিয়াবা চৰকাৰকো ruling দিছে। এইটো এটা কথা উনুকিয়াব লাগিব। কেতিয়াবা আপুনি মন্ত্ৰী মহোদয় সকলক বা চৰকাৰকো সেই কথাখিনি গুৰুত্বসহকাৰে লোৱাৰ কাৰণে আপোনাৰ ফালৰ পৰা নিৰ্দেশনা দিছে। সেই কথাখিনি কিন্তু সঁচাকৈ আমি সোণালী আখৰেৰে লিপিবদ্ধ কৰি ৰাখিবলগীয়া। যিয়ে নহওঁক, এইখিনি অভিজ্ঞতা share কৰিলো। সদৌ শেষত আপোনাক বহুত বহুত ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী ইউ জি ব্ৰহ্ম।

**শ্ৰী ইউ জি ব্ৰহ্ম, মন্ত্ৰী,ভূমি সংৰক্ষণ ইত্যাদি** ঃ মাননীয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় সদন, আজি পঞ্চদশ বিধান সভাৰ অন্তিম দিন। আপুনি এই ৪ টা দিন যেনেকৈ এক প্ৰকাৰ সুকলমে সদন পৰিচালনা কৰি আকৌ এবাৰ প্ৰমান কৰি দেখুৱাইছে যে আপুনি কিমান দক্ষ। ৰাজ্যত যেতিয়া বলিষ্ঠ চৰকাৰ থাকে, তেতিয়া বলিষ্ঠ বিৰোধী দলৰ প্ৰয়োজন হয়। এইখন সদনত মই দেখিছো শাসক পক্ষ যিমান শক্তিশালী আছিল, বিৰোধী পক্ষও সিমানে শক্তিশালী আছিল। এনেকুৱা

পৰিস্থিতিত সদনখন সুকলমে পৰিচালনা কৰিবৰ কাৰণে এজন শক্তিশালী অধ্যক্ষৰ খুব প্ৰয়োজন আৰু আপুনি ৫ টা বছৰত এইটো প্ৰমান কৰি দেখুৱাইছে যে যিকোনো পৰিস্থিত আপুনি সদনৰ মৰ্যদা আৰু গৰিমা ৰক্ষা কৰি সদনখন চলোৱাৰ দক্ষতা আপোনাৰ আছে। আপুনি ৫ টা বছৰত অকল এই সদনৰে অধ্যক্ষ হৈ থকা নাই, আপুনি জনতাৰ অধ্যক্ষ হিচাপেও নিজকে প্ৰতিস্থিত কৰিছে। বিধান সভাৰ মুখ্য দুৱাৰত দেখিবলৈ পাইছো ডিমাপুৰৰ ঐতিহাসিক এটা symbol of history আৰু অসমীয়া বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক প্ৰতীক চিহ্ন, বিধান সভাৰ ভিতৰতো যিধৰণে আপুনি reflect কৰিছে, এইবোৰৰ পৰা এইটো আপুনি প্ৰমান কৰিছে যে সদনখন অসমত বসবাস কৰা প্ৰতিটো জাতি জনগোষ্ঠীৰ ইতিহাস, সংস্কৃতি, পৰম্পৰা এই সদনে সন্মান কৰে, তাৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো।

মই এজন বড়ো জনগোষ্ঠীৰ ব্যক্তি। বিগত সময়চোৱাত জাতীয় জীৱনত থাকি মই বড়ো সকলৰ কাৰণে বহু কাম কৰি আহিছো। কিন্তু, এই বড়ো ভাষাৰ মৰ্যদা আপোনাৰ দিনত বিধান সভাৰ মজিয়াত যিমান পাইছে, সিমান আগতে কেতিয়াও পোৱা নাছিল। বড়ো ভাষাৰ ব্যৱহাৰটো আপুনি বিধান সভাত এনেকুৱা এটা মৰ্যদা দিছে, মই ভাবো সমগ্ৰ ভাৰতবৰ্ষত বসবাস কৰা বড়ো জনগোষ্ঠীৰ লোক আপোনাৰ প্ৰতি কৃতজ্ঞ। আজি অসমত এটা আন্দোলনমুক্ত পৰিৱেশ আহিছে। আমি এইটো এটা achievement হিচাপে নলৈপেলাই এটা সুযোগ হিচাপে যদি চোৱা যায়, অসমখণে আমাক উন্নয়নৰ ক্ষেত্ৰত কাম কৰিবলৈ এটা সুযোগ দিছিল। এই সুযোগটো গ্ৰহণ কৰি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত NDA চৰকাৰে, সঁচাকৈ অসমখনত উন্নতিৰ এনে এটা জখলালৈ লৈ গ'ল যে আজি অকল ৰাজনীতিক বুলি নহয়, অসমৰ সাধাৰণ ব্যক্তি, সংবাদজীৱি, বুদ্ধিজীৱি, কৃষক ইত্যাদি সকলো শ্ৰেণীৰ ব্যক্তিয়ে আজি অন্তত এইটো স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে আগৰ তুলনাত যিখিনি উন্নত হ'ল, আজি এটা আশাহীনতাৰ পৰা আশাৰ অসমলৈ পৰিনত হৈ গ'ল।

নিযুক্তিৰ ক্ষেত্ৰত এটা সম্পূৰ্ণ আশাহীন পৰিৱেশ আছিল। অসমত যে চৰকাৰী চাকৰি হয়, তাৰ এটা বিশ্বাস মানুহৰ মনত সোমাই গৈছে। আজি এইখন অসম চৰকাৰে এটা ৰেকৰ্ড গঢ়িলে যে প্ৰতিমাহত এবাৰ এবাৰ কেবিনেট মিটিং বহি ২৬১৭ খন কেবিনেট হৈ গ'ল। ইয়াৰ মাজত এটা historic achievement ও হ'ল যে ২৩৮৭ কেবিনেট সিদ্ধান্ত সম্পূৰ্ণকৈ Implementation হৈ গ'ল। অৰুণোদয় আঁচনিৰ দৰে ধ্বজাবাহী আঁচনি আৰু CMAAA ৰ দৰে এটা গ্ৰাম্যাঞ্চলৰ বেকাৰ যুৱক-যুৱতী সকলৰ সৰলীকৰণৰ আঁচনি, সেইটো সম্পূৰ্ণভাৱে ৰূপায়ণ হ'বলৈ গৈ আছে। মই হেণ্ডলুম টেক্স টাইল চলাও, তাক ৫ বছৰে চাবলৈ সুযোগ পাইছো, হয় হেণ্ডলুম টেক্স টাইল চেক্টৰটো অলপমান invisible visible নহয়। কাৰণ আমি individual benificiary সকলৰ কাৰণে কাম কৰো। কিন্তু এইখন অসমত এই ৫ টা বছৰত হেণ্ডলুম টেক্স টাইল চেক্টৰত এটা ভিজিব'ল দৃশ্য এটা দেখিবলৈ পাইছো। স্বনিৰ্ভৰ আঁচনিৰ পৰা আৰম্ভ কৰি বিভিন্ন আঁচনি ৰূপায়ণ কৰা হ'ল। ঠিক তেনেকৈ আপুনিও এই ক্ষেত্ৰত এই বিধান সভাৰ মজিয়াত যেতিয়া এই বিষয় বিলাক আলোচনাত আহে আৰু আমি এটা বিল পাছ কৰিবৰ কাৰণে debate হয়, সেই debate ত আপুনি তেতিয়া justify কৰাতো অসুবিধা হৈ গৈছে যে সেই চাইডত যি আৰ্গোমেন্ট দিছে এই চাইডত আৰ্গোমেন্ট দিছে কোনটো বেছি সঠিক, তাৰ মাজতো আপুনি এটা সঠিক judgement দি নিৰপেক্ষতাৰ যিটো এটা উদাহৰণ দাঙি ধৰিব পাৰিছে তাৰ কাৰণে এই ৫ টা বছৰৰ কাৰণে মই নিজৰ তৰফৰ পৰা কব বিচাৰিছো আপুনি one of the most suc-

cessful speakers of the Assam Assembly. মই এইটোৰে কব বিচাৰো আৰু বেছি সময় লব বিচৰা নাই। আজি বিৰোধী দলৰ যি বিলাক বহি আছে সকলোৰে নাই, এল ও পি যি আছে বিৰোধী দলৰ হৈ তেওঁ পইন্ট বিলাক যেনেকৈ উত্থাপন কৰে সেই বিৰোধী হিচাপে এইবিলাক পইন্টও আহিব লাগে, কিন্তু ব্যক্তি হিচাপে তেখেত যথেষ্ট ভদ্ৰ আৰু সকলোৰে প্ৰিয়তম ব্যক্তি যাৰ কাৰণে সদনত হয়তো পৰিৱেশটো ইমান বেয়াও হোৱা নাই। আৰু মই ভাৱিছো আগন্তক যিটো নতুন নিৰ্বাচন হ'বলৈ গৈ আছে সেই নিৰ্বাচনৰ পিছত প্ৰায়বোৰে নহয় অধিকাংশ সদস্যই যাতে জয়ী হৈ আহে আৰু আকৌ এবাৰ এই সদনত আমি যাতে দেখিবলৈ পাওঁ, তাৰ কাৰণে কামনা কৰিলোঁ। মোৰ বক্তব্য মই ইয়াতে সামৰিছোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া বিশ্বজিৎ ফুকন।

**শ্ৰীবিশ্বজিৎ ফুকন (সৰুপথাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৭২ চনত অসম আৰু মেঘালয় পৃথক হোৱাৰ পিছত ১৯৭৩ চনত যেতিয়া ইয়ালৈ বিধান সভা উঠি আহিছিল আৰু তেতিয়াৰ পৰা এতিয়ালৈকে এই সুদীৰ্ঘ সময়ছোৱাত অসম বিধান সভাৰ যিটো পৰিৱেশ আছিল, বিশেষকৈ আন্তগাঠনিৰ ক্ষেত্ৰত, মই ভাৱো আমাৰ সন্মানীয় অধ্যক্ষ ডাঙৰীয়াৰ নেতৃত্বত আমি এনে এটা আন্তঃগাঠনিলৈ অসম বিধান সভা পাৰ কৰিলো যিটো পৃথিৱীৰ যিকোনো সদন বা সাংসদ বা বিধান সভাই আন্তঃগাঠনিৰ সৈতে আমি নিজকে তুলনা কৰিব পাৰো। আৰু এবাৰ মোৰ মনত আছে শ্ৰীলংকাৰ পৰা এটা সংসদীয় দল আহিছিল অসমলৈ, তেওঁলোকে যেতিয়া আমাৰ এই বিধান সভা পৰিদৰ্শন কৰিছিল তেওঁলোকৰ মাজত আলোচনা কৰিছিল যে শ্ৰীলংকতো তেওঁলোকৰ যি পাৰ্লিয়ামেন্ট সেই পাৰ্লিয়ামেন্টৰ standrad, আমাৰ অসমৰ এই পাৰ্লিয়ামেন্টৰ standard দৰে হ'ব লাগে। মই আৰম্ভণিতে এইটো কথা এই কাৰণে কৈছো যে সন্মানীয় অধ্যক্ষ ডাঙৰীয়াৰ নেতৃত্বত আমি এই যোৱা ৫ টা বছৰ বিভিন্ন কথা শিকি আমাৰ এই কাৰ্যকাল শেষ কৰাৰ লগতে ইমান দিন পাৰ হৈ যোৱা ৫০ বছৰ পাৰ হৈ যোৱা আমাৰ যি ৰাজধানী, এই ৰাজধানী জনতা ভৱন বা ৰাজধানী বিশেষকৈ বিধান সভাই যি আন্তঃগাঠনি এই আন্তগাঠনিয়ে আমাক এটা নতুন পৰ্য্যায়লৈ লৈ গ'ল। এই নতুন পৰ্য্যায়ে আমাৰ অসম বিধান সভাৰ এটা নতুন পৰিচয় বহন কৰিলে। মই অধ্যক্ষ ডাঙৰীয়াক তেখেতৰ বলিষ্ঠ নেতৃত্বৰ বাবে অভিনন্দন জনাইছো আৰু তেখেতৰ ভৱিষ্যতৰ ৰাজনৈতিক, সামাজিক, ব্যক্তিগত জীৱনৰ বাবেও মই শুভকামনা জনাইছোঁ। লগতে এই বিধান সভাৰ ৫ টা বছৰত আমি যি সকল বিধায়ক মন্ত্ৰী লগ পালো, ১৯৮৫ চনত বিধায়ক হিচাপে নিৰ্বাচিত হোৱা সন্মানীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া, ভৰেন্দ্ৰ নাথ ভৰালী ডাঙৰীয়া, আমাৰ ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, আমি কিছুদিনৰ কাৰণে পালো ফণিভূষণ চৌধুৰী ডাঙৰীয়াকো পাইছিলো। যি সকলে সুদীৰ্ঘ ৰাজনৈতিক পৰিক্ৰমা অতিক্ৰম কৰি বৰ্ণিল অভিজ্ঞতাৰে ৰাজনৈতিক জীৱন অতিক্ৰম কৰিছিল তেখেত সকলৰ লগত আমাৰ দুৰ্গা দাস ডাঙৰীয়াও ১৯৮৫ চনত আছিল, এই সকলৰ সৈতে একেলগে কাম কৰাৰ যিটো আমাৰ অভিজ্ঞতা আমাৰ অভিজ্ঞতাই আমাক সমৃদ্ধ কৰিলে। আমাৰ এই অভিজ্ঞতাই আমাৰ আহি থকা দিনৰ এটা ডাঙৰ সম্পদ ৰূপে নিৰ্বাচিত হ'ব। এই বিধান সভাত ভাল লগা কথাটো এইটোৰে আছিল যে বিৰোধী দলৰ যি সকল বিধায়ক আছিল তেখেত সকলৰ লগত প্ৰত্যেকৰে এটা খুব আত্মিক সম্পৰ্ক আছিল। আমি ইয়াতে হওঁক বা ইয়াৰ পৰা ওলাই গৈ কেতিয়াবা বিভিন্ন টি ভি টকচোত যেতিয়া মুখমুখি হওঁ তেতিয়া আমি সেই সময়ছোৱাত এটা বিবেগ বা বিৰোধী পক্ষৰ দৰে কথা পাতিলেও সেই শেষ হৈ যোৱাৰ লগে লগে ইয়াত লবীত বহোতে হওঁক বা বাহিৰতে হওঁক যি আন্তৰিকতাৰে পৰস্পৰৰ মাজত ভাৱ বিনিময়

কৰা এক প্ৰক্ৰিয়া এই ৫ বছৰত হ'ল। সেইটো সচাঁকৈ আমাৰ কাৰণে এটা ডাঙৰ অভিজ্ঞতা। আৰু আটাইতকৈ ডাঙৰ অভিজ্ঞতাটো হ'ল যে আমাৰ যুগ দ্ৰষ্টা মুখ্যমন্ত্ৰীক যি অসমৰ ভৱিষ্যতৰ কাৰণে ৫০/১০০ বছৰ পাছৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ কাৰণে বলিষ্ঠভাৱে সামাজিক ৰাজনৈতিক, অৰ্থনৈতিক বা আন্তগাঠনিৰ ক্ষেত্ৰত নেতৃত্ব ললে সেয়েহে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ লগত ৫ টা বছৰ কাম কৰাৰ আমাৰ অভিজ্ঞতা হ'ল। এই অভিজ্ঞতা হোৱাৰ বাবে আমি সকলো সমৃদ্ধ হলো। দল ৰাজনৈতিক মতাদৰ্শ নিৰ্বিশেষে মই বিশেষ দীঘলীয়া নকৰো, সকলোকে পুনৰ ইয়াত দেখা পাম বুলি আশা কৰিছো আৰু মই যিটো বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আহিছিলো সৰু পথাৰ বিধান সভা সমষ্টি, তাৰ কিছু অংশ ইতিমধ্যে de-limitation ত খুমটাই সমষ্টিলৈ গ'ল, পুৰণা সমগ্ৰ সমষ্টিটোৰ জনসাধৰণক যি সকলে এই ৫ বছৰ মোক সুযোগ দিলে এই সুযোগৰ কাৰণে ধন্যবাদ জনাই আপোনালোক সকলোৰে মংগল, দীৰ্ঘায়ু আৰু নিৰোগী জীৱন কামনা কৰি মোৰ এই বিধান সভাৰ অন্তিম বক্তব্য সামৰণি মাৰিলোঁ, ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰীমনোৰঞ্জণ তালুকদাৰ।

**শ্ৰীমনোৰঞ্জণ তালুকদাৰ (সৰভোগ)** ঃ অধ্যক্ষ মহোদয়, আজি স্বাভৱিকতে অলপ বেয়াও লাগিছে, ৫ বছৰ মই প্ৰথম নিৰ্বাচিত বিধায়ক হিচাপে বিধান সভালৈ আহিছিলোঁ। এই ৫ টা বছৰত মই আপোনাক অধ্যক্ষ হিচাপে পালো আৰু অধ্যক্ষ হিচাপে পাই আপোনাৰ কিছু সুযোগ পালো। মই একক বিধায়ক দলৰ কেতিয়াবা ২ মিনিট সময় মাত্ৰ alloted থাকে কিন্তু মই হাঁহি হাঁহি ৫ মিনিটলৈকে কথা কওঁ, ৬ মিনিট কওঁ, ৭ মিনিটো কওঁ আৰু আপুনি যি ধৰণে মোক সহযোগ কৰে ঠিক তেনেধৰণে উপাধ্যক্ষও মাজতে কৈ সকিয়াই দিয়ে কিন্তু কবলৈ কথা সময় দিয়ে। আৰু এইটো হোৱা বাঞ্চনিয়। কাৰণ এই খন গণতন্ত্ৰৰ তীৰ্থস্থান বিধান সভা আৰু এই বিধান সভাত অধ্যক্ষৰ এটা role থাকে আৰু এই role টো যথেষ্ঠ পৰিমানে বিধান সভা চলাই নিয়াত এটা ভুমিকা তেওঁৰ থাকে। আৰু ভুমিকাটো যথাৰ্থতে প্ৰতি পালন কৰিছে বুলি মোৰ অনুভৱ হৈছে। মই তাৰ বাবে অধ্যক্ষ আৰু উপাধ্যক্ষ ধন্যবাদ দিছো। চৰকাৰ এখনে নিজৰ নীতিত নিশ্চয় কাম কৰিব আমি সেই নীতিত কেতিয়াবা বিৰোধীতা কৰিছো, বেছিভাগ ক্ষেত্ৰতে বিৰোধীতা কৰিছো বা সকিয়াই দিছো, কিন্তু চৰকাৰ খনে তেনেধৰণে কাম কৰি আগবাঢ়ি গৈছে। মুখ্যমন্ত্ৰীকো পাইছো যথেষ্ঠ সৌহাৰ্দ্যপূৰ্ণ ভাৱে আমাৰ কথাও শুনে, ব্যক্তিগত ভাৱেও কেতিয়াবা তেওঁক যেতিয়া কিবা অনুৰোধ কৰো সেই অনুৰোধটো ৰাখিবলৈ চেষ্টা কৰে। মন্ত্ৰী সভাৰ বাকী মন্ত্ৰী সকলৰ লগতো আমাৰ সম্পৰ্ক যথেষ্ট সৌহাৰ্দ্যপূণ আৰু এনে ধৰণে ৫ বছৰ উকলি গ'ল। আৰু এইটোৱে হোৱা উচিত। মোৰ পূৰ্বৰ বিধান সভাৰ অভিজ্ঞতা নাই। এইবাৰৰ বিধান সভাত এই ধৰণৰ এটা সৌহাৰ্দ্যপূণ পৰিৱেশ মই পালো। এই পৰিৱেশে নিশ্চিতভাৱে মোকো সমৃদ্ধ কৰিছে। বিধান সভাৰ পৰা বহুত শিকিব লগীয়া কথা আছে, শিকিলো। আৰু এই জ্ঞানে নিশ্চিতভাৱে ভৱিষ্যতত আমাক সমৃদ্ধ কৰিব তাৰ বাবে মই treasury branchৰ বন্ধু সকলক তেওঁলোকৰ লগতো মোৰ সম্পৰ্ক যথেষ্ট মধুৰ। ইয়াত হাঁহি হাঁহি কথা পাতো কেতিয়াবা অলপ কব নলগীয়া সমলোচনা কৰি দিও কিন্তু বাহিৰত তেওঁলোকৰ লগত সম্পৰ্ক মোৰ খুৱ নিবিৰ ভাৱে ৰক্ষা কৰিব পাৰিছিলো, তেওঁলোকেও মোক তেনেকৈ accomodate কৰে, টি ভি চ' তে হওঁক বা লবীতে হওঁক বা ব্যৱহাৰিক জীৱনত **মোৰ সম্পৰ্ক মধুৰ । হাউচৰ ভিতৰত হয়তো কিছু সমালোচনা কৰো কিন্তু বাহিৰত মই তেওঁলোকৰ লগত ভাল সম্পৰ্ক বজাই ৰাখিবলৈ চেষ্টা কৰিছিলো । তেওঁলোকৰ পৰাও মই একে বন্ধুত্বসুলভ ব্যৱহাৰ পাইছিলো , একেলগে টিভি চাওতে হওক বা লবিত বহি থাকোতেই হওক । বহুতে ভাবে যে এওঁ**

বিৰোধী দলৰ - ট্ৰেজাৰী বেঞ্চৰ সদস্যৰ লগত মাত বোল নাই , কিন্তু তাৰ বি পৰীতে মই ইয়াত আহি যিটো পৰিবেশ পালো আৰু যোৱা ৫ টা বছৰ মই তেওঁলোকৰ লগত যেনেধৰণে সময় কটালো তাৰ বাবে মই ট্ৰেজাৰী বেঞ্চকে ধৰি মোৰ সকলো সতীৰ্থ সদস্যকে ধৰি সকলোকে ধন্যবাদ যাচিছো । মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া বয়সত মোতকৈ জুনিয়ৰ ৰাজনীতিতো জুনিয়ৰ কিন্তু বিধায়ক হিচাপে মোতকৈ বহু চিনিয়ৰ । তেখেতক সদনৰ বাহিৰত চন্দ্ৰ বুলিয়েই মই মাতো আৰু তেখেতেও মোক দাদা বুলিয়েই মাতো তেখেতকো এই সদনত পালো । নানা বিতৰ্কত অংশ গ্ৰহণ কৰিছো - বি ভিন্ন বিষয় লৈ আলোচনা বিলোচনা কৰিছো । যেনেধৰনে মই সহায় সহযোগ পাইছো মই আপ্লুত । এইটো পৰিবেশ থকাটো দৰকাৰ আৰু ভবিষ্যতেও যাতে এই পৰিবেশ থাকে তাকে কামনা কৰিলো । ভবিষ্যতে আৰু বিধায়ক হৈ আহো নে নাহো সময়ে ক'ব কিন্তু আহিবলৈ নিশ্চয় চেষ্টা কৰিম যদিহে সমষ্টিবাসীয়ে মত দিয়ে । বিধান সভাত সুপৰিৱেশ ৰক্ষা কৰাটোত স্পীকাৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ , সংসদীয় মন্ত্ৰীৰ ভূমিকাও যথেষ্ঠ গুৰুত্বপূৰ্ণ । ডেপুটী স্পীকাৰ ডাঙৰীয়াও এই ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে । তেখেতৰ লগতো মোৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে । তেখেতে ডেপুটী স্পীকাৰ হলেও আমি সদনৰ বাহিৰত ফুৰ্ত্তি- তামছা, জোকোৰা -ৰগৰ ইত্যাদি আমাৰ মাজত চলিয়েই আছিল । বিভিন্ন কথাত তেখেতে মোক যথেষ্ট সহায়ো কৰিছিল মই এইটো স্বীকাৰ কৰিব লাগিব । মই সকলোকে ধন্যবাদ যাচিছোঁ সকলোৰে জীৱন মঙ্গলময় হওক । লগতে মই এইটো আশাও কৰিছো যেন সকলোৱে আমি পুনৰ জয়ী হৈ ইয়াত আহিব পাৰো আৰু এটা সুন্দৰ পৰিবেশত আমাৰ ৰাজ্যখন আগবঢ়াই নিয়াৰ কাৰণে, ৰাজ্যখনত বিভিন্ন সমস্যা সমাধান কৰাৰ কাৰণে, বিতৰ্ক সমূহত অংশ গ্ৰহণ কৰি সমাধানৰ পথ উলিয়াব পাৰো । এইটো আশা ৰাখি পুনৰ সকলোকে ধন্যবাদ দি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া সন্মানীয়া সদস্যা শ্ৰীমতী দিপ্তীময়ী চৌধুৰী ।

**শ্ৰীমতী দিপ্তীময়ী চৌধুৰী, (বঙাইগাওঁ)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি পঞ্চদহ অসম বিধান সভাৰ শেষৰটো দিন । আজিৰ এই দিনটোত দুআষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক বহুত ধন্যবাদ জনালো । আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকো এই চেগতে ধন্যবাদ জনাইছো । তেখেতৰ সু পৰিচালনাত আমাৰ চৰকাৰখন যোৱা ৫ টা বছৰে সুন্দৰকৈ পৰিচালিত হ'ল আৰু তাৰ বাবে আজি অসম বিভিন্ন ক্ষেত্ৰত প্ৰগতিৰ পথত আগবাঢ়িব পাৰিছে । বিভিন্ন বিভাগৰ মাননীয় মন্ত্ৰীসকলোকো মই ধন্যবাদ জনাইছো তেখেতসকলৰ পৰাও মই যথেষ্ঠ সহায় সহযোগিতা পালো । ইয়াৰ লগতে মই সতীৰ্থ বিধায়কসকলোকো ধন্যবাদ জনাইছো । মই নিৰ্বাচিত হৈ কেৱল ১ বছৰ কাল পালো । সেই হিচাপে মোৰ বিশেষ কোনো অভিজ্ঞতাই নহ'ল । আজি এই ক্ষণত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ এটা কথা মনত পৰিছে তেখেতে গীতত কৈছে - " মানুহে মানুহৰ বাবে - ঠিক তেনেকৈ বিধায়কসকল ৰাইজৰ বাবে । ৰাইজক সেৱা কৰাৰ বাবে আমি সকলো বিধায়কে পুনৰ যেন এই পবিত্ৰ বিধান সভাত আহিব পাৰো । এইটো কামনা কৰি আজি এই পবিত্ৰ সদনত উপস্থিত থকা সকলোকে মই পুনৰ ধনবাদ জনাই মোৰ বক্তব্য সামৰিছোঁ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ এতিয়া নৰুল হুদা ।

**শ্ৰীনুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদন। প্ৰথমে মই ৰূপহী বিধান সভা সমষ্টিৰ সমূহ জনসাধাৰণক কৃতজ্ঞতা জ্ঞাপন কৰিম , তেখেতসকলৰ আৰ্শীবাদ শীৰত

লৈ মই এই পবিত্ৰ পঞ্চদহ বিধান সভাৰ মজিয়াত আহিবলৈ সক্ষম হৈছিলো । এই বিধান সভাত আপোনাৰ নিচিনা এজন সুদক্ষ অধ্যক্ষ আমি পাইছো । অধ্যক্ষ ডাঙৰীয়া , বিধান সভাৰ নিয়ম আৰু কাৰ্য্যৱলীমতে আপুনি যি দৰে নিৰপেক্ষভাৱে সদন পৰিচালনা কৰিলে তাৰ বাবে আপুনি প্ৰশংসাযোগ্য । আপোনাৰ সুদক্ষ নেতৃত্বত অসম বিধান সভাৰ বিধায়ক আৱাস য'ত আমি থাকো তাত আপুনি যিটো সা সুবিধাৰ ব্যৱস্থা কৰি এটা সুন্দৰ পৰিবেশ কৰিলে তাৰ বাবে বহুত ধন্যবাদ - তাত আপুনি হস্পিটেল দিলে, ব্যায়াম কৰাৰ বাবে জিম দিলে, তাত ৰাতিপুৱা- সন্ধিয়া খোজ কঢ়াৰ বাবে ব্যৱস্থা কৰি দিলে - এনেকুৱাকৈ এটা সুস্থ পৰিবেশ সৃষ্টি কৰি দিলে । ইয়াৰ লগতে বিধান সভাও আপুনি যি ধৰণে পৰিচালনা কৰিলে , তাৰ বাবে মই আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো । মই আশা কৰো এই পবিত্ৰ বিধান সভাত আমি যি সকল আহো সদায় প্ৰেম - প্ৰীতি, দয়া - মৰম, সহায় - সহযোগিতাৰে যাতে আমি ৰাইজৰ উন্নয়ণৰ বাবে কাম কৰিব পাৰো । আগন্তুক দিনবিলাকতো যাতে আমি ইয়াত আহি এখন প্ৰগতিৰ অসম, এখন শান্তিৰ অসম, এখন ঐক্যবদ্ধ অসম, ভেদাভেদহীন অসম আমি নিৰ্মাণ কৰিব পাৰো তাৰ কাৰণে মই আশা ৰাখিছো । পৰম কৰুণাময়ে আপোনাক দীৰ্ঘায়ু কৰক, আপোনাৰ নেতৃত্ব যেন আমি পুনৰ পাওঁ , দোপতদোপে যেন অসমখন আমি আপোনাৰ নেতৃত্বত আগবঢ়াই লৈ যাব পাৰো ।তাৰ বাবে কৰুনাময়ৰ ওচৰত মই প্ৰাৰ্থনা কৰিছো । বিধান সভাত শাসকীয় পক্ষই হওক বা বিৰোধী পক্ষই হওক আমাৰ মাজত বিভিন্ন বিষয় লৈ তৰ্ক- বিতৰ্ক বা কথাৰ কটা কটি হৈছিল কিন্তু এইখিনি হৈছে জনসাধাৰণৰ স্বাৰ্থত। প্ৰতিজন সদস্যই জনসাধাৰণৰ বাবেই তৰ্ক বিতৰ্কত লিপ্ত হৈছিল যদিও কোনো ধৰনৰ খেদ বা অসুন্তুষ্টি নাৰাখিবলৈ মই সকলোকে অনুৰোধ জনাইছো । মই পুনৰ সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু আশা কৰিছো ভগবানে সকলোৰে মঙ্গল কৰক , নিৰোগী কৰক, সুস্বাস্থ্যবান কৰক, দীৰ্ঘায়ু কৰক । সকলোৰে মাজত মিলা-প্ৰীতি অটুট থাকক এইটো কামনা কৰি মোৰ বক্তব্য সামৰনি মাৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ— মৃনাল শইকীয়া ।

**শ্ৰীমৃনাল শইকীয়া, (খুমটাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই ১০ বছৰীয়া কাৰ্য্যকালত মোৰ প্ৰথম অনুভৱটো হ'ল - সদনখন আইন প্ৰণয়ন কৰা প্ৰতিষ্ঠানেই নহয় এইখন এখন বিদ্যালয় । কিয়নো ইয়াত বহুত শিকিবলগীয়া বস্তু আছে আৰু আমিও বহু বস্তু শিকিবলৈ পালো । তাৰ বাবে প্ৰথমে মই ধন্যবাদ জনাব বিচাৰো মোৰ সমষ্টিবাসীক যাৰ বাবে মই ইয়ালৈ নিৰ্বাচিত হৈ আহিব পাৰিলো । তেওলোকৰ কৃপাতে মই সুদীৰ্ঘ ১০ বছৰ এই পবিত্ৰ বিধান সভাৰ সদস্য হৈ তেখেতসকক সেৱা কৰিবলৈ সুবিধা পালো । সমষ্টিবাসীৰ বাবে মোৰ ক্ষমতা অনুসৰি মই ৰাইজৰ কাম কৰিবলৈ চেষ্টা কৰিলো । হয়তো কিছু কাম কৰিব পালিৰো কিছু নোৱাৰিলো মোক সমষ্টিবাসীয়ে সহযোগিতা আগবঢ়োৱা বাবে এই বিধান সভাৰ মজিয়াৰ পৰাই মই সমষ্টিবাসীক ধন্যবাদ জ্ঞাপন কৰিছো । মাননীয় অধ্যক্ষ মহোদয়, কিছুমান চিনেমাৰ বিগিনিং ভাল লাগে ক্লাইমেক্স বেয়া লাগে কিছুমানৰ আকৌ বিগিনিং বেয়া লাগে , ক্লাইমেক্সটো ভাল লাগে । কিন্তু আপোনাৰ অধ্যক্ষতাত দেখিলো যে, বিগিনিংটো খুৱ সুন্দৰ, ক্লাইমেক্সটোও বহু সুন্দৰ । প্ৰথম বিগিনিং দেখিলো যেতিয়া আমি আমাৰ কোৱাৰ্টাৰত যাওঁ তাত দেখিলো ইংৰাজী, অসমীয়াৰ লগতে বড়ো মাধ্যমতো লেখা আছে । বড়ো ভাষাটো বহু পুৰনি ভাষা । আমিও অন্তত কেইটামান বড়ো শব্দ শিকিব পাৰিলো । পিচত দুই এটা শব্দ মই পঢ়িব আৰু জনা হ'লো । ইয়াৰ দ্বাৰা বড়ো ভাষাটোক কিমান ভাল পায় আৰু কমিউনিটিটোক কিমান শ্ৰদ্ধা কৰে সেইটো বুজি পোৱা যায় । আৰু ক্লাইমেক্সটো হ'ল সিদিনা যেতিয়া আমি 3D

**Sound & Lighting টো আমি চাবলৈ পালো । ইমান সুন্দৰ এটা ক্লাইমেক্স আপুনি দিলে সেইটো খুব ভাল লাগিল । আপুনি যিখন আমাৰ কমপ্লেক্সত হস্পিটেল দিলে এইটো এটা খুব ভাল পদক্ষেপ আপোনাৰ - মোৰ সমষ্টিৰ মানুহ আহিলে সিহঁতকো মই তাতে দেখুৱাই দিওঁ । তাত ডক্টৰ- নাৰ্চসকলে খুব সুন্দৰকৈ চাই দিয়ে । আৰু এটা উল্লেখযোগ্য কথা হ'ল - আগতে বিধান সভাত আমাৰ বিধায়কসকলে ডাঙৰ ডাঙৰ গাড়ী লৈ আহিছিল তাৰ বাবে ইয়াত বহু যান-যঁটৰ সমস্যা হয় কিন্তু আপুনি পুল কাৰৰ ব্যৱস্থা কৰি যান- যঁট নিয়ন্ত্রিত কৰিলে । আমি ও সুন্দৰকৈ আহিবলৈ পালো - যাবলৈ পালো লগতে ইয়াৰ বাবে কেইগৰাকীমান মহিলাও স্থায়ীভাৱে সংস্থাপিত হ'বলৈ সক্ষম হ'ল । আজি শেষ বিধান সভাত মাননীয় মুখ্যমন্ত্ৰী তেখেতক আমি ফাইনেন্স মিনিষ্টাৰ থাকোতেও পাইছিলো - যিটো আজি ইয়াত বক্তব্য ৰাখিলে সেইটো সঁচাকৈয়ে মোক আপ্লুত কৰিলে। তেখেতৰ জাতি প্ৰেম বা অসম প্ৰেমৰ কথা আমি জানো কিন্তু আজি নতুনকৈ আজি উদ্ভাষিত হ'ল। সেই কাৰণে মই আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ ধন্যবাদ জ্ঞাপন কৰিছো । ইমান দিনে তেখেতৰ লগতো দুটা টাৰ্ম কাম কৰিবলৈ সুযোগ পালো ।**

মাননীয় উপাধ্যক্ষ মহোদয় আছে। তেওঁ আসনত থাকোতে মই কেইবাবাৰো ইয়াত বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰিছো। তেওঁ নতুনকৈ এইবাৰ দায়িত্ব ল'লৈও ইমান সুন্দৰভাৱে তেওঁ সদনখন পৰিচালিত কৰে। সভাপতি সকল, তেখেতসকলকো মই ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, কালি এটা কথা কৈছিলো মই যে You are the most colourful Speaker of India. কি কাৰণে কৈছিলো আজি অলপ বহলাই কৈ দিওঁ। Colourful বুলি এই কাৰণেই কৈছো ৰাস্তাত কিমান ফুলৰ ৰং আছে। খোজকাঢ়ি গৈ থাকিলে ভাল লাগে ৰংবিলাক চাই চাই। ৰাতিপুৱা মই চাওঁ, কেতিয়াবা ফটোও মাৰো। আমাৰ সমষ্টিৰ মানুহ আহিলে ফুলৰ ওচৰত ফটো মাৰে, দেখি ভাল লাগে। খাদ্যৰ ক্ষেত্ৰত হওঁক, খাদ্যত যিটো আপুনি ethnicity আনিলে, বিভিন্ন community ৰ খাদ্য আপুনি আমাক সোৱাদ ল'বলৈ শিকালে খাবলৈ সুবিধা দিলে। এই সকলো কথা মিলি লগতে 3D light and sound এই সকলোবিলাক সামৰি মই কৈছিলো যে You are the most colourful Speaker of India.সেই কাৰণে মই সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছো, সকলো মাননীয় মন্ত্ৰীলৈকে ধন্যবাদ জ্ঞাপন কৰিছো লগতে আপোনালৈও বিশেষকৈ ধন্যবাদ জ্ঞাপন কৰিছো যে এই ১০ বছৰত বহু পৰিৱৰ্তন আমি দেখিবলৈ পালো আৰু বহু কথা শিকিবলৈ পালো। সেই কাৰণে আশা ৰাখিছো সকলোকে আকৌ দেখা পাম। যদি ময়ো আহো। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আহিব পাৰিব আপুনি। এতিয়া শ্ৰী দূৰ্গা দাস বড়ো।

**শ্ৰী দূৰ্গা দাস বড়ো, কলাইগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মুখত অসম বিধান সভা, আসাম আয়ান আফাদ, Assam Legislative Assembly আপোনালোক সকলোৱে মন কৰিছে আৰু আসাম আয়ান আফাদ এই শব্দকেইটা আপোনালোকৰ ৫ বছৰত নিশ্চয় মুখস্থ থাকিব আৰু এইটো মাননীয় অধ্যক্ষ মহোদয়ৰ এটা affiliated language ৰ প্ৰতি এটা প্ৰেম। ভাৰতীয় সংবিধানে যিটো affiliation দিছে, তেখেতৰ সেই ভাষাটোৰ প্ৰতি প্ৰেম আৰু ভাষাটো সম্পূৰ্ণৰূপে Assembly ৰ ভিতৰত নহয়, ভিতৰে বাহিৰে বড়ো ভাষা সম্প্ৰসাৰণ কৰাৰ কাৰণে অধ্যক্ষ হোৱাৰ পিছতো যিটো কৌশল আৰু strategy ৰে সম্প্ৰসাৰণ কৰিবলৈ চেষ্টা কৰিছে, জনপ্ৰিয়তা অৰ্জন কৰিবলৈ চেষ্টা কৰিছে, অতি প্ৰশংসনীয়। দ্বিতীয়তে, কোন অধ্যক্ষৰ ধৃষ্টতা হৈছে যে assembly খনকেই কোকৰাঝাৰত লৈ গৈছে। অধিৱেশন এখন পাতিছে ধৃষ্টতা কৰাটোৱে ডাঙৰ

কথা। তালৈ ১২৬ গৰাকী বিধায়ক কেৱল নহয়, প্ৰায় বহু বিষয়া-কৰ্মচাৰী লৈ যাবলগীয়া হয়। প্ৰথমতে session কৰিম বুলি পৰীক্ষা-নিৰীক্ষা কৰিলে। কেইদিন কৰিব পাৰে চালে, শেষত ইমান অসুবিধাৰ মাজতো তাত আমি এটা ২০ জনীয়া team গ'লো। তেখেতৰ যিটো সদিচ্ছা, BTC অঞ্চলত Assembly খন কৰাই নহয়, মানুহক বিশ্বাস জন্মোৱা। অসমৰ অন্যতম এটা জনগোষ্ঠী বড়ো সকলকো বহুত জনগোষ্ঠী আছে বিশ্বাসযোগ্যতা অৰ্জন কৰোৱা যে আমি সমগ্ৰ অসম BTC বাসী ৰাইজৰ লগত আমি আছো। তাত উল্লেখযোগ্য কেইবাটাওঁ প্ৰতিশ্ৰুতি প্ৰস্তাৱ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দাঙি ধৰিছিল। মই দুটা প্ৰস্তাৱ দিছিলো, দুয়োটা প্ৰস্তাৱতেই তেখেতে প্ৰতিশ্ৰুতি দিছিল। আজিও তেখেতে স্বীকাৰ কৰিছে দ্বিতীয়খন মেডিকেল কলেজ ওডালগুৰিত ২০২৭ চনত বনাব। ২০২৬ ৰ election ত একক সংখ্যাগৰিষ্ঠতাৰে আহিব তেওঁ দৃঢ়বিশ্বাসী। ধন্যবাদ দিছো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি কেৱল সেইটোৰেই নহয়, আমাৰ যিখন CPA আছে, আমাৰ গোটেই Commonwealth Country ৰ ভিতৰত। তাত যিটো সমন্বয় পূৰ্বতে অধ্যক্ষ সকলে ৰাখিছে মই ৪০ বছৰে দেখিছো মাননীয় অধ্যক্ষ সকলৰ যিটো একাগ্ৰতা, অংশগ্ৰহণ কিন্তু আপুনি North-Eastern Region ৰ যিটো CPA forum সেই forum টো তেনেকুৱাই active কৰি ৰাখিলে আমি অনুভৱ কৰিছো যে CPA খনো আমাৰ বিধায়ক সকলৰ, ৰাইজৰ, ৰাজ্য, ৰাষ্ট্ৰ আৰু আন্তঃৰাষ্ট্ৰীয় সমস্যা সমূহৰ বিষয়সমূহ আলোচনা কৰি কেন্দ্ৰক আৰু গোটেই ৰাষ্ট্ৰক জনোৱাৰ এটা forum আপুনি তৈয়াৰ কৰিলে। য'ত মোৰো কেইবাবাৰো অংশ গ্ৰহণ কৰাৰ সুবিধা হৈছে। এইবিলাকে মাননীয় অধ্যক্ষৰ কাম। আপুনি অধ্যক্ষ হিচাপে ইয়াত আইন-কানুন আগতেও পাছ কৰিছে, এতিয়াও পাছ কৰিছে আৰু ভৱিষ্যতেওঁ পাছ কৰিব। কিন্তু আপুনি between Parliament and Assembly in comparison আপুনি সামঞ্জস্য ৰাখি ইয়াত কিবা শ্ৰীবৃদ্ধি কৰিব পাৰি নেকি সেইটো অহৰহ প্ৰথম বছৰৰ পৰাই চেষ্টা কৰিছে। মই খুৱ ওচৰৰ পৰাই আপোনাক দেখি আহিছো। আপুনি Legislative Assembly ৰ মাননীয় বিধায়ক সকলৰ আকাংক্ষা বহুত থাকে ।সেই আকাংক্ষা বিলাকৰ ভিতৰত Assembly ৰ ভিতৰত যিবিলাক কমিটি থাকে, সেই কমিটিবিলাক আপুনি বিধায়ক সকলে অংশ গ্ৰহণ কৰাৰ কাৰণে দুখন কমিটি আপুনি ৮ খন কৰিছে, ১২ খন কমিটি আপুনি ১৬ খন কৰিছে, কৰি বিধায়ক সকলক অংশ গ্ৰহণ কৰি অতি দ্ৰুতগতিত ৰাজ্য চৰকাৰক পৰামৰ্শ বিলাক আগবঢ়াবৰ কাৰণে যি practical ব্যৱস্থা ল'লৈ, সচাঁকৈ এই ৫ বছৰীয়া কাৰ্য্যকালত সুদুৰ প্ৰসাৰী সিদ্ধান্ত আপুনি এইবিলাক লৈছে। তাৰ কাৰণে নিশ্চিভাৱে আপোনাক ধন্যবাদ দিব লাগিব। সৰু সৰু কথা বহুত আছে। কিন্তু তাৰ আগতে মোৰ বন্ধুবৰ শইকীয়া ডাঙৰীয়াই কৈছে আপোনাক যিটো designation দিছে, আপুনি অকল ইয়াত নহয়, উত্তৰ-পূৰ্বাঞ্চলৰ যিবিলাক CPA Meeting হয়, সেই বিলাকত বিশ্বজিৎ দৈমাৰী নহালৈকে CPA ৰ general house ত meeting নহয়। কাহা হে বিশ্বজিৎ দৈমাৰী? অভি তক পৌচা নেহী হে? তাৰমানে বিশ্বজিৎ দৈমাৰী ডাঙৰীয়া এগৰাকী প্ৰাণবন্ত অধ্যক্ষ Parliament ৰ যেতিয়া ওম বিৰলা ডাঙৰীয়া আহে, তেতিয়াও তেওঁ মাননীয় অধ্যক্ষ মহোদয়ক আশে-পাশে বিচাৰে। আমাৰ অলপো অহংকাৰ হয়। আমাৰ ভাল লাগে যে আমাৰ বিধায়ক গৰাকী অকল active নহয়, তেখেতৰ গুণ আছে, যিটো গুণৰ কাৰণে ৰাজ্য সভা, লোকসভাৰ দুয়োগৰাকী অধ্যক্ষ আৰু উত্তৰ পূৰ্বাঞ্চলৰ সকলে কেতিয়াবা কেতিয়াবা বিশ্বজিৎ দৈমাৰীক অভিভাৱক হিচাপেও ভাৱে যে, অলপ পথ প্ৰদৰ্শন কৰাব। বহুত Senior Speaker আছে ৭-৮ MLA হৈ তিনিবাৰলৈ Speaker হোৱা লোক আছে।

তেখেতসকলেও প্ৰথম Speaker হোৱা, কাৰণ background টো অধ্যয়ন কৰে যে, বিশ্বজিৎ দৈমাৰী ডাঙৰীয়া as a Parliamentarian, MLA হিচাপে আৰু এতিয়া Speaker হিচাপে তেখেতে যিখিনি কৰিছে, সেইখিনি তেওঁলোকে background টো চোৱাৰ পিছত নিশ্চয়কৈ আমাৰ মাননীয় অধ্যক্ষ মহোদয়ক সন্মান জনাবলৈ, গুৰুত্ব আৰোপ কৰিবলৈ বাধ্য হয়। মই গৌৰৱ অনুভৱ কৰিছো, মই পানেৰী সমষ্টিত যেতিয়া প্ৰথম বিধায়ক হৈছিলো, সেই সমষ্টিত আপুনি প্ৰতিনিধিত্ব কৰি ইয়াৰ আপুনি অধ্যক্ষ হৈছে। আমি ভাবিছিলো, সেই অঞ্চলত আপুনি থাকিব। কিন্তু ভবিষ্যতেও আমাৰ সেই অঞ্চলৰ Development ৰ মই অধ্যক্ষ মহোদয়ক এটা কথা কৈছো development ৰ ক্ষেত্ৰত হিংসা কৰিবলগীয়া অধ্যক্ষক। মই ওচৰতে থাকি মোৰ হিংসা লাগে। মই যিটো সমষ্টিৰ পৰা এইবাৰ election খেলিম বুলি ভাবি আছো, অধ্যক্ষ ডাঙৰীয়াৰ ৫০ শতাংশহে সমষ্টিতোত পৰে। মই অধ্যক্ষ ডাঙৰীয়াক কালিও কৈছো তাত দেখোন ৰাস্তাই নাই মই আকৌ নতুনকৈ আৰু ৰাস্তা বনাবলৈ। ৯৯ শতাংশ ৰাস্তা নাই। নতুনকৈ ৰাষ্টা ভাঙিবলৈ দি বনাব লাগিব। গতিকে অধ্যক্ষ মহোদয়ে development ৰ ক্ষেত্ৰতো তেওঁ নিজৰ সমষ্টিত যথেষ্ট কাম কৰিছে। অৱশ্যে অধ্যক্ষৰ আসনখন proper utilise কৰিব পাৰিছে কাৰণে তেওঁ কামবন কৰিব পাৰিছে। বহুত অধ্যক্ষ দেখিছো development ৰ কাৰণে কন্দাকটা কৰি থাকে, কিন্তু আমাৰ অধ্যক্ষ মহোদয়ে কন্দা-কটা নকৰে। লগালগ টেলিফোন দাঙি ব্যৱস্থা লোৱাৰ কাৰণে কয়। গতিকে মই আৰু দীঘলীয়া কৰিব খোজা নাই। মোৰ ভাতৃ প্ৰতিম তাৰ পাছতো মই প্ৰসংশা কৰিছো। মোৰ বয়সীয়াও নহয়, মোতকৈ ডাঙৰও নহয়। ভাতৃ প্ৰতিম বয়সত। কিন্তু মই ভাৰো আপোনাৰ জ্ঞান গৰিমাই, আপোনাৰ কৰ্মই আপোনাক জ্যেষ্ঠ বনাইছে। সদায় এনেদৰেই থাকক। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী নন্দিতা গৰ্লোছা ডাঙৰীয়ানীয়ে ক'ব।

**Smti Nandita Gorlosa,(Hon'ble Minister Sports and Youth Welfare):** Hon'ble Speaker Sir,thank you. My journey as a MLA and Minister has been quiet a great experience.When I first entered the Assembly, I had no idea where my seat was, and when found it, it was written in Assamese which was quite scary for me. But today I can understand the Assamese language with which the entire House is very comfortable. With the hope and experiences I have gained, I have faced many challanges in the last five years. First as a MLA, when a Committee went to see the construction of Kumar Bhaskar Verma Setu which it was already inaugrated by the Hon'ble Prime Minister. Within four years the construction was completed. This is the development what we have seen in Assam. I would also like to inform the House that I belongs to Sixth scheduled area. Hon'ble Speaker Sir is also from one of the Sixth Scheduled Area. Hon'ble Deputy Speaker Sir is also from another Sixth Scheduled Area. I am taking charge as a Minister under the State Govt. is also from the Sixth Scheduled Area. Many people of the Sixth Scheduled Area always concerned that the rights of the people of the Sixth Schedule

area might be taken away. They should not have this mentality, rather they should see the Govt. of Assam and this Assembly House where in the last five years the Sixth Schedule Areas have properly placed. This is the common information I want to share with the people of Sixth Schedule Areas. The another point I would like to mention is that I come from a very small community and from one of the least populated districts. There is only one constituency in district. I would like to thank all the people of my Halflong Constituency which consists of 13 tribals and 6 non-tribal community. I represent them and also all the people of my community living across Assam. I would like to thank each of the Community that I am not belonging too. Hon'ble Speaker Sir, now I would like to thank all my esteemed senior, colleagues specially Hon'ble Minister Ajanta Neog Madam. Hon'ble Minister Chandra Mohan Patowary Sir, Hon'ble Minister Ranuj Pegu Sir, Hon'ble Deputy Speaker Sir who always push me to come forward and make me realise that I can do better. Even if I make any mistake I should move foreward. I would also like to mention about Hon'ble Chief Minister Sir. Being a Chief minister, this morning he mentioned all the ministers and all the officials who have been under him. The genuienity he has and the way he makes us realise that a young MLA could also move foreward to serve the people of Assam. I would also like to thank the Hon'ble Member of the House. I would like to appreciate the media persons because being an MLA and Minister for first time, I always have a intuition to learn things. That's why I keep on sitting in this House even if it not my subject to learn. I would like to mention about the Winter Assambly, which had one of the best debate we have had, when the debate continued for two days in a row. One of the senior reporter asked me why I didn't go out even for a minute also. Even though I was not participating in the debate I like to learn from this House. This is something I can say with pride. The responsibility that has been vested in me is being carried out. Thank you so much Hon'ble Speaker Sir, beyond this House and also on behalf of the Dimasa Community I would like to thank everyone once again.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য দিগন্ত কলিতা ডাঙৰীয়াই ক'ব।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ) ঃ** নমস্কাৰ। খুলুম্বাই। আজি আমাৰ বাবে এক গৌৰৱ ময় দিন। গৌৰৱ ময় দিন বুলি এই কাৰণেই কোৱা হৈছে যে এই দিনটো এক স্মৰণীয় দিন হিচাপে থাকি যাব। পোন্ধৰ সংখ্যক পৱিত্ৰ বিধান সভাত ৰাইজৰ সেৱা কৰাৰ সুবিধা আমি পাইছিলো। ১২৬ জন বিধায়কে ইয়াত অংশ গ্ৰহণ কৰিছিল। পোন প্ৰথমে আমাৰ সকলোৰে শ্ৰদ্ধাৰ মাটিৰ লগত থকা এজন ব্যক্তি আৰু একেবাৰে সৰু ঘৰৰ পৰা অহা। তেখেতৰ যদি background বা ইতিহাস চাবলৈ যায় তেখেতৰ ঘৰ মোৰ নিলগতে গোৰেশ্বৰত। তেখেত সাধাৰণ পৰিয়ালৰ পৰা আহি বিভিন্ন সময়ত সংঘৰ্ষ কৰি পৱিত্ৰ বিধান সভাত এজন ভূমি পুত্ৰৰ যি অধিকাৰ সন্মানীয় অধ্যক্ষৰ পদ অলংকৃত কৰা সন্মানীয় দৈমাৰী ডাঙৰীয়া, আমাৰ গৌৰৱ। আমি অকল শাসকীয় দলৰ বিধায়ক বুলি গৌৰৱান্বিত নহয়, আমি ১২৬ জন বিধায়কে আপোনাক লৈ গৌৰৱবোধ কৰিছো। আপুনি আমাক ইমান সুন্দৰকৈ বিধান সভাত নেতৃত্ব দিছে। এইটো হয় যে মই প্ৰথম বাৰৰ বাবে বিধায়ক হৈছো। ৰাজনীতিৰ প্ৰেক্ষাপটত এই বিধান সভাৰ চৌহদত আমি বহু বছৰ পাৰ কৰিছো। আগৰ বিধান সভা, আগৰ বিধান সভা সচিবালয়, আগৰ বিধান সভাৰ আৱাস গৃহ আৰু আজি এটা নতুন পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিলে। কোনো দিশতে আপুনি কমি ৰখা নাই। প্ৰত্যেক দিনতে সৰু সৰু কথা, ডাঙৰ ডাঙৰ চিন্তাধাৰা আগত ৰাখি আপুনি আগুৱাই গৈছে। তেখেত স্পষ্টবাদী, তেখেত কৃত্ৰিমভাৱে কথা কোৱা ব্যক্তি নহয়। একেবাৰে naturally তেখেতে কথাকৈ এই বিধান সভাখনত প্ৰতিনিধিত্ব কৰা বহুত এনেকুৱা বিধায়ক আছে ৭-৮ বছৰ বিধায়কক আপুনি সন্মানপূৰ্বকভাৱে স্থান দি নিজৰ কথা ৰাখি আপুনি প্ৰমান কৰিলে হয় যে বিশ্বজিৎ ডাঙৰীয়া এজন সফল অধ্যক্ষ। মই ভাৱো বিধায়ক হিচাপে আমি সকলোৱে গৌৰৱবোধ কৰিছো। এই গৌৰৱময় দিনটোত আমাৰ নেতৃত্ব দিছে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। যাৰ নেতৃত্বত অসম নতুন দিশলৈ যাবলৈ সাহস কৰিলে। যি অসমক তলৰ পৰা তুচ্ছ-তাচ্ছিল্য কৰিছিল যে ১০ নম্বৰত থাকে। তলৰ পৰা ১ নম্বৰত থাকো বুলি আমাৰ এটা বিশ্বাস আছিল। অসম মানে এটা সময়ত আন্দোলন, অসম মানে জংঘল, সেই অসমক আজি বিশ্বৰ দৰবাৰত তেখেতে লৈ যাবলৈ সক্ষম হ'ল। Finally আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই পবিত্ৰ বিধান সভাত সকলোকে লগত লৈ তেখেতে নতুন অসম গঢ়াৰ যি পণ লৈছিল, তাৰে এখোজ আগুৱাই যাবলৈ সক্ষম হৈছিল। সৰ্বগুণৰ অধিকাৰী শত্ৰু জয় কৰিব পৰা ব্যক্তি। আমি সেই গৌৰৱময় পৱিত্ৰ বিধান সভাত আজি আমি পলমকৈ হ'লেও প্ৰতিনিধিত্ব কৰিব পাৰিছো। আমি প্ৰত্যেকজন বিধায়কে ইমান গৌৰৱবোধ কৰিছো। কিমান গৌৰৱৰ কথা যে আমি প্ৰত্যেকজন বিধায়কে বিভিন্ন সময়ত মত-দৰ্শন, দলৰ ৰীতি-নীতিলৈ আমি বিৰোধীক সমালোচনা কৰিছো আৰু ময়েই কিজানি বহুত সমালোচনা কৰিছো, কোনো জানি-বুজি কৰা নাই, যি দেখিছো তাৎক্ষণিক ভাৱে আমি জবাব দিছো। কেতিয়াবা ভুল হৈছে, কেতিয়াবা শুদ্ধ হৈছে। ইয়াত সেৱা কৰিবলৈ সুবিধা পালো, আপোনাৰ নেতৃত্বত আৰু হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত। আগতে Speaker বুলি ক'লে দৰ্জাৰ ওচৰলৈ যোৱাতো দূৰৰে কথা, ঘৰৰ আগেৰেও পাৰ হ'ব নোৱাৰি। মই কাকো সমালোচনা কৰা নাই। এক গৰিমা ৰাখিছিল কিন্তু পৱিত্ৰ স্পিকাৰ হিচাপে আপুনি যিটো ব্যৱস্থা হাতত ল'লে অসুবিধা হ'লে আপোনাক আমি ফ'ন কৰিবলৈও সাহস পালো। আপুনি আমাক মাতি আনে আপোনাৰ আৱাসগৃহলৈ। আপুনি যেনেকৈ আমাক মৰম দিলে তাতকৈ দুগুণ আপোনাক আমি মৰম দিব পাৰিলো। মই ভাৱো যে আজি এই দিনটো আমাৰ প্ৰত্যেকজন বিধায়কৰ কাৰণে এক স্মৰণীয় দিন। অলপ আৱেগিক আমিও হৈছো। কাৰণ আজি শেষৰ দিন। ইয়াৰ পিছত আমি নাপাম। মই নাজানো দলে আমাক সেৱা কৰিবলৈ আৰু সুবিধা দিব নে নিদিয়ে

কিন্তু আমি প্ৰত্যেকজন বিধায়কে আশা কৰিছো যে আকৌ সেৱা কৰাৰ সুবিধা পাওঁ নিজৰ নিজৰ ৰাজনীতিৰ মঞ্চৰ পৰা। আপোনাৰ দীৰ্ঘায়ু কামনা কৰিছো। সকলোৰে দীৰ্ঘায়ু কামনা কৰিছো। লগতে কংগ্ৰেছ দল, এ আই ইউ ডি এফ, চি পি আই (এম)ৰ তালুকদাৰ ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়া যাৰ লগত আমি highest কাজিয়া কৰিছো। কিন্তু এইখনৰ পৰিসীমাৰ ভিতৰত। কিন্তু বাহিৰত আমাৰ যি ভাতৃত্বৰ সম্পৰ্ক আছে সেয়া কেতিয়াও বিচ্ছিন্ন হোৱা নাই। মই ভাৱো এই দিনটো আমি আৰু কেতিয়াবা যে পাম। ১৯৭৩ চনৰ ১৬ মাৰ্চত এই পৱিত্ৰ বিধান সভা অসমত স্থাপন হৈছিল আৰু আজি ২০২৬ চন পালে। সেই দিনৰপৰা আজিলৈকে এটা পৰিৱৰ্তন আমি দেখিবলৈ পালো। মই সকলোকে পুনৰবাৰ ধন্যবাদ জনাইছো, বিশেষকৈ কমলপুৰবাসী ৰাইজক। তেখেতসকলৰ পৰা মৰম পাইছো, আশীৰ্বাদ পাইছো, ভুল-শুদ্ধৰ মাজেৰে ৰাইজৰ সেৱা কৰিলো। যিখিনি কাম কৰিলো তাতে সীমিত নহয়, যি কাম ৰৈ গ'ল তাৰ কাৰণে কমলপুৰ ৰাইজৰ পৰা ক্ষমা বিচাৰিছো আৰু ভৱিষ্যতে যদি সেৱা কৰাৰ সুবিধা পাওঁ নিশ্চয় সকলোৰে আমাৰ বিশেষকৈ সমষ্টিৰ কামখিনি সম্পূৰ্ণ কৰাৰ সংকল্প লৈ আই ভাৰতীক সেৱা কৰাৰ, আই অসমীক সেৱা কৰা, মা কামাখ্যা আৰু গুৰুজনাৰ ওচৰত সেৱা জনাই আজি এই ধন্যবাদসূচক যি বক্তব্য ৰাখিবলৈ আপুনি সুযোগ দিলে, পুনৰবাৰ আমাৰ সকলোৰে সন্মানীয় স্পিকাৰ শ্ৰী বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াক ধন্যবাদ জনাই, সকলোকে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী অজয় ৰায়।

**শ্ৰী অজয় ৰায় (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। যোৱা ৫ টা বছৰে আপোনাৰ নেতৃত্বত এই বিধান সভাই যেনেদৰে আপোনাৰ মাৰ্গদৰ্শনত চলিলে আৰু শাসক-বিৰোধী সকলোকে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰাৰ কাৰণে নিজৰ সমষ্টিৰ কথা অসম মাতৃক সেৱা কৰাৰ মনোভাৱেৰে যি এই পৱিত্ৰ বিধান সভাত আহিছিল, সকলোৱে নিজৰ মনোভাৱ প্ৰকাশ কৰিব পাৰিলে। হয়তো বহুখিনি কাম কৰিব পাৰিছে আৰু বহুখিনি কাম কৰিব পৰা নাই। মই যেতিয়া যোৱা ৫ বছৰ আগত এই পৱিত্ৰ বিধান সভাত বিজনী সমষ্টিৰ পৰা আহি দেখিছিলো যে কেইজনমান মন্ত্ৰী বা বিধায়ক মোৰ জন্মৰ আগৰে পৰাই এই বিধান সভাত বিধায়ক হিচাপে আছে আৰু সেই সকল ব্যক্তিৰ লগত কাম কৰাৰ যি সুযোগ আছিল, তেওঁলোকৰ যি মাৰ্গদৰ্শন পাইছিলো, যথেষ্ট অভিজ্ঞতা লাভ কৰিছো আৰু যথেষ্ট কৰিব লগীয়া আছে। শিক্ষাৰ যিহেতু শেষ নাই কিন্তু এই প্ৰতিজন মন্ত্ৰী হওঁক বা বিধায়কেই হওঁক, যি সকল জ্যেষ্ঠ তেওঁলোকৰ ওচৰলৈ গৈছিলো কিবা সমস্যা হ'লে আৰু তেওঁলোকে যেনেকৈ মাৰ্গদৰ্শন দিছিল আৰু সেই মাৰ্গদৰ্শন আগত ৰাখি আমি যেতিয়া কাম কৰিবলৈ গৈছিলো অতি সহজভাৱে এই কামবোৰ আমি সমাধান কৰিব পাৰিছিলো। বিশেষকৈ ৫ বছৰ আগৰ বিধান সভাৰ কথা মই ক'ব নোৱাৰিম। কাৰণ যদিও আমি বিভিন্ন সময়ত টিভিত দেখিবলৈ পাইছো মই বিধায়ক হোৱাৰ আগতে কেতিয়াও পৱিত্ৰ বিধান সভালৈ অহা নাছিলো। কিন্তু সকলোৰে মুখে-মুখে যিখিনি কথা শুনিছো, সেই আগৰ বিধান সভা আৰু আজিৰ বিধান সভাৰ যি পৰিকাঠামো তাৰ যথেষ্ট উন্নয়ন হৈছে। আপোনাৰ নেতৃত্বত যি অসমৰ প্ৰতিটো ভাষা-সংস্কৃতিক সন্মান দিছে যিহেতু মই বিশেষকৈ বিটিআৰ বা বড়োলেণ্ড এৰিয়াৰ পৰা belong কৰো, বিটিআৰ বাসী হিচাপে মই আকৌ এবাৰ আপোনাক ধন্যবাদ দিব লাগিব যে আপুনি বড়ো ভাষাৰ দৰে এটা প্ৰাচীন ভাষাক আপুনি এই পৱিত্ৰ বিধান সভাত যেনেদৰে সন্মান প্ৰদৰ্শন কৰিছে মই আপোনাক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। মই বিশেষ যি অভিজ্ঞতা, আপোনাৰ লগত কাম কৰাৰ, যদিও আপুনি অধ্যক্ষৰ সন্মানীয় আসনত বহি

আছিল, সদায় ব্যক্তিগতভাৱে হ'লেও আপোনাৰ পৰা মই পৰামৰ্শ পাইছিলো বা আপোনাৰ পৰামৰ্শৰ দ্বাৰা মই যিবোৰ কাম সম্পূৰ্ণ কৰিছিলো তাৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো।

বিজনী সমষ্টিৰ ৰাইজক এই পৱিত্ৰ সদনৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। যে তেওঁলোকে তেওঁলোকৰ সাধাৰণ ল'ৰা এজনক এই পৱিত্ৰ বিধান সভাত পঠিয়াই বিজনী সমষ্টিৰ পৰা সমস্যা সমাধান কৰিবৰ বাবে দায়িত্ব আৰোপন কৰিছিল আৰু এই দায়িত্বখিনি কিমান দূৰলৈ পালন কৰিব পাৰিছো আৰু কিমান দূৰ পৰা নাই , যিখিনি সম্ভৱ হৈছে কৰিছো আৰু হয়তো আগন্তুক দিনত সুযোগ পালে কৰাৰ চেষ্টা কৰিম। তথাপিও যি সুযোগ পাইছো তাৰ কাৰণে চিৰকৃতজ্ঞ হৈ থাকিম আৰু বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যথেষ্ট পজিটিভ। তেওঁ অসমখনৰ কাৰণে সদায় চিন্তা কৰে। হয়তো কেতিয়াবা নিজৰ ল'ৰাৰ দৰে বা কেতিয়াবা নিজৰ ভাইটীৰ দৰে আমাক গালিও পাৰিছে। কেৱল অসমখনৰ কাৰণে আৰু নিজৰ সমষ্টিৰ কাৰণে চিন্তা কৰি আমাক সেই গালি পাৰিছে বা আমাক মৰম কৰিছে। ঠিক তেনেকৈ আমাৰ জ্যেষ্ঠ বিধায়কসকল যথেষ্ট অভিজ্ঞতা সম্পন্ন, তেওঁলোকে মাৰ্গদৰ্শন কৰিছে । বিশেষকৈ এই পৱিত্ৰ বিধান সভাখন চলোৱাৰ সময়ত আমাৰ বিভাগীয় কৰ্মচাৰীসকলে যথেষ্ট কষ্ট কৰে আৰু তেওঁলোকো যথেষ্ঠ অভিজ্ঞ। তেওঁলোকৰ পৰাও যথেষ্ঠ মাৰ্গদৰ্শন পাইছো আৰু তেওঁলোকক মই বিধান সভাৰ জৰিয়তে ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। মই প্ৰতিজন জ্যেষ্ঠ মন্ত্ৰী, বিধায়ক আৰু আমাৰ মাননীয় অধ্যক্ষ, মাননীয় উপাধ্যক্ষ ধন্যবাদ আৰু কৃতজ্ঞতা জনালো আজিৰ এই পৱিত্ৰ বিধান সভাৰ আৱেগিক মূহুৰ্তত। হয়তো বহুতকে লগ পাম আৰু বহুতকে লগ নাপাম। তেনে ক্ষেত্ৰত যদি কেতিয়াবা অনিচ্ছাকৃতভাৱে কিবা ভুল কৰিছো তাৰ মাৰ্জনা বিচাৰি মই মোৰ বক্তব্য সামৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি পঞ্চদশ বিধান সভাৰ ৫ টা বছৰৰ শেষৰ বিধান সভাৰ অধিৱেশনৰ শেষৰ দিনা আজি শেষ মূহুৰ্তত এটা আবেগিক সময়। আজি বিধান সভাৰ মজিয়াত বিশেষকৈ মই প্ৰথমে সন্মানীয় অধ্যক্ষ মহোদয়ক মোৰ ফালৰ পৰা শত-কোটি সেৱা যাচিছো। আজি মই এই পৱিত্ৰ বিধান সভাত যি ৫টা বছৰ অতিক্ৰম কৰিলো সেই ৫ টা বছৰৰ যি অভিজ্ঞতা, যিখিনি অভিজ্ঞতা লৈ আকৌ আমি যাম সেই অভিজ্ঞতাই আমাৰ মন মগজুত সদায় খোদিত হৈ ৰ'ব, বহুতো কথা শিকিলো, বহু কথা জানিব পাৰিলো , যিবিলাক কথাই সমগ্ৰ অসমবাসী আৰু অসমৰ জনসাধাৰণৰ কাৰণে কাৰণে য'ত আইন প্ৰণয়ন হয়, অসমৰ জনসাধাৰণৰ য'ত আশা আকাংক্ষা পূৰ হয়, আজি সেইখন পৱিত্ৰ বিধান সভাৰ মজিয়াত সকলোকে মোৰ ফালৰ পৰা আজি শত কোটি সেৱা যাচিছো। বিশেষকৈ এইখন পৱিত্ৰ বিধানসভালৈ যিহেতু মোৰ অতি মৰমৰ সমষ্টিবাসী ৰাইজে ইয়ালৈ মোক পঠিয়াইছিল আৰু তেখেত সকলক মই কি দিব পাৰিছো কি নোৱাৰিলো সেইখিনি তেওঁলোকে অন্তত জনসাধাৰণে জানিব আৰু তেওঁলোকক মই কি দিব পাৰিলো যদিও আশা কৰা ধৰণে দিব নোৱাৰিলো তাৰ বাবে ক্ষমা বিচাৰিছো। মোৰ এই পৱিত্ৰ বিধান সভাৰ পৰাই মোৰ সমষ্টিৰ ৰাইজক মোৰ ফালৰ পৰা ক্ষমা বিচাৰিছো লগতে ইয়াত উপস্থিত থকা যিসকল মোৰ অতি শ্ৰদ্ধাৰ বয়োজ্যেষ্ঠ, অভিজ্ঞ মন্ত্ৰী হওঁক বিধায়ক হওঁক সকলোকে মই তেওঁলোকৰ পৰা যিখিনি অভিজ্ঞতা বুটলিলো, সেইখিনি মোৰ সদায় মনত থাকিব আৰু তেখেত সকলক মই পুনৰবাৰ শুভেচ্ছা, ধন্যবাদ দি মোৰ ক'বলগীয়াখিনিৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, তিতাবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মই ৰাজনীতিলৈ আহিম বুলি কেতিয়াও ভবা নাই। আগতে যেতিয়া আমাৰ বিধানসভা বিলাক শেষ হয়, তেতিয়া মই বিভিন্ন জনক দেখো, মুখ্যমন্ত্ৰী মহোদয়কো দেখো আৰু সেই সময়ৰ বক্তব্য বিলাকত মই এইটোৱে দেখিছিলো যে দুজন মান একেবাৰে confident যে তেওঁলোক আহিবই আৰু তেওঁলোকে সকলোকে কয় যে আপোনালোকে সকলো জিকি আহক, অহাবাৰ এনেকৈ লগ পালে আমাৰ আৰু ভাল লাগিব। আজি মই ও আহি ঠিক একেটা position তে, বিধাতাই মোক ইয়ালৈ আনিলে। আমি মোৰ সেই পুৰণি দিনবোৰলৈ মনত পৰিছে যে কেনেকৈ মই T.V ত চাই থাকো। আজি মই ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো যাতে আমাৰ ১২৬ জনৰ আটাইকেইজনে টিকেট পাওঁ আৰু সকলোৱে পুনৰ বাৰ যাতে ইয়াতে পাওঁ আৰু এটা অনুভৱ হ'ল যে ঘৰত এটা পৰিয়াল, কিন্তু মোৰ নতুনকৈ এটা পৰিয়াল হ'ল এই বিধানসভাত, আমি থকা গোটেই মানুহখিনি। কাৰণ আমি ইয়াত যিমানে হাই-কাজিয়া কৰো, বাহিৰত গৈ আকৌ সেই dining table খনত কেইটামান দৃশ্য দেখি মোৰ খুব ভাল লাগে, অখিল গগৈ আৰু আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ মাজত ইমান বাক-বিতণ্ডা হয় কিন্তু অলপ পিছতে lunch break ত একেখন table তে বহি হাঁহি মাতি থাকে। এইটো এটা সাংঘাতিক ধৰণৰ অনুভৱ। বিশেষকৈ আপোনাৰ প্ৰথম দিনটো মোৰ মনত পৰে। আপুনি প্ৰথমবাৰ অধ্যক্ষ হওঁতে বাৰে বাৰে আপোনাৰ খোকোজা লাগে আমাৰ চন্দ্ৰমোহন পাটোৱাৰী চাৰে শুধৰাই দিয়ে তেতিয়া বহুতে সন্দেহ কৰিছিল আপুনি চলাব পাৰিব নে নাই, কিন্তু লাহে লাহে আপুনি আপোনাৰ বুদ্ধিমত্তাৰ জৰিয়তে আপুনি ইমান সুন্দৰকৈ পৰিচালনা কৰিলে আৰু সংবিধানৰ প্ৰকৃত যিটো গণতন্ত্ৰক আপুনি এই house টো বৰ সুন্দৰকৈ ৰাখিলে। You are a great human being. আপোনাৰ শ্ৰদ্ধাৰ পিতৃ-মাতৃক মই এই বিধানসভাৰ পৰাই সেৱা জনাইছো যে ইমান এজন সুন্দৰ ব্যক্তিক আমাৰ মাজলৈ পঠিয়ালে তেখেত সকলে জন্ম দি। আপোনাৰ বিষয়ে বহুত ক'ব পাৰি এই সুযোগতে মই উপাধ্যক্ষ মহোদয়কো ধন্যবাদ জনাইছো বিশেষকৈ বিধানসভাৰ সচিব দুলাল পেগু ডাঙৰীয়া প্ৰমুখ্যে ইয়াত যিসকল ব্যক্তিয়ে আপোনাক সহায় সহযোগ আগবঢ়ালে, মাৰ্চ্চেল সকলে যিটো আগবঢ়ালে এইখিনি একেবাৰ অতুলনীয় আৰু এটা ভাল অভিজ্ঞতা লৈ আমি ইয়াৰ পৰা যাম গৈ। আশা ৰাখিছো পুনৰবাৰ আহি আপোনালোকক আকৌ এনেধৰণে আমি মিলিজুলি আমাৰ ৰাইজৰ প্ৰতি যি দায়দ্বতা, মই আজি তিতাবৰৰ পৰা বিধায়ক হৈ আহিছো, তিতাবৰৰ ৰাইজৰো বহুত আশা আকাংখা, মই নাজানো তিতাবৰৰ ৰাইজৰ কাৰণে কি কৰিব পাৰিলো। কিন্তু মোৰ নিজৰ ব্যক্তিগত এটা অনুভৱ যে বৰ্তমান চৰকাৰখনৰ পৰা মই বিৰোধীৰ বিধায়ক হিচাপে যিমান কৰিব পাৰিম বুলি ভাৱিছিলো, তাতকৈ মই বেছিকৈ কৰিলো যেন লাগে। মই সেইটো স্বীকাৰ কৰিব লাগিব আৰু বিশেষকৈ মই অজন্তা বাইদেউ যাওঁতে এবাৰ তিতাবৰত মই এই কথাখিনি কৈছো, কালিও কৈছো, গতিকে democracy টো আঁচলতে এনেকুৱাই হ'ব লাগে যে কোন বিৰোধী কোন শাসকীয় সেইটো পাছৰ কথা, কিন্তু সকলোকে সমান চকুৰে চাই যদি কামখিনি কৰি যায়, প্ৰত্যেকটো সমষ্টিয়ে যদি এনেকৈ ভাল হৈ গৈ থাকে, অসমখন সমস্যা বিলাক এটা সময়ত নাইকিয়া হ'ব আৰু আমি সকলোৱে মিলিজুলি থাকিব পাৰিম। এইখিনি সময় দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো আৰু সকলোৰে জীৱনৰ শান্তি, সম্প্ৰীতি আৰু সমৃদ্ধিৰ বাবে মই পৰম ব্ৰহ্মাৰ ওচৰত প্ৰাথনা কৰি আৰু আপোনাক মোৰ দুষাৰ কবলৈ দিয়াৰ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য ইয়াতে সামৰিছোঁ। জয় হিন্দ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী ৰূপক শৰ্মা, নগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ পঞ্চদশ অধিবেশনৰ শেষৰ দিন আৰু প্ৰতিগৰাকীয়ে আজি খুব আৱেগিক এটা স্মৰণীয় মুহুৰ্ত। মই বিশেষকৈ আপোনাক ধন্যবাদ জনাইছো যে কাম কৰাৰ যেতিয়া সদ্ ইচ্ছা থাকে, কি কৰিব পাৰে, আপুনি যোৱা ৫ টা বছৰত দেখুৱাই দিছে। এই বিধান সভাৰ ভৱনে হওঁক, গোটেই বিধান সভাৰ চৌহদে হওঁক, য'ত আমাৰ আৱাসিকসমূহ আছে, প্ৰতিগৰাকী বিধায়কক থকা খোৱাৰ পৰা সকলো বিলাক চোৱা চিতা কৰাৰ পৰা আৰম্ভ কৰি এই বিধান সভাত প্ৰতিগৰাকী বিষয়া কৰ্মচাৰীলৈকে আপুনি যি ধৰণে খবৰ ৰাখে, সঁচায়েই আজি আমাৰ কাৰণে অতি গৌৰৱৰ বিষয়।

দ্বিতীয়তে, এইখন বিধান সভাত আমি উপস্থিত থাকি, নিজে সাক্ষী হৈ কেইবাখনো গুৰুত্বপূৰ্ণ বিধায়ক লগতে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে অসমৰ কাৰণে আৰু বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত তেখেতৰ যোৱা ৫ টা বছৰ এগৰাকী বিধায়ক হিচাপে সমষ্টিবাসীত যি ৰাইজৰ কাম কৰিব পাৰিছো, আমাৰ কাৰণে গৌৰৱৰ বিষয় আৰু এইখন বিধান সভাত বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ কেইবাটাও গুৰুত্বপূৰ্ণ ভাষণ শুনিবলৈ পাইছো। আমি সকলোৱে সাক্ষী হৈ আছো আৰু এটা ইতিহাসত পৰিনত হ'ব।

মই ধন্যবাদ জনাইছো, প্ৰতিগৰাকী মন্ত্ৰীক প্ৰতিটো বিভাগত আমাক কাম কৰিবলৈ যি সুবিধা কৰি দিলে, আমি যিধৰণে বিচাৰিছো, সেইমতে সুবিধাও পালো, প্ৰতিগৰাকী বিধায়ক আমাৰ নিজৰ দলতে হওঁক বা অসম গণ পৰিষদ বা প্ৰতিগৰাকী বিৰোধী দলৰ বিধায়কসকলৰ লগত এটা বন্ধুত্বপূৰ্ণ সম্পৰ্ক, বিধান সভাত আমাৰ যিধৰণে বিৰোধী থাকে, কিন্তু আমি সকলোৱে খুব এটা বন্ধুত্বপূৰ্ণ সম্পৰ্কত এই ৫ টা বছৰ চৰকাৰখনত সক্ষম হৈছিলো। আৰু মই শেষত ধন্যবাদ জনাইছো সমষ্টিবাসী ৰাইজক যে যোৱা সময়চোৱাত মোৰ নগাওঁ সদৰ সমষ্টি আছিল, এই ১০ টা বছৰ ৰাইজক সেৱা কৰিবৰ কাৰণে মোক সমষ্টিবাসী ৰাইজে আৰ্শীবাদ দিলে আৰু এতিয়া মোৰ সমষ্টি পুনৰ নিৰ্ধাৰণ হ'ল, পুনৰ নিৰ্ধাৰণ হোৱাৰ পিছত নগাঁও বটদ্ৰৱা সমষ্টি হ'ল। এই সময়চোৱাতে নগাঁও বটদ্ৰতা থানাত শ্ৰী শ্ৰী শংকদেৱ আৱিৰ্ভাৱ ক্ষেত্ৰখন নিৰ্মাণ হ'ল। এই ৫ টা বছৰে এটা খুব গুৰুত্বপূৰ্ণ দিন, য'ত মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ যে এটা বৃহৎ প্ৰকল্প বটদ্ৰৱা জন্ম স্থানত নিৰ্মাণ হ'ল, তাৰ লগতে সমষ্টিত যথেষ্ট সংখ্যক পৰ্যটকৰ আকৰ্ষণৰ স্থলি কৰিব পাৰিলো, বহুত কাম কৰিব পাৰিলো। য'ত ভূপেন হাজৰিকাৰ ক'লা তিৰ্থ হওঁক, মৰিকলং বিলৰ শোভাবৰ্দ্ধনে হওঁক, এনেকুৱা বহুত কিছু কাম, য'ত সমষ্টিটো আগুৱাই নিয়াৰ কাৰণে সক্ষম হৈছো, তাৰ কাৰণে আপোনালোকৰ সকলোৱে আৰ্শীবাদ আৰু সমষ্টিবাসী ৰাইজৰ আৰ্শীবাদ পালো। মই পুনৰবাৰ আপোনালোক সকলোকে ধন্যবাদ জনাইছোঁ আৰু সকলোৱে কোৱাৰ ধৰণে ময়ো আশা কৰিছো যে প্ৰতিগৰাকী সদস্যই অহা বাৰ টিকত পাওঁক, অহা বাৰ নিৰ্বাচিত হৈ এখন বিধান সভাত আগৰ নিচিনাকৈ আৰু উপাধ্যক্ষ মহোদয় বহি আছে, মোৰ বন্ধু আমি একেলগে কাম কৰিছো, তেখেতে সুন্দৰভাৱে পৰিচালনা কৰিছে, গতিকে মই আজি শেষৰ দিনটোত তেখেতকো ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ**- ধন্যবাদ। আপুনি ক'ব।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ**- আজি সকলোৱে এটা আবেগিক মূহুৰ্তত সকলোৱে বৰ্ণিল পৰিক্ৰমা, মই প্ৰথমবাৰ আহিছো, বহুতে কেবাবাৰো আহিছে, তেওঁলোকে সকলোৱে আজি পঞ্চদশ অসম বিধান সভাৰ শেষৰ দিনটো মই প্ৰথমে আমাৰ ধিং সমষ্টিবাসীক ধন্যবাদ জনাইছো। ধিং সমষ্টিৰ এটা ইতিহাস আছে , অধ্যক্ষ মহোদয়, এবাৰ এজন বিধায়ক দ্বিতীয়বাৰ হ'ব নোৱাৰে

স্বাধীনতাৰ পিছৰ পৰাৰ ৫ বছৰৰ পিছত ৰাইজে চেনত কৰে। কিন্তু প্ৰথমবাৰ ধিং সমষ্টিৰ ৰাইজে মৰম কৰি মোক এবাৰ, দুবাৰ বিধায়ক হোৱা জেগাত মোক তিনিবাৰ বনাইছে। য'ত এইটো ধিং সমষ্টিত এজন দ্বিতীয় বাৰ হোৱা Record তে নাই। এই ধিং সমষ্টিৰ ৰাইজে মোক মৰম দিয়াৰ কাৰণে সমাগত ১৫ বছৰত অসম বিধান সভাত থাকি, কেৱল ধিং সমষ্টিয়ে নহয় সামগ্ৰিকভাৱে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মোৰ যিমানখিনি সম্ভৱ মই ইয়াত কথা ক'ব চেষ্টা কৰিছিলো, আৰু বিশেষ মই ৩ টা কাৰ্য্যকালত মুঠ তিনিগৰাকী মুখ্য মন্ত্ৰী পাইছো, আৰু তিনিগৰাকী আমাৰ অধ্যক্ষ বেলেগ বেলেগ পাইছো, আমাৰ অধ্যক্ষ মহোদয়, ছাৰ, আপোনাৰ বিষয়ে যিখিনি কথা আমাৰ বিভিন্ন বক্তব্যৰ পাইছো এইটো ৰিপিট কৰিব নাজাওঁ। কিবা নতুন এটা আমি পাইছো যে যিখিনি Infrustructure Development কাৰণে বিশেষকৈ আমাৰ MLA হোষ্টেলৰ কেম্পাচ কলনিত যিখিনি কৰিলে এইখিনি সকলোৱে কৈছে মই পুনৰবাৰ নকওঁ। কিন্তু প্ৰথম এটা কথা আমি অনুভৱ কৰিছিলো চাৰ, আপুনি অধ্যক্ষ হৈ অহাৰ পিছত, প্ৰথম হাউচ চলোৱাৰ ক্ষেত্ৰত, আমাৰ হাউচত আগৰ পৰা চলি আছিল এটা পৰম্পৰা, আৰু আপুনি যিহেতু তাত সংসদীয় কাৰ্য্যৱলী বা নিয়মাৱলী আপুনি তাত কৰি আহিছিলে, Parliament ৰ সেই সস্তুটো ইয়াত আপুনি Implement কৰিবলৈযাওঁতে প্ৰথম আমি BAC meeting বিলাকত এই পৰম্পৰা আৰু আপোনাৰ যিটো Concept আছিল Parliament ৰ এই বস্তুটো পিছত গৈ গৈ প্ৰথম এক বছৰ মান গ'ল পিছত গৈ adjust হ'ল। এই Parliament ৰ বস্তুটো প্ৰথম আমিও বুজি পোৱাত অলপ সমস্যা হৈছিল, পিছত গৈ BAC ত বস্তুটো Clear হ'ল। অলপ মধ্যম এটা পন্থা াহিল, যিটো আমাৰ পৰম্পৰা আৰু সংশোধীয়, যিটোৰ পৰিচালনা আপুনি আইডিয়াটো তাৰ পৰা লৈ আহিছিল, পিছলৈ ধুনীয়াকৈ ৪ বছৰ চলিল। প্ৰথম বছৰ আমাৰ বুজি পোৱাত অলপ অসুবিধা হৈছিল। BAC ত প্ৰায়ে এইটো আলোচনা হয়। আৰু এটা নতুনত্ব আহিল আমাৰ। এই Conecpt আহি পেলায়। আৰু বাকী আমি আপোনাক মুৰব্বী হিচাপে যথেষ্ট ভাল পাইছিলো, কাৰণ অধ্যক্ষ গৰাকী আমাৰ ১২৬ জন বিধায়কৰ মুৰব্বী হিচাপে থাকে, আৰু সেইকাৰণে অধ্যক্ষ গৰাকীয়ে বিধায়ক সকলৰ গৰাকীয়ে বিধায়ক সকলৰ সকলো সা- সুবিধা বিলাক চায়, আৰু এইবাৰ আমাৰ মুখ্য মন্ত্ৰী নিয়ম আছিল মহোদয়ে সাহস নকৰিলে, আগৰ পৰা নিয়ম আছিল যে ৫ বছৰ পিছে পিছে আমাৰ sallary বৃদ্ধি হয়। আৰু আমাৰ উপাধ্যক্ষ মহোদয়ে চাৰ তেখেত যিহেতু এমেনিটিজ কমিতিৰ প্ৰেচিডেণ্ট হয়, তেখেতে শাসন নকৰিলে। Media টো সমালোচনা কৰেই। আমি জানো । এইবাৰ এটা দূৰ্ভাগ্যৰ কথা হ'ল, চাৰিবাৰ সমালোচনা কৰিলে। দৰমহা কিন্তু নাবাঢ়িল। যেতিয়া গমপালে জনপ্ৰতিনিধি সকলৰ দৰমহা বাঢ়িব, নাবাঢ়িল আকৌ লগে লগে হুলস্থুল হৈ গ'ল এই ৫ বছৰৰ ভিতৰত চাৰিবাৰ আমি গালিয়ে খালো, দৰমহা কিন্তু নাবাঢ়িল। মোৰ কাৰণে আৰু এটা হয়তু গ্ৰীনিজ বুক বা World record য়ে হ'ব যে মই প্ৰথমবাৰ ২০১১ চনত বিধায়ক অহাৰ সময়ত। তেতিয়া Quarter য়ে হ'ব যে মই প্ৰথমবাৰ ২০১১ চনত বিধায়ক অহাৰ সময়ত, তেতিয়া Quarter available নাছিল মোক কোৱা হৈছিল আমাৰ New Hostal ত তিমি মাহৰ কাৰণে আপুমি থাকক। পিছত সেইফালে Quarter খালি হ'লে আপোনাক ভালকৈ দিম। মই যে এক মাহটো গৈ ১৫ বছৰ পাৰ হ'ল অধ্যক্ষ মহোদয়ে, তিনিজন অধ্যক্ষ Change হ'ল, মুখ্য মন্ত্ৰী Change হ'ল, আৰু Principal Secretary কেইবাজনো Chang হ'ল, বহুত request কৰিলো কিন্তু Quarter change নহ'ল। এই এক মাহতো ১৮০ মাহ হৈ গ'ল। কিন্তু ওলাব নোৱাৰিলো, পিছত গৈ ভঙা হ'ল Assam type Building বিলাক, এতিয়া নতুন

Building বিলাক হৈ আছে, যি নহওঁক কেতিয়াবা সেই সপোনটো হয়তো মোৰ পূৰণ হ'ব। আমি নতুন Building ত যোৱাৰ। এইটো ধৈৰ্য্য ধৰিয়ে আছো। মই পুনৰবাৰ মই কৃতজ্ঞতা জনালো আৰু সকলো আমাৰ সতীৰ্থ বৃন্দ, বিৰোধী দল বা আমাৰ শাসকীয় দল, সহযোগী দল, সকলো দলৰ প্ৰত্যেজন বিধায়কক আমি বন্ধু হিচাপে কৈছো, একে Class ত পঢ়া Class-mate ৰ নিচিনা ।প্ৰত্যেকৰ প্ৰতি শুভেচ্ছা থাকিল। সকলোৰে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো, আৰু এই কথাটো টিটা হ'লেও অধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছ দলৰ দুই তিনিজন বিধায়কে কৈছে, এই গোটেই কেইজন জিকি আহক। মই কিন্তু এই কথাতো ক'ব নোৱাৰো, যিহেতু মই চৰকাৰৰ পৰিবৰ্তন বিচাৰো। গতিকে সকলোৰে সুস্বাস্থ্যৰে থাকক, দীৰ্ঘায়ু হওঁক, আৰু যিসকল ভৱিষ্যতে আহিবও নোৱাৰে যাতে বাকি জীৱন সমাজৰ কামত দেশৰ কাৰণে কাম কৰি যাওঁক, শুভেচ্ছা থাকিল। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Thank You

**শ্ৰীমতী সুমন হৰিপ্ৰীয়া, (হাজো) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, হাজো শুৱালকুছি সমষ্টিৰ, আমাৰ আগৰ পুৰণা হাজো সমষ্টিৰ পৰা মোক জনপ্ৰতিনিধি কৰি পঠাইছে ধন্যবাদ জনাই মই এইখিনিকে ক'ব বিচাৰিছো যে এইখন বিধান সভাত বহু উল্লেখ যোগ্য, বহুত গুৰুত্বপূৰ্ণ Bill, Like polygamy Bill, পাঁচ হোৱা দেখিছো। আমাৰ বিত্ত মন্ত্ৰী অজন্তা নেওঁক ডাঙৰীয়ানীৰ দ্বাৰা ইমান কেইখন বাজেটত ইমান কেইটা সংকল্প লৈছে। সেই সংকল্প সিদ্ধিলৈ পৰিণত হোৱা দেখা পাইছো। অতি সংবেদনশীল এখন চৰকাৰ দেখা পাইছো, যি চৰকাৰে জাতি-মাটি, ভোট প্ৰতিটো অৰ্থ ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে। ড° হিমন্ত বিশ্ব শৰ্মা আমাৰ মাননীয় মুখ্য মন্ত্ৰী যি দক্ষতাৰে প্ৰকৃত লাচিতৰ দৰে আমাক সুৰক্ষা দিছে, আমাৰ জনগনক সুৰক্ষা দিছে। আমাৰ বাহিৰত প্ৰতিষ্ঠা কৰিছে আমাৰ অসমক বাহিৰত প্ৰতিষ্ঠান কৰিছে। আমাক পদমৰ্য্যাদা দিছে আমি সেয়া দেখিবলৈ পাইছো। অসমৰ নাম আাজি ভাৰতত উজ্বলি উঠিছে। আজি তেখেতে টেলেংগনা চৰকাৰৰ কথা উল্লেখ কৰিছে। গতিকে এনেদৰে প্ৰতিষ্ঠিত কৰিবলৈ আমাৰ অসমক অহোপুৰুষাৰ্থ কৰিছে। গতিকে তেখেত প্ৰকৃততে এগৰাকী জাতীয় বীৰৰ দৰে সন্তান। গতিকে তেনে মুখ্য মন্ত্ৰীৰ অংশীদাৰ হ'বলৈ পাই আমি নিজকে গৌৰৱান্বিত অনুভৱ কৰিছো। সেইখন চৰকাৰৰ অংশীদাৰ হ'বলৈ পাই আৰু আশা কৰিছো যে তেওঁ আকৌ এবাৰ মুখ্য মন্ত্ৰী হওঁক, কাৰণ তেওঁৰ দৰে মুখ্যমন্ত্ৰী অসমত প্ৰয়োজন। তেওঁৰ দৰে দেশপ্ৰেমিক মুখ্য মন্ত্ৰীক অসমৰ প্ৰয়োজন। এইখন সদনৰ প্ৰয়োজন আছে। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাওঁ। শেষত ক'বলৈ ওলাইছো আমি প্ৰতি গৰাকী মন্ত্ৰীৰ পৰা আমি Cooperation পাইছো। তেখেত সকলে Phone কৰাৰ লাগে লগে phone ধৰে আমাৰ অজন্তা নেওঁগ বাইদেউৰে নিজৰ ভণ্টীৰ দৰে ব্যৱহাৰ কৰে, আমাৰ Parliamantary Affairs Minister পীযুষ হাজৰিকা দেৰ আৰু আমাৰ চন্দ্ৰ মোহন পাটোৱাৰী দেৰৰ দক্ষতা দেখা পাইছো। আমাৰ নান্দিতা গাৰ্লোছা বাইদেউৰে প্ৰথমতে ‘ She is tries very hard fo Understand the Assamese language. Now,I am sure the can Communicate very well in Assamese Languge. So salute to ter it, Just like a Minister বাকী আমি দেখা পাইছো আমাৰ বিৰোধী সকলে যেনেকৈ ভাষণ দিয়ে, বহুত পঢ়ি শুনি থাকো। আমিনুল ইছলাম Senior ৰ পৰা ধৰি গোটেই কেইজনে ইমানখিনি তেওঁলোকৰ study আছে। গতিকে তেওঁলোকৰ পৰাও আমি শিকিব পাইছো। অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়ৰ পৰা ধৰি আপোনাৰ গোটেই stuff, মাঁচেল সকলৰ পৰাও আমি সহযোগিতা পাইছো।

আৰু সদৌশেষত আপুনি আমাৰ বিধান সভাৰ পদমৰ্য্যদা বহুত ওপৰলৈ লৈ গ'ল। এই বিধান সভাক আপুনি আজি যিমান সন্মানিত কৰিছে, সেইকাৰণে আপোনাক বহুত বহুত ধন্যবাদ। আপোনাক বহুত cool ৰ যেন লাগে। আপোনাৰ Vision আছে, অন্তৰেৰ Cooler এই কাৰণে কৈছো যে কোকৰাঝাৰত যেতিয়া অধিৰেশন হৈছিলে আমাৰ মহিলাখিনিক আপুনি অন্তৰে দখনা পিন্ধাইছিল। দখনা পিন্ধিম বুলি কোৰাত আধা ঘণ্টাত দখনা অনাই দিছিল। গতিকে আপুনি সিমানখিনি সংবেদনশীল , Sensitive কিন্তু আপুনি Vision ৰাখি কাম কৰিব জানে। আপুনি এটা Vision ৰাখে। প্ৰতিবছৰে আপোনাৰ এটা Vision থাকে। এইবছৰ কি কৰিম, এই বছৰ এইখিনি কৰিম, আপুনি মোক কয় , মোৰতো কাম নোহোৰা মানুহ কি চিন্তা কৰিম।এই বিধানসভাক কেনেকৈ পদমৰ্য্যদাৰে কেনেকৈ ওপৰলৈ উঠাই নিব পাৰে আপুনি সেইখিনিকে চিন্তা কৰে। এইটো এটা ডাঙৰ কাম আপুনি কৰিছে। গতিকে এই বিধান সভাৰ অংশীদাৰ হ'ব লৈ পাই মই নিজকে গৌৰৱান্বিত অনুভৱ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদার (কাটিগড়া সমষ্টি) ঃ-** মাননীয় অধ্যক্ষ মহোদয়,আজ বিধান সভার লাস্ট দিনে বলার সুযোগ দেওয়ার জন্য অশেষ ধন্যবাদ জানাই। প্ৰথমে আমাদের কাটিগড়া সমষ্টির প্ৰত্যেক জাতি-ধৰ্ম মানুষকে আমি ধন্যবাদ জানাই যে আজ আমাকে ভোট দিয়ে প্ৰতিনিধি বানানোর জন্য আজ আমি এই বিধান সভায় উপস্থিত হয়েছি। বিগত পাঁচ বছরে আমার সমষ্টির মানুষ যথেষ্ট সহযোগীতা করেছে। এবং বরাকের হাইলাকান্দি, করিমগঞ্জ, কাছাড় জেলা এবং আসামের প্ৰত্যেক জনসাধারণকে আমি ধন্যবাদ জানাই। বিশেষ করে আমাদের বিধান সভার শাসক দল হোক বা বিরোধী দল হোক এবং আমাদের অধ্যক্ষ, উপাধ্যক্ষ এবং বিধান সভার বাকি অফিসার প্ৰত্যেককে আমি ধন্যবাদ জানাই। আমরা নতুন বিধায়ক হয়ে পাঁচ বছরের জন্য বিধান সভায় এসেছি কিন্তু বহুত ধরণের সহযোগীতা পেয়েছি বিধান সভার প্ৰত্যেক অফিসার থেকে নিয়ে সবাই সুযোগ সুবিধা দিয়েছে। কিন্তু নতুন থাকার জন্য প্ৰায় এক বছর বিভিন্ন ক্ষেত্ৰে অভিজ্ঞতা কম ছিল কিন্তু বিগত পাঁচ বছর থেকে কাজ করে সবার সহযোগীতা পেয়েছি। আজ আমাদের শেষ বিধান সভা। আজ পাৰ্টির তরফ থেকে হোক বা শাসক দলের প্ৰত্যেক মন্ত্ৰীরা অনেক সহযোগীতা করেছেন। সবাইকে ধন্যবাদ জানাই এবং আমার মনের উদ্দেশ্য ছিল অধ্যক্ষ মহোদয়কে বলব পাঁচ মিনিট সময় দেওয়ার জন্য। অধ্যক্ষ মহোদয় এই পাঁচ মিনিট সময় দেওয়ার জন্য আমি আমার সমষ্টির মানুষ, বরাকের এবং আসামের প্ৰত্যেক মানুষকে ধন্যবাদ জানাতে পেরেছি। এবং বিধান সভায় বিভিন্ন ধরণের আলোচনা হয়েছে সব আলোচনার মধ্যে সহযোগীতা পেয়েছি। এবং আবারও সবাইকে ধন্যবাদ জানিয়ে আমি আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী লৰেঞ্চ ইচলাৰী।

**শ্ৰী লৰেঞ্চ ইচলাৰী, (পূৰ কোকৰাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় ইতিমধ্যে কেইবাজনো বক্তাই আজিৰ এই অন্তিম দিনত ধন্যবাদসূচক মন্তব্য, তেওঁলোকৰ ব্যক্তিগত মতামত দাঙি ধৰিছে। মইও চমুকৈ দু-আষাৰ ক'ব বিচাৰিছো। প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে এই পবিত্ৰ সদনত উপস্থিত থাকিবলৈ পাই আৰু প্ৰথমবাৰৰ বাবে বড়ো সমাজৰ পৰা বিধানসভাত অধ্যক্ষ হিচাপে আপোনাক পাই আমি ইমানেই আনন্দিত হৈছিলো যে সেয়া আমি কেতিয়াও পৰিকল্পনা কৰা নাছিলো। অধ্যক্ষ আৰু উপাধ্যক্ষ বড়ো আৰু গাৰো জনগোষ্ঠীৰ হোৱাৰ বাবে সদনৰ ভিতৰত-বাহিৰত চৰ্চা হয়। আমি দেখি আহিছো যে সদনৰ ভিতৰত গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ আপোনালোকে আমাক সহায়-

সহযোগ কৰি আহিছে। প্ৰত্যেক বিধায়ককে নিয়মৰ মাজেৰে এই সদনত ক'বলৈ সুবিধা দিয়াৰ বাবে মই দুয়োগৰাকী সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো। House Committee ৰ কেইবাখনো কমিটিৰ সদস্য আৰু Employment Review Committee ত মোক সভাপতি হিচাপে কাম কৰিবলৈ সুবিধা দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক মই ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো। ইয়াৰ যোগেৰে বিভাগীয় কাম-কাজ কিছুমান খুৱ ওচৰৰ পৰা চোৱাৰ বাবে সুবিধা পাইছো। যাৰ জৰিয়তে আমি ব্যক্তিগতভাৱে বহুত লাভৱান হৈছো, আমি বিভিন্ন বিভাগৰ কথাবোৰ জানিবলৈ-শিকিবলৈ পাইছো। বিধায়ক নহওঁতে CPA কি হয়, জনাই নাছিলো। কিন্তু বিধান সভালৈ অহাৰ পাছত India Region, North-Eastern region ৰ বিষয়ে আমি জানিলো। শ্বিলং, আইজলত North-Eastern region ৰ যিবোৰ মিটিং হৈছিল সেইবোৰত অংশগ্ৰহণ কৰাৰ সুবিধাও আমি পাইছিলো। বেলেগ ৰাজ্যৰ বিধায়ক সকলৰ লগত কথোপকথন কৰাৰ এটা সুবিধা আমি পাইছিলো। বিভিন্ন ৰাজ্যৰ সমস্যা, তাত কি ধৰণে proceeding চলে এই সকলো বিলাক কথাৰ বিষয়ে শিকাৰ সুবিধা পাইছিলো। যেতিয়া অধ্যক্ষ মহোদয়ক Indigenous Faith and Culture ৰ দায়িত্ব দিয়া হৈছিল তেতিয়া আমি তেখেতৰ লগত বাংলাদেশ, অৰুণাচল ভ্ৰমণ কৰিছিলো। তেতিয়া আমি Indigenous Faith and Culture ৰ বিষয়ে জনাৰ সুবিধা পাইছিলো। এনেধৰণৰ সুবিধাবোৰৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰো। মাননীয় অধ্যক্ষ মহোদয়ক আমি ধন্যবাদ দিবই লাগিব যে তেখেতে বলিষ্ঠ পদক্ষেপেৰে বিভিন্ন নতুন নতুন প্ৰতিষ্ঠান ইয়াত স্থাপন কৰিলে। অলপ আগতে আমাৰ কিছুমান বিধায়কে কৈ যোৱাৰ নিচিনাকৈ তেওঁ দীৰ্ঘদিনকাল ৰাজ্যসভাৰ সাংসদ হিচাপে আছিল। বড়ো সকলৰ ভিতৰত তিনিটা term তেওঁ ৰাজ্যসভাৰ সাংসদ হিচাপে আছিল। সেইফালৰ পৰাও তেখেত যথেষ্ট অভিজ্ঞ। অলপ আগতে কোৱাৰ নিচিনাকৈ সংসদ আৰু বিধানসভাৰ যি আইন, নিয়মাৱলী তাৰ জৰিয়তে তেওঁ নতুন আইন আনি বিধান সভাখন পৰিচালনা কৰিছে যাৰদ্বাৰা আমাৰ সকলোৰে লাভান্বিত হৈছে। মই ভাৱো আমি ইয়াত যথেষ্ঠখিনি শিকিবলৈ সুবিধা পাইছো। নতুন বিধায়ক হৈয়ো তেখেতৰ দিনত আমি তেখেতৰ পৰা সঁহাৰি পাইছো। সদনত তেখেতৰ যি guidance সেয়া আমি সকলোৰে অনুভৱ কৰিছো। এইখিনি সময়তে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকে আদি কৰি আমাৰ যিমানসকল সন্মানীয় মন্ত্ৰী, সদস্য আছে, সকলোকে মই ধন্যবাদ জ্ঞাপন কৰিছো। এই ছেগতে বিশেষকৈ মই ধন্যবাদ জ্ঞাপন কৰিছো আমাৰ তিতাবৰৰ সন্মানীয় বিধায়ক শ্ৰী ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়াক। তেখেতে প্ৰত্যেক বিধান সভাতে তেখেতৰ নিজৰ চাহ বাগানৰ চাহ পাতৰ পেকেট সকলো বিধায়ককে দিয়ে। বিধান সভাত আমি Senior-Junior ৰ ভাগ দেখিবলৈ পোৱা নাই। বিধায়ক হিচাপে যিটো পৰিৱেশ ইয়াত পাইছো তাৰবাবে সকলো দলকে মই ধন্যবাদ জ্ঞাপন কৰিছো। মই আৰু বিশেষ নকৈ আমাৰ সন্মানীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শেষৰজন বক্তা শ্ৰী দিগন্ত বৰ্মণ।

**শ্ৰী দিগন্ত বৰ্মণ, (বৰক্ষেত্ৰী) ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। প্ৰথমতে মই আমাৰ বৰক্ষেত্ৰীবাসী ৰাইজক ধন্যবাদ জ্ঞাপন কৰিছো আৰু তেখেতসকলৰ আশীৰ্বাদত আজি মই এই ঠাইলৈ আহিব পাৰিছো। যেতিয়া মই বিষয়া হিচাপে চাকৰি জীৱনত আছিলো তেতিয়া Officers' Gallery ৰ পৰা বিধায়ক সকলৰ কথাবোৰ চাই আছিলো। পৰৱৰ্তী সময়ত চাকৰি বাদ দিয়াৰ পিছত খুৱ ইচ্ছা গ'ল বিধায়ক হোৱাৰ আৰু তাকো বিৰোধী দলৰ বিধায়ক হোৱাৰ। ১৯৯৫ ত মোৰ প্ৰয়াত

পিতৃ স্বাস্থ্য মন্ত্ৰী আছিল। ৰাও নামৰ এগৰাকী অতিৰিক্ত মুখ্য সচিব স্বাস্থ্য বিভাগৰ আছিল। মোৰ ইচ্ছা গ'ল যে বিৰোধীৰ বিধায়ক হ'লে সকলো কথা ক'ব পাৰি। কিন্তু আচলতে তেনেকুৱা নহয়। আজি ইয়াত আহি খুৰ ভাল পাইছো আৰু আজিৰ মূহুৰ্তটো এক আবেগিক মূহুৰ্ত। মই আগৰ সময়তো কৈছো যে বহুত স্বনামধন্য ব্যক্তিয়ে বিধানসভাত প্ৰতিনিধিত্ব কৰি গৈছে। অধ্যক্ষ হিচাপে মই আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, মই লক্ষ্য কৰিছো যে আপোনাতকৈ আমাৰ উপাধ্যক্ষ মহোদয় অলপ বেছি কাড়া যেন লাগে। Rulling টো তেখেতৰ অলপ বেছি যেন লাগে। আপোনাক অধ্যক্ষ মহোদয়, অলপ সৰল যেন লাগে। আপুনি সকলোকে সহায় কৰিব বিচাৰে। আপোনাৰ লগত মই বাংলাদেশ, মিজোৰাম, কহিমা গৈছো। যে, সেই সময়ছোৱাত, মোক আমাৰ ভৰেন্দ্ৰ নাথ ভৰালী ডাঙৰীয়া আছিল, এতিয়া তেওঁ নাই বোধ হয়, তেখেতে কয় আৰু আমি খুব জেকাই থাকো, যেতিয়া আমি জেকুৰা শব্দ, কিবা এটা Assembly ত লাগে। কি দিব কি দিব মোক গোটেইকেইটাই খুছি থাকে, দুৰ্গা দাস ডাঙৰীয়াও আছিলে, যে আমি গৈছো নহয়, আমাক এটা ভাল laptop দিব লাগে বুলি আৰু MLA বিলাকক। নাই তেখেতে মানি ল'লে আৰু দিলে, এবাৰ mobile, এই বস্তুখিনি মানে খুব সহানুভোতিত অধ্যক্ষ মহোদয়, মই ভাল পাইছো আৰু ধন্যবাদ দিছো, উপাধ্যক্ষ অলৰ strict, তেখেতে বৰ্তমান নিদিলে হেতেন। যে, যি নহওঁক মোৰ আটাইতকৈ অভিজ্ঞাতা এটাই যে, আমাৰ পাটোৱাৰী মহোদয়, দুৰ্গা দাস, ভৰেন্দ্ৰ ভৰালী, ভৰত নৰহ ডাঙৰীয়া, চৌধুৰী ডাঙৰীয়া এখেত সকলক লগ পালো, ভাল লাগিল। আগন্তুক দিনত সকলোকে বিছাৰিছো আকৌ আহক, কিন্তুটো সম্ভৱ নহ'ব আমাৰ পীযুষ হাজৰীকা ডাঙৰীয়াই কোৱা নিছিনা। যি নহওঁক চব অভিজ্ঞতা লাগে, বিষয়া হিচাপেও অভিজ্ঞতা আহৰণ কৰিলো। মই বিধায়ক হিচাপে, যিটো মন আছিল, সেই ইচ্ছাটো পুৰণ হৈছে। বিৰোধী দলৰ বিধায়ক হ'ব খুব ইচ্ছা আছিল। কথাখিনি কোৱা কাৰণে আমাৰ পাটোৱাৰী ডাঙৰীয়া কথা শুনি মোৰ মনত আছে ৯৫, ৯৬ আছে। যে, additional যি ৰাও আছিল, মোৰ পুৰা মনত আছে। যি নহওঁক সেই ইচ্ছাটো পুৰণ হ'ল আৰু মই আমাৰ বিষয়া সকলক আমাৰ বিশেষকৈ ৰাজীৱ ভট্টাচাৰ্য্য, দুলাল পেগু ডাঙৰীয়া আৰু সকলোকে মই ধন্যবাদ জনাইছো। হেমেন দাস ডাঙৰীয়াই ইতিমধ্যে অৱসৰ লৈছে, সকলোকে ধন্যবাদ জনাইছো, বিভিন্ন সমিতি মই গৈছো, যে যি কি নহওঁক আৰু এনেকে আমি লগ পাম। কেৱল এটাই কথা সকলোৰে সুস্বাস্থ্য অধিকাৰ হৈ থাকক আৰু শেষ মূহুতলৈকে ৰাইজৰ কাম কৰি থাকক কোনোবা বিধায়ক হ'বও পাৰে বা নহ'বও পাৰে, সেইটো ডাঙৰ কথা নহয়। আমি নিদিষ্ট সময়ৰ কাৰণে আমাক ইশ্বৰে আমাক পঠাইছে। গতিকে আমি সেই যেতিয়ালৈকে পাৰো, সেইখিনি সময় আমি ৰাইজৰ কাৰণে কিবা এটা কাম কৰি যোৱাৰ মানসিকতা ৰাখি কাম কৰি যাব লাগিব। এইখিনিকে কৈ সকলোকে সুস্বাস্থ্য অধিকাৰী হৈ থাকিবলৈ অনুৰোধ জনাই ইশ্বৰ ওচৰত প্ৰাথনা জনাই, মোৰ কথা ইমানতে সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় সদস্য সকল, আহি আহি আমাৰ এই session শেষ মুহুৰ্তত আহি পালে। অকল session এ নহয়, আমাৰ ১৫তম্ বিধান সভাই আজিৰ পৰা সদনৰ ভিতৰত সমাপ্ত হোৱাৰ পথত। আজিৰ পৰাই চাগে সদনৰ ভিতৰত বিধায়ক সকল আৰু নাহিব। যেতিয়া লৈকে নতুনকৈ ১৬ তম্ বিধান সভা আৰম্ভ নহয়। আমাৰ হয়টো ইয়াতে বহুত সদস্য উপস্থিত নাই, বহুত গুচি গ'ল যি সকল ইয়াত আছো longest বিধায়ক হিচাবে আছো। বাকী ইতিমধ্যে আগতীয়াকৈ গুচি গ'ল। মোৰ বাবেও এইটো এটা নতুন অভিজ্ঞতা আছিলে এজন অধ্যক্ষ হোৱাটো। বিধান সভাত মই ২০০১ চনত আহিছিলো। ইয়াৰ পিছত ২০০৬ চনত মই নিৰ্বাচন হাৰিছো। তাৰ

পিছত ১৫ বছৰ গেপ। মই প্ৰত্যেকটো session এবাৰ আহি হলেও অলপ অলপ চাইছো। যেতিয়া মই ৰাজ্য সভাত সদস্য হৈ আছিলো। ৰাজ্য সভাত মই ৩ টা turn সম্পূৰ্ণ কৰিছিলো কিন্তু তাত অলপ ব্যতিক্ৰম হৈ ৪ বাৰ হৈ গলো। তাত মই ৰিজাইন দি আহি আকৌ যাৰলগীয়া হৈ গ'ল। গতিকে মই সদায় জীৱনত ভাবো যে, যিটো দায়িত্ব পায় সদায় সেইটো কৰি থাকিম আৰু বাকীৰ প্ৰতি লোভ নকৰো। এনেকুৱাকৈ মই জীৱনটো লৈ যাও। কিন্তু মোৰ কাৰণে বহুত ডাঙৰ এটা চিন্তা হৈছিলে যেতিয়া মোক হঠাৎ কেতিয়াও নভৱাকৈ অধ্যক্ষ হ'ব লাগিব বুলি কোৱাত। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া মোক ৰাতি ১২ টা বজাত ফোন কৰি ক'লে যে আপুনি অধ্যক্ষ হ'ব লাগিব পাৰে। মই তেতিয়া তেখেতক কৈছিলো যে, মই স্বভাৱত অধ্যক্ষ হ'ব পাৰো নে, জ্ঞান হ'ব পাৰো? কোনটো ক্ষেত্ৰত মই অধ্যক্ষৰ পদটোৰ বাবে যোগ্য এই বুলি মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক সুধিছিলো। আপুনি সকলো জানি বুজি কিয় কৰিব বিচাৰিছে? মই তেতিয়াই আপত্তি কৰিছিলো কিন্তু তেখেতে ক'লে অকল মোৰ বিষয়ে নহয়। আপোনাৰ MP হোৱাৰ অভিজ্ঞতাৰে ভালদৰে বিধান সভাখন চলাব পাৰিব। মই ক'লো সেইটো ঠিকে আছে কিন্তু মোৰ ব্যক্তিগত যিটো স্বভাৱ ব্যৱহাৰ আদি যিটো এজন অধ্যক্ষ হিচাবে থাকিব লাগে সেইটো হয়টো মোৰ নাই। মই এটা ঠাইত বহি থাকিব নোৱাৰো। ভালদৰে dress পাতি পিন্ধিও থাকিব নোৱাৰো। মোৰ আনকি যোতা পিন্ধাও অভ্যাস নাই প্ৰায় মই চেণ্ডেলে পিন্ধো। গতিকে এনেকুৱা মানুহ এজন ভালদৰে টিপটপ হৈ থকাটো মোৰ বাবে কিমান কষ্টকৰ কাম। মোৰো উপায় নাই, যিহেতু দায়িত্বতো পালো আৰু মই চেষ্টা কৰিলো। আপোনালোকে কোৱাৰ নিচিনা কেইদিন মান আপোনালোকেও অসুবিধা পালে আৰু মোৰও অলপ টেনচন হ'ল যে এনেকুৱা পৰিস্থিতিত কৈনেকৈ বিধান সভা পৰিচালনা কৰিম। লাগে লাহে মই বিধান সভাৰ বাহিৰত আমাৰ মাননীয় সদস্য সকলক, মোৰ কথা বিলাক মই চৰ্চা কৰিব চেষ্টা কৰিলো যে, মই কাকো বিধায়ক হিচাবে নিজৰ নিজৰ বিষয় বিলাকক উপস্থাপন কৰাৰ ক্ষেত্ৰত বাধা দিব খোজা নাই। বৰঞ্চ বেছিকৈ উপস্থাপন কৰিব পাৰে। মোৰ উদ্দেশ্য হ'ল সেইটো। democracy ত বিধান সভা বা সংসদৰ মজিয়াত চৰ্চা হ'ব লাগে যিমানে চৰ্চা হয় সিমানে আমাৰ সিদ্ধান্তবোৰ শুদ্ধ হ'ব পাৰে। এজন মুখ্যমন্ত্ৰী, মন্ত্ৰী কেতিয়াবা কোনোৱা বিষয়টো দৃষ্টিত নপৰিব পাৰে কিন্তু ইয়াতে ৫০ জন মানুহে চৰ্চা কৰে তেনেহ'লে প্ৰত্যেক জনে নিজৰ নিজৰ দৃষ্টিত যিটো দেখিছে সেইটো ক'ব। সেই কথাটো কেতিয়াবা নেদেখাটোক ও দেখাই দিয়া হয়। আমি ভুল ৰাস্তাত যাব খোজাতো আমি পুনৰ break মাৰিব পাৰো। আমাৰ বিল বিলাকতো সংশোধন কৰি ল'ব পৰো। আমাৰ সদনত বহুবাৰ সংশোধনবোৰ accept কৰি লৈছে। যদি আলোচনা নহ'ল হয় চৰ্চা নহল হয় তেতিয়া আকোৰগজ মনভাৱত তেনেকৈ বিলে গুচি গ'ল হয়। তেতিয়া বহুত অসুবিধা হ'ল হয়। কিন্তু বিধান সভাত যেতিয়া বিলৰ কথা বিলাক পুংখানুপুংখভাবে আলোচনা কৰিম তেতিয়াৰ কথাটো চৰকাৰ পক্ষৰ পৰা উপলব্ধি কৰি সদনতে সংশোধন কৰিব পাৰিলো। ইয়াত যিটো সিদ্ধান্ত হ'ব সেইটো আমাৰ নাগৰিক আৰু ৰাজ্যৰ ভৱিষ্যত কাৰণ সেইটোৱে কাৰ্য্যকাৰী হ'ব সেই মতে আমি চলিব লাগিব। সেই কাৰণে বিধান সভাত অত্যন্ত দৰকাৰ আৰু পৰিবেশ আৰু পৰিবেশৰ মাজত আলোচনাটো হোৱাটো সেই কাৰণে সেই বিলাক মই প্ৰদান কৰিছিলো যিমান পাৰো। শেষত সকলোৰে সহযোগত আমাৰ যিটো existing room তাত যিমান পাৰো অলপ বিষয় বিলাক যাতে আলোচনা কৰি লৈ যাব পাৰো বিধান সভাত মজিয়াত আমি সংশোধন কৰিলো ৰুলখন এইটো আমাৰ কাৰণে ডাঙৰ কাম হৈ গ'ল ভৱিষ্যতত। আমাৰ কৰণীয় হয়টো বহুত থাকিব সময়ে হয়টো ক'ব সেই মতে কৰি যায় থাকিব পাৰিব। ইয়াৰে

আন্তঃগাঠনি ভাল হ'ব লাগিব ইয়াতে কাম কৰা মানুহ খিনিও সুষ্ঠ ভাবে কাম কৰিব পৰাকৈ পৰিবেশ থাকিব লাগিব। সেই কাৰণে আন্তঃগাঠনি মই গুৰুত্ব প্ৰদান দিছিলো অফিচৰ ভিতৰতো মই চেষ্টা কৰিছিলো যে আমাৰ অফিচাৰৰ পৰা আৰম্ভ কৰি তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী ৰুমত থাকি ভাল পায়। যিমান যি লাগে এই সুবিধাটো তেওঁলোকে পায়। মই প্ৰত্যেকটো ৰূমতে AC লগাবলৈ অৰ্ডাৰ দিছিলো যে গৰম সকলোৰে কাৰণে সমান। গতিকে যেনে য'ত বহে য'ত থাকে অফিচাৰ বা মই অধ্যক্ষই যেনেকৈ দিনটো বহি আছো পৰিবেশ তেওঁলোকেও পাব লাগিব। কম্পিউটাৰ লেপটপ মই দিয়াত মই কৈ আছিলো যে কোনো কৃপনালী কৰিব নালাগে সকলোৰে কাম কৰিবলৈ আহিছে। গতিকে তেখেতে যদি এই সুবিধাটো নাপায় তেওঁ কেনেকৈ কাম কৰিব পাৰিব। গতিকে মই তেনেকুৰা ধৰণৰ পদক্ষেপ বিলাক লৈছিলো। কেতিয়াবা কোনোৰাই ভুল ভাবিছিল। আজি আধুনিক হৈ গল। আমি E-Vidhan আৰম্ভ কৰিছিলো, য'ত আপোনালোকৰ পৰা মই কথাও শুনিব লগীয়াও হৈছিল কাগজ নিদিয়াৰ কাৰণে, কিতাপ নিদিয়াৰ কাৰণে। এতিয়া লাহে লাহে অভ্যাস হৈ গ'ল। গতিকে ইয়াৰ পিছত আমাৰ মেডিকেলৰ কথা মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াই ক'লে যে Parliament ত আছে, গতিকে আমিও এইটো কৰিব পাৰিলে কেৱল আমাৰ সুবিধা নহয়, ৰাইজৰ কাৰণে বহুত সুবিধা হয়। Secretariat আৰু Assembly Complex ৰ বিষয়া-কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি আমাৰ মন্ত্ৰী-বিধায়ক সকলে সদায় তাত priority আছে আমি নিবিচাৰিলেও মানুহে ক'ব খোজে যে ছাৰে আগতে দেখুৱাই যাব আৰু আমি লাইনত থাকিব লাগে। সাধাৰণ মানুহ বিলাকে জোৰ কৰিব নোৱাৰে। এনেকুৰা situation হৈ থাকে। গতিকে আমাৰ নিজৰ এখন যদি minimum Dispensary হয়, তেতিয়া সাধাৰণ check up বা প্ৰথম আমাৰ যিবিলাক চিকিৎসা সেইবিলাক আমি কৰি ল'ব পাৰো। ইয়াৰ পিছত যদি প্ৰয়োজন হয় লাহে লাহে ডাঙৰকৈও কৰিব পাৰো। এই idea টো আমি Parliament ত পাই আহিছো। তেখেতে নিজে যেতিয়া ক'লে এইটো মোৰ কাৰণে সহজ হৈ গ'ল। বিভাগৰ ফালৰ পৰা যদি অলপ চাই দিয়ে আন্তঃগাথনিটো কৰিব পৰা যাব। May মাহত মই অধ্যক্ষ হৈছো আৰু মেডিকেল খন আমি আগষ্ট মাহত উদ্ধোধন কৰিছো। মই এটা বিশেষ দিনত অধ্যক্ষ হৈছো। একৈশ শতিকাৰ ২০২১ চনৰ ২১ মে' তাৰিখে মই অসম বিধান সভাৰ ২১ নম্বৰ অধ্যক্ষ হৈছো। সকলো মিলি গৈছে। তাৰ পিছত এটা পৰিবেশ মই দেখিলো যে পৰিবেশটো খুব বেয়া গতিকে অলপ সেউজ কৰিব লাগে। এইটো কোনো ডাঙৰ কথা নহয়। আমি কিছু ফুল লগাব লাগে। গোটেই যিহেতু structure টো পকা কৰা আছে গতিকে আমি টাবত লগাই দিব পাৰো। তাত কি অসুবিধা আছে। তেনেকুৰা কৈ সকলো কাম আৰম্ভ কৰি এইখিনিলৈকে আগবাঢ়িলো। Latest টো বহুতে হয়তো দেখা নাই। আমি এটা Digital Musum কৰিলো। আমাৰ Library টো digital হৈ গ'ল। আমি ১৯৩৭ চনৰ পৰা প্ৰচিডিং বিলাক সকলো scan কৰি online ত পঢ়িব পৰা কৰি দিলো। বহুখিনি আমাৰ হৈ গ'ল আৰু কিছু বাকী আছে। ইয়াৰ পিছত আমি এতিয়া Digital Musium ত অসমৰ ইতিহাস গোটেইখিনি digital ৰ দ্বাৰা আমি কম ঠাইতে সকলো চাব পৰাকৈ কৰিলো। তাত আমি আমাৰ দৰ্শনাৰ্থী সকলে চাব পৰাকৈ ভিডিঅ' ৰ ব্যৱস্থা কৰিছো। ঠিক তাৰ লগতে অসমৰ বিভিন্ন ঠাই ঘূৰি-পকি চাব পৰাকৈ আমি এটা হেলিকপ্তাৰ ড্ৰাইভৰ দৰে ব্যৱস্থা কৰিছো। তাত গ'লে অসমখন ঘূৰি চোৱাৰ নিচিনাকৈ আমি চাব পাৰো। Sound and light সেইটোৰ লগতে সংযোজন কৰি আমি কৰিলো। য'ত অসমৰ ইতিহাস মহাভাৰত- ৰামায়ণৰ পৰা বৰ্তমানলৈকে তাত আমি মানুহক জনাব পাৰো। আমাৰ অসমত এতিয়া International, National সকলো

অফিচিয়েল মানুহবিলাকে ভিজিট কৰি থাকে। মই অধ্যক্ষ হোৱাৰ পিছত Commonwealth Parliamentary Association ৰ International Executive Committee Meeting আমি host কৰিলো। বিভিন্ন দেশৰ পৰা ইয়াত অধ্যক্ষ, এম.পি সকল ইয়ালৈ আহিল। ৰাষ্ট্ৰীয় CPA ও আমি ইয়াৰ লগতে সম্পৰ্ক ৰাখি এইটোৰ পিছত কৰিলো। য'ত ভাৰতৰ সকলো ৰাজ্যৰ অধ্যক্ষ, উপাধ্যক্ষ, বিধায়ক, সাংসদ, সচিব আদি আহিল আৰু আমাৰ বিধান সভাত সেই মিটিং খন কৰিলে। আমাৰ বিষয়া সকলে সাহস কৰা নাছিল যে কেনেকৈ কৰিম বা কেনেকৈ হ'ব। কিন্তু মোৰ সৰুৰে পৰা সংঘৰ্ষ কৰাৰ অভ্যাস আছে। আমি য'তে-ত'তে হাজাৰ মানুহৰ লগত মিটিং কৰি থাকো। গতিকে সেই মিটিংখন চম্ভালিব নোৱাৰাৰ কোনো কথা নাই। এইদৰে সাহস দি আমি সেই মিটিঙখন অনুষ্ঠিত কৰিলো। এই মিটিঙখনৰ পিছৰে পৰা সকলোৱে অসম বিধান সভাক প্ৰশংসা কৰিবলৈ ধৰিলে। আমি যেনেকুৱা hospitality দিলো সেইটোক লৈ সকলোৱে বিদেশটো আৰু ইয়াতো চৰ্চ্চা কৰিলে। সেই সময়ত আমাৰ এটা চিন্তা হৈছিল যে আমি আলহীবোৰক ক'ত লৈ যাম। মই মোৰ পানেৰী সমষ্টিত থকা চাহ বাগানকে দেখুৱাবলৈ লৈ গৈছিলো। International and National আলহী। BTC অঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ গাওঁবোৰলৈ লৈ গৈছিলো। তাত তেওঁলোকক নামঘৰ, খেতিবাতি, তামোল বাগান আৰু এৰি চিল্ক আদিবোৰ দেখুওৱা হৈছিল। এটা কথা মোৰ মনলৈ আহি থাকে যে বাহিৰৰ মানুহবোৰে অসমত কাজিৰঙা চোৱাৰ পিছত কি কৰিব বা শুৱালকুছিত এঘন্টা ঘূৰি অহাৰ পিছত কি কৰিব। আমাৰ ইয়াত সময় পাচ কৰিবলৈ কতো ভাল ঠাই নাই। আমি বিধান সভাখনতও চোৱাৰ কাৰণে ব্যৱস্থা কৰিব পাৰো নেকি, তাৰ কাৰণে Light and Sound system টো এতিয়া কৰা হৈছে। তেনেকুৱা অতিথি আহিলে আমি সপ্তাহত ৫ দিন আমি তেওঁলোকক specially নিমন্ত্ৰণ কৰি অসমৰ বিষয়ে Light and Sound system ৰ জৰিয়তে আমাৰ ইতিহাস তেওঁলোকক দেখুৱাব পৰা যাব। গতিকে আমাৰ বিধান সভাখনো তেনেকুৱা অতিথিৰ বাবে দেখুৱাব পাৰো। একেবাৰে সকলোবোৰ বস্তু ভাল কৰিব নোৱাৰি। সকলোবোৰ বস্তু technically set up কৰা হৈ গ'ল। কেৱল আমি চুটিং টো সলনি কৰি থাকিব লাগে। বৰ্তমানৰ development টো চাই যিখিনি information আমি দিব পাৰো সেইখিনি দি থাকিব পাৰি। আমাৰ বিধান সভাৰ যিটো ব্ৰাঞ্চে এই বিষয়টো চোৱা-চিতা কৰি থাকিব তেওঁলোকে এই improvement টো কৰি থাকিব পাৰিব। ছাত্ৰ-ছাত্ৰীৰ কাৰণে আমি internship কৰাৰ ব্যৱস্থাও কৰি দিলো। এতিয়া Law, Political Science বা কোনোবা যদি গ্ৰেজুৱেট হৈ আছে আৰু হায়াৰ চেকেণ্ডাৰী কৰি থকা সকলেও অসম বিধান সভাৰ পুথি ভৰালত অধ্যয়ন কৰিব পাৰিব আৰু শিকিব পাৰিব। আমি internship ৰ ব্যৱস্থাটো এতিয়াও ভালদৰে কৰিব পৰা নাই। এইবোৰ নিশ্চয় ঠিক কৰি ল'ব পাৰিব। এটা specific সময় দি এই internship ৰ course টো কৰি দিব পাৰিব। পুথিভৰালত অধ্যয়ণ কৰাৰ পিছত বিষয়া সকলৰ লগতো তেওঁলোকে শিকিব পাৰিব। অধ্যক্ষ, উপাধ্যক্ষ আৰু সচিবৰ লগতো ষ্টাফ হিচাপে এক মাহমান কাম কৰিব পাৰিব আৰু অফিচৰ গোটেই কামবিলাকত তেওঁলোকে সহায় কৰিব পাৰিব। যিটোৰ দ্বাৰা আমাৰ গোটেই প্ৰক্ৰিয়াটো জানিব যে বিধায়নী প্ৰক্ৰিয়া আৰু বিধান সভাত কি হয়। তেনেকুৱা ধৰণে আমি এটা ব্যৱস্থা কৰিব পাৰিম, just for knowledge ৰ বাবে কৰা হৈছে। এইবোৰ বিষয় আছে। মই মাত্ৰ আমাৰ সকলো মন্ত্ৰী আৰু বিধায়ক সকলক অনুৰোধ কৰো যে তেওঁলোকে নিজৰ নিজৰ সমষ্টিত যদি এই বিষয়বোৰ অৱগত কৰে তাৰ পৰা মানুহখিনি আহি যদি কেতিয়াবা বিধান সভা ভিজিট কৰিব পাৰে। বিধান সভাৰ মই মোৰ residence টো গোটেইখিনি ভিতৰত

ঘূৰি চাব পৰাকৈ এইটো মই এতিয়া কৰি দিছো। মানুহে জানিব লাগে যে অধ্যক্ষ কেনেকৈ থাকে। বিধান সভা চৌহদত সকলো ভিজিটৰক যাবলৈ মই ফ্ৰি কৰি দিছো। কিন্তু আমাক জনাব লাগিব আৰু প্ৰয়োজন হ'লে আমি গাইড দি দিম। আমি অফিচৰ পৰা ইয়াৰ বাবে মানুহ দি দিছো তেওঁলোকে বিধায়ক আবাসলৈকে লৈ গৈ দেখুৱাই যে আমাৰ বিধায়ক সকল কেনেকৈ থাকে। গাঁৱৰ মানুহবিলাকে এতিয়া সেইবিলাক ধুনীয়াকৈ চাব পাৰিছে আৰু জানিব পাৰিছে। মই এটা চীষ্টেম কৰিছো। যিয়েই নাহওঁক formalities ৰ মাজেৰে আহিব লাগিব। পাচ ল'ব লাগিব। এতিয়া বিধান সভাত এইটো কৰিব বিচাৰিছো যে আমাৰ যিবিলাক residence আছে, ভৱিষ্যতে আমি বিধায়ক হৈ থাকো বা নাথাকো সকলোবিলাক apartment system হৈ গ'ল। সেইকাৰণে apartment ৰ তলতে আমাৰ বিধান সভাৰ কৰ্মচাৰী থাকিব। কোনোবা visitor আহিছে আহি কৈছে মই অমুক বিধায়কৰ তালৈকে যাম তেতিয়া সেই Apartment টোৰ নিৰাপত্ত ৰক্ষী জনৰ ওচৰত নামটো দি যাব লাগিব। তেতিয়া নিৰাপত্তা দিশটো আৰু অলপ শক্তিশালী হ'ব আৰু সেই visitor জনে উক্ত বিধায়কজনৰ সন্মতি অবিহণে বেলেগ Apartment লৈ যাব নোৱাৰিব। কিছুমানে কি কৰে এজন বিধায়কৰ তাত আহিল আৰু চাৰিওফালে ঘূৰি ফুৰে। visitor ৰ সকলে প্ৰৱেশ পত্ৰ লৈয়ে সোমায় আমাৰ বিশেষ ব্যৱস্থা নোহোৱাৰ বাবে তেওঁলোকে এজন বিধায়কৰ তাত যাম বুলি কৈ বেলেগ বিধায়কৰ তাত যায় যিটো কথা সেই বিধায়ক জনেও নাজানে। গতিকে এতিয়া সকলো Apartment তে এই ব্যৱস্থাটো কৰিবলৈ লোৱা হৈছে যে প্ৰত্যেকটো Apartment তে আমাৰ কৰ্মচাৰী থাকিব আৰু দৰ্শনাৰ্থী সকল সেই ঠাইলৈকে হে যাব পাৰিব যি ঠাইৰ বাবে তেওঁলোকে প্ৰবেশ পত্ৰ লৈছে। অন্যান্য ঠাই যেনে কেন্টিন, কুইনচ্ লনলৈ যাব পাৰিব কিন্তু অফিচলৈ আহিবলৈ হলে প্ৰবেশ পত্ৰ লাগিব বা আমাৰ কোন অফিচাৰে মাতিছে সেইটো উল্লেখ কৰিব লাগিব। ইয়াৰোপৰি যাৰ কোৱাৰ্টাৰলৈ যাব সেই কোৱাৰ্টাৰ গৰাকীৰ সন্মতি লাগিব। আমাৰ আমিনুল ডাঙৰীয়াই কোৱাৰ দৰে তেখেতে ১৫ বছৰ কোৱাৰ্টাৰ নাপালে কিন্তু এতিয়া যি নতুন কোৱাৰ্টাৰ বনাই আছে ১৫ তলাৰ তাত মই আপোনাৰ বাবে দৰকাৰ হলে এতিয়াই লিখি থৈ যাম আপোনাৰ কোৱাৰ্টাৰৰ বাবে। ঠিক এই দৰে আমি কামবোৰ কৰি আহিছো আৰু দ্বায়িত্ব পালে কামবোৰ কৰিবই লাগিব। আহি আহি আমি শেষ পৰ্য্যায় পালো আমাৰ সকলো বিষয়াই সচিবকে ধৰি মোক সহযোগ কৰিলে বহুত কাম কৰিলে গতিকে তেওঁলোকলৈ মই ধন্যবাদ জনাইছো আৰু যিবোৰ কথা মই বুজি পোৱা নাছিলো সেইখিনি কথাও মোক ধুনীয়াকৈ বুজাই দিছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে মোক যি লাগে বুলি কৈছো তাকে দিছে আৰু নিশ্চয়তা দিছে যে বাজেটত পইছা যিয়ে নহওঁক কিয় বিধান সভাৰ যদি প্ৰয়োজন হয় আমি পৰিপূৰক দাবী মঞ্জুৰীৰে হ'লেও পইছা দিম আৰু বাইদেউৰ এই সাহস টোৰ বাবে মই বহুত কাম কৰিলো। আমি বাজেটত ধৰি দিছো যে আমাৰ যিবোৰ conference বিশেষকৈ বিদেশত হয় তাৰ বাবে বাজেটত কেইকোটি মান টকা লাগে আৰু মই বহু conference বিধায়ক সকলক লৈ অংশ গ্ৰহণ কৰিছো। প্ৰথম আমি বিদেশ গৈছো বাংলাদেশত আমি মুঠ ৩২ জন বিধায়ক গৈছো লগতে আমাৰ বিষয়া আৰু আমাৰ প্ৰতিবেদককো লৈ গৈছিলো। এই ক্ষেত্ৰত আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীকো পুঁজি যোগান ধৰাৰ বাবে ধন্যবাদ দিব লাগিব। বিধান সভাত সকলো মন্ত্ৰী বিধায়কে একেলগে চাহ খাব পৰাকৈ মই ইয়ালৈ আহিয়ে এটা পেণ্ডেলৰ ব্যৱস্থা কৰিছিলো যাতে আমাৰ সকলোৰে মাজত ভাল সম্পৰ্ক থাকে, যিহেতু মোৰ সংসদ ভৱনৰ অভিজ্ঞতা আছে। ঠিক তেনেকৈ আমি নতুন building লৈ অহাৰ পিছতো এটাই লবী ব্যৱহাৰ কৰিছো য'ত শাষক বিৰোধী সকলোয়ে সকলোকে লগ পাই

থাকিব পাৰে। এই ৫ বছৰৰ মোৰ অভিজ্ঞতা বহুত ভাল কাৰণ আমি সকলোয়ে মিলি জুলি সিদ্ধান্ত লব পাৰিছো। আমাৰ সদনত সভাস্থগিত প্ৰস্তাৰ দুই তিনিবাৰ আলোচনা কৰা হৈছে ই এটা record কাৰণ সাধাৰণতে সভাস্থগিত প্ৰস্থাৰ নাকচ কৰা হয়। আৰু লগতে এই সভাস্থগিত প্ৰস্থাৰত এটাই বিষয় দিব লাগে কিন্তু আমাক যিমান টা বিষয় দিছে প্ৰত্যেকটো আলোচনা কৰিছো আৰু যদি কোনোবাটো পৰা নাই short duration discussion জৰিয়তে আলোচনা কৰা হয়। ইয়াৰ লগতে আমাৰ কিছুমান বিষয় আহিছিল যিবোৰ আপোনালোকে সকলো দলে মিলি সমাধান কৰি দিছে তাৰ বাবেও মই আপোনালোকক ধন্যবাদ জনাইছো। সৰ্বশেষত মই সকলো দলৰ লগতে আমাৰ LOP কে ধৰি সকলোকে ধন্যবাদ জনাইছো ।

**<u>অধ্যক্ষৰ সামৰণি মন্তব্য</u>**

সন্মানীয় সদন, যোৱা ১৬ ফেব্ৰুৱাৰী তাৰিখে আৰম্ভ হোৱা পঞ্চদশ অসম বিধান সভাৰ ১৫ সংখ্যক অধিৱেশনৰ ৪ দিনীয়া চৰকাৰী কৰ্মসূচীৰে সম্পন্ন হোৱাৰ অন্তত আজি সামৰণি পৰিল। ২০২১ বৰ্ষত ৰাজ্যত অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনৰ অন্তত গঠিত হোৱা পঞ্চদশ অসম বিধান সভাৰ এইবাৰৰ অধিৱেশনখন হ'ল অন্তিমখন অধিৱেশন ।

অসম বিধান সভাৰ অন্তিমখন অধিৱেশনৰ আজি এই শেষৰ দিনটোত বিধান সভাই পাঁচ বছৰীয়া কাৰ্য্যকালত সম্পন্ন কৰা কিছু গুৰুত্বপূৰ্ণ কৰ্মৰাজিৰ মই এক আভাষ দাঙি ধৰিব বিচাৰিছোঁ । বিধান সভাত অনুষ্ঠিত হোৱা সকলো কাৰ্য্যসূচীৰে গুৰুত্বপূৰ্ণ ভূমিকা থাকে যদিও প্ৰতিটো কাৰ্য্যসূচী সম্পৰ্কে মোৰ এই চমু বক্তব্যত উল্লেখ কৰাটো সম্ভৱপৰ নহ'ব । সেয়েহে, মই মোৰ বক্তব্যৰ জৰিয়তে প্ৰচলিত নিয়মৰ অন্তৰ্গত বিভিন্ন প্ৰক্ৰিয়াৰ আওতাত নৈমিত্তিক সম্পাদিত হোৱা কিছু গুৰুত্বপূৰ্ণ কাৰ্য্যসূচীৰ ওপৰত আলোকপাত কৰিবলৈ বিচাৰিছোঁ ।

মাননীয় সদস্যসকল, চলিত বিধান সভাত এইপৰ্য্যন্ত সৰ্বমুঠ ১০৫ দিনীয়া কৰ্মদিনেৰে ১৫ খনকৈ অধিৱেশন সম্পন্ন হৈছে । এই কৰ্মদিনৰ সৰ্বমুঠ ১৪ টাকৈ দিন 'বেচৰকাৰী সদস্যৰ কাৰ্য্যসূচী'ৰ বাবে নিৰ্দ্ধাৰিত আছিল । আমি সকলোৱে জানোঁ, বিধান সভাত প্ৰশ্নোত্তৰ শিতানটোৱে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে । সদনৰ এই পাঁচ বছৰীয়া কাৰ্য্যক্ৰমণিকাত সৰ্বমুঠ ১৮৮০ সংখ্যক তৰাচিহ্নিত প্ৰশ্ন আৰু ৪৫৪৯ সংখ্যক তৰাবিহীন প্ৰশ্নৰ উত্তৰ প্ৰদান কৰা হয় । আনহাতে, শূণ্যকালীন ঘণ্টাৰ সময়ছোৱাত ১০৭ সংখ্যক ৰাজহুৱা স্বাৰ্থজড়িত গুৰুত্বপূৰ্ণ বিষয় উত্থাপিত হোৱাৰ লগতে উত্তৰ প্ৰদান কৰা হয় । সদনৰ প্ৰচলিত নিয়মাৱলীৰ ৫৪ নং নিয়মৰ আওতাত ৪৩ টাকৈ জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় উত্থাপনেৰে বিভাগীয় মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰা হয় । নিয়মাৱলীৰ নিয়ম ৩০১ — 'বিশেষ উল্লেখ'ৰ জৰিয়তে ১১২ সংখ্যক সাম্প্ৰতিক ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় উত্থাপিত হয় আৰু বিভাগীয় মন্ত্ৰীয়ে উক্ত বিষয়সমূহৰ ওপৰত উত্তৰ প্ৰদান কৰে । প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়ম ১১৫ ৰ অধীনত 'সংকল্প প্ৰস্তাৱ'ৰ জৰিয়তে ২০ সংখ্যক; নিয়ম ১৩০ (ক) ৰ আওতাত 'বিশেষ প্ৰস্তাৱ'ৰ জৰিয়তে ১০ টা আৰু নিয়ম ১৩১ ৰ অধীনত 'প্ৰস্তাৱ'ৰ জৰিয়তে ৬ টাকৈ সাৰ্বজনিক স্বাৰ্থজড়িত বিষয়ৰ ওপৰত আলোচনা কৰা হয় । তদুপৰি, নিয়ম ৫০ ৰ অধীনত ১০ টাকৈ জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় আলোচিত হয় আৰু সংশ্লিষ্ট মন্ত্ৰীৰ উত্তৰ লাভ কৰা হয় । অধিৱেশনৰ কালছোৱাত ১১ দিন 'সদস্যৰ সময়' অৰ্থাৎ Members' Hour অনুষ্ঠিত হয় আৰু এই শিতানত সৰ্বমুঠ ৩৪ গৰাকীকৈ সদস্যই অংশগ্ৰহণ কৰে ।

মাননীয় সদন, সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাৰ এক অন্যতম অবিচ্ছেদ্য অংগ হৈছে বিধায়িনী অথবা আইন প্ৰণয়ন প্ৰক্ৰিয়া । বিধান সভাৰ সদস্যসকলৰ সূক্ষ্মতম আৰু নিৰ্মোহ বিশ্লেষণৰ অন্তত

হে পাৰিত হোৱা বিধেয়কসমূহ জনকল্যাণকামী আইনলৈ ৰূপান্তৰিত হোৱাটো সম্ভৱ হৈ পৰে ।

চলিত বিধান সভাৰ পাঁচ বছৰীয়া পৰিক্ৰমাত ৩০৭ খন বিধেয়ক পাৰিত হয় । এই সময়ছোৱাত মাননীয় সদস্যসকলৰ পৰা বহুসংখ্যক বে-চৰকাৰী বিধেয়ক উত্থাপনৰ বাবে জাননী লাভ কৰা হৈছিল যদিও তাৰ ভিতৰত ১৮ খন বে-চৰকাৰী বিধেয়ক উত্থাপন তথা বিবেচনাৰ বাবে লোৱা হৈছিল । অৱশ্যে, বিধিগত বা আন আনুসংগিক কাৰণত কোনো ধৰণৰ বে-চৰকাৰী বিধেয়ক পাৰিত কৰিব পৰা নগ'ল ।

মাননীয় সদন, আমি সকলোৱে পৰিস্থিতিৰ দাস । সময়ৰ আহ্বানত, সময়ৰ সৈতে নিজকে পৰিৱৰ্তন ঘটাই সাম্প্ৰতিক পৰিস্থিতিৰ সৈতে খাপ খুৱাই ল'ব পৰাটোহে বুদ্ধিমত্তাৰ পৰিচয় । এই চিন্তাধাৰা আগত ৰাখি অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা লাভ কৰা প্ৰেৰণা আৰু সহযোগত চলিত বিধান সভাৰ কাৰ্য্যকালত বিধান সভা পৰিচালনাৰ প্ৰক্ৰিয়া অধিক সুচল অথবা সুষম কৰাৰ উদ্দেশ্যেৰে ভালেসংখ্যক সংস্কাৰমূলক কাৰ্য্যসূচী হাতত লোৱা হৈছিল। ইয়াৰে কিছুসংখ্যকে ন-ৰূপ লাভ কৰিলে আৰু কিছুসংখ্যকৰ কাৰ্য্য পূৰ্ণগতিত চলি আছে ।

চলিত বিধান সভাৰ অধ্যক্ষ হিচাবে দায়িত্বভাৰ গ্ৰহণ কৰা সময়ৰে পৰা কিছুসময় সদন পৰিচালনাৰ দিশত কিছু পৰিমাণে অসুবিধাৰ সন্মুখীন হৈছিলোঁ । বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মসমূহ সময়ৰ সৈতে খাপ খাব পৰাকৈ সংশোধন কৰা হোৱা নাছিল বাবে কিছু বিষয়ৰ যথাৰ্থতা অস্পষ্ট ৰূপত আছিল অথবা কিছুসংখ্যকে স্বকীয়তা হেৰুৱাইছিল । এনে পৰিপ্ৰেক্ষিতত বহুসংখ্যক নিয়মৰ আওতাত নীতি নিৰ্দ্ধাৰণ কৰাত অধ্যক্ষৰ আসনৰ এক্তিয়াৰৰ পৰা স্পষ্ট অথবা সুনিৰ্দিষ্ট নিৰ্দেশনা জাৰি কৰাত গুৰুতৰ অসুবিধাৰ সন্মুখীন হৈছিল । এই মৰ্য্যাদাপূৰ্ণ আসনখনৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পূৰ্বে সৌভাগ্যক্ৰমে দেশৰ উচ্চ সদন ৰাজ্যসভাত সদস্যৰূপে লাভ কৰা দশকজোৰা অভিজ্ঞতাৰ পৰা পতিয়ন গৈছিলোঁ যে ভাৰতীয় সংসদৰ পৰিচালনা নিয়মাৱলীৰ নিয়মসমূহৰ সৈতে আমাৰ নিয়মাৱলীৰ ভালেখিনি সাদৃশ্য থাকিলেও সম্ভৱতঃ সময়ৰ লগত খাপ খুৱাব পৰাকৈ সংশোধন নকৰাৰ বাবে বিধান সভাৰ নিয়ম সমূহে সুস্পষ্ট ৰূপ পোৱা নাছিল । এনে প্ৰেক্ষাপটত বিষয়টো সদনৰ দলপতি তথা মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি বিধান সভাৰ নিয়মাৱলী সমিতিৰ জৰিয়তে নিয়মসমূহৰ সংশোধনীৰ ব্যৱস্থা কৰা হ'ল ।

বিধান সভাৰ নিয়মাৱলী সমিতিয়ে সকলো দিশ পুংখানুপুংখভাৱে চালি-জাৰি চাই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীত কিছু গুৰুত্বপূৰ্ণ সংশোধনীৰ বাবে পৰামৰ্শ আগবঢ়ায় । সমান্তৰালভাৱে, সমিতিয়ে অধ্যক্ষৰ নিৰ্দেশনাৱলী খনৰো সংশোধনীৰ বাবে কিছু পৰামৰ্শ আগবঢ়ায় । উক্ত পৰামৰ্শসমূহ সদনে গ্ৰহণ কৰাৰ লগে লগে সদনৰ প্ৰচলিত নিয়মাৱলীয়ে নতুনত্ব লাভ কৰিলে আৰু বহু জটিল তথা অস্পষ্ট নিয়ম সৰল হৈ পৰিল ।

মাননীয় সদস্যসকল, পঞ্চদশ অধিৱেশনৰ এই কালছোৱাতে বিধান সভাৰ আভ্যন্তৰীণ কাম-কাজ পূৰ্ণৰূপত কাকতবিহীন (Paperless) ভাৱে সম্পাদিত হ'বলৈ আৰম্ভ কৰিলে । বিধান সভা গ্ৰন্থাগাৰৰ Digitalization ৰ জৰিয়তে আৰম্ভ কৰা বিকাশৰ ধাৰাই দ্ৰুতগতিত অগ্ৰসৰ হৈ বিধান সভাৰ প্ৰায় সকলো দিশতে এই আধুনিক বৈদ্যুতিন (electronic) কাৰ্য্যসূচীয়ে বহুলভাৱে প্ৰসাৰতা লাভ কৰিলে। শেহতীয়াকৈ ভাৰত চৰকাৰৰ অন্যতম বহুল প্ৰচলিত প্ৰক্ৰিয়া (APPS) নেশ্যনেল ই-বিধান এপ্লিকেশ্যন চমুকৈ NeVA ৰ জৰিয়তে বিধান সভাৰ সৰ্বস্তৰৰ কাম-কাজ পৰিচালনাৰ বাবে ব্যৱস্থা কৰা হৈছে আৰু এই কাৰ্য্যসূচীয়ে ভালেখিনি অগ্ৰগতি লাভ কৰিছে। এই কাৰ্য্যসূচীৰ পূৰ্ণ ৰূপায়ণৰ লগে লগে চৰকাৰ আৰু বিধান সভাৰ সম্পূৰ্ণ যোগাযোগ বৈদ্যুতিনভাৱে

সম্ভৱপৰ হৈ উঠিব; যাৰ ফলত যোগাযোগ ব্যৱস্থা ক্ষিপ্ৰ আৰু মিতব্যয়ী হৈ পৰিব।

জনসাধাৰণৰ সুবিধাৰ্থে বিধান সভা অধিৱেশনৰ পোনপটীয়া প্ৰচাৰ তথা বিধান সভা সম্পৰ্কীয় বা-বাতৰিৰ লগতে গঠনমূলক আলোচনা তথা কাম-কাজৰ প্ৰচাৰৰ বাবে ‘অসম বিধান সভা লাইভ ষ্টুডিঅ’ স্থাপন কৰা হৈছে ।

মাননীয় সদন, চলিত পঞ্চদশ বিধান সভাৰ কালছোৱাৰ প্ৰথমোৰ্দ্ধতে অসম বিধান সভাই স্থায়ী ভৱন লাভ কৰিলে। আধুনিক কাৰিকৰী প্ৰযুক্তিৰ সৈতে ফেৰ মাৰিব পৰাকৈ প্ৰায় সকলো ধৰণৰ সুবিধা উপলব্ধ হোৱা এই ভৱনত নিয়মিত ৰূপত অধিৱেশন অনুষ্ঠিত কৰিব পৰা হোৱাৰ লগে লগে বহু সময়োপযোগী পদক্ষেপ হাতত লোৱা হ’ল। শেহতীয়াকৈ, অত্যাধুনিক সা-সুবিধা তথা প্ৰযুক্তিৰে নিৰ্মিত বিধান সভাৰ ১৭ মহলীয়া নতুন প্ৰশাসনীয় ভৱন ব্যৱহাৰৰ বাবে সাজু হৈ পৰাত চলিত বিধান সভা অধিৱেশনৰ কালছোৱাত এইটো উদ্বোধন কৰা হয় ।

ইয়াৰ লগতে অসম বিধান সভাৰ বিধায়িনী ঐতিহ্য আৰু ইতিহাস সংৰক্ষণৰ হেতু অত্যাধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে এটা ডিজিটেল সংগ্ৰহালয় আৰু কৃত্ৰিম বুদ্ধিমত্তা (AI)ৰ প্ৰয়োগেৰে **‘আলিছা’** নামৰ লেজিছলেটিভ ইণ্টেলিজেন্স চিষ্টেমৰ শুভ উদ্বোধন কৰা হৈছে। এই সংগ্ৰহালয় হৈছে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো সম্পূৰ্ণ ডিজিটেল সংগ্ৰহালয়, য’ত নিমজ্জিত প্ৰযুক্তি আৰু আন্তঃক্ৰিয়াশীল কাহিনী-কথনৰ জৰিয়তে ৰাজ্যখনৰ গণতান্ত্ৰিক ঐতিহ্য প্ৰদৰ্শন কৰা হৈছে । আনহাতে, ‘আলিছা - এ আই ফৰ লেজিছলেটিভ ইণ্টেলিজেন্স চিষ্টেম অফ আছাম’ — হৈছে ৰাজ্যিক বিধান সভাৰ বাবে ভাৰতৰ প্ৰথম কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় প্লেটফৰ্ম, যিয়ে ৮৫ বছৰৰো অধিক সময়ৰ অসম বিধান সভাৰ নথিপত্ৰসমূহ প্ৰাপ্তিৰ কথোপকথনমূলক আৰু উন্নত বিধান সভাগত বিশ্লেষণৰ সুবিধা প্ৰদান কৰিব ।

সন্মানীয় সদন, বিধান সভাৰ চলিত অধিৱেশনৰ কালছোৱাতে অসম বিধান সভাৰ নতুন ভৱনৰ সন্মুখত **‘৩ ডি প্ৰজেক্‌চন মেপিং শ্ব’ এণ্ড ফাছাড লাইটিং’** ব্যৱস্থাৰ শুভ উদ্বোধন কৰা হয় । পোহৰ আৰু শব্দৰ সমাহাৰেৰে এই বৰ্ণিল প্ৰদৰ্শনীৰ মাধ্যমেৰে অসমৰ গৌৰৱোজ্জ্বল ইতিহাসৰ কাহিনী প্ৰদৰ্শিত হ’ব । সৰ্বসাধাৰণক মনোৰঞ্জনৰ উপৰিও ৰাজ্যখনৰ ঐতিহাসিক ঘটনাৱলীৰ সম্যক জ্ঞান প্ৰদান কৰাৰ লগতে এই ব্যৱস্থাই অদূৰ ভৱিষ্যতে বিভিন্ন উচ্চ পৰ্য্যায়ৰ সভা-সন্মিলন আদিত যোগদান কৰিবলগীয়া দেশী-বিদেশী বিশেষ অতিথি আদিক আলাসতে অসমৰ ইতিহাস-ঐতিহ্য-পৰম্পৰা আদিৰ বৰ্ণনা কৰি আপ্লুত কৰি তুলিবলৈ সক্ষম হ’ব ।

মাননীয় সদস্যসকল, বিধায়িনী ব্যৱস্থাক অধিক স্বচ্ছতা প্ৰদান কৰি জনসাধাৰণ ঘাইকৈ নৱ-প্ৰজন্মৰ সমীপলৈ লৈ যোৱাৰ উদ্দেশ্যেৰে বহু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হ’ল। বিধান সভাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে নজিৰ স্থাপন কৰি সদনৰ স্থায়ী ভৱনৰ পৰিৱৰ্তে কোকৰাঝাৰস্থিত বি.টি.চি বিধান সভা ভৱনত সদনৰ বৈঠক অনুষ্ঠিত কৰা হ’ল ।

নৱপ্ৰজন্মক বিধায়িনী প্ৰক্ৰিয়াৰ সম্যক জ্ঞান প্ৰদান কৰি গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ মৰ্ম উপলব্ধি কৰোৱাৰ উদ্দেশ্যেৰে বিধান সভা সচিবালয়ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিয়মিত ৰূপত Internship ৰ ব্যৱস্থা কৰা হৈছে ।

মাননীয় সদস্যসকল, আমি সকলোৰে জানোঁ যে স্বাস্থ্যই পৰম ধন । এক সুস্থ শৰীৰে সবল ইতিবাচক মানসিক চিন্তাধাৰাক অঙ্কুৰিত কৰে যিটো আইন প্ৰণয়ন ব্যৱস্থাৰ সৈতে জড়িত আমাৰ বিধান সভাৰ সদস্যসকলৰ বাবে এটা অতি গুৰুত্বপূৰ্ণ বিষয় । একে সময়তে চিকিৎসাৰ অধিকাৰ আমাৰ এক জন্মগত অধিকাৰ। জনপ্ৰতিনিধি সকলৰ নিত্যপ্ৰয়োজনীয় সৰু-সুৰা স্বাস্থ্য পৰীক্ষাৰ

হেতু তেখেতসকল চৰকাৰী চিকিৎসালয় সমূহলৈ গ'লে সৰ্বসাধাৰণ ঘাইকৈ আৰ্থিকভাৱে দুৰ্বল লোকসকল কিছু অসুবিধাৰ সন্মুখীন হয় । এই কথা সাৰোগত কৰি আমাৰ কাৰ্য্যকালৰ আৰম্ভণিকালত সুকীয়া-সুকীয়াকৈ এটা চিকিৎসা গোট আৰু এটা ব্যায়ামগাৰ নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিছিলোঁ । অভিজ্ঞ চিকিৎসকৰ লগতে উন্নত মানদণ্ডৰ ফিজিঅ' থেৰাপী, আল্ট্ৰা ছাউণ্ড আৰু লেবৰেট'ৰীৰ সু-ব্যৱস্থা থকা এই বিধান সভা স্বাস্থ্য সেৱা কেন্দ্ৰৰ যোগেদি মাননীয় সদস্যকল, তেখেতসকলৰ পৰিয়ালবৰ্গৰ উপৰিও বিধান সভাৰ বিষয়া-কৰ্মচাৰীসকলে উৎকৃষ্ট সেৱা লাভ কৰাৰ ব্যৱস্থা কৰা হৈছে ।

সন্মানীয় সদন, বিধান সভাৰ অধিৱেশনক আন সকলো ধৰণৰ চৰকাৰী কাৰ্য্যসূচীতকৈ অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। এই আয়োজনে অধিৱেশন অনুষ্ঠিত কৰা স্থানৰ লগতে দাঁতিকাষৰীয়া অঞ্চলবোৰকো প্ৰভাৱান্বিত কৰি অঞ্চলটোৰ উন্নয়নমূলক কাম-কাজ ক্ষিপ্ৰতৰ কৰি তোলে। এনে ইতিবাচক দিশসমূহ অনুধাৱন কৰি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া নেতৃত্বাধীন দূৰদৰ্শী অসম চৰকাৰে ডিব্ৰুগড় চহৰত বিধান সভা ভৱন নিৰ্মাণৰ বাবে গ্ৰহণ কৰা প্ৰস্তাৱে পূৰ্ণতা লাভ কৰিলে। বিগত ৩০ জানুৱাৰী তাৰিখে ভাৰতৰ মাননীয় গৃহমন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই সম্পন্ন কৰা শিলান্যাস কাৰ্য্যসূচীৰ জৰিয়তে ডিব্ৰুগড়তো বিধান সভাৰ ভৱন স্থাপনৰ প্ৰক্ৰিয়াই আনুষ্ঠানিকতা লাভ কৰিলে। এই ব্যৱস্থাৰ কাৰ্য্যকৰীকৰণ হোৱাৰ লগে লগে উজনিৰ হৃদপিণ্ড ডিব্ৰুগড় চহৰে পূৰ্ণৰূপত অসমৰ দ্বিতীয় ৰাজধানীৰ মৰ্য্যাদা লাভ কৰিব ।

মাননীয় সদস্যসকল, চলিত বিধান সভাৰ কালছোৱাতে অসম বিধান সভাই কেইবাখনো ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় সভা সফলতাৰে সম্পন্ন কৰিলে। ৰাষ্ট্ৰ মণ্ডল সংসদীয় সংঘ চমুকৈ CPAৰ আন্তৰ্জাতিক Mid-Year Executive ৰ দৰে গুৰুত্বপূৰ্ণ সন্মিলন অসম বিধান সভাৰ পৌৰহিত্যত গুৱাহাটীত সফলতাৰে সম্পাদন কৰা হ'ল। বিশ্বৰ ৫৩ খন দেশৰ প্ৰতিনিধিৰ যোগদানেৰে অনুষ্ঠিত হোৱা এই আন্তঃৰাষ্ট্ৰীয় সন্মিলন অসম বিধান সভাৰ গৌৰৱময় ইতিহাসৰ সৰ্বপ্ৰথম অনুষ্ঠান ৰূপে লিপিবদ্ধ হ'ল ।

এই বিধান সভাৰ কালছোৱাতে ৰাষ্ট্ৰ মণ্ডল সংসদীয় সংঘ, ভাৰতৰ অষ্টম (8th CPA India Region) সন্মিলনৰ দৰে গুৰুত্বপূৰ্ণ অনুষ্ঠানকে আদি কৰি বিধায়িনী প্ৰক্ৰিয়াক প্ৰভাৱান্বিত কৰা অলেখ সৰু-বৰ অনুষ্ঠান সম্পন্ন কৰা হ'ল। সময়ৰ নাটনিৰ বাবে মই সেইসমূহৰ বিশদ বিৱৰণ দিয়াৰ পৰা বিৰত থাকিলোঁ।

অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত পৰিচালিত হোৱা অসম চৰকাৰ, অসম বিধান সভাৰ মাননীয় উপাধ্যক্ষ ডাঃ নোমল মমিন ডাঙৰীয়া, বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ লগতে অসম বিধান সভাৰ প্ৰত্যেকগৰাকী সন্মানীয় সদস্যৰ অকুণ্ঠ সহযোগ অবিহনে এই কাৰ্য্যসূচীসমূহ আমি সফলভাৱে ৰূপায়ণ কৰিব নোৱাৰিলোহেঁতেন।

মাননীয় সদন, ক'ভিড মহামাৰীৰ সময়ত অধ্যক্ষ হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰা কালছোৱাৰ প্ৰথম সময়ছোৱা আছিল কিছু কণ্টকপূৰ্ণ আৰু প্ৰত্যাহ্বানমূলক। এনে প্ৰত্যাহ্বান নেওচি কিছু সংস্কাৰমূলক কৰ্ম সম্পাদন কৰিবলৈ যাওতে অথবা গণতান্ত্ৰিক প্ৰমূল্যবোধ অক্ষুণ্ণ ৰখাৰ বাবে সদনৰ ভিতৰে-বাহিৰে আমি কিছু কঠোৰ হ'বলগীয়া হৈছিল । আপোনালোক সকলোৱে জ্ঞাত যে অধ্যক্ষৰ আসন নিয়মেৰে পৰিবেষ্টিত আৰু সীমাবদ্ধ। এনে পৰিসীমাত নিয়মৰ আওতাত গ্ৰহণ কৰা কিছু পদক্ষেপ আপোনালোকৰ বাবে সাময়িকভাৱে অসুবিধাৰ কাৰক হ'ব পাৰে। ব্যক্তিগত জীৱনত

আমাৰ কাৰোৰে প্ৰতি কোনো বিৰূপ মনোভাৱ নাই আৰু সকলোকে সমদৃষ্টিৰে সমভাৱে বিচাৰ কৰোঁ।

নিয়মেৰে পৰিবেষ্টিত এই আসনখনৰ মৰ্য্যাদা তথা গৰিমা ৰক্ষাৰ হেতু কেতিয়াবা কঠোৰ হৈ কিছু দৃঢ় পদক্ষেপ গ্ৰহণ কৰাৰ ফলত কোনো সদস্যই যদি দুঃখ পাইছে, তাৰ বাবে আমি ব্যক্তিগতভাৱে ক্ষমাপ্ৰাৰ্থী।

পঞ্চদশ বিধান সভাৰ এই পাঁচ বছৰীয়া পৰিক্ৰমাত অনুষ্ঠিত হোৱা অধিৱেশন সমূহৰ লগতে সদনৰ ভিতৰে-বাহিৰে ৰূপায়িত হোৱা সকলো ধৰণৰ বিধায়িনী কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত মই অসমৰ মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদৰ সকলো মাননীয় সদস্যৰ লগতে বিধান সভাৰ মাননীয় উপাধ্যক্ষ, বিৰোধী দলৰ দলপতিকে ধৰি সদনৰ সকলো মাননীয় সদস্যৰ পৰা যি সহায়-সহযোগিতা লাভ কৰিলোঁ, তাৰ বাবে মই তেখেতসকলৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লোঁ । আপোনাসবৰ আকুল সঁহাৰি আৰু সহযোগিতাৰ বাবে মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

লগতে, অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধানকে ধৰি পঞ্চদশ বিধান সভা অধিৱেশনৰ লগত জড়িত চৰকাৰী বিষয়া-কৰ্মচাৰী সকলৰ লগতে বিধান সভা সচিবালয়ৰ সচিব তথা সমূহ বিষয়া-কৰ্মচাৰী, প্ৰচাৰ মাধ্যমৰ বন্ধুসকলকে আদি কৰি সকলো পক্ষলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি আগন্তুক দৌল উৎসৱ, ইদ-উল-ফিটৰ, ৰঙালী বিহু তথা ৰংজালী বৈশাগু, দেউৰী বিহু আৰু গুড ফ্ৰাইদে উপলক্ষে আগতীয়াকৈ শুভেচ্ছা জনালোঁ ।

মাননীয় সদস্যসকল, অসম বিধান সভাৰ সাধাৰণ নিৰ্বাচনৰ দিন সমাগত । কিছুদিনৰ পিছতে অনুষ্ঠিত হ'বলগীয়া সাধাৰণ নিৰ্বাচনত আমাৰ মাজৰ গৰিষ্ঠসংখ্যক সদস্যই হয়তো পুনৰবাৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব । কিছু আগতীয়াকৈ হ'লেও মই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া সকলো সদস্যলৈকে মোৰ আন্তৰিক শুভকামনা জনালোঁ ।

অনাগত দিনত গঠন হ'বলগীয়া ষষ্ঠদশ বিধান সভাত সকলোৰে পুনৰবাৰ মিলিত হোৱাৰ আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ । ধন্যবাদ।

এতিয়া সকলোকে মই মানে এটা আশা থাকিল যে আমি পুনৰ লগ হম। মই নহলেও আপোনালোকে সকলোৰে পুনৰ ইয়াত আহি লগ হ'ব। আৰু ইশ্বৰে সকলোকে শক্তি দিয়ক। আৰু তেনেকুৱাকৈ যেনেকৈ ৰাজ্যখনক আগুৱাই লৈ গৈ আছে সকলোৰে মিলি আহি থকা সময়ত যিটো ষষ্ঠদশ বিধান সভা তাত আৰু বেছি আগুৱাই লৈ যাব পাৰে তাকে কামনা কৰি আৰু কিবা যদি কেতিয়াবা কোনোবা কথাকলৈ কাৰোবাক আঘাট হানিছো নিশ্চয় মই ক্ষমাৰ যুগ্য, গতিকে ক্ষমা পাম বুলি আশা ৰাখিছো। গতিকে এইখিনিয়ে মই কলো। শেষত এই বিধান সভাৰ পৰা বিধান সভাই আমাৰ অলপ মিছ কৰিব সকলোকে। উপায় নাই এইটো আমাৰ নিয়মমানি আমি সকলোৰে চলিব লাগিব। যিমানে ভাল কাম নকৰক কাৰো প্ৰমাণ পত্ৰ আমাৰ কাৰো প্ৰতিনিধিক বাহাল ৰাখিব নোৱাৰে। সেইটো অৎভূৎ আমাৰ ডেমোক্ৰেচি। পুনৰ ৰাইজে ভোট দি পঠাব লাগিব। নহলে কাৰো ভাল কামে কেতিয়াও বাহাল ৰাখিব নোৱাৰে। সেইটো ভাৰতৰ সুন্দৰ ডেমোক্ৰেচি। গতিকে আমি চেলুট কৰিব লাগিব, গতিকে আহি থকা দিন সকলোৰে ভাল এইখিনি কথা কৈ মই মোৰ বক্তব্য সমাপ্ত কৰিছো। আৰু সকলোকে আমাৰ বিষয়া সকলক আজিৰ পৰা মইও অধ্যক্ষ নহয় নহয় হৈ থাকিম। দায়িত্বত থাকিলেও। মই পুনৰ ধন্যবাদ জনাইছো, আগলৈ যিজনে নতুন অধ্যক্ষ হ'ব তেওঁলোকক আপোনালোকে পৰামৰ্শ দি প্ৰথম যাতে তেওঁ কাৰ্য পৰিচালনা কৰাৰ ক্ষেত্ৰত ভাল

ভাৰে গাইড দিব পাৰে গাইড দিয়ে তাকে অনুৰোধ কৰিছো, কাৰণ পলিটিচিয়ান সদায় এনেকৈ আহিব যাব। কিন্তু আমাক বিধান সভাৰ বিষয়া কৰ্মচাৰী কিছু দীঘলীয়া দিনৰ কাৰণে। গতিকে সংসদীয় পক্ৰিয়াটো আপোনালোকতকৈ বেলেগে বেছি নাজানে। গতিকে আপোনালোকে অধ্যক্ষ আহি বহাৰ লগে লগে তেওঁৰ ওপৰত নিৰ্ভৰ নকৰি আপোনালোকে তেওঁৰ লগত আলোচনা কৰি আমাৰ কাৰ্য প্ৰণালী বিলাক অলপ তেওঁক আপোনালোকে ডিফেন্ড দিব আৰু তেওঁৰ যদি অভিজ্ঞতা আছে তেতিয়া তেওঁৰ পৰামৰ্শ মতে আপোনালোকে জানে পাৰিব। গতিকে আপোনালোকৰো দায়িত্ব আছে। যে অধ্যক্ষক আমি কেনেকৈ কম, তেনেকুৱা ভাৰ ধৰি ৰাখিব নালাগে। গতিকে বিধান সভা আমাৰ সকলোৰে কাৰণে আৰু বিধান সভাই মূল আৰু ইয়াৰ ভিতৰত আপোনালোকে সকলে মূল। গতিকে আহি থকা দিনৰ কাৰণে আপোনালোককো শুভেচ্ছা জনালোঁ।

এতিয়া সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল।

(অ' মোৰ আপোনাৰ দেশ ) সংগীত বাজি উঠে।